# নগাঁও মহাবিদ্যালয়

# আলোচনী

৫২ তম্ সংখ্যা, ২০১১-১২



সম্পাদক ঃ নয়ন জ্যোতি বনিয়া



*The Persistence of memory, 1931*
Salvador Dali

# নগাঁও মহাবিদ্যালয় আলোচনী

৫২ তম সংখ্যা

NOWGONG COLLEGE

Session : 2011-12

Editor : Noyan Jyoti Bonia

## নগাঁও মহাবিদ্যালয়

২০১১-২০১২ শিক্ষাবৰ্ষ


সম্পাদক **নয়ন জ্যোতি বনিয়া**

শিক্ষক তত্ত্বাৱধায়ক ড° মনোজ কুমাৰ নাথ

# নগাঁও মহাবিদ্যালয় আলোচনী

## নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত


**সম্পাদনা সমিতি**

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° শৰৎ বৰকটকী |
| তত্ত্বাৱধায়ক | ঃ | ড° মনোজ কুমাৰ নাথ |
| সম্পাদক | ঃ | নয়ন জ্যোতি বনিয়া |
| সদস্য | ঃ | কল্পনা হাজৰিকা গায়ন |
| | | নৰ কুমাৰ মহন্ত |
| | | অনন্যা হিলৈদাৰী |
| ছাত্ৰ সদস্য | ঃ | কৃষ্ণ কিংকৰ খাটনিয়াৰ |
| | | সুৰুয ফুকন |
| | | গংগোত্ৰী গাৰ্গ |
| বেটুপাতৰ শিল্পী | ঃ | প্ৰীতম পাল (স্নাতক তৃতীয় বৰ্ষ) |
| বেটুপাতৰ বিষয় | ঃ | *আমি কোন? মানৱ নে দানৱ?........* |
| | | *সমাজ আজি কোন দিশে?* |
| | | *নিচলা আই ; তোমাৰ ৰক্তাক্ত চকুপানী, চিৰাচিৰ হোৱা হৃদয়* |
| | | *এতিয়াও শিকলিৰ মাজত আবদ্ধ নেকি?* |
| | | *এখন ডেউকা অবিহনে চৰাই উৰামৰা সম্ভৱ জানো?* |
| স্কেচ | ঃ | প্ৰীতম পাল |
| অংগসজ্জা-অলংকৰণ | ঃ | সূৰ্য্য প্ৰিণ্টিং ৱৰ্কচ |
| আৰ্হি কাকত চাওঁতা | ঃ | সূৰ্য্য প্ৰিণ্টিং ৱৰ্কচ |
| মুদ্ৰণ | ঃ | **সূৰ্য্য প্ৰিণ্টিং ৱৰ্কচ** |
| | | গোপীনাথ বৰদলৈ পথ, ফৌজদাৰীপট্টি, নগাঁও |
| | | ফোন নং- (০৩৬৭২) ২৩০৯৭০ |
| | | ই-মেইল ঃ spw_trishar@yahoo.com |

যোৱা বছৰটোত জ্ঞাতে-অজ্ঞাতে আমাৰ মাজৰ পৰা আঁতৰি যোৱা
প্ৰতিজনৰ বিদেহী আত্মালৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

# অধ্যক্ষৰ একাষাৰ



সমাজসেৱক মতিৰাম বৰাৰ নেতৃত্বত এদল জ্ঞানযোগীৰ অক্লান্ত চেষ্টাত ১৯৪৪ চনত অংকুৰিত হোৱা নগাঁও কলেজ আজি জ্ঞানৰ মহীৰূহ ৰূপে পুষ্প-পত্ৰে বিকশিত হৈছে। যেতিয়া দেশত স্বাধীনতা সংগ্ৰাম তীব্ৰতৰ হৈছিল সেই সেই সময়ত অজ্ঞানতাৰ অমোঘ নিবিড় আন্ধাৰত জ্ঞান-বিজ্ঞানৰ পোহৰ বিলাবলৈ স্থাপন কৰিছিল এইখন শিক্ষানুষ্ঠান। জ্ঞানযোগীসকলৰ সপোন আছিল যাতে এই বিদ্যামন্দিৰে জ্ঞানৰ জেউতিৰে চাৰিওফালে পোহৰাই তুলিব পাৰে। সেই সপোন লৈয়েই অগ্ৰসৰ হৈছিল নগাঁও কলেজ। নিৰন্তৰ গতি আৰু পৰিৱৰ্তন। 'অতীতৰ লগত সম্পৰ্ক আৰু ভৱিষ্যতলৈ সৃজনশীল অগ্ৰসৰতা' এই মন্ত্ৰক লৈ ধাৱমান নগাঁও কলেজৰ বৌদ্ধিক চিন্তা প্ৰতিফলিত হৈ আহিছে কলেজৰ মুখপত্ৰ আলোচনীখনত। কলেজৰ আলোচনী মানেই হ'ল সুগন্ধি পুষ্পৰ পাপৰি সদৃশ পৃষ্ঠাসমূহত মনৰ অনুভূতি উখল-মাখল আৱেগক স্থান দিয়া আৰু গভীৰ চিন্তাক ৰূপ দিব পৰা এক সৃজনীশীল মাধ্যম। শুভশক্তিক উন্মোচন কৰিব পৰা এখন পথাৰ। ইয়াৰ পৰাই আৰম্ভ হয় শৈক্ষিক-সাংস্কৃতিক যাত্ৰাপথ। সুপ্ত প্ৰতিভাক জগাই তুলিব পৰা এই আলোচনীতেই অসমৰ কেইবাগৰাকী আজিৰ প্ৰথিতযশা সাহিত্যিকে প্ৰথম লিখনি প্ৰকাশ কৰি সাহিত্যসাধনাৰ পথাৰখনত খোজ পেলাইছিল। ঐতিহ্য আৰু আধুনিকতাৰ সমন্বয় ঘটা নগাঁও কলেজ আলোচনীখনৰ যাত্ৰাপথত বাধা থাকিলেও সম্পাদকৰ সোণাৰুফুলীয়া সপোনত দাগ লাগিব দিয়া নাই। মনৰ সেউজীয়া কঁহুৱানি ডৰাত লাগি থকা নিয়ৰ সৰি পৰে। এই কঁহুৱা আৰু নিয়ৰৰ মাজতে থাকে হেঁপাহ আৰু সপোন। আশাকৰোঁ এইবাৰৰ আলোচনীখনত হেঁপাহ আৰু সপোনবোৰ ভালদৰে প্ৰতিফলিত হ'ব আৰু লগতে বুদ্ধি আৰু যুক্তিৰ সূক্ষ্ম বিচাৰত সাহিত্যৰ সৌন্দৰ্যবোধ আৰু ৰসবোধৰ জ্ঞানৰ চানেকি ইয়াত প্ৰকাশ হ'ব।

অসমৰ মাননীয় মন্ত্ৰী শ্ৰীযুত ৰকিবুল হুছেইনে যেতিয়া নগাঁও কলেজৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব লৈছিল তেতিয়াই এই কলেজখনৰ আন্তঃগাঁঠনি আৰু শৈক্ষিক দিশত আমোল পৰিবৰ্তন হৈছিল। বৰ্তমানৰ পৰিচালনা সমিতিৰ কৰ্মকুশলতাই কলেজখনক নতুন ৰূপ দিয়াত বিশেষ অৰিহণা যোগাইছে। চৰকাৰী অনুদান আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহাৰ্যত কলেজখনত আন্তঃগাঁঠনি

উন্নত কৰাৰ লগতে শৈক্ষিক দিশতো বলিষ্ঠ পদক্ষেপ লোৱাৰ বাবে কেতবোৰ আঁচনি কাৰ্যকৰী কৰা হৈছে। বৰ্তমান নগাঁও কলেজখন ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ মানচিত্ৰত যাতে এক বিশেষ স্থান পায় তাৰবাবে পৰিকল্পনা কৰা হৈছে। জ্ঞান লাভৰ লগে লগেই নগাঁও কলেজত পঢ়া ছাত্ৰ-ছাত্ৰীয়ে যাতে কৰ্মসংস্থানত অগ্ৰাধিকাৰ লাভ কৰে তাৰবাবে কেতবোৰ নতুন আঁচনি লোৱা হৈছে। নতুন প্ৰজন্মই যাতে ভোগবাদৰ মাজত উটি-ভাঁহি নগৈ নিজৰ দায়িত্বৰ বাবেও সচেতন হয়, তাৰ বাবেও বিশেষ যত্ন লোৱা হৈছে। পৰম্পৰাগত পাঠ্যক্ৰমৰ লগত মুকলি বিশ্ববিদ্যালয়ৰ জৰিয়তে 'ডুৱেল ডিগ্ৰী' ব্যৱস্থাৰে ছাত্ৰ-ছাত্ৰীসকলক একেটা সময়তে দুটা পৃথক ডিগ্ৰীৰ পাঠ্যক্ৰম পঢ়াৰ সুবিধা দিয়া হৈছে। শিক্ষক-অভিভাৱকৰ মাজৰ সম্বন্ধ দৃঢ় কৰিবৰ কাৰণে গুৰুত্ব দিয়া হৈছে আৰু 'অভিভাৱক-শিক্ষক সন্মিলনী' সভা পতা হৈছে। তদুপৰি কলেজৰ পুথিভঁড়ালত গ্ৰন্থৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে ইণ্টাৰনেটৰ যোগেদি 'ডিজিটেল লাইব্ৰেৰী' মুকলি কৰা হৈছে। শেহতীয়াকৈ ইন্‌ডৰ ষ্টেডিয়াম আৰু ৰেম্পৰ নিৰ্মাণ কাম চলাই থকা হৈছে। কলেজত 'ৱাইফাই' সংযোগ, ভি. পি. এন ব্ৰডব্ৰেন সংযোগ এন. এম. ইৰ জৰিয়তে কাৰ্যকৰী কৰাৰ আঁচনি লোৱা হৈছে।

নগাঁও কলেজে 'নাক'ৰ পৰা 'এ' গ্ৰেড লাভ্ কৰাৰ উপৰিও ভাৰত চৰকাৰৰ বায়'টেক্‌ন'লজি বিভাগৰ পৰা ষ্টাৰ কলেজ স্বীকৃতি লাভ কৰি বিশেষ অনুদান লাভ কৰিছে।

শিক্ষকৰ ত্যাগ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সাধনা তথা অধ্যয়নস্পৃহাৰ বাবে নগাঁও কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষান্ত পৰীক্ষাবোৰত এক চকুত লগা ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। কলা-বিজ্ঞান-বাণিজ্য, এই তিনিওটা শাখাতে কলেজৰ কৃতী শিক্ষকসকলৰ নিষ্ঠা, আশাশুধীয়া প্ৰচেষ্টা আৰু ছাত্ৰ-ছাত্ৰীৰ শ্ৰম আৰু সাধনাৰ বাবে পৰীক্ষাত যি উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হৈছে তাৰ দ্বাৰা নগাঁও কলেজে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ এখন উল্লেখযোগ্য কলেজ হিচাপে স্থান লাভ কৰিছে।

পূৰ্বৰে পৰা চলি থকা অসমীয়া বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ লগতে চলিত শৈক্ষিক বৰ্ষৰ পৰা উদ্ভিদ বিজ্ঞান বিভাগ আৰু বুৰঞ্জী বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত মুকলি কৰা হৈছে। উল্লেখযোগ্য যে কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰটি পি. এইচ. ডিৰ বাবে উপযুক্ত গৱেষণাগাৰ বুলি বিশ্ববিদ্যালয়ে দিয়া স্বীকৃতিয়ে কলেজখনৰ প্ৰতি সুকীয়া মৰ্যাদা কঢ়িয়াই আনিছে। কলেজৰ ছাত্ৰী নিবাস আৰু ছাত্ৰাবাস মেৰামতি কৰা হৈছে আৰু যিমান পাৰি সা-সুবিধা দিবলৈ যত্ন কৰা হৈছে।

খেলা-ধেমালি, গীত-মাত, সুকুমাৰ কলা, নাটক আদি দিশত যাতে কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে বিশেষ পাৰদৰ্শিতা দেখুৱালৈ সক্ষম হয় তাৰ বাবেও যত্ন লোৱা হৈছে।

কলেজখনৰ এই বহুমুখী উন্নয়নৰ বাবে পৰিচালনা সমিতিৰ সভাপতি তথা সকলো সদস্য, শিক্ষক, অনা-শিক্ষক কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ ঐকান্তিক প্ৰচেষ্টাৰ বাবে মই কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।



# তত্ত্বাৱধায়ক শিক্ষকৰ একাষাৰ

একোটা শিক্ষানুষ্ঠানে সমাজৰ গতি নিৰ্ধাৰণ কৰিব পাৰে, ইতিহাস সৃষ্টি কৰিব পাৰে, ইতিহাস সলনি কৰিব পাৰে। কাৰণ শিক্ষানুষ্ঠান মানেই মানুহ, জীৱন আৰু সমাজ গঢ়াৰ স্থল।

একোটা অঞ্চলত কোনো এটা শিক্ষানুষ্ঠানৰ গুৰুত্ব ঐতিহাসিক হৈ উঠে। অবিভক্ত নগাঁও জিলাত নগাঁও মহাবিদ্যালয়ে এক ঐতিহাসিক গুৰুত্ব লাভ কৰি আহিছে। যোৱা শতিকাৰ চতুৰ্থ দশকত জন্ম লাভ কৰা দিন ধৰি যোৱা প্ৰায় সাতটা দশকত নগাঁও মহাবিদ্যালয়ে অবিভক্ত নগাঁও জিলাৰ শৈক্ষিক আৰু বৌদ্ধিক উন্নয়নত এক সফল আৰু বিৰল ভূমিকা গ্ৰহণ কৰি আহিছে। সমগ্ৰ অসমৰ শৈক্ষিক আৰু বৌদ্ধিক উন্নয়নত কটন কলেজৰ যি ভূমিকা মধ্য অসমৰ বৌদ্ধিক আৰু শৈক্ষিক উন্নয়নত সেই ভূমিকা নগাঁও মহাবিদ্যালয়ে পালন কৰি আহিছে জন্মলগ্নৰ দিন ধৰি।

আজিৰ সময়ত, অৰ্থনৈতিক বিশ্বায়নৰ প্ৰেক্ষাপটত উচ্চ শিক্ষাৰ সমগ্ৰ ধাৰণা আৰু অনুষ্ঠানসমূহ বিভিন্ন দিশৰ পৰা অহা বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এই প্ৰত্যাহ্বান সমূহক সাহসেৰে মোকাবিলা কৰাতেই এতিয়া উচ্চ শিক্ষানুষ্ঠান সমূহৰ ভৱিষ্যতৰ গতি আৰু গুৰুত্ব নিৰ্ভৰ কৰিছে। নগাঁও মহাবিদ্যালয়ে এই প্ৰত্যাহ্বান সমূহক ইতিমধ্যেই সফলতাৰে মোকাবিলা কৰি আহিছে আৰু ভৱিষ্যতেও সফলতাৰে মোকাবিলা কৰি যাব। এয়া নগাঁও মহাবিদ্যালয় পৰিয়ালৰ বিশ্বাস আৰু প্ৰতিশ্ৰুতি।

কিছুমান শিক্ষানুষ্ঠানৰ মানদণ্ডৰ ওপৰত একোখন সমাজ, একোটা অঞ্চল নিৰ্ভৰশীল হৈ পৰে। ধৰি লওঁক, কটন কলেজ ভাল হৈ থকাটো সমগ্ৰ অসমৰ সমাজৰ বাবেই প্ৰয়োজনীয়। ঠিক তেনেদৰে, নগাঁও মহাবিদ্যালয় ভাল হৈ থকাটো সমগ্ৰ মধ্য অসমৰ বাবে প্ৰয়োজনীয়। এটা কথা ঠিক, আজিৰ সময়ত যেনেকৈ কটন কলেজে সমগ্ৰ অসমৰ বৌদ্ধিক বা শৈক্ষিক উত্তৰণৰ একপক্ষীয় নেতৃত্ব ল'ব নোৱাৰে, নগাঁও

মহাবিদ্যালয়েও অবিভক্ত নগাঁও জিলাৰ শৈক্ষিক বা বৌদ্ধিক উত্তৰণৰ একপক্ষীয় নেতৃত্ব ল'ব নোৱাৰে। কিন্তু কটন কলেজ অসমৰ শিক্ষাৰ বাবে এতিয়াও এক model, নগাঁও কলেজ অবিভক্ত নগাঁও জিলাৰ শিক্ষাৰ ক্ষেত্ৰত এতিয়াও এক model। কটন কলেজ ভাল হৈ থকাই সমগ্ৰ অসমৰ শিক্ষানুষ্ঠানক অনুপ্ৰাণিত কৰে, নগাঁও কলেজ ভাল হৈ থকাই মধ্য অসমৰ শৈক্ষিক পৰিবেশটোকেই যোগাত্মক সহায় কৰে।

এইখিনিতেই ঐতিহাসিক গুৰুত্বৰ কথা আহে, ঐতিহাসিক দায়িত্বৰ প্ৰশ্ন আহে। নগাঁও কলেজ হোৱাৰ এই গুৰুত্ব নগাঁও কলেজৰ লগত জড়িত প্ৰতিজনে অনুধাৱন কৰে আৰু এই গুৰুত্বই অনা দায়িত্বকো প্ৰতিজনে উপলব্ধি কৰে। এই উপলব্ধিয়ে নগাঁও মহাবিদ্যালয়ৰ প্ৰতিজনক শিকাইছে এখন সৰ্বোত্তম কলেজৰ সপোন দেখিবলৈ, এই সপোনক বাস্তৱ ৰূপ দিয়াৰ অহোপুৰুষাৰ্থ কৰিবলৈ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বছৰেকীয়া আলোচনীখনে মহাবিদ্যালয়খনৰ সাম্প্ৰতিক এক প্ৰতিচ্ছবি দাঙি ধৰে। এই বছৰৰ আলোচনী সম্পাদক নয়ন জ্যোতি বনিয়াই আলোচনীখন যথাসময়ত আৰু উচ্চ মানদণ্ডৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে। শিক্ষক তত্ত্বাধাৱক হিচাপে মই তেওঁৰ প্ৰচেষ্টাক সফল কৰিবলৈ যিখিনি সহায়ৰ প্ৰয়োজন, সেইখিনি কৰিবলৈ চেষ্টা কৰিছো।

যিকোনো গ্ৰন্থ বা আলোচনী এখনৰ বিচাৰক হ'ল পাঠক। যদি এই আলোচনীখন সৰ্বাংগসুন্দৰ কৰি তোলাত আমি অসফল হৈছো, তেন্তে এই অসফলতা সম্পাদকৰ লগতে শিক্ষক তত্ত্বাবধায়ক হিচাপে মোৰো।

শেষত, অধ্যক্ষ মহোদয়, আলোচনীখনৰ 'সম্পাদনা সমিতি'ৰ প্ৰতিজন সদস্য আৰু আলোচনীখন প্ৰকাশৰ বিভিন্ন স্তৰত আমালৈ সহায়ৰ হাত আগবঢ়োৱা প্ৰতিজনলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**মনোজ কুমাৰ নাথ**

# সম্পাদকৰ টোকা

নগাঁও মহাবিদ্যালয়ৰ দৰে এক ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ ছাত্ৰ একতা সভাৰ ২০১১-২০১২ বৰ্ষৰ আলোচনীখন প্ৰকাশ কৰিবলৈ পাই আলোচনী সম্পাদক হিচাবে নিজকে ধন্য মানিছো।

অনুভৱ কৰিছো— মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী এখন প্ৰকাশ কৰাটো এক বিৰাট প্ৰত্যাহ্বান। ছাত্ৰ-শিক্ষক-কৰ্মচাৰীৰ সুস্থ সংমিশ্ৰণৰেহে মহাবিদ্যালয়ৰ আলোচনী এখনে পূৰ্ণাংগ ৰূপ পাব পাৰে। পূৰ্ণাংগ ৰূপত আলোচনীখন প্ৰকাশ কৰিবলৈ মই অহোপুৰুষাৰ্থ কৰিছিলো। আলোচনীখন প্ৰকাশৰ গোটেই প্ৰক্ৰিয়াটোত বহু তিতা-মিঠা অভিজ্ঞতা সঞ্চয় কৰিলো, যিবোৰ ভৱিষ্যতে মোৰ মূল্যবান স্মৃতি হৈ ৰ'ব।

চেষ্টা কৰিছিলো— আলোচনীখনক সাহিত্যধৰ্মী কৰাতকৈ প্ৰাসংগিক কৰিবলৈ। মহাবিদ্যালয় এখনৰ বাৰ্ষিক আলোচনীখনত সাহিত্যৰ গুৰুত্ব নিশ্চয় আছে। কিন্তু অকল সাহিত্যই আলোচনী এখনৰ বিষয় নিশ্চয় হ'ব নোৱাৰে। সেয়ে চেষ্টা কৰিছিলো— পৰম্পৰাৰ পৰা অকণমান আঁতৰিবলৈ। চেষ্টা কৰিছিলো— সাম্প্ৰতিক আৰু সামগ্ৰিক পৰিবেশত ছাত্ৰ সমাজৰ প্ৰয়োজনসমূহক সম্বোধন কৰিবলৈ। আৰু এই পৰিকল্পনা আৰু চেষ্টাৰ নেতৃত্ব লৈছিল শিক্ষক তত্ত্বাবধায়ক ড° মনোজ কুমাৰ নাথ ছাৰে।

বিভিন্ন বিষয়ৰ লগতে আলোচনীখনত এক বিতৰ্কৰো অৱতাৰণা কৰা হৈছে। কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ আজিৰ প্ৰজন্মটোক প্ৰায়ে দিশহাৰা আৰু উশৃংখল বুলি দোষাৰোপ কৰা হয়। কিন্তু এই দোষাৰোপক আজিৰ যুৱচামে কি হিচাপে লয়? কি ভাৱে তেওঁলোকে? নগাঁও মহাবিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ সমাজক বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰি প্ৰস্তুত কৰা হৈছে এক প্ৰতিবেদন।

আলোচনী সম্পাদকৰ দায়িত্ব লোৱাৰ পৰা আলোচনীখন প্ৰকাশ হৈ ওলোৱালৈ বিভিন্নজনে বিভিন্ন পৰ্যায়ত মোলৈ সহায় আগবঢ়োৱা সুৰুজ, লক্ষ্মী, স্মৃতি, শিল্পী, মেঘা, মহিবুৰ, পঙ্কজ, বিজয়, গৌৰাংগ আৰু আদিললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই প্ৰসংগত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° খৰ্গেশ্বৰ ভূএগ্ৰা ছাৰ, বৰ্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকী ছাৰ, ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়কদ্বয় ড° দিলীপ শৰ্মা আৰু কৃষ্ণ মেধি ছাৰ, ইংৰাজী বিভাগৰ লীৰা নেওগ, নিবেদিতা দাস পাল বাইদেউ, হিন্দী বিভাগৰ ড° দীপা ডেকা বাইদেউ, ছাত্ৰ একতা সভাৰ মোৰ সতীৰ্থ সকল, মোৰ বন্ধু আৰু সহপাঠীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখন প্ৰকাশৰ প্ৰতিটো ক্ষণত অনন্যা হিলৈদাৰী বাইদেউ আৰু মোৰ বন্ধু প্ৰীতম পালৰ সহায়ক মই সদায় কৃতজ্ঞতাৰে সুঁৱৰিছো। ইয়াৰ উপৰিও আলোচনীখনৰ সম্পাদনা সমিতিৰ প্ৰতিজন শিক্ষক আৰু ছাত্ৰ সদস্যলৈ মোৰ ধন্যবাদ থাকিল। শেষত নিজৰ লিখনিৰে আলোচনীখন সমৃদ্ধ কৰা প্ৰতিজনলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত আলোচনীখনত ৰৈ যোৱা প্ৰতিটো দুৰ্বলতাৰ দায়িত্ব সম্পাদক হিচাপে মই নতশিৰে গ্ৰহণ কৰিছো।

**নয়ন জ্যোতি বনিয়া**

# যাৰ ত্যাগক নগাঁও মহাবিদ্যালয়ৰ পৰিয়ালে পাহৰিব নোৱাৰে....

নগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠাৰ কালৰ পৰা গুণগত শিক্ষাৰ প্ৰসাৰৰ লগতে নগাঁও মহাবিদ্যালয়ক বৌদ্ধিক চিন্তাচৰ্চাৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আৰু উপযুক্ত মানৱ সম্পদ সৃষ্টিৰ বাবে যিসকল মহান ব্যক্তিয়ে অশেষ ত্যাগ আৰু কষ্টৰে এক গৌৰৱোজ্জ্বল ইতিহাস সৃষ্টি কৰিলে সেইসকলক নগাঁও মহাবিদ্যালয় পৰিয়ালৰ সকলো সদস্যই কৃতজ্ঞতাৰে সুঁৱৰে। কৰ্মবীৰ মতিৰাম বৰাৰ পৰা অসমৰ বৰ্তমানৰ মন্ত্ৰী শ্ৰীযুত ৰকিবুল হুছেইন, শ্ৰীযুত আলোক গোস্বামীদেৱলৈকে মহাবিদ্যালয় পৰিচালনা সমিতিৰ গুৰি ধৰা সকলকলৈ আমি এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো।



ওপৰৰ ছবিত এই বছৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত বাণিজ্য শাখাত দশম স্থান লাভ কৰা অভিনৱ পোদ্দাৰক মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি তথা মাননীয় মন্ত্ৰী ৰকিবুল হুছেইনদেৱে অভিনন্দন জ্ঞাপন কৰা এক মুহূৰ্ত।



কৰ্মৰত অৱস্থাত অধ্যক্ষ ড° শৰৎ বৰকটকী



আলোচনী সম্পাদনা সমিতি, ২০১১-১২

বহি বাওঁফালৰ পৰা ক্ৰমে ঃ ড° মনোজ কুমাৰ নাথ (তত্বাৱধায়ক), ড° শৰৎ বৰকটকী (অধ্যক্ষ), নৰ কুমাৰ মহন্ত (সদস্য), অনন্যা হিলৈদাৰী (সদস্যা)

থিয়হৈ বাওঁফালৰ পৰা ক্ৰমে ঃ গংগোত্ৰী গাৰ্গ (ছাত্ৰী সদস্য), নয়ন জ্যোতি বনিয়া (সম্পাদক), সুৰুজ ফুকন (ছাত্ৰ সদস্য)

ফটোত অনুপস্থিত ঃ কল্পনা হাজৰিকা গায়ন (শিক্ষক সদস্যা), কৃষ্ণ কিংকৰ খাটনিয়াৰ (ছাত্ৰ সদস্য)

# সূচীপত্ৰ

অধ্যক্ষৰ একাষাৰ
তত্ত্বাৱধায়ক শিক্ষকৰ একাষাৰ
সম্পাদকীয়

**সোঁৱৰণ ।। ১ — ৭ ।।**

নগাঁও কলেজৰ প্ৰথম গৰাকী অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ সোঁৱৰণত ❖ ড° শৰৎ বৰকটকী
অসমৰত্ন ভূপেন হাজৰিকা ❖ ৰাজশ্ৰী ৰাজলক্ষ্মী
মামণি ৰয়ছম গোস্বামীৰ সাহিত্য কৃতি ❖ টিনা মেধি

**ভিন্নছন্দ ।। ৮ — ৪২ ।।**

সময়ৰ গণনা আৰু মায়া পঞ্জিকাৰ পৃথিৱী ধ্বংসৰ আগজাননী ❖ ড° খৰ্গেশ্বৰ ভূঞা
ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ ❖ ড° লীলা দাস
মৃৎ শিল্প আৰু নগাঁও জিলা ❖ বনশ্ৰী পৰাশৰ
দুৰ্নীতিৰ কবলত ভাৰতবৰ্ষ ❖ প্ৰিয়াংকী শইকীয়া
অসমৰ সাম্প্ৰতিক সমস্যা আৰু কিছু ব্যক্তিগত অনুভৱ ❖ জোনমণি ডেকা
নেপোলিয়ন বোনাপাৰ্ট ঃ উত্থান-পতনৰ নায়ক ❖ সুস্মিতা বৰা
যুব-উচ্ছৃংখলতা ঃ বিশ্বাস এবং বাস্তৱ ❖ ৰুবি দাস
History For Whom? ❖ Kishor Goswami
Issue of Internal Displacement in North-East India ❖ Sangita Bora
Need of Youngsters in Indian Politics ❖ Priyanka Saha
Lokpal Bill : The Great Expectation ❖ Arunabh Konwar
The National Anthem ❖ Priyanka Saikia
Domestic Violence ❖ Paramesh Chowdhury

**জীৱন আৰু দৰ্শন ।। ৪৩ — ৫০ ।।**

ছাত্ৰ সমাজ তথা নৈতিকতা, মূল্যবোধ ইত্যাদি ❖ অৰ্ণৱ বৈৰাগী
Charm of Life in the Threshold of Present - Day Society ❖ Dr. Nabaprasad Nath
Stress Management and the Art of a Better Living ❖ Dr. Banashree Saikia
Contradiction in Human Qualities and Ethics ❖ Masuma Begum
Three Things ❖ R. K. Mazindar

**বিজ্ঞান ।। ৫১ — ৬৪ ।।**

পৰিবেশ সংৰক্ষণত ছাত্ৰ সমাজৰ ভূমিকা ❖ ড° বিভা গোস্বামী
বৈজ্ঞানিক মানসিকতা, ভগৱানৰ অস্তিত্ব আৰু আমাৰ শিক্ষা ব্যৱস্থা ❖ ড° লক্ষ্যজ্যোতি বৰঠাকুৰ
Biochemistry of Alcohol Toxicity and its Social Impact ❖ Rana Sanjay Kumar Singh
Global Warming ❖ Ibrahim Zaman
Acid rain And Green House Effect ❖ Mitashri Borah

Deep – Sea life ❖ Chayanika Devi
Utility Plant ❖ Arup Jyoti Das

**শিক্ষা ।। ৬৫ – ৮০ ।।**

শিক্ষাও যখন বৈষম্যের কারণ ❖ ড° সঞ্জয় দে
Quality Assurance and Good Governance In Higher Education ❖ Kamakhya P. Chowdhuri
Higher Education : Challenges and Opportunities ❖ Afzalur Rahman
Importance of English in Education ❖ Kangkita Kalita

**ভ্ৰমণ ।। ৮১ – ৮৫ ।।**

একাঁজলি অনুভৱ ❖ ড° ফাৰিস্তা য়াচমিন

**স্মৃতি আৰু অনুভৱ ।। ৮৬ – ৮৯ ।।**

নগাঁও কলেজ— এক মিঠা অনুভৱ ❖ অনুভূতি গায়ন
S. P. P Girls' Hostel : A Snapshot ❖ Monalisa Chhetry

**সাহিত্য চিন্তন ।। ৯০ – ৯২ ।।**

সাহিত্যত আধুনিকতাবাদ ❖ কল্পনা হাজৰিকা গায়ন

**গল্প ।। ৯৩ – ১০৭ ।।**

ফেচবুকত পৰিণীতা ❖ ড° চিদানন্দ শৰ্মা
গোন্ধ ❖ গীতামণি বৰা
অটোগ্ৰাফ ❖ সুপ্ৰিয়া দেৱী
লক্ষ্য ঃ এক অনন্য যাত্ৰা ❖ গৰিমা দাস
স্বাৰ্থপৰ ❖ শিৱপ্ৰসাদ বৰা

**বিতৰ্ক ।। ১০৮ – ১১৫ ।।**

প্ৰসংগ ঃ যুৱ উচ্ছৃংখলতা

**কবিতা ।। ১১৬ – ১৩২ ।।**

কবিসকল ঃ ৰাজশ্ৰী ৰাজলক্ষ্মী, লিপি হাজৰিকা, দৃষ্টিপৰ্ণা শইকীয়া, অনুৰাগ গগৈ, অৰ্ণৱ বৈৰাগী, বিকাশ ৰঞ্জন বৰা, শিৱম কুমাৰ দেৱ, বৰ্ষা তামুলী, অনুপম বৰা, অংকিতা ৰাজকুমাৰী, বিদ্যুৎ কলিতা, অচ্যুত কুমাৰ শইকীয়া, কৃষ্ণা দেৱী, প্ৰীতম পাল, দিপামণি বৰা, সুমন দাস, সীমা সাহনী, তপস্যা শৰ্মা, শ্ৰুতিধাৰা বরা, শিবানন ভূয়া, দীপা বেগম, সালমা খাতুন, Manai Engti Katharpi, Lipika Borah, Poushali Chatterjee, Dhoromsing Ronghang, Lyra Neog (Translation), Pallabi Konwar, Chiranjit Poddar

**কলা আৰু খেল জগত ।। ১৩৩ – ১৩৭ ।।**

বৰ্তমান ভাৰতীয় সংগীত জগত ❖ শিল্পী শিখা বৰা
Oldest Classical Dance of India : Bharat Natyam ❖ Susmita Borah
History of Olympic ❖ Gangutri Garg
History of Football ❖ Ananya Baruah

**গ্ৰন্থ জগত** ।। ১৩৮ — ১৪১ ।।
গ্ৰন্থমেলা ❖ মিতাশ্ৰী বৰা
চৈয়দ আব্দুল মালিকৰ 'অঘৰী আত্মাৰ কাহিনী' ❖ পূজা বণিয়া
গ্ৰন্থ আন্দোলনলৈ নগাঁও মহাবিদ্যালয়ৰ অৱদান, ২০১১-১২
**সম্পাদকীয় প্ৰতিবেদন** ।। ১৪২ — ১৫২ ।।
**আমাৰ গৌৰৱ** ।। ১৫৩ — ১৫৬ ।।
২০১২ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকলৰ তালিকা
**ছাত্ৰ একতা সভাৰ উপ-সভাপতি, সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদকৰ তালিকা, ১৯৭০-২০১২** ।। ১৫৭ ।।
**মহাবিদ্যালয়ৰ সঙ্গীত** ।। ১৫৮ — ১৬০ ।।

## উভতি চাও..



১৯৭৯ বৰ্ষৰ নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্যসকল

# নগাঁও কলেজৰ প্ৰথম গৰাকী অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ সোঁৱৰণত

ড° শৰৎ বৰকটকী ❖



সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা বুলি ক'লে এগৰাকী শিক্ষাগুৰুৰ কথা মনলৈ আহে যি গৰাকীয়ে সজাগ মন, ধীৰ শক্তিৰে চাৰিওফালৰ পৃথিৱীৰ লগত বৌদ্ধিক সংযোগ ৰাখিবলৈ সক্ষম হৈছিল। তীক্ষ্ণধী শিক্ষক যজ্ঞেশ্বৰ শৰ্মাই বুদ্ধিদীপ্ত অন্তৰ্দৃষ্টি আৰু সংবেদনৰ গৰাকী হৈ শিক্ষকতা আৰু সাহিত্যচৰ্চা সমানে অব্যাহত ৰাখিছিল। 'শতপত্ৰ'ৰ যোগেদি চিনাকি হোৱা অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই কৈছিল—'কাব্য সাহিত্যই মানুহক যি আনন্দ দিয়ে সি এটা বিশেষ অভিজ্ঞতা আৰু এই অভিজ্ঞতা আমি গম নাপালেও শিক্ষা মনস্তত্ত্বৰ পণ্ডিতসকলে এনে শিক্ষাক চাৰু কলাৰ Enhancing Effect বুলি কয়।

**'নিৰক্ষৰ কৃষকৰ নাঙলৰ সীৰলুত উঠি অহা ক্ষয় যোৱা ৰূপৰ মুদ্ৰাই সমুদ্ৰগুপ্তক ৰাখি থয়'**— আমি প্ৰথমদিনা যেতিয়া সাহিত্যাচাৰ্যক লগ পাইছিলো ফৰাচী কবি Gauttierৰ এই কবিতাফাঁকি ব্যাখ্যা কৰিছিল সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাই। কথা প্ৰসঙ্গত কৈছিল—'দেৱতাৰো মৃত্যু আছে। ৰস থকা ঋষিৰ বচনে তুচ্ছ কৰে কালৰ বিক্ৰম।'

বহুদৰ্শী, প্ৰাজ্ঞ শিক্ষাগুৰু সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ জন্ম শতবৰ্ষত তেখেতে কোৱা কথাবোৰ মনলৈ আহিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আহি নগাঁও কলেজত চাকৰিত সোমোৱাৰ পিছতেই নিয়মীয়াকৈ সাহিত্যাচাৰ্য গৰাকীৰ ঘৰলৈ গৈছিলো। কিছুদিন অনুলিখক হিচাপেও কিছু কবিতা, প্ৰবন্ধৰ শ্ৰুতলিপি লিখিছিলো। আমাক কৈছিল—'চৰৈৱতি, চৰৈৱতি, উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰাণ নিবোধতঃ। ক্ষুৰস্য ধাৰা দুৰত্যয়া দুৰ্গম পথস্তৎ কায়ো বদন্তি।' দুৰ্গম পথ অতিক্ৰম কৰি মানুহ আগবাঢ়ি যোৱাৰ কাহিনী কৈছিল, কেনেকৈ যোৰহাটৰ জে.বি. কলেজৰ পৰা আহি নগাঁও কলেজত আৰ্থিক অনাটনৰ মাজতো অধ্যক্ষৰ চকীত বহি কলেজখন গঢ়িছিল, এক বৌদ্ধিক অনুষ্ঠানলৈ নগাঁও কলেজক ৰূপান্তৰ কৰাৰ কামত নিজক কিদৰে বিলীন কৰি দিছিল। সাহিত্যাচাৰ্যৰ ভাষাত— '১৯৪৪ চনৰ আগষ্ট মাহৰ পহিলা তাৰিখে মই আহি নগাঁৱত উপস্থিত হ'লো। যোৰহাট কলেজৰ পৰা মোক এৰি দিবলৈ বৰ টান পাইছিল। তথাপিও কৃষ্ণকান্ত সন্দিকৈয়ে মোক ক'লে যে এখন নতুন কলেজ স্থাপন কৰাৰ উত্তেজনা আৰু আনন্দ আপুনি উপভোগ কৰক আৰু অহা তিনি বছৰৰ ভিতৰত যেতিয়াই ইচ্ছা কৰে আপুনি ঘূৰি আহিব পাৰে। অৱশ্যে মোৰ ঘূৰি যোৱা নহ'ল। ... নানা অসুবিধা আৰু সংকটৰ মাজতো ছাত্ৰসকলৰ মাজত আন্তৰিকতা, সহযোগিতা আছিল। অধ্যাপকসকলেও অতি মনোযোগেৰে পঢ়াইছিল আৰু ছাত্ৰবিলাকেও নতুন কলেজ পাই মনোযোগ দি পঢ়া-শুনা কৰিছিল। Tuitorial Class কিছু পৰিমাণে হৈছিল আৰু ৩-৬ মহীয়া পৰীক্ষাবিলাক পতা হৈছিল।' (নগাঁও মহাবিদ্যালয়ৰ আলোচনী, ৩৫ তম সংখ্যা।)

নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰ তথা শিক্ষাবিদ দেবেন্দ্ৰ নাথ হাজৰিকাই কলেজৰ অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ বিষয়ে লিখিছে যে —'পণ্ডিত যজ্ঞেশ্বৰ শৰ্মা ছাৰে ইংৰাজী, অসমীয়া দুয়োটা বিষয়তে সমান দক্ষতাৰে পাঠদান কৰিছিল। চুটি, ৰসাল কথাৰ থুনপাক শৰ্মা ছাৰে দুয়োখন হাত কেতিয়াবা ওপৰলৈ তুলি অধিক কথা চমু ৰসাত্মক কৰি তোলাত গুৰুত্ব দি কৈছিল 'Brevity is the soul of wit তেখেতে হাঁহিছিল, আমিও হাঁহি দিছিলো।' ('নগাঁও কলেজৰ ডুখৰীয়া স্মৃতিৰ পৰশ' প্ৰবন্ধ।)

আন এগৰাকী প্ৰাক্তন কৃতী ছাত্ৰ তথা সাহিত্যিক প্ৰয়াত অমূল্য চন্দ্ৰ নাথে 'নগাঁও কলেজ ঃ স্মৃতিৰ মণিকোঠাৰ পৰা' শীৰ্ষক প্ৰবন্ধত লিখিছিল যে —'১৯৩৫ চনৰ কথা। প্ৰথম বাৰ্ষিকৰ শ্ৰেণীসমূহ আৰম্ভ হোৱাৰ সময়তে লোকপ্ৰিয় বৰদলৈ হলত আমি ছাত্ৰসকল বহি আছো। হঠাতে অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাদেৱ সোমাই আহি 'Golden Treasury' কবিতা কিতাপৰ এটা পৃষ্ঠা মোকলাবলৈ ক'লে। তেখেতে 'The Solitary Reaper' কবিতাটি পঢ়ুৱাবলৈ আৰম্ভ কৰিলে। তেখেতৰ হাতত কিতাপ নাই—স্মৃতিৰ পৰাই পঢ়ুৱাই গৈছিল। Wordsworth ৰ বিষয়ে কোৱাৰ উপৰি কবিতাটিৰ ব্যাখ্যা ইমান সুন্দৰভাৱে কৰিছিল যে আমি অতি সহজে বুজিব পাৰিছিলো আৰু তেখেতৰ পাঠদানৰ যি Style সি ইমান আমোদজনক আছিল যে সেয়া এতিয়ালৈকে স্মৃতিৰ মণিকোঠাত অনুৰণিত হৈ থাকে। অধ্যক্ষ শৰ্মাদেৱে বিভিন্ন প্ৰসংগ উল্লেখ কৰি ইংৰাজী কবিতা, নাটক আদি পঢ়ুৱাৰ কাৰণে ইংৰাজী সাহিত্যৰ এটা বহল আৰু বিশদ অধ্যয়নৰ প্ৰতি আগ্ৰহ বাঢ়িছিল। তেখেতৰ স্মৃতিশক্তি ইমান প্ৰখৰ আছিল যে B.A. শ্ৰেণীত আমি পঢ়া কবিতাবোৰ আৰু নাটৰ কথোপকথনবোৰ সলসলীয়াকৈ মুখস্থ মাতি পঢ়াই গৈছিল .... এয়া আছিল আমাৰ বাবে অমৃতৰ সন্ধান'। ওপৰৰ দুগৰাকী প্ৰাক্তন ছাত্ৰৰ লিখনিৰ পৰা গম পোৱা যায় যে অধ্যক্ষ তথা শিক্ষক হিচাপে যজ্ঞেশ্বৰ শৰ্মাই কিদৰে ছাত্ৰৰ হৃদয়ত স্থান লাভ কৰিছিল। যজ্ঞেশ্বৰ শৰ্মাই নগাঁও কলেজৰ অধ্যক্ষ হৈ থাকোতেই নগাঁও কলেজত বিজ্ঞান আৰু বাণিজ্য শাখা খোলা হৈছিল আৰু প্ৰায়বোৰ বিভাগত অনাৰ্চ খোলা হৈছিল। সাহিত্যাচাৰ্য শৰ্মাদেৱে লিখি থৈ গৈছে যে— 'এই মহাবিদ্যালয় আৰম্ভ হোৱা দিনৰে পৰা একেৰাহে একুৰি চাৰি বছৰৰো অধিক কাল মোৰ শক্তি অনুসাৰে সামান্য সেৱা আগবঢ়ালো। মই নিজে আৰু মোৰ সহকৰ্মীসকলে অলেখ অসুবিধাৰ মাজেৰে কাম কৰিব লগা হৈছিল। নগাঁও মহাবিদ্যালয় মোৰ অতি মৰমৰ অনুষ্ঠান। ইয়াৰ অগ্ৰগতি আৰু কৃতিত্বৰ কথা শুনিলে সদায় আনন্দ পাওঁ। আশা কৰো ভৱিষ্যতেও এই আনন্দ পাই থাকিম। ছাত্ৰ-ছাত্ৰীসকলেও আধুনিক যুগৰ লগত খাপ খাব পৰাকৈ জ্ঞান আহৰণ কৰি দেশখন সকলো প্ৰকাৰে সমৃদ্ধ কৰিব।' (নগাঁও মহাবিদ্যালয় আলোচনী, ৩৬ তম সংখ্যা)

অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই সঁচা অৰ্থৎ নগাঁও কলেজৰ উন্নতি বিচাৰিছিল আৰু বৌদ্ধিক জগতখনক নগাঁও কলেজে নেতৃত্ব দিব বুলি আশা কৰিছিল। সেইবাবেই কলেজত গঢ়ি তুলিছিল এক বৃহৎ পুথিভঁৰাল। যজ্ঞেশ্বৰ শৰ্মাই স্থাপন কৰি যোৱা নগাঁও কলেজৰ পুথিভঁৰালটিয়ে আজি অসমৰ বহুত আগশাৰীৰ কলেজৰ তুলনাত বৃহৎ পুথিভঁৰাল বুলি স্বীকৃতি লাভ কৰিছে। অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ মতে 'এখন মহাবিদ্যালয় মানেই এখন সৰু বিশ্ববিদ্যালয়। এই আদৰ্শ আগত ৰাখিলেহে আমাৰ মহাবিদ্যালয়সমূহৰ আদৰ্শ উন্নত হ'ব।' ইয়াৰ উপৰিও অধ্যক্ষ শৰ্মাদেৱে কৈছিল— 'ছাত্ৰ-ছাত্ৰীৰ সংখ্যাধিক্যই এখন মহাবিদ্যালয়ৰ উন্নতি নুবুজায়। ছাত্ৰৰ সংখ্যা অনুপাতে বক্তৃতা, Tuitorial আৰু বিভিন্ন সাংস্কৃতিক বিষয়ৰ শিক্ষা লাভ কৰিব পাৰে। ........কলেজৰ উন্নতি-অৱনতিৰ লগত কলেজৰ গৱৰ্ণিং বডিৰ সম্বন্ধ আছে।' পণ্ডিত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা অধ্যক্ষ পদত থাকোতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্টৰ সদস্য আছিল আৰু উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈৰ অতি ঘনিষ্ঠ আছিল। কৃষ্ণকান্ত সন্দিকৈৰ সোঁৱৰণত সাহিত্যাচাৰ্য গৰাকীয়ে লিখিছে যে— 'সন্দিকৈদেৱ উপাচাৰ্য হৈ থাকোতে ক্ষমতাশীল মহলৰ উৎসাহ পোৱা কোনো কোনো লোকে কৰ্টৰ সভ্যসকলক ধৰি মেলি উপাচাৰ্য মনোনীত হ'বলৈ চেষ্টা কৰা কথা বহুতে জানে। সেইসকলে নিজে আৰু এজেণ্টসকলৰ যোগে ৰাজনৈতিক ডবা খেলৰ প্ৰতিদ্বন্দ্বিতাৰ দৰে ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ কৰ্টৰ সভ্যসকলক লগ ধৰিছিল। এই লিখককো এই বিষয়ত সন্দিকৈৰ বিৰোধিতা কৰিবলৈ শক্তিশালী লোকে চাইছিল আৰু মোৰ সঁহাৰি নাপাই

মোৰ বিদ্বেষী হৈয়েই পৰিছিল। অৱশ্যে তাৰ ফলো ভোগ কৰিব লগা হৈছিল।' (স্নাতকোত্তৰ মহলাৰ আলোচনী, ৩৬ তম সংখ্যা, গুৱাহাটী বিশ্ববিদ্যালয়)

যজ্ঞেশ্বৰ শৰ্মাদেৱে প্ৰায়েই কৈছিল— 'আমাৰ গীতাখন যুক্তিৰ গ্ৰন্থ। গীতা আমাৰ শিক্ষিত সমাজে বাদ দিয়া ঠিক নহ'ব। কাৰণ ইউৰোপৰ মানুহবিলাকে ভাৱে যে যিবিলাক শিক্ষিত মানুহে বাইবেল নপঢ়ে, সেইবিলাকক-- মানে They stand convicted as uneducated Man. আমাৰ সমাজৰ বিষয়েও সেই কথাটো খাটে।' (স্মৃতিগ্ৰন্থ, নগাঁও গ্ৰন্থমেলা'৯৬)

যজ্ঞেশ্বৰ শৰ্মা নগাঁও জিলাৰ উচ্চ শিক্ষাৰ পিতৃস্বৰূপ আৰু পথ প্ৰদৰ্শক হিচাপে সদায় স্মৰণীয় হৈ থাকিব। ৰসজ্ঞ পণ্ডিত, সাহিত্যাচাৰ্যগৰাকীয়ে সেয়েহে সাধাৰণতে নিজকে এজন শিক্ষক বুলি পৰিচয় দি ভাল পায়। শিক্ষাবিদ প্ৰয়াত হৰেশ্বৰ গোস্বামীয়ে কৈছিল— 'শিক্ষানুষ্ঠানৰ মুৰব্বীগৰাকীৰ একাধিক বিষয়ৰ বহল জ্ঞানৰ পৰিধি থাকিলে বহুত সমস্যাই যে সহজ হৈ পৰে তাৰ উদাহৰণ যজ্ঞেশ্বৰ শৰ্মা। --- অসম কলেজ শিক্ষক সন্থাৰ জন্মলগ্নত অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ ভূমিকা উল্লেখনীয়.... কলেজৰ পৰীক্ষাৰ প্ৰশ্নোত্তৰত পাঁচ শতাংশ নম্বৰ দি ছাত্ৰজনক বিশ্ববিদ্যালয়ৰ পৰীক্ষাত প্ৰথম বিভাগ পাবৰ কাৰণে পঢ়া-শুনা কৰিবলৈ পৰামৰ্শ দিয়াৰ উদাহৰণো ওলাব।' (স্মৃতিগ্ৰন্থ, নগাঁও গ্ৰন্থমেলা'৯৬)

অসম কলেজ শিক্ষক সন্থাৰ ডিব্ৰুগড়ত ১৯৫১ চনত অনুষ্ঠিত অধিবেশনত অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই শিক্ষক, শিক্ষা ব্যৱস্থাৰ সম্পৰ্কে দিয়া ভাষণৰ গুৰুত্ব আজিও আছে। অধ্যক্ষ শৰ্মাই কৈছিল— 'In whole educational edifice, power rests on the teacher. Neither huge building nor big libraries, managing committees composed of big and mighty people can do what a good and honest teacher alone is capable of doing. In these days, teachers as a class are passing through chronic dicontent. They have been feeling like Misers pensioners'. They fail, in most cases, to make two ends met. Teachers cannot be expected to work miracles, transform students by one hours' talk, while outside the college there is a moral climate which envelops both the teacher and the taught ; there are the slogans of the different political parties there is the cinema hall more inviting than the class room. Under the circumtances what the poor teacher is to do ? He finds himself in an alien world where too much is expected off him, but too little is given. He is no anchorite, and has earthly needs to meet which he already greatly curtailed. If he has left us for a handful of silver, he may surely be pardoned. Any how the flickering torch has been kept alive by theses neglected people.'

('Challenge Of Higher Education (ACTA', 1987)

সাহিত্যাচাৰ্য শৰ্মাদেৱে অধ্যক্ষ হৈ থাকোতে - 'Big institution and little minds go ill together' এই কথাষাৰক গুৰুত্ব দিছিল। ডাঙৰ প্ৰতিষ্ঠান আৰু ক্ষুদ্ৰ মন একেলগে থাকিব নোৱাৰে। এই কথা সাহিত্যাচাৰ্যই বিশ্বাস কৰিছিল। পণ্ডিত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ কৰ্মনিষ্ঠা, একাগ্ৰতা, সাধুতাৰ পৰিচয় নগাঁও কলেজৰ অধ্যক্ষ হৈ থাকোতে পোৱা যায়। ৰবীন্দ্ৰনাথৰ কবিতাৰ ভাষাত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাদেৱৰ বিষয়ে ক'ব পাৰি—

*'বিপুল এ পৃথিৱীৰ কতটুকু জানি*

*..... মানুযেৰ কত কীৰ্তি, কত নদী গিৰি, সিন্ধু মৰু....'*

অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ বিপুল প্ৰতিভাৰ কথা এই ক্ষুদ্ৰ প্ৰৱন্ধৰ মাজত আলোচনা কৰি শেষ কৰিব নোৱাৰি। তদুপৰি আমি এটা কথা বিশ্বাস কৰো যে 'ড° জনচনক বুজি তেওঁৰ ছবি আঁকিবলৈ বচ্‌বেলক লগা হয়, মহাপুৰুষ শংকৰদেৱক বুজিবলৈ মাধৱদেৱ, নাৰায়ণ ঠাকুৰক লাগে, শ্ৰীমদ্ভাগৱত বুজিবলৈ ব্যাসদেৱক লাগে, শুকদেৱক লাগে।' তেনেদৰে শিক্ষাবিদ যজ্ঞেশ্বৰ শৰ্মাক বুজিবলৈ যিসকল ব্যক্তিৰ ওচৰলৈ যোৱাৰ প্ৰয়োজন সেইসকলৰ বেছিভাগেই হৈছে শৰ্মাদেৱৰ একালৰ ছাত্ৰ। এই প্ৰৱন্ধ যুগুত কৰোতে তেখেতৰ গুণমুগ্ধ ছাত্ৰক লগ ধৰা হৈছিল। গুৰুত দীক্ষা লৈ তেওঁলোকে আজিও মালাগুটি জপ কৰি আছে।■

---

❖অধ্যক্ষ, নগাঁও মহাবিদ্যালয়

# অসমৰত্ন ভূপেন হাজৰিকা

ৰাজশ্ৰী ৰাজলক্ষ্মী ❖



*তোমাৰ কণ্ঠ বাদ দি মই,*
*মোৰ জনমভূমিৰ নক্সা আঁকিব নোৱাৰো*
*তোমাৰ কণ্ঠ বিয়পি আছে*
*মোৰ আইৰ আকাশ বতাহত*
*বুঢ়া লুইতৰ উত্তাল বুকুত........*

**ক**লাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বিয়োগৰ বাতৰি পাই ড° ভূপেন হাজৰিকাই কৈছিল —'নিজৰ দাঁত থাকিলে মানুহে দাঁতৰ মূল্য বুজি নাপায়, কিন্তু দাঁত সৰিলে মানুহৰ দাঁতলৈ মনত পৰে। জীয়াই থকা অৱস্থাত বিষ্ণু ৰাভাক কোনেও বুজি নাপালে, এতিয়া কিন্তু ৰাভাৰ অভাৱ সকলোৱে অনুভৱ কৰিব........।' বাস্তৱ ক্ষেত্ৰত আমি ভূপেন হাজৰিকাৰ অনুপস্থিতিত এই কথাষাৰৰ তাৎপৰ্য উপলব্ধি কৰিছো। সাগৰ সংগমত কেইবাবাৰো সাঁতুৰি ক্লান্ত নোহোৱা যাযাবৰ শিল্পী ড° ভূপেন হাজৰিকাই অৱশেষত সকলোকে কন্দুৱাই চিৰকাললৈ দুচকু মুদিলে। দাদা চাহেব ফাল্কে বঁটাপ্ৰাপ্ত বিশ্ববৰেণ্য সংগীতৰ ভোটাতৰাগৰাকী আছিল সাহিত্য ক্ষেত্ৰখনৰো এগৰাকী বৰেণ্য সাধক।

১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত শদিয়াৰ এক শিক্ষিত আৰু সম্ভ্ৰান্ত কিন্তু তথাকথিত এক অনুসুচীত পৰিয়ালত জন্ম লাভ কৰা ভূপেন হাজৰিকা একেধাৰে আছিল এগৰাকী গায়ক, আগশাৰীৰ কবি, সাংবাদিক, গদ্যশিল্পী আৰু স্তম্ভ লেখক। কবিতা লিখিছিল ভূপেনদাই। গীত-সুৰৰ সমান্তৰালভাবে শিল্পীগৰাকী ব্যস্ত আছিল শব্দ-ছন্দৰ আখৰাতো। কবিতাৰ ঝঙ্কাৰেৰে এদিন বিশ্ববীণাৰ তাঁৰত মুখৰিত হৈ উঠিছিল ছন্দময় জীৱনৰ মধুময় গান। তিনি শতাধিক চিৰ সেউজ গীতৰ ৰচক ড° ভূপেন হাজৰিকা আমাৰ ৰাজ্যৰ এগৰাকী অদ্বিতীয় গীতি-সাহিত্যিক। তেওঁৰ জীৱনৰ মূল্যায়ন যদি গীতি-সাহিত্যত সীমাবদ্ধ কৰি ৰখা হয় তেনেহ'লে তেওঁৰ প্ৰকৃত মূল্যায়ন কৰা নহ'ব। অসমৰ নাট্য জগতলৈ আগবঢ়োৱা অৱদানে ভূপেনদাক আমাৰ মাজত উজ্জীৱিত কৰি ৰাখিব। ভাৰতীয় চলচ্চিত্ৰলৈ আগবঢ়োৱা জীৱনজোৰা অৱদানৰ বাবে ১৯৯২ চনত এই শিল্পীগৰাকীক দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত হয়। এই মহান শিল্পীগৰাকীয়ে সংগীত নাটক অকাডেমীৰ অধ্যক্ষৰ দায়িত্বত থাকি সত্ৰীয়া নৃত্যক এক সৰ্বভাৰতীয় নৃত্যৰ মৰ্যদা দি সত্ৰীয়া সংস্কৃতিক বিশ্বৰ দৰবাৰত চিনাকি কৰি দি থৈ গ'ল। এইজনা মহাপুৰুষেই লুইতৰ পৰা টেমচলৈ সংস্কৃতিৰ শৰাই কঢ়িয়াই নি আমাক নতুন দিগন্তৰ সন্ধান দিছিল। গানৰ বাস্তৱভিত্তি আৰু ভৱিষ্যৎ দৰ্শন আছিল শিল্পীগৰাকীৰ গানৰ অন্যতম বৈশিষ্ট্য। ৭০ দশকতে নিবনুৱা যুৱকক অ'টৰিক্সা চলাই সংস্থাপন তথা শ্ৰমক মৰ্যাদা দিয়াৰ উদ্দেশ্যে নিজ ভ্ৰাতৃৰ সৈতে গান ৰচি বাস্তৱ নিদৰ্শন দাঙি থৈ গৈছে। সেইদৰে ভূপেনদাই তেখেতৰ অমৰ সৃষ্টি আকাশীগংগা বিচৰা নাই, সাগৰ

সংগমত, বিস্তীৰ্ণ পাৰৰে, কাজিৰঙা কাজিৰঙা আদিৰ যোগেদি প্ৰকৃতিৰ প্ৰতিটো সৃষ্টিৰ দ্বাৰা জ্ঞান ল'বলৈ আমাক সোঁৱৰাই গৈছে। সুধাকণ্ঠই ইয়াৰ লগে লগে বুজাব খুজিছিল সোণতকৈ মানুহৰ দাম অলপ হ'লেও বেছি। আস্থাহীনতাৰ বিপৰীতে গভীৰ আস্থাৰ বীজ ৰোপণ কৰি অসমীয়াক গৰ্ব এৰি সংগ্ৰাম কৰি নিজৰ স্থিতি ৰক্ষা কৰিবলৈকো শিকাইছিল একমাত্ৰ এই শিল্পী-গৰাকীয়েই।

শ্ৰদ্ধাৰ ভূপেনদাৰ অমৰ সৃষ্টি...... 'মানুহে মানুহৰ বাবে', 'পোহৰ বিলাসী পাহৰি নেযাবি' আদি এনেধৰণৰ বহু গীতে সমাজত দেখা দিয়া শ্ৰেণী বৈষম্য আৰু সামাজিক শোষণৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ, দলিতৰ প্ৰতি সহানুভূতি আৰু অৱহেলিত তথা সাধাৰণ মানুহৰ সুখ-দুখৰ অনুভূতি মৰ্মস্পৰ্শী ভাষাৰে বৰ্ণনা কৰিছিল। ভূপেনদাই সততেই স্বীকাৰ কৰিছিল যে তেওঁৰ দেহত আদি মাতৃৰ তেজ বিদ্যমান। সেয়েহে নেকি আজি ভূপেনদাক পাহাৰ-পৰ্বত নেওচি জাতি, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সৰু-বৰ সকলোৱেই অশ্ৰু-অঞ্জলি যাচিবলৈ ওলাই আহিল।

এবাৰ এগৰাকী ব্যক্তিয়ে অসমৰত্ন ভূপেনদাক প্ৰশ্ন কৰিছিল— 'হেজাৰজনৰ অকুণ্ঠ মৰম পায়ো আমি সদায় বিশেষজনৰ মৰম বিচাৰি চাওঁ। ভূপেনদা, সেই বিশেষজনৰ মৰম পাইছেনে?' উত্তৰত তেওঁ কৈছিল, 'মাজে মাজে পাওঁ। হেজাৰজনৰ অকুণ্ঠ মৰম পায়ো নিঃসঙ্গ অনুভৱ কৰি অকলশৰীয়া জীৱন কটাইছো। বুকুৰ বেদনাবোৰ কেনেকৈ পাহৰি থাকো বাৰু? তাৰবাবে গীত গাওঁ। আশাৰ গীত।'

এই যাযাবৰী শিল্পী, দুৰন্ত তৰুণ, সুধাকণ্ঠ, আমাৰ অতি মৰমৰ, শ্ৰদ্ধাৰ ভূপেনদাৰ কথাৰ ইয়াতেই অন্ত নপৰে। ভূপেনদাৰ মৃত্যু হোৱা নাই। তেওঁ অমৰ। প্ৰতি মানৱেই নিজৰ স্মৃতিৰ মণিকোঠাত সযতনে ৰাখিব ভূপেনদাৰ সৃষ্টিক। ভাব হয় ইয়েই হ'ব এই মহান বিশ্ববন্দিত শিল্পীজনৰ প্ৰতি দেখুওৱা প্ৰকৃত শ্ৰদ্ধাঞ্জলি। এই মনীষীগৰাকীয়েই বিশ্ব মানৱৰ হৃদয় সুকুমাৰ অনুভূতিৰে উদ্বুদ্ধ কৰি মানৱ সমাজক সুন্দৰৰ পৰা সুন্দৰলৈ, খণ্ডতাৰ পৰা পূৰ্ণতালৈ, অন্ধকাৰৰ পৰা পোহৰলৈ, মৃত্যুৰ পৰা অমৃতলোকলৈ, অনিত্যতাৰ পৰা চিৰন্তনলৈ গতি কৰাৰ জ্যোতিৰ্ময় পথ প্ৰদৰ্শন কৰি থৈ গৈছে। তেওঁৰ জ্যোতিৰ মাধুৰ্যৰে মানৱ সমাজ মধুময় হৈ উঠক।■

---

❖ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী

## এশৰ ভিতৰত এশ পাঁচ

১৯০৫—০৬ চনৰ বৰপেটা হাইস্কুলৰ সংস্কৃত পৰীক্ষাৰ প্ৰশ্নকাকত বৰ টান আহিছিল। স্কুলৰ বেছিসংখ্যক পৰীক্ষাৰ্থীয়েই বৰ কম নম্বৰ পাই পাছ কৰিছিল। কিন্তু সেই স্কুলৰে এজন পৰীক্ষাৰ্থীয়ে ইমান পৰিপাটিকৈ আৰু নিৰ্ভুলকৈ উত্তৰ লিখিছিল যে সংস্কৃত শিক্ষকজনে তেওঁক এশ নম্বৰৰ ভিতৰত এশ পাঁচ নম্বৰ দিবলৈ বাধ্য হৈছিল।

হাইস্কুলৰ প্ৰধান শিক্ষকে এই আশ্চৰ্যজনক কথাটোৰ ভূ-পাই সংস্কৃত শিক্ষকজনক মতাই আনি স্পষ্টীকৰণ বিচাৰিলে। হাঁহি হাঁহি সংস্কৃত শিক্ষকজনে ক'লে, "ছাত্ৰজনে ইমান সুন্দৰকৈ আৰু শুদ্ধকৈ গোটেই প্ৰশ্নখনৰ উত্তৰ কৰিছিল যে মই এশৰ লগতে আৰু পাঁচ নম্বৰ বেছিকৈ নিদি নোৱাৰিলো।"

এই ছাত্ৰজনেই পাছলৈ বিখ্যাত ভাষাবিদ আৰু সমালোচকৰূপে পৰিচিত হৈ পৰিছিল। তেখেত হ'লে ড° বাণীকান্ত কাকতি।

স্মো
ৰ
ণ

# মামণি ৰয়ছম গোস্বামীৰ সাহিত্য কৃতি



টিনা মেধি ❖

*"তোমাৰ জীৱন লগ্ন অনির্বচনীয়, তুমি বিশ্ববৰণীয়,*
*সুন্দৰৰ ধ্যানমগ্ন স্বপ্নালু নয়ন;*
*কবি তোমাৰ মিতালী বিশ্বময়,*
*মহা সম্ভাৱনাময় অনন্ত অক্ষয়।"*

—নলিনীবালা দেৱী

**ক**বিতাৰ ঝংকাৰেৰে এদিন বিশ্ববীণাৰ তাঁৰত মুখৰিত হৈ উঠিছিল, ছন্দময় জীৱনৰ মধুময় গান। সুৰৰ লহৰে লহৰে উচ্ছলিত হৈ উঠিছিল প্ৰাণৰ উচ্ছাস। সুন্দৰৰ এই শুভ লগনতেই ষোড়শোপচাৰে সৌন্দৰ্যৰ পাদ্য-অৰ্ঘ নিবেদন কৰিছিল অসম জননীৰ সুযোগ্যা কন্যা মামণি বাইদেৱে।

নিজৰ জীৱন কালতে আন্তৰ্জাতিক খ্যাতি আৰু সমাদৰ অৰ্জন কৰিবলৈ সক্ষম হোৱা প্ৰথম আৰু বৰ্তমানলৈকে একমাত্ৰ অসমীয়া ঔপন্যাসিকাগৰাকী আছিল মামণি ৰয়চম গোস্বামী। দস্তাবেজৰ শেষ পৃষ্ঠা যেন মৌনতাৰেই লিখি আঁতৰি গ'ল মামণি বাইদেউ। অসমীয়া সাহিত্যৰ দ্বিতীয়গৰাকী জ্ঞানপীঠ বঁটাপ্ৰাপক তথা ৰামায়ণী সাহিত্যৰ পণ্ডিত মামণি ৰয়ছম বাইদেউৰ জীৱন বন্তিৰ শলিতা জ্বলি আছিল মাথোঁ ৬৮ বছৰ বয়স কাল। ৰামায়ণী সাহিত্যৰ দেশব্যাপি প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে দেশ-বিদেশ ভ্ৰমি ফুৰা মামণি ৰয়ছম গোস্বামীৰ জ্ঞানৰ পৰিধি তথা সীমাৰ ব্যাপ্তিও আছিল অসীম। তেওঁৰ ৰামায়ণী সাহিত্যৰ পাণ্ডিত্য আৰু সাহিত্যৰ পৰিধিয়ে ইতিমধ্যে দেশ-কালৰ সীমা অতিক্ৰমি লাভ কৰিছে কল্পনাতীত যশ; ইয়াৰ বাবে হৈছে তেওঁ প্ৰচুৰ প্ৰশংসাৰ অধিকাৰী। ন'বেল বঁটাপ্ৰাপক ভি. এছ. নাইপলৰ সুৰত সুৰ মিলাবলৈ গ'লে মামণি বাইদেউৰ সাহিত্যৰ লগত ওতপ্ৰোতভাবে জড়িত হৈ আছিল ইতিহাস আৰু সংস্কৃতি।

অসমীয়া ভাষাৰ লগত মিহলি হৈ থকা কেঁচা মাটিৰ সুগন্ধৰ বিষয়ে এইগৰাকী ৰামায়ণী কবিয়ে যি কাব্যিক দৃষ্টিকোণেৰে বৰ্ণনা কৰিছে সেয়া অতি মনপৰশা। মামণি বাইদেউৰ কল্পনা আৰু সাহিত্যই নিপীড়িতসকলৰ জীৱনৰ অংশীদাৰ হৈ প্ৰবাস ঘটিছে। সেই প্ৰবাসৰ বিৱৰণ সমসাময়িক ভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠ কীৰ্তিসমূহৰ ভিতৰত অন্যতম। মধ্য যুগৰ ইউৰোপত খ্ৰীষ্টৰ নৰক দৰ্শনৰ "Harrowing of Hell" বুলি জনাজাত আখ্যানে মানৱতাৰ যি অনিৰ্বাণ প্ৰেৰণা আৰু প্ৰেমৰ সুধামৃতস্বৰূপ সান্ত্বনা প্ৰকাশ কৰিছিল, মামণি বাইদেউৰ কাহিনীবোৰে যেন তেওঁৰ সাহিত্যত সেই ভূমিকাকে পালন কৰিছে।

এইগৰাকী উজ্জ্বল নক্ষত্ৰই ধূলিৰে ধূসৰিত অসমীয়া সমাজখনক নতুনৰ বাটেৰে বাট বুলি, অনগ্ৰসৰতাৰ পৰা অগ্ৰসৰ হ'বলৈ অশেষ পৰিশ্ৰমৰ মাধ্যমেদি আস্থা আৰু বিশ্বাসৰ কুঁহিপাতৰ পোখা মেলাবলৈ বিভিন্নধৰণৰ সাহিত্যৰাজিৰ সম্ভাৰেৰে আজিৰ অসমীয়া সমাজখন গঢ়ি তুলিছে। মামণি ৰয়ছম গোস্বামীক মহৎ দুঃসাহসিক সাহিত্যিক

বুলি পূৰ্ণস্বৰে সমৰ্থন কৰিব পাৰি; এই বাক্যশাৰীৰ প্ৰমাণ ইয়াতেই যে তেওঁ তেওঁৰ সাহিত্যিক চৰিত্ৰসমূহত নিজকো ৰেহাই দিয়া নাই। গভীৰ অন্ধবিশ্বাসৰ সংস্কাৰে আৱৰি ধৰি হৃদয়ৰ দৃষ্টিশক্তি অন্ধ কৰা সমাজখনৰ সভ্য বা অংগ হিচাপে নিজকো তেওঁ দেখিছে, নিজৰ সমসাময়িক কপটতা, ভীৰুতা আৰু দুৰ্বলতাকো নিৰ্মোহ সাধুতাৰে উন্মোচন কৰিছে নিজৰ লিখনিত। তেওঁৰ মহান সৃষ্টি "তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা"ৰ এঠাইত তেওঁ লিখিছে—

"কিন্তু মই তাক মোৰ ঘৰত সোমাব দিওঁ কেনেকৈ। যদিও মই অনেক কথাই ভ্ৰূক্ষেপ নকৰো, মই মদাহীটোক ঘৰৰ ভিতৰলৈ মাতি আনিবলৈ কিবা এটা সংকোচ হ'ল। কিন্তু হঠাৎ এদিন ছফুট তিনি ইঞ্চি ওখ অন্ধকাৰ সাম্ৰাজ্যৰ নায়ক যেন লগা মানুহটোৰ মৃত্যু হ'ল। ....... হয়, হয়, সি কিবা এটা ক'ব খুজিছিল। মই নুশুনিলো। মানুহ হিচাপে মই মানুহৰ কৰ্তব্য পালন নকৰিলো।" (পৃঃ ৪৬)

১৯৪১ চনৰ ১৪ নবেম্বৰত জন্ম লাভ কৰা মামণি বাইদেউৰ সাহিত্য কৃতি আছিল অনন্য। তেওঁৰ সাহিত্যই অন্ধবিশ্বাসে কোঙা কৰি পেলোৱা অসমীয়া সমাজখনক এক নতুন মাত্ৰা প্ৰদান কৰিছে। মামণি বাইদেউৰ গ্ৰন্থসমূহে আমাৰ দেশক আধুনিক পৃথিৱীখনৰ লগত খোজ মিলাবলৈ প্ৰেৰণা যোগাইছিল।

মামণি বাইদেউৰ অন্যতম প্ৰকাশিত সাহিত্য গ্ৰন্থসমূহ হৈছে এনেধৰণৰ —

<u>গল্প</u> ঃ চিনাকি মৰম; কইনা; হৃদয় এক নদীৰ নাম; মামণি ৰয়ছমৰ স্বনিৰ্বাচিত গল্প; মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প।

<u>উপন্যাস</u> ঃ চেনাবৰ স্ৰোত; নীলকণ্ঠী ব্ৰজ; অহিৰণ; মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস; দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা; সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ ইত্যাদি; ঈশ্বৰী জখমী যাত্ৰী ইত্যাদি; তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা; মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ; দশৰথীৰ খোজ; ছিন্নমস্তাৰ মানুহটো; থাংফ্ৰী তহছিলদাৰৰ তামৰ তৰোৱাল।

<u>আত্মজীৱনীমূলক</u> ঃ আধালেখা দস্তাবেজ।

<u>জীৱনী</u> ঃ মহীয়সী কমলা।

<u>অনুবাদ</u> ঃ প্ৰেমচন্দৰ চুটিগল্প; আধা ঘণ্টা সময়; জাতক কথা; কলম; আহ্নিক।

<u>ইংৰাজী</u> ঃ Ramayana from Ganga to Brahmaputra.

<u>সম্পাদনা</u> ঃ এৰি অহা দিনবোৰ (ড° মলয়া খাউণ্ডৰ সৈতে) আৰু Indian Folklore।

এই চিৰনমস্য মনীষীগৰাকীৰ প্ৰধান কীৰ্তি হ'ল জ্ঞানপীঠ বঁটা লাভ। এইবোৰৰ উপৰিও তেওঁ জীৱন কালতে বহুত কীৰ্তিস্তম্ভ গঢ়ি থৈ গৈছে। সাহিত্য ক্ষেত্ৰত জীৱনজোৰা কৃতিৰ বাবে তেওঁ লাভ কৰে কমল কুমাৰী বঁটা। এইগৰাকী সাহিত্যিকে ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মান প্ৰত্যাখ্যান কৰি নিজৰ উচ্চ মনৰ পৰিচয় দাঙি ধৰিছিল। পশ্চিমবংগৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ 'ডি লিট' উপাধি লাভ কৰাৰ উপৰিও তেওঁ লাভ কৰে অসম আহোম সভাৰ মহীয়সী জয়মতী বঁটা।

এইগৰাকী সুন্দৰৰ সাধক, মানৱদৰদী মনীষীয়ে বিশ্বমানৱৰ হৃদয় উদ্বুদ্ধ কৰি সমাজক সুন্দৰৰ পৰা সুন্দৰলৈ; অনিত্যৰ পৰা চিৰন্তলৈ গতি কৰাৰ জ্যোতিৰ্ময়, পূৰ্ণভাসমান পথ প্ৰদৰ্শন কৰি গৈছে। তেওঁৰ জ্যোতিৰে মানৱ সমাজ মাধুৰ্যময় হৈ উঠক।

অৱশেষত নিজকে নষ্ট নাৰীৰ চৰিত্ৰত ৰূপায়িত কৰি সৃষ্টি কৰা সৃষ্টিৰাজিৰ আধাৰতে দোহাৰো—

'মানুহে কয়
মদিৰা প্ৰস্তুত কৰাত মই পাকৈত
আজি তৈয়াৰ কৰা মদিৰাখিনিও মই
এশ বছৰীয়া পুৰণি কৰি তুলিব পাৰো
ই মানুহক ক্ৰুদ্ধ আৰু পাশৱিক কৰি তুলিব পাৰে
নিজে তৈয়াৰ কৰা মদিৰা পান কৰি
ময়ো নিয়মিত মাতাল হৈ পৰো।'■

❖স্নাতক তৃতীয় ষান্মাষিকৰ ছাত্ৰী

# সময়ৰ গণনা আৰু মায়া পঞ্জিকাৰ পৃথিৱী ধ্বংসৰ আগজাননী

ড° খৰ্গেশ্বৰ ভূঞা*

**মা**য়া পঞ্জিকাৰ তথ্যমতে ২০১২ চনৰ ২১ ডিচেম্বৰত পৃথিবী ধ্বংস হ'ব বা মানুহ প্রজাতিটো বিলুপ্ত হ'ব বা জীৱকুল ধ্বংস হ'ব বা পৃথিৱী নামৰ গ্রহটো ভাঙি টুকুৰা টুকুৰ হৈ গ্রহাণুপুঞ্জৰ অৱস্থা ল'বও পাৰে। এই ভৱিষ্যৎ বাণীবোৰ পঞ্জিকাখনত পোনপটীয়াকৈ দি থোৱা নাই, এইবোৰ আৰু লগতে আন বহুতো তাৎপর্য ইয়াৰ পৰা আধুনিক কালত বিভিন্ন লোকে বিভিন্ন ধৰণেৰে বিচাৰি উলিয়াইছে। কিছুমানৰ মতে মহাজাগতিক প্রলয়ংকাৰী ঘটনাত মানুহ আৰু আন জীৱ ধ্বংস নহ'লেও মানুহৰ মাজত সাংঘাতিক পৰিৱৰ্তন সাধিত হ'ব। দীঘলীয়া গণনাত কিছু ইফাল-সিফাল হোৱাৰ সম্ভাৱনা থকাৰ বাবে কিছুমানৰ হিচাপত মহাপ্রলয়ৰ তাৰিখ পাৰ হৈ গ'ল আৰু আন কিছুমানৰ মতে ২০১৩ চনৰ ভিতৰত হ'ব পাৰে।

<u>পৃথিৱী ধ্বংসৰ আগজাননী</u> ঃ- পৃথিৱী ধ্বংসৰ বিষয়ে ভৱিষ্যতবাণী কৰা কামটো কেবাশ বছৰৰ পৰাই চলি আহিছে, অৱশ্যে এইবোৰ আগজাননী মিছা বুলি প্রমাণ কৰি পৃথিৱী নিজৰ কক্ষপথত ঘূৰিয়েই আছে আৰু জীৱকূলৰ শ্রীবৃদ্ধিহে হৈ গৈ আছে। ১৫০৩ খ্রীষ্টাব্দত ফ্রান্সত জন্মগ্রহণ কৰা নষ্ট্রাডামুচে দহখন ভৱিষ্যতবাণীৰ কিতাপ লিখিছিল 'চেঞ্চুৰীজ' নাম দি। এইবোৰত থকা ভৱিষ্যৎ বাণীতো পৃথিৱী ধ্বংস হ'ব লগা কথা আছিল যদিও কথাবোৰ সঁচা হোৱা নাই। জর্জ অৰৱেলৰ '১৯৮৭' গ্রন্থইও এই চনত পৃথিৱীত সাংঘাতিক কিবা হ'ব বুলি কৈছিল, বছৰটো আৰম্ভ হোৱাৰ আগতে কিতাপখনৰ বিক্রী অবিশ্বাস্যভাৱে বাঢ়িল, কিন্তু তাত লিখা কথাবোৰ কল্প-কাহিনী বুলিহে বিবেচিত হ'লগৈ।

বেছি পিছলৈ নগৈ কেৱল যোৱাটো শতিকাৰ পিছৰ পঞ্চাশ বছৰতে অন্ততঃ সাতোটা ভৱিষ্যৎ বাণী কৰা হৈছিল যিবোৰৰ মতে মহাপ্রলয় ঘটি পৃথিবী ধ্বংস বা জীৱকুল নিশ্চিহ্ন হোৱাকে ধৰি মহাবিপর্যয় ঘটিব লাগিছিল। এনেবোৰ ভৱিষ্যৎ বাণীৰ অৱশ্যে কিছু বিজ্ঞানভিত্তিক কাৰণো আছিল। সৌৰজগতৰ গ্রহ-উপগ্রহবোৰ সূৰ্যৰ চাৰিওফালে ঘূৰি থাকোতে মাজে মাজে কিছুমান বা সকলোবোৰ একে সৰলৰেখাত কিছু সময়ৰ বাবে অৱস্থিত হয়। কেতিয়াবা পৃথিৱীখন এফালে আৰু চন্দ্ৰ, সূর্যকে ধৰি বাকী আঠোটা গ্রহ (প্লুট'কৈ ধৰি) একে ৰেখাতে অৱস্থান কৰে, ফলত এই দহোটা বস্তু পিণ্ডই পৃথিৱীক একেলগে একে সময়তে একেফালে আকর্ষণ কৰে। চন্দ্ৰৰ দৰে সৰু বস্তুপিণ্ড এটাই কৰা আকর্ষণতে পৃথিৱীত জোৱাৰ ভাটা হয় সাগৰ-মহাসাগৰত। তেনে ক্ষেত্রত সূৰ্যৰ লগতে বৃহস্পতি, শনি, ইউৰেনাচৰ দৰে বৃহৎ গ্রহে একেলগে একেফালে টানিলে পৃথিৱীত নিশ্চয় বিপর্যয় ঘটিব। পৰিভ্রমণ পথৰ লগত পৃথিৱীৰ অক্ষ ২৩.৫ ডিগ্ৰী হালি আছে, কেনেবাকৈ আধা ডিগ্ৰী মানো যদি অক্ষডাল হলাৰ পৰিমাণ তৎক্ষণাৎ কম বা বেছি হৈ যায় তেন্তে পৃথিৱীত মহাবিপর্যয় ঘটাটো খাটাং। পৃথিৱী ধ্বংসৰ ভৱিষ্যৎ বাণী কৰা তথাকথিত কিছু বিজ্ঞানীয়ে ক'ব বিচাৰে যে দহোটা বস্তুপিণ্ডৰ কেইটামান বা সকলোৱে পৃথিৱীক একেলগে একেফালে টানিলে অক্ষৰেখা হালি যোৱাৰ দৰে ঘটনা ঘটিব পাৰে আৰু ফলত বিপর্যয়ো ঘটিব পাৰে। গুণগতভাৱে (Qualitatively) কথাটো বিবেচনাযোগ্য যদিও পৰিমাণগতভাৱে (Quantitatively) ইয়াৰ মূল্য নাই। কাৰণ পৃথিৱীক সূৰ্যৰ লগতে বাকীবোৰে একেলগ হৈ টানিলেও আকর্ষণৰ পৰিমাণ চন্দ্ৰৰ আকর্ষণৰ দুহেজাৰ ভাগৰ এভাগো নহয়, যিটো পৰিমাণে পৃথিৱীক

একো ক্ষতি কৰিব নোৱাৰে। গতিকে ভৱিষ্যৎ বাণীৰ মতে পৃথিৱী ধ্বংসও নহয়। এনেধৰণে একে ৰেখাত গ্ৰহবোৰে অৱস্থান কৰাৰ অৱস্থা কোটি কোটি বছৰ ধৰি চলি আহিছে।

**পঞ্জিকাৰ যোগেদি সময়ৰ গণনা ঃ-** মায়া-পঞ্জিকা বা কেলেণ্ডাৰলৈ যোৱাৰ আগতে পঞ্জিকাৰ কথা কিছু আলোচনা কৰা যাওক। সময় নিৰৱচ্ছিন্নভাৱে অনন্তকালৰ পৰা বৈ আহিছে বুলি ধাৰণা কৰা হয়। আৰম্ভণিৰ পৰা নোৱাৰিলেও একোটা বিশেষ মহাজাগতিক, পাৰ্থিৱ বা মানুহৰ লগত জড়িত ঘটনাক মূল বুলি ধৰি মানুহে সময়ৰ হিচাপ ৰাখিবলৈ বিভিন্ন পদ্ধতি উলিয়াইছে. এনেধৰণে সময়ৰ হিচাপ ৰখা যতনক পঞ্জিকা বা কেলেণ্ডাৰ বুলিব পাৰি। পৃথিৱীত প্ৰাচীন কালৰে পৰা অসংখ্য পঞ্জিকা চলি আহিছে, কিছুমান আজিকালি পাহৰণিৰ গৰ্ভত, আন কিছুমান এতিয়াও চলি আছে। সূৰ্য, চন্দ্ৰ আৰু একোটা বিশেষ নক্ষত্ৰৰ ঘূৰ্ণনক বা আপাত গতিক ভিত্তি হিচাবে লৈ পঞ্জিকাবোৰ প্ৰস্তুত কৰা হয়। এই তিনিটাৰ আধাৰত তিনিবিধ বছৰৰ হিচাব আছে— সৌৰ নক্ষত্ৰ বৰ্ষ, সৌৰ ক্ৰান্তীয় বৰ্ষ (সচৰাচৰ ব্যৱহৃত বছৰ=৩৬৫.২৪২১৯ সৌৰদিন) আৰু চান্দ্ৰবৰ্ষ। মহাজাগতিক একোটা ঘটনা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে পুনৰাবৃত্তি (চক্ৰ) হয়। এই পুনৰাবৃত্তিৰ সময়খিনিক সময়ৰ একোটা জোখ হিচাপে লোৱা হয়। যেনে— পৃথিবীয়ে নিজৰ অক্ষত এপাক মৰা সময়খিনিক এদিন, চন্দ্ৰই পৃথিবীৰ চাৰিওফালে মৰাৰ সময়খিনিক এমাহ (চান্দ্ৰমাহ), পৃথিবীয়ে সূৰ্যৰ চাৰিওফালে ঘূৰা সময়খিনি এবছৰ (সৌৰ ক্ৰান্তীয় বছৰ) ইত্যাদি। এইবোৰ ক্ষেত্ৰত ঘূৰণীয়া বা উপবৃত্তাকাৰ পথত ঘূৰাৰ বাবে আৰম্ভণিৰ সময়টো মানুহে নিজে ঠিক কৰি লয়। যেনে— দিনটোৰ আৰম্ভণি ভাৰতীয় মতে সূৰ্যোদয়ৰ সময় আৰু ইংৰাজী মতে মাজনিশা। পিছে সূৰ্যোদয় বা মাজনিশাৰ সময় ঠাইভেদে বেলেগ হোৱাৰ বাবে তিনিধৰণৰ সময়ৰ হিচাব আহে, যেনে— গ্ৰীণ হাউচ সময়, দেশীয় সময় আৰু স্থানীয় সময়। চন্দ্ৰ আৰু পৃথিৱীৰ ঘূৰ্ণনৰ ক্ষেত্ৰতো বছৰ বা মাহৰ আৰম্ভণিৰ সময় ধৰি ল'ব লগা হয়। মন কৰিবলগীয়া কথাটো হ'ল দিন, মাহ, বছৰ আদি পূৰ্ণ সংখ্যাৰ গুণিতক হিচাপে ধৰা হ'লেও বাস্তৱত সেইটো নহয়, যেনে— বাৰ মাহত এবছৰ ধৰা মানে পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে এপাক ঘূৰাৰ সময়খিনিত চন্দ্ৰই পৃথিৱীৰ চাৰিওফালে বাৰ পাক মাৰিব লাগে। একেদৰে পৃথিৱীয়ে সূৰ্যক কৰা পৰিভ্ৰমণৰ সময়ত (এবছৰত) ই নিজৰ অক্ষৰ চাৰিওফালে ৩৬৫ পাক (দিন) ঘূৰিব লাগে। দিন-মাহৰ ক্ষেত্ৰতো তেনে হ'ব লাগে। বাস্তৱত এবছৰত পাকৰ সংখ্যা ৩৬৫ তকৈ সামান্য বেছি হয় (চাৰিভাগৰ এভাগতকৈ কম)। চন্দ্ৰৰ ৩০টা পাকত (তিথি) পৃথিবীৰ নিজৰ অক্ষত পাকৰ সংখ্যা ২৯.৫৩০৫৮৮ টা।

মহাজাগতিক ঘটনাবোৰ পূৰ্ণ অখণ্ড সংখ্যাৰ আধাৰত নচলে (যেনে— ৩৬৫ ৰ ঠাইত আচলতে ৩৬৫.২৪২১৯ দিন) বাবে অখণ্ড সংখ্যাৰে হিচাপ কৰি গ'লে পিছত গণ্ডগোল হ'ব পাৰে। যেনে— এবছৰত ৩৬৫ দিন ধৰিলে ১২৯৩ বছৰত এটা বছৰ কমকৈ হিচাপ কৰা হ'বগৈ। সি যি কি নহওক এইবোৰ হিচাপ মিলাবলৈ ৩৬৫ দিনত এবছৰ ধৰি চাৰি বছৰত ৩৬৬ দিন লিপইয়েৰ হিচাপে ধৰাৰ নিয়ম কৰা হৈছে। তেনে কৰিলে ৪০০ বছৰত তিনিটা দিন পুনৰ কমাবলগীয়া হয়। এনেদৰে কমাই গ'লেও ৩২০০ বছৰত পুনৰ এটা দিনৰ বৃদ্ধি হয়। এই সময়বিলাকক একোটা (Cycle) বুলিব পাৰি। প্ৰাচীন ভাৰতীয় জ্যোতিৰ্বিজ্ঞানত এনেদৰে সময় মিলোৱা বিষয়টোক 'যুগ' বোলা হৈছিল, যেনে— ৭৫ বছৰীয়া যুগ, ৯৫ বছৰীয়া যাজ্ঞবল্ক্য যুগ, ২৮৫০ বছৰৰ ৰোমক সিদ্ধান্ত যুগ, ২৭০০ বছৰৰ সপ্তৰ্ষি যুগ ইত্যাদি। ইয়াৰোপৰি আৰ্যভট্টই সূচনা কৰিছিল 'কলি' যুগৰ। অৱশ্যে পিছলৈ মহাভাৰত, পুৰাণ আদিত কলিযুগৰ লগতে সত্য, দ্বাপৰ আৰু ত্ৰেতা যোগ দি চতুৰ্যুগৰ বৃহৎ কাল চাৰি লাখ বত্ৰিশ হাজাৰ বছৰৰ হিচাব চলিছিল। দহটা মহাযুগ বা এটা বৃহৎ মহাযুগ অৰ্থাৎ ৪৩,২০,০০০ বছৰত সূৰ্য, চন্দ্ৰ আৰু গ্ৰহবোৰে (বুধ, শুক্ৰ, মংগল, বৃহস্পতি আৰু শনি) আৰম্ভণিৰ অৱস্থানলৈ ঘূৰি আহে, এয়া এটা বৃহৎ মহাজাগতিক চক্ৰ।

বিভিন্ন দেশত সময়ৰ হিচাপৰ বাবে বিভিন্ন পঞ্জিকা বা কেলেণ্ডাৰ চলে। ইংৰাজীৰ কেলেণ্ডাৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ব্যৱহাৰ কৰা হয় যিটোৰ আৰম্ভণি যীশুখ্ৰীষ্টৰ ধৰি লোৱা জন্মদিনৰ পাঁচদিনৰ পাছৰ তাৰিখৰ পৰা। এই তাৰিখৰ অথাৎ ১ জানুৱাৰীৰ অতীতৰ সময়বোৰ খ্ৰীষ্টপূৰ্ব হিচাপে

আৰু ভৱিষ্যতৰবোৰ খ্ৰীষ্টাব্দ হিচাপে গণনা কৰা হয়। মাহবোৰত দিনৰ সংখ্যা বেলেগ বেলেগ। প্ৰথমে মাৰ্চ মাহত বছৰৰ আৰম্ভণি আছিল। ১৫৩ খ্ৰীঃপূঃত বছৰৰ আৰম্ভণি পহিলা জানুৱাৰী হিচাপে ধৰা হয়। ১৫৮২ চনৰ আগলৈকে জুলিয়াচ চিজাৰৰ দিনৰ পৰা প্ৰচলিত জুলিয়ান কেলেণ্ডাৰখন চলি আছিল। পোপ অষ্টম গ্ৰেগৰীয়ে ১৫৮২ খ্ৰীষ্টাব্দত এই কেলেণ্ডাৰৰ সংশোধনী ঘটাই বৰ্তমানৰ গ্ৰেগৰিয়ান কেলেণ্ডাৰৰ ৰূপ দিয়ে। এই কেলেণ্ডাৰৰ তাৰিখ আৰু মাহৰ লগত বছৰৰ ঋতু বা আন নৈসৰ্গিক পৰিৱৰ্তনৰ কোনো সমন্ধ নাই। বৰ্তমান সণ্টালনিকৈ চলা কেলেণ্ডাৰখন হৈছে এই গ্ৰেগৰিয়ান কেলেণ্ডাৰ।

ইয়াৰ বিপৰীতে অসমীয়া বা বাংলা পঞ্জিকাত বছৰ আৰম্ভ হয় সূৰ্য কৰ্কটক্ৰান্তিত উপস্থিত হোৱাৰ পৰা, সেয়েহে ঋতু পৰিৱৰ্তনৰ লগত এই পঞ্জিকাৰ সম্বন্ধ আছে। ভাৰতত প্ৰচলিত পঞ্জিকাৰ সংখ্যা ১৪ খনমান হ'ব।

পৃথিৱীৰ পঞ্জিকা সমূহক মুঠতে তিনিভাগত ভাগ কৰিব পাৰি— চান্দ্ৰ পঞ্জিকা (উদাহৰণ অসমীয়া পঞ্জিকা, ইছলামীয় পঞ্জিকা ইত্যাদি), চান্দ্ৰ-সৌৰ পঞ্জিকা (সম্বত পঞ্জিকা, ফসলী পঞ্জিকা, গ্ৰীক পঞ্জিকা ইত্যাদি) আৰু সৌৰ পঞ্জিকা (গ্ৰেগৰীয় পঞ্জিকা, ৰোমক পঞ্জিকা ইত্যাদি)।

পৃথিৱীৰ প্ৰায়বোৰ পঞ্জিকাতে চক্ৰ ধাৰণা আছে। অৰ্থাৎ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে পঞ্জিকাৰ আৰম্ভণি পুনৰ ঘটে। সাধাৰণভাৱে প্ৰতি সূৰ্যোদয়ৰ (বা মাজনিশা পাৰ হোৱাৰ) পাছতে নতুন দিন এটাৰ আৰম্ভণি হোৱাৰ দৰে ৩৬৫ দিনৰ পাছত নতুন বছৰ এটা আৰম্ভ হয়। তেনেদৰে দীঘলীয়া কালৰ চক্ৰও বিভিন্ন ধৰণৰ আছে। যেনে— জুলিয়ান কেলেণ্ডাৰ মতে এটা জুলিয়ান যুগৰ দৈৰ্ঘ হ'ল ৭৯৮০ জুলিয়ান বৰ্ষ। বৰ্তমানৰ জুলিয়ান যুগ আৰম্ভ হৈছিল ৪৭১৩ খ্ৰীঃপূঃৰ পহিলা জানুৱাৰীত আৰু শেষ হ'ব ৩২৬৮ খ্ৰীষ্টাব্দৰ পহিলা জানুৱাৰীৰ দুপৰীয়া ১২ বজাত।

**মায়াসকলৰ কিঞ্চিৎ পৰিচয় ঃ-** মায়া পঞ্জিকাও হৈছে অন্য শ শ বিধৰ পঞ্জিকাৰে এবিধ। এই পঞ্জিকাৰ ভিতৰলৈ যোৱাৰ আগতে মায়া সকলৰ বিষয়ে কিছু আলোচনা কৰা যাওক। মধ্য আমেৰিকাৰ মেক্সিকো (দক্ষিণ অঞ্চল), গুৱাটেমাল, বেলাইজ, এল চান্দভাদুৰ আৰু হণ্ডুৰাচলৈ বিস্তৃত অঞ্চল জুৰি এটি প্ৰাচীন সভ্যতা গঢ়ি উঠিছিল যাৰ নাম 'মায়া সভ্যতা'। এই সভ্যতা ৪৫০০ বছৰ বা তাতোকৈ পুৰণি বুলি ভবা হয়। ষোড়শ শতাব্দীত স্পেনীয় সকলৰ আক্ৰমণত এই সভ্যতা ধ্বংস হৈ যায়। এই সভ্যতাটোৰ সময়ৰ বিভাগ এনেদৰে কৰিব পাৰি— খ্ৰীঃপূঃ ২৫০০ ৰ পৰা খ্ৰীঃপূঃ ৯০০ লৈ প্ৰাথমিক যুগ, খ্ৰীঃপূঃ ৯০০ ৰ পৰা খ্ৰীঃপূঃ ৩০০ মধ্যযুগ আৰু খ্ৰীঃপূঃ ৩০০—১৫৩০ খ্ৰীষ্টাব্দ শেষ যুগ। ইয়াৰে খ্ৰীঃপূঃ ৩০০ ৰ পৰা ৮০০ খ্ৰীষ্টাব্দৰ মাজৰ সময়খিনি চৰম উন্নতিৰ সময় বুলি ধৰা হয়। মায়া সভ্যতা আছিল অতি উন্নত নগৰ সভ্যতা। বিশালাকায় সৌধ নিৰ্মাণত মায়াসকল পটু আছিল। কিছুমান অট্টালিকাৰ উচ্চতা ২১০ ফুটতকৈও বেছি (বিশ তলামান) আছিল। মিচৰীয়সকলৰ দৰে পিৰামিড সজাটো এওঁলোক পাকৈত আছিল। চিত্ৰলিপি, ধাতু আৰু মাটিৰ পাত্ৰত আচৰিত ধৰণৰ নক্সা, বিশাল বিশাল পাথৰৰ মূৰ্তি, শিলৰ ফলকত বিতোপন ভাস্কৰ্য আদিৰে সমৃদ্ধ মায়া সভ্যতাক অত্যুন্নত বুলিবই লাগিব।

হতবুদ্ধিকৰ বিষয়টো হ'ল, মায়াসকল ক'ৰ পৰা আহিছিল তাৰ কোনো শুংসূত্ৰ নাছিল। উন্নত সভ্যতা একোটা এঠাইত গঢ় লবলৈ হ'লে অতীতৰ পৰা তিলতিলকৈ গঢ় লোৱাৰ প্ৰমাণ থাকিব লাগে যিবোৰৰ এইক্ষেত্ৰত অভাৱ আছিল। ভাৰতীয় বহু পণ্ডিতে বিশ্বাস কৰে যে হিন্দু পুৰাণৰ ময়দানৱেই আছিল এই সভ্যতাৰ প্ৰতিষ্ঠাতা। ময়দানৱে বহু নগৰ নিৰ্মাণ কৰিছিল বুলি জনা যায়, ইন্দ্ৰপ্ৰস্থৰ পাণ্ডৱৰ ৰাজধানী, দ্বাৰকা নগৰ আদি নগৰ এওঁৰ হস্তনিৰ্মিত। অৱশ্যে 'ময়' শব্দটোৰ পৰা 'মায়া' হৈছিল বা উপনিষদৰ মায়াৰ লগত মায়া সভ্যতাৰ মিল আছিল বুলি বিশ্বাসযোগ্য প্ৰমাণ পোৱা নেযায়। তাতোকৈ আশ্চৰ্যকৰ কথাটো হ'ল ৮০০ খ্ৰীষ্টাব্দমানত হঠাতেই সুসভ্য মায়াসকল তেওঁলোকৰ বাসস্থান এৰি অজ্ঞাত স্থানলৈ গুচি যায়। অৱশ্যে তাৰ পিছতো মায়া সকলৰ কিছু অনুন্নত লোক থাকি গৈছিল আৰু এইসকলৰ সতি-সন্ততিকে স্পেনীয়সকলে ধ্বংস কৰিছিল। বাচি যোৱা সকলৰ উত্তৰ পুৰুষৰ সংখ্যা বৰ্তমান প্ৰায় ৭০ লাখ।

অপৰিসীম কষ্ট কৰি, হাজাৰ হাজাৰ বছৰ ধৰি মূৰ তুলি গৰ্বেৰে থিয় হৈ থাকিব পৰা অট্টালিকা, সুন্দৰ মন্দিৰ, চাৰুকলামণ্ডিত পিৰামিড, সুন্দৰ সুন্দৰ মূৰ্তিৰে আগুৰা উদ্যান, ক্ৰীড়া-প্ৰাংগণ ইত্যাদি পেলাই থৈ হঠাতে মায়াসকল কিয় গুচি গ'ল তাৰ একো উৰাদিহ পোৱা নেযায়। গুচি যোৱা মায়াসকলৰ এজনো পুনৰ ঘূৰি অহাৰ কোনো প্ৰমাণ নাই। মায়াসকলে সকলো স্থাৱৰ বস্তু এৰি যোৱাৰ লগতে বহুতো প্ৰাচীন পুথি-পাঁজিও এৰি থৈ গৈছিল, কিন্তু স্পেনীয়সকলে ঠাইবোৰ জয় কৰাৰ সময়ত মাত্ৰ তিনিখন পুথি বাদ দি বাকীসকলোবিলাক পুৰি পেলোৱাৰ বাবে মায়াসকলৰ ৰহস্য অভেদ্য হৈয়েই ৰ'ল। ভুৰ্জপত্ৰত লিখা এই পুথি তিনিখনতে আছিল মায়াসকলৰ পঞ্জিকা।

<u>মায়া পঞ্জিকাৰ চমু আভাস ঃ-</u> স্পেনীয়সকলৰ গ্ৰাসৰ পৰা অক্ষতভাৱে ৰোৱা তিনিখন পুথিৰ সম্পূৰ্ণৰূপে পাঠোদ্ধাৰ কৰিব পৰা হোৱা নাই। যিখিনি জনা গৈছে সেইখিনি জ্ঞানো আধুনিক জ্ঞানৰ লগত পাঁচ হেজাৰ বছৰৰো আগৰ জ্ঞানৰ তুলনাৰ পৰিপ্ৰেক্ষিতত অতি বিস্ময়কৰ বুলিব লাগিব। মায়া পঞ্জিকাত আৰম্ভণিৰ সময়টো হৈছে ১১ আগষ্ট, ৩১১৪ খ্ৰীঃপূঃ (জ্যোতিৰ্বিজ্ঞানৰ বৰ্ষ - ৩১১৩)। এই কেলেণ্ডাৰত বিভিন্ন দৈৰ্ঘৰ কেইটামান চক্ৰ (Cycle) বা গণনা (Count) আছে। ভাৰতীয় বিভিন্ন যুগৰ দৰে। সময়ৰ গতি সৰলৰৈখিক অৰ্থাৎ দিনবোৰ যোগ বা বিয়োগ কৰি আগৰ বা পিছৰ সময় গণনা কৰিব পাৰি।

এই প্ৰক্ৰিয়াৰ ২৬০ দিনীয়া চক্ৰটোৰ নাম 'ৎস্‌লকিন (Tzolkin)' অৰ্থাৎ ২৬০ দিনত এক ৎস্‌লকিন বছৰ হয়, সেইদৰে ৩৬৫ দিনত 'হাব বছৰ', ৫২ টা হাব বছৰক 'পঞ্জিকা ঘূৰ্ণন' (Calander round) বোলা হয়। এই চক্ৰবোৰত ১৩ দিনীয়া (ট্ৰিচিনা) আৰু ২০ দিনীয়া (ভেইন্‌টিনা) নামৰ দুটা সৰু চক্ৰ থাকে। দীৰ্ঘ গণনাত চন্দ্ৰৰ কলা গণনা কৰিব পৰা পদ্ধতিও দিয়া হৈছে। ৫৮৪ দিনত 'শুক্ৰ চক্ৰ' হয়, সূৰ্যোদয় আৰু সূৰ্যাস্তৰ সময়ত দুবাৰ দেখা দিয়া শুক্ৰগ্ৰহৰ উদয়ৰ ওপৰত ভিত্তি কৰি এই সময়কাল গণনা কৰা হৈছে যিটো আশ্চৰ্যজনকভাৱে আধুনিক হিচাবৰ লগত মিল আছে। ৮১৯ দিনীয়া আন এটা চক্ৰৰো হিচাব মায়া পঞ্জিকাত পোৱা যায়।

ৎস্‌লকিন চক্ৰ, হাব চক্ৰ আৰু শুক্ৰ চক্ৰ তিনিওটাৰে সম্পূৰ্ণ হয় ৩৭, ৯৬০ দিনত যিটো দিনত 'দেৱতা'সকল আহিব 'পৰম বিশ্ৰামৰ স্থানলৈ'। এই সংখ্যাটোত ১৩ আৰু ৭৩ সাধাৰণ গুণিতক হিচাবে আছে। যেনে—

ৎস্‌লকিন চক্ৰ ২০×১৩×২×৭৩=২৬০×২×৭৩=৩৭,৯৬০ দিন

হাব বা সৌৰ চক্ৰ ৮×১৩×৫×৭৩=১০৪×৫ ৭৩=৩৭,৯৬০ দিন

শুক্ৰ চক্ৰ ৫×১৩×৮×৭৩=৬৫×৮×৭৩=৩৭,৯৬০ দিন

মায়াসকলে জানিছিল পাৰ্থিৱ বছৰৰ পৰিমাণ ৩৬৫.২৪২০ দিন যিটোৰ আধুনিক হিচাব ৩৬৫.২৪২১৯ দিনৰ লগত আচৰিত মিল আছে। মায়া পঞ্জিকাৰ বিশেষজ্ঞ সকলৰ মতে ইয়াত ৬.৩১ কোটি বছৰৰ হিচাব আছে, কিছুমানৰ মতে এই পঞ্জিকা ৪০ কোটি বছৰলৈ চলিব। মায়াসকলে মন্দিৰ তৈয়াৰ কৰিছিল সেই পঞ্জিকাৰ মতে। মাহৰ প্ৰতিটো দিনত গঢ়িছিল এটাকৈ চিৰি, প্ৰতিটো মাহত এটা ডাঙৰ ঢাপ আৰু একেবাৰে শেষৰ ঢাপটো শেষ কৰা হৈছিল ৩৬৫ দিনৰ দিনা। শেষৰ ঢাপটোত সজা হৈছিল মূল মন্দিৰ। পঞ্জিকাৰ নিৰ্দেশমতে অৰ্থাৎ একোটা বিশেষ চক্ৰত এনেধৰণে অসংখ্য মন্দিৰ গঢ়ি তুলিছিল। চিচেন ইৎচা নামৰ ঠাইৰ গভীৰ অৰণ্যত আছে তেওঁলোকৰ মানমন্দিৰ। দুখন প্ৰকাণ্ড চোতালৰ ওপৰত গোলাকাৰ সেই মন্দিৰে জংঘলৰ ওপৰত মূৰ তুলি আজিও থিয় হৈ আছে। মায়া জ্যোতিৰ্বিদসকলে চন্দ্ৰৰ কক্ষপথৰ হিচাব কৰিছিল চাৰি দশমিক স্থানলৈ। অৱশিষ্ট তিনিখন মায়া পুথিত পাঠোদ্ধাৰ কৰিব নোৱাৰা অনেক ৰহস্য লুকাই আছে। তেওঁলোকে ইউৰেনাচ আৰু নেপচুন গ্ৰহৰ কথাও জানিছিল।

মায়া পঞ্জিকাৰ মাহ, বছৰবোৰ তথাকথিত আধুনিক ধাৰণাৰ মাহ, বছৰৰ লগত নিমিলে। আধুনিক মাহ, বছৰবোৰ প্ৰাকৃতিক ঘটনাৰ লগত সম্বন্ধ থকা (চন্দ্ৰৰ আৱৰ্তনৰ সময়ক এমাহ আৰু পৃথিৱীৰ পৰিভ্ৰমণৰ সময়ক এবছৰ ধৰাৰ নিচিনা) হয়। পিছে মায়া পঞ্জিকাৰ ৎস্‌লকিন বছৰ (২৬০ দিনীয়া), ২০ দিনীয়া মাহ, ১৩ দিনীয়া ট্ৰেচেনা চক্ৰ এইবোৰৰ লগত মহাজাগতিক পৰিঘটনাৰ সম্বন্ধ বিচাৰি উলিয়াব পৰা হোৱা নাই, যেনেকৈ বৰ্তমান প্ৰচলিত সাতদিনীয়া সপ্তাহৰ তেনে

ভিত্তি নাই।

মাহটোৰ ২০ টা দিনৰ একোটা সংখ্যা আৰু নাম দিয়া হৈছে। সংখ্যাবোৰ ১ ৰ পৰা আৰম্ভ হৈ ১৩ ত শেষ হয়, চতুৰ্দ্দশ দিনটো পুনৰ একৰ পৰা আৰম্ভ হয়, নাম অৱশ্যে কুৰিটাই থাকে। সংখ্যা আৰু নামবোৰ তলত দিয়া হ'ল—

(১) ইমিক্স, (২) ইক, (৩) একবাল, (৪) কান, (৫) চিক্চেন, (৬) চিমি, (৭) মাণিক, (৮) লামাট, (৯) মুলুক, (১০) ওক, (১১) চুৱেন, (১২) কেন, ইয়াৰ পিছত পুনৰ ১ ৰ পৰা আৰম্ভ হ'লেও নামবোৰ বেলেগ — (১) ইক্স (চতুৰ্দ্দশ দিন), (২) মেন (পঞ্চদশ), (৩) কিব, (৪) কাবান, (৫) এট্জনাব, (৬) কাৱাক আৰু (৭) অজাউ (বিংশ)। ইয়াৰ পাছৰ দিনটো (একবিংশ) হ'ব (৮) ইমিক্স, সেইদৰে (৯) ইক, (১০) একবাল...... (১৩) চিমি, পুনৰ (১) মাণিক....... (১৩) কাৱাক, (১) অজাউ...... এনেদৰে আগবাঢ়ি গৈ ২০ টা ১৩ দিনীয়া চক্ৰ পূৰ্ণ হ'ব ২৬০ দিনত। তাৰ পাছত নতুন চক্ৰ আহিব য'ত ১নং দিনটো হ'ব ইমিক্স।

বৰ্ষচক্ৰটো কি কাৰণে ২৬০ দিনীয়া লোৱা হয় এই লৈ বহুতো তত্ত্ব আগবঢ়োৱা হৈছে। যেনে — (১) মায়াসকলে গণিতৰ হিচাবৰ বাবে ১৩ আৰু ২০ সংখ্যা দুটাক বিশেষ গুৰুত্ব দিয়ে (২) মানুহৰ গৰ্ভধাৰণৰ সময় প্ৰায় ২৬০ দিন, (৩) শস্য ৰোৱাৰ পৰা কটালৈ লগা সময় প্ৰায় ২৬০ দিন (৪) শীৰ্ষবিন্দু (Zenith) য়েদি সূৰ্য অহা-যোৱাৰ লগত ২৬০ দিনৰ সম্বন্ধ আছে, (৫) দক্ষিণ আমেৰিকাৰ অক্ষাংশৰ লগতো ২৬০ ৰ সম্বন্ধ দেখুৱাব পাৰি ইত্যাদি।

পূৰ্বতে দেখুওৱা তিনিটা চক্ৰৰ সমন্বয় ঘটে ৩৭, ৯৬০ দিনত। ইয়াৰে আধা দিন অৰ্থাৎ ১৮,৯৮০ দিনৰ এটা চক্ৰ আছে, নামটো হ'ল পঞ্জিকা চক্ৰ (Calander Round)। ২৬০ আৰু ৩৬৫ৰ লঘিষ্ঠ সাধাৰণ গুণিতক হৈছে ১৮,৯৮০ (৭৩×২৬০ আৰু ৫২×৩৬৫)।

আধুনিক কালৰ সংখ্যা গণনাত এটা সংখ্যাৰ অংকবোৰৰ মান স্থানৰ আধাৰত হয় আৰু এই আধাৰ হৈছে ১০ (দশমিক পদ্ধতি), যেনে— ৪৫৯২ৰ ক্ষেত্ৰত একেবাৰে সোঁহাতৰ ২ৰ মান ২, কিন্তু তাৰ কাষৰ বাওঁহাতৰ ৯ৰ মান ৯×১০=৯০, সেইদৰে তৃতীয়স্থানৰ ৫ৰ মান ৫×১০×১০ =৫০০ আৰু চতুৰ্থ স্থানৰ ৪ৰ মান ৪×১০×১০ ×১০=৪০০০। ইয়াৰ বিপৰীতে মায়া পঞ্জিকাত সংখ্যাৰ আধাৰ হৈছে ২০ আৰু প্ৰতিটো সংখ্যা পাঁচোটা অংকৰে গঠিত। স্থানাংকৰ মানো ২০ৰ গুণিতক হিচাবে বাঢ়ি যায়, ইয়াৰে ব্যক্তিক্ৰমীভাৱে তৃতীয় স্থানত ২০ৰ সলনি ১৮ৰে গুণ হয়। ১৮×২০=৩৬০ সংখ্যাটো পাৰ্থিৱ বছৰৰ তেনেই ওচৰ বাবেই বোধহয় তেনেদৰে লোৱা হয়। ধৰা হওক এটা সংখ্যা ০.০.১.২.৪, ইয়াৰ মান হ'ব ১×৩৬০+২×২০+৪ =৪০৪। সেইদৰে ২.৫.৩.৯.৮ সংখ্যাটোৰ মান হ'ব, ২×১৪৪,০০০+৫×৭২০০ +৩×৩৬০+৯×২০×৮= ৩,২৫,২৬৮। কুৰিৰ গুণিতকবোৰক একোটা একক ধৰি এইবোৰৰ নামো দিয়া হৈছে, এইবোৰৰ হিচাব তলত দিয়া হ'ল

| দিনৰ সংখ্যা | দীৰ্ঘ গণনাৰ কাল | দীৰ্ঘ গণনাৰ একক | সৌৰ বছৰৰ পৰিমাণ (প্ৰায়) |
|---|---|---|---|
| ১ | ----- | ১ কিন | — |
| ২০ | ২০ কিন | ১ ইউনাল | — |
| ৩৬০ | ১৮ ইউনাল | ১ টুন | ~১ |
| ৭,২০০ | ২০ টুন | ১ কাটুন | ১৯.৭ |
| ১৪৪,০০০ | ২০ কাটুন | ১ বাক্টুন | ৩৯৪.৩ |
| ২,৮৮০,০০০ | ২০ বাক্টুন | ১ পিক্টাণ | ৭,৮৮৫ |
| ৫৭,৬০০,০০০ | ২০ পিক্টাণ | ১ কালাষ্টুন | ১৫৭,৮০৮ |
| ১,১৫২,০০০,০০০ | ২০ কালাষ্টুন | ১ কিঞ্চিল্টুন | ৩,১৫৬,১৬৪ |
| ২৩,০৪০,০০০,০০০ | ২০ কিঞ্চিল্টুন | ১ আলাউটুন | ৬৩,১২৩,২৮৮ |

## মায়া পঞ্জিকাৰ চক্ৰৰ পৰিবৰ্তন

এইবোৰ হিচাবৰ পৰা দেখা যায় যে নিৰ্দিষ্ট সংখ্যাৰ দিন বা সৌৰ বছৰত (আদুনিক কালত হিচাব কৰি উলিওৱামতে) একো একোটা কালৰ একক পূৰ্ণ হয়, ভাৰতত যুগ একোটা পাৰ হোৱাৰ দৰে। যেনে— ৭২০০ দিন বা প্ৰায় ১৯.৭ বছৰ 'কাটুন চক্ৰ' সম্পূৰ্ণ হয়। অৰ্থাৎ ৩১১৪ খ্ৰীঃপূঃৰ ১১ আগষ্টত মায়া পঞ্জিকা আৰম্ভ হ'লে ৩০৯৩ খ্ৰীঃপূঃৰ ১১ এপ্ৰিল মানত প্ৰথম কাটুন চক্ৰ সম্পূৰ্ণ হ'ব, সেইদৰে ২৭১৯ খ্ৰীঃপূঃত প্ৰথম বাক্‌টুন চক্ৰ পূৰ্ণ হৈছিল। এনেদৰে ১৩ নম্বৰ বাক্‌টুন চক্ৰটো সম্পূৰ্ণ হোৱাৰ তাৰিখটো হৈছে ২১ ডিচেম্বৰ ২০১২ খ্ৰীষ্টাব্দ।

মায়া পঞ্জিকাৰ গ্ৰন্থ উন্মোচনৰ পৰা সহজভাৱে দেখা যায় যে ২০১২ চনৰ ২১ ডিচেম্বৰ দিনটোৰ অন্য একো বিশেষত্ব নাই, এই দিনটো কেৱল এটা চক্ৰৰ পৰা আন এটা চক্ৰলৈ ধৰি লোৱা হিচাব মতে স্থানান্তৰৰ দিন (১৩ নং বাক্‌টুনৰ পৰা ১৪ নং বাক্‌টুনলৈ অগ্ৰসৰ হোৱাৰ দিন)। গ্ৰেগৰী পঞ্জিকাৰ কথাই ধৰা যাওক। ২০০০ খ্ৰীষ্টাব্দ শেষ বা আৰম্ভ হোৱাৰ সময়ত বহুতেই নানা মহাজাগতিক পৰিবৰ্তনৰ ভৱিষ্যৎ বাণী কৰিছিল। ইয়াৰ লগতে মনুষ্যসৃষ্ট কম্পিউটাৰবোৰেও হিচাবত গণ্ডগোল লগাব বুলি পৃথিবী জুৰি শংকাৰ সৃষ্টি হৈছিল। পিছে তেনে একো ঘটনা নঘটিল, কাৰণ মানুহে ধৰি লোৱা (যীশু খ্ৰীষ্টৰ জন্মদিনৰ আধাৰত) বছৰৰ হিচাবত সৌৰজগত বা মহাবিশ্বৰ কাম-কাজ পৰিচালিত নহয়। একেদৰে মানুহে ধৰি লোৱা দিন বা বছৰৰ সংখ্যাৰ আধাৰত চক্ৰ এটাৰ সলনিৰ লগত পৃথিবীৰ ঘূৰ্ণন বা মহাজাগতিক ঘটনাৰ কোনোবা সম্বন্ধ নাই। মায়া পঞ্জিকাতো কোনো ধৰণৰ ধ্বংস বা সাংঘাতিক কিবা পৰিবৰ্তন হোৱাৰ কথা কোৱা নাই। এই পঞ্জিকামতে ২০ টা বাক্‌টুন পূৰ হ'ব ২,৮৮০,০০ দিন বা প্ৰায় ৭,৮৮৫ বছৰত। মন কৰিবলগীয়া কথাটো হ'ল দিনৰ সংখ্যাক বছৰলৈ পৰিবৰ্তন কৰোতে পোনপটীয়াকৈ ৩৬৫ ৰে হৰণ কৰিব নোৱাৰি বাবে ২১ ডিচেম্বৰ ২০১২ চনত চক্ৰ পৰিবৰ্তন হ'ব বোলোতেও ভুল হ'ব পাৰে। মায়া পঞ্জিকাৰ আটাইতকৈ দীঘলীয়া চক্ৰটো হৈছে আলাউটুন যিটো প্ৰায় ৬.৩১ কোটি বছৰত পূৰ্ণ হ'ব।

## পৃথিৱী ধ্বংসৰ বাস্তৱতা আৰু যুক্তিৰ বিচাৰ ঃ-

প্ৰায় ৫১১২ বছৰীয়া এটা চক্ৰ ২১ ডিচেম্বৰ, ২০১২ চনত বা ইয়াৰ আশে পাশে পূৰ্ণ হোৱাৰ এটা গতানুগতিক ঘটনাক পৃথিৱী বা জীৱকুল বা মানৱ জাতি ধ্বংস হোৱাৰ তাৰিখ বুলি যোৱা প্ৰায় দুকুৰি বছৰকাল ধৰি চৰ্চা হৈ থকাৰ কাৰণ বিচাৰি গ'লে হয়তো বহু আনুমানিক কথাই ক'ব লগা হ'ব। এটা চামে পৃথিবী ধ্বংস বা আন প্ৰলয়ংকাৰী ঘটনাৰ সন্মুখীন হ'ব লগাৰ ভৱিষ্যৎ বাণী দি বিখ্যাত হোৱাৰ বা চাঞ্চাল্যৰ সৃষ্টি কৰাৰ পদ্ধতি নতুন নহয়। এনেবোৰ ভৱিষ্যতবাণীৰ সপক্ষে বহুতো অকাট্য যেন লগা যুক্তিও দাঙি ধৰা হয়। মায়া পঞ্জিকাৰ উল্লেখেৰে তথাকথিত কোনো বিশেষজ্ঞই কিবা ভৱিষ্যৎ বাণী আগবঢ়ালে প্ৰাচীন ইতিহাস বা প্ৰাগৈতিহাসিক ঘটনাৰ বিষয়ে জনাসকলে গুৰুত্ব দিবলৈ বাধ্য, কাৰণ মায়া পঞ্জিকাত আধুনিক জ্ঞানৰ লগত ফেৰ মাৰিব পৰাকৈ ভালেমান তথ্য আছে। তাৰোপৰি মায়া সকলে নিৰ্মাণ কৰা অট্টালিকা, মানমন্দিৰ, ক্ৰীড়াউদ্যান আদি সগৰ্বে আজিও পৃথিৱীৰ বুকুত থিয় হৈ থাকি তেওঁলোকৰ কৃতিত্বৰ স্বাক্ষৰ ধৰি ৰাখিছে। এনে এটা জাতিৰ মূলৰ বিষয়ে কোনো শুংসূত্ৰ নথকা তথা ৮০০ খ্ৰীষ্টাব্দত হঠাতেই সকলো এৰি থৈ যোৱা কাৰ্যৰ ব্যাখ্যা কৰা সঁচাকৈয়ে কঠিন।

পৃথিৱীত থকা অতি বিস্ময়কৰ যেন লগা নানা কীৰ্তিচিহ্নৰ মূলত বহিৰ্জগতৰ অত্যুন্নত সভ্যতাৰ সদস্যৰ হাত থকা বুলি এৰিক কন দানিকেন, পিটাৰ ক'ল'চিম', কাৰ্ল চেগান, উইলি লী আদি চিন্তাবিদ সকলে ভাৱে। মায়াসকলো বাহিৰৰ কোনোবা গ্ৰহৰ পৰা অহা বুদ্ধিমান জীৱৰ দ্বাৰা শিক্ষিত হৈছিল, নগৰ তথা অন্যান্য আশ্চৰ্যজনক নিৰ্মাণৰ বাবে। তেওঁলোক এসময়ত পৃথিবী এৰি গুচি গৈছিল, এই বহিৰাগতসকলক 'দেৱতা' আখ্যা দিয়া হৈছিল স্থানীয়লোকৰ দ্বাৰা। এওঁলোকৰ নিৰ্দেশতে দিন, মাহ, বছৰ আদিত মন্দিৰৰ চিৰি, তলা, সম্পূৰ্ণ মন্দিৰ আদি নিৰ্মাণ কৰা হৈছিল। দেৱতাৰ নিৰ্দেশ মানি এইবোৰ কাম কৰিলে তেওঁলোক পুনৰ পৃথিৱীলৈ ঘূৰি অহাৰ প্ৰতিশ্ৰুতি দিছিল। ১৫৩০ খ্ৰীষ্টাব্দত

স্পেনীয়সকলে মায়া অধ্যুষিত অঞ্চললৈ আহোতে স্থানীয় অধিবাসীসকলে সেইসকলকে দেৱতা বুলি ভাবিছিল আৰু প্ৰায় বিনা প্ৰতিবাদে তেওঁলোকক আদৰণি জনাইছিল। অৱশ্যে স্পেনীয়সকলে সেই .আদৰণিৰ মূল্য নিদি ধ্বংস লীলাহে চলালে। আগতেই কোৱা হৈছে যে মূল মায়াসকল ৮০০ খ্ৰীষ্টাব্দতে সেই ঠাই এৰি গৈছিল, স্পেনীয়সকলে জয় কৰাসকল মূল সকলৰ দৰে দক্ষ নাছিল। সি যি কি নহওক বৰ্তমানৰ মায়াসকলৰ একাংশৰ মতে ২০১২ চনৰ ২১ ডিচেম্বৰত মায়া পঞ্জিকাৰ এটা চক্ৰ সম্পূৰ্ণ হ'লে 'দেৱতাসকল' মৰ্ত্যলৈ আহিব।

কিছুমানৰ মতে ত্ৰয়োদশ বাকটুন চক্ৰৰ পৰা চতুৰ্দ্দশলৈ যোৱাৰ সময়ত পৃথিৱীখনৰ আমূল পৰিবৰ্তন বাহ্যিকভাৱে বিশেষকৈ পৰিবেশৰ পৰিবৰ্তন বিশেষভাৱে লক্ষণীয়। কুৰি শতিকাত বিজ্ঞান প্ৰযুক্তিৰ উন্নতিৰ যোগেদি হোৱা কল-কাৰখানা আৰু যান্ত্ৰিক সভ্যতাৰ আনবোৰ উপকৰণৰ বাবে পৃথিৱীত মাটি, পানী, বায়ু আদিত ব্যাপক প্ৰদূষণ ঘটিছে যিবোৰে মানৱ জাতিৰ সংকট মাতি আনিছে। মায়া পঞ্জিকাৰ চক্ৰ পৰিবৰ্তনৰ সময়ত হেনো এনেধৰণৰ ব্যাপক ঋণাত্মক সলনিৰ ইংগিত দিয়া হৈছে।

আন কিছুমানৰ মতে পৃথিৱীৰ বাহ্যিক পৰিবৰ্তনতকৈ মানৱ জাতিৰ মানসিকতাৰ পৰিবৰ্তনটোহে বেছি গুৰুত্বপূৰ্ণ আৰু মায়া পঞ্জিকাত এই মানসিক পৰিবৰ্তনৰেই কথা কোৱা হৈছে। মানুহ অধিক বস্তুবাদী হৈ পৰিছে। পাৰস্পৰিক মৰম-স্নেহ, আন্তৰিকতা, সহযোগিতা আদি মানুহৰ মাজত অভাৱ ঘটিছে, মানুহ আত্মকেন্দ্ৰিক, অহংকাৰী, নৈতিকতাবিহীন, ব্যভিচাৰী আদি হৈ উঠিছে। এই প্ৰবক্তাসকলৰ মতে ২০১২ চনত পৃথিৱী বা মানৱ জাতি ধ্বংস নহয়, নতুন মানসিকতাৰে এখন বেলেগ পৃথিৱীৰহে সূচনা হ'ব য'ত মানুহৰ মানৱীয় প্ৰমূল্যবোৰে প্ৰাধান্য লাভ কৰিব।

ভাৰতীয় প্ৰাচীন সংস্কৃতিৰ লগত সংশ্ৰৱ ৰখা এচামে মায়া দেৱতা 'কুকুলকাণ'ৰ লগত তন্ত্ৰ শাস্ত্ৰ ৰ 'কুণ্ডলিনী শক্তি'ক একাকাৰ কৰিব খোজে। তন্ত্ৰৰ মতে মানুহৰ দেহত ছটা (এই সংখ্যাটোত বিভিন্নতা আছে) চক্ৰ আছে, মেৰুদণ্ডৰ শেষ অংশ অৰ্থাৎ পায়ুৰ ওচৰৰ পৰা আৰম্ভ কৰি মস্তিষ্কলৈ মেৰুদণ্ডৰ মাজেৰে এই চক্ৰবোৰ বিস্তৃত। চক্ৰবোৰক স্পৰ্শ কৰি কুণ্ডলিনী শীৰ্ষক এডাল সৰ্প আছে যিডালৰ ফণাই মস্তিষ্কত থকা শতদল পদ্ম তথা শক্তিৰ আধাৰক আৱৰি আছে। তন্ত্ৰৰ বিশেষ পদ্ধতিৰ দ্বাৰা পায়ুদেশৰ পৰা ক্ৰমান্বয়ে ছটা চক্ৰ অতিক্ৰমী গৈ মূৰত থকা সাপৰ ফণা আঁতৰাই দিব পাৰিলেই মহাশক্তি ৰূপীনী মহামায়াৰ শক্তি লাভ কৰিব পৰা যায়। মায়া সকলৰ সৰ্পৰূপী দেৱতা কুকুলকানৰো নেজডাল ভূমিত থকাৰ বিপৰীতে ফণা থাকে মন্দিৰৰ শীৰ্ষত। এই ফণাৰ যোগেদি মহাবিশ্বৰ মহাশক্তি মানুহে লাভ কৰিব পাৰে। ভাৰতীয় তান্ত্ৰিকসকলে মহাশক্তিক পাবলৈ বিশেষ পদ্ধতি ব্যৱহাৰ কৰাৰ দৰে মায়াসকলৰ দেৱতা কুকুলকানক জাগ্ৰত কৰাৰ পদ্ধতি আছে। দেৱতা জাগ্ৰত হয় বিশেষ কিছুমান চক্ৰৰ পূৰ্ণকালত। ২০১২ চনত পূৰ্ণ হ'ব লগা চক্ৰটোতো দেৱতা জাগ্ৰত হোৱাৰ হেনো ইংগিত আছে। যিটো ঘটিলে পৃথিৱীৰ মানুহে দেৱতাৰ দয়াত বিশেষ মহাশক্তি লাভ কৰিব। সাধাৰণ অৱস্থাত দেৱতা কুকুলকানে মানুহৰ মেৰুদণ্ডৰ নিম্নভাগত নিদ্ৰা গৈ থাকে, ত্ৰয়োদশ বাকটুন চক্ৰৰ কাটুন ৪ আহাউত কুকুলকান জাগ্ৰত হ'ব আৰু পৃথিৱী সোমাব পঞ্চম বিশ্বত, যিটো সময়ত সৌৰশক্তিয়ে মানুহৰ হিয়াত ঠাই পাব। তন্ত্ৰৰ কুণ্ডলিনীৰ দৰেই চক্ৰৰ অন্তত মহাজাগতিক শক্তি লাভ কৰাৰ ধাৰণাবোৰ নিতান্তই অন্ধবিশ্বাসৰ নামান্তৰ।

গুৱাটেমালাৰ অৱশিষ্ট মায়াসকলে কোৱামতে ২০১২ চনৰ ২১ ডিচেম্বৰত পৃথিৱী ধ্বংস হ'ব ধৰণৰ কোনো কথা মায়া পঞ্জিকাত নাই। মানুহক ত্ৰাসিত কৰাৰ ঘোষণাবোৰক লৈ তেওঁলোক বাৰুকৈয়ে অসন্তুষ্ট। প্ৰকৃতিৰ লগত অসহযোগিতা কৰি প্ৰকৃতিক ধ্বংস কৰাৰ প্ৰৱণতাই মানুহৰ মনত এটা ভয়ৰ জন্ম দিছে যে প্ৰকৃতিয়ে ইয়াৰ বাবে মানুহৰ ওপৰত প্ৰতিশোধ ল'ব। এই ভয়ে মায়া কেলেণ্ডাৰৰ অজুহাত ল'বলৈ এচামক প্ৰৰোচিত কৰিছে। আন এচাম মায়াৰ মতে একোটা চক্ৰৰ পৰিবৰ্তনত প্ৰকৃতিত হয়তো পৰিবৰ্তন হ'ব, মানুহে যদি প্ৰকৃতিৰ লগত বন্ধুত্ব কৰিছে পৰিবৰ্তনো হ'ব মানুহৰ অনুকূলে, আনহাতে প্ৰকৃতিৰ বিৰোধিতা যদি কৰা

হৈছে প্ৰাকৃতিক পৰিৱৰ্তনো মানুহৰ ধ্বংসৰ কাৰণ হ'ব।

প্ৰকৃতিক জয় কৰাত মানুহ বহুখিনি সফল হৈছে যদিও প্ৰকৃতিৰ বিধ্বংসী ৰূপো মানুহে সততে প্ৰত্যক্ষ কৰিছে। গতিকে চেতন বা অৱচেতন মনত প্ৰকৃতিৰ প্ৰতি মানুহৰ এটা ভয় সদায় আছে আৰু সেই ভয়ৰ আলমতে মায়া কেলেণ্ডাৰ চক্ৰৰ সলনি মানে প্ৰকৃতিৰ ধ্বংসৰ আগজাননী বুলি ব্যাখ্যা কৰা হৈছে।

মায়া পঞ্জিকাত কিছুমান বিশেষ ধৰণৰ চিত্ৰ দিয়া হৈছে। ইয়াৰ তথ্যবোৰ বিশ্লেষণ কৰি কিছুমানে কয় যে ২৬০০০ বছৰীয়া জ্যোতিৰ্বিজ্ঞানৰ চক্ৰ (এই সময়খিনিত পৃথিৱীৰ অক্ষৰেখাই ধ্ৰুৱতৰাৰ চাৰিওফালে এপাক মাৰে) ২০১২ চনৰ ২১ চনৰ ডিচেম্বৰত পূৰ্ণ হ'ব আৰু মানৱতাৰ দৰ্শনো বেলেগ হ'ব। পঞ্জিকাৰ শেহত দিয়া চিত্ৰখনৰ মতে এই তাৰিখত পৃথিৱী বা বিশ্বৰ নিয়ন্ত্ৰণৰ ভাৰ পুৰুষৰ পৰা নাৰীলৈ স্থানান্তৰিত হ'ব; ভাৰতৰ শক্তিপূজক সকলৰ মতে ইতিমধ্যে নাৰী মহামায়াই এই নিয়ন্ত্ৰণ হাতত ৰাখিছে, ইয়াৰ ফলত নাৰীসকল পুৰুষতকৈ অধিক শক্তিশালী হ'ব।

২০১২ চনৰ ২১ ডিচেম্বৰ তাৰিখটো বিভিন্ন গণনাৰ পৰা বাহিৰ কৰা হৈছে যদিও মায়া ঐতিহ্য সম্পৰ্কে জ্ঞান থকা সকলো পণ্ডিত এই তাৰিখ সম্পৰ্কে একমত নহয়। আধুনিক সৌৰ, চান্দ্ৰ, নক্ষত্ৰ বৰ্ষ আদিৰ লগত পোনপটীয়া মিল নথকা আৰু সৰলৰৈখিক গতিত সময় আগবঢ়াই নিয়া মায়া পঞ্জিকাৰ লগত বৰ্তমানৰ হিচাবৰ সমিলমিল কৰাতো সহজ নহয়। সূৰ্য, চন্দ্ৰ বা পৃথিৱীৰ ঘূৰ্ণনৰ লগত সংগতি ৰাখিবলৈ আধুনিক কেলেণ্ডাৰত মাজে মাজে দিন, ঘণ্টা আদি যোগ-বিয়োগ কৰা হয় যাতে প্ৰাকৃতিক ঘটনাৰ লগত পঞ্জিকাৰ মিল থাকে, মায়া পঞ্জিকাত তেনে ব্যৱস্থা নাই বাবে ঋতু পৰিৱৰ্তনৰ লগতো ইয়াৰ সম্বন্ধ নাই। সি যি কি নহওক, অন্য পঞ্জিকাৰ দৰে মায়া পঞ্জিকাতো কিছুমান চক্ৰৰ পাছত হিচাবৰ পুনৰাবৃত্তি হয়, এই চক্ৰবোৰৰ কিছুমান চুটি (১৩ দিনীয়া, ২০ দিনীয়া, ৎস্‌লকিন, হাব, কিন, ইউনাল ইত্যাদি)। আন কিছুমান দীঘল (বাকটুন, পিকটুন, আলাউটুন ইত্যাদি)। চক্ৰৰ পৰিৱৰ্তন মানে প্ৰাকৃতিক পৰিৱৰ্তন নুবুজায়। গতিকে বৰ্তমান ত্ৰয়োদশ বাকটুন চক্ৰৰ যিটো পৰিৱৰ্তন হ'ব, সেই পৰিৱৰ্তনত পৃথিৱী বা জীৱকুল ধ্বংসৰ কথা বাদেই, আন প্ৰাকৃতিক পৰিৱৰ্তনো আকস্মিকভাৱে নহয়। কিবা হ'লে সেয়া কাকতালীয়হে হ'ব।■

---

❖প্ৰাক্তন অধ্যক্ষ, নগাঁও মহাবিদ্যালয়, অসমৰ বিশিষ্ট বুদ্ধিজীৱী

## জিৰণি ল'বলৈ

এবাৰ এখন সভালৈ অন্যতম বিজ্ঞানী আইনষ্টাইনক বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰণ কৰা হৈছিল। আচলতে আইনষ্টাইনৰ উপস্থিতিয়ে সভাখন গহীন কৰিব বুলি ভাবিয়েই তেওঁক সভালৈ নিমন্ত্ৰণ জনোৱা হৈছিল।

যথা সময়ত আইনষ্টাইন গৈ সভাত উপস্থিত হ'লগৈ। কিন্তু আন কেইবাজনো বিজ্ঞানী সভাখনত উপস্থিত নাথাকিল। মাত্ৰ কেইজনমান বিজ্ঞানীৰ উপস্থিতিত জানো এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হ'ব পাৰে? ফলত সভাখন স্থগিত কৰা হ'ল। সভাৰ উদ্যোক্তাসকলে আইনষ্টাইনক এইদৰে মাতি আনি তেওঁৰ আপুৰুগীয়া সময় নষ্ট কৰা কথাটোত বৰ লাজ পালে। তেওঁলোকে তেওঁৰ ওচৰলৈ গৈ ক্ষমা বিচাৰিলে।

উত্তৰত হাঁহি মুখেৰে আইনষ্টাইনে ক'লে, "মইতো মাজে সময়ে এনেকুৱা সভায়েই কামনা কৰোঁ, কিয়নো এনেকুৱা সভাতেই মই জিৰণি ল'বলৈ সুযোগ পাওঁ।"

# ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ

ড° লীলা দাস❖



জীৱশ্ৰেষ্ঠ মানৱ জাতি প্ৰায় পাঁচ নিযুতৰকৈও অধিক কালৰ পৰা এই সুন্দৰ পৃথিৱীত বাস কৰি আহিছে। জীৱশ্ৰেষ্ঠ মানুহ জাতি সদায় নিজৰ অধিকাৰ সম্বন্ধে সচেতন আছিল আৰু সুসংঘবদ্ধ হৈ প্ৰকৃতিৰ ৰাজ্যত বসবাস কৰিছিল আৰু সদায় নিজৰ অধিকাৰ সাব্যস্ত কৰাত গুৰুত্ব দিছিল। সময়ৰ বিৱৰ্তনৰ লগে লগে ৰাষ্ট্ৰ নামৰ বৃহৎ মানৱীয় অনুষ্ঠানটো স্বীকৃতপ্ৰাপ্ত হোৱাৰ লগে লগে ইয়াত বসবাস কৰা জনসাধাৰণে নিজৰ সৰ্বতোপ্ৰকাৰ বিকাশৰ বাবে প্ৰয়োজন হোৱা দাবী কিছুমান ৰাষ্ট্ৰখনৰ পৰা বিচাৰিছিল যিবোৰ অতি সহজ অৰ্থত-ভাষাত 'অধিকাৰ' বুলি ক'ব পাৰি। এক কথাত অধিকাৰসমূহক সমাজপ্ৰিয় প্ৰাণী হিচাপে মানুহৰ সামাজিক দাবী বুলিও স্বীকৃতি দিব পৰা যায়। আধুনিক যুগত পৃথিৱীৰ প্ৰায়বোৰ ৰাষ্ট্ৰই গণতান্ত্ৰিক নীতিৰ ওপৰত বিশ্বাসী আৰু এনে আদৰ্শৰ ৰাষ্ট্ৰত জনসাধাৰণে ৰাষ্ট্ৰখনৰ পৰা যিমান দূৰ সম্ভৱ সিমানখিনি অধিকাৰ ৰাষ্ট্ৰখনৰ পৰা সাব্যস্ত কৰিব বিচাৰে। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ কৃতকাৰ্যতা সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে ৰাষ্ট্ৰখনে তাৰ নাগৰিকসকলক প্ৰদান কৰা প্ৰাকৃতিক বা জন্মগত আৰু সংবিধানপ্ৰদত্ত বিভিন্ন অধিকাৰসমূহৰ পৰা আৰু এই প্ৰদত্ত অধিকাৰসমূহৰ পৰা নাগৰিকসকলে যাতে কোনো কাৰণতে বঞ্চিত নহয় তাৰ প্ৰতিও বিশেষ ব্যৱস্থা গ্ৰহণ কৰা।

জীৱশ্ৰেষ্ঠ মানৱ জাতিটোৱে দৈনন্দিন জীৱন যাত্ৰাৰ প্ৰতিটো স্তৰতে জ্ঞাতে বা অজ্ঞাতে সদায় নিজৰ অধিকাৰ সাব্যস্ত কৰি আহিছে আৰু তাৰ লগে লগে সমাজত বাস কৰা আনৰ অধিকাৰকো স্বীকৃতি দি আহিছে। নাগৰিকৰ সমাজ সচেতনতাই ৰাষ্ট্ৰখনৰ দায়িত্ব অধিক বৃদ্ধি কৰিছে যিহেতু আজিৰ ৰাষ্ট্ৰখনৰ বয়োজ্যেষ্ঠ, শিশু, পথৰ ভিক্ষাৰী, যৌনকৰ্মী, ছাত্ৰ-ছাত্ৰী ইত্যাদিয়েও 'অধিকাৰ'ৰ দাবীদাৰ হৈ পৰিছে। গতিকে আজিৰ ৰাষ্ট্ৰখনেও এনেধৰণৰ দাবীবিলাক আওকাণ কৰিব নোৱাৰে। অধিকাৰ শব্দটো প্ৰকৃত অৰ্থত মানৱতা আৰু মানুহৰ লগত ওতঃপ্ৰোতভাৱে সাঙোৰ খাই আছে।

মাতৃগৰ্ভত ন মাহ দহ দিন মাতৃগৰাকীৰ সাৰ-পানীৰে পৰিপুষ্ট হৈ শিশু এটি ভূমিষ্ঠ হয় অৰ্থাৎ শিশু এটি মুক্তভাৱে জন্মগ্ৰহণ কৰে। কিন্তু মুক্তভাৱে জন্মগ্ৰহণ কৰা শিশুটি জন্মৰ তিনি-চাৰি মাহমানলৈকে মুক্তভাৱে বিচৰণ কৰিব নোৱাৰে আৰু শিশুটি মাতৃগৰাকীৰ তত্বাৱধানত থাকিবলগীয়া হয়। কিন্তু সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলে বুজা যায় যে শিশুটিয়ে এই সময়ত ক্ৰন্দনেৰে নিজৰ প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰে অৰ্থাৎ মনৰ ভাব ব্যক্ত কৰে। এই অধিকাৰখিনিকেই মানুহৰ প্ৰাকৃতিক-জন্মগত অধিকাৰ বুলিব পাৰি।

শিশু এটি তিনি-চাৰি বছৰমানত কোনো স্কুলত নামভৰ্তি কৰিলে ছাত্ৰ-ছাত্ৰীৰ মৰ্যাদা পায়। কিন্তু এনে প্ৰাক্-প্ৰাথমিক পৰ্যায়ৰ শিক্ষানুষ্ঠানত এই বয়সৰ শিশুসকলে নিজৰ অধিকাৰনো কি সেই সম্বন্ধে বিশেষ জ্ঞাত নহয় বা সচেতনো নহয়। এই বয়সত শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশৰ সময়; যাৰ বাবে স্কুলত পাঠদান কৰা শিক্ষাগুৰুসকলে এই দুয়ো দিশ বাধাগ্ৰস্ত নোহোৱাকৈ পঢ়া-শুনাৰ উপৰিও খেলা-ধূলা, সাধুকথা, নীতিগত কথাৰ ওপৰত গুৰুত্ব দিব লাগে। সকলো শিশুৰে প্ৰকৃতি একেধৰণৰ নহয়; কোনো শিশু খঙাল

বা জেদী, কোনোটো আঁকোৰগোজ, কোনোটো শান্ত-শিষ্ট প্ৰকৃতিৰ। গতিকে এনে পৰ্যায়ত শিক্ষাগুৰুসকলে খুব সাৱধানতাৰে শিশুসকলৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰিব নালাগে। আনকি অতিৰিক্ত কিতাপৰ বোজাও শিশুটিক বহন কৰিবলৈ দিব নালাগে।

প্ৰকৃত অৰ্থত 'ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ'ৰ সচেতনতা প্ৰকাশ পায় হাইস্কুল পৰ্যায়ত শিক্ষাগ্ৰহণৰ আৰম্ভণিৰ পৰাহে। গতিকে ছাত্ৰ-ছাত্ৰী বুলিলে সাধাৰণতে স্কুল-বিদ্যালয়, কলেজ, বিশ্ববিদ্যালয় বা আন কোনো সম পৰ্যায়ৰ শিক্ষানুষ্ঠানত শিক্ষাগ্ৰহণ কৰাসকলক অন্তৰ্ভুক্ত কৰা হয়। আৰু এনেধৰণৰ শিক্ষানুষ্ঠানসমূহ চৰকাৰী বা বেচৰকাৰীও হ'ব পাৰে। এনেধৰণৰ শিক্ষা প্ৰতিষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলে যেতিয়া সম্পূৰ্ণ নিৰাপত্তাৰ মাজেৰে শিক্ষাগ্ৰহণ কৰাৰ সময়ত নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতি প্ৰকাশ কৰা সচেতনতাকেই সহজ অৰ্থত 'ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ' বুলিব পাৰি (আখ্যা দিব পাৰি)। সমাজ এখনক বিভিন্নধৰণৰ সামাজিক সমস্যাই সময়ে সময়ে জুৰুলা কৰি তোলে আৰু যিবোৰ সমস্যা সমাজ এখনত উদ্ভৱ হয়; সেই সামাজিক সমস্যাসমূহকে সমাজখনৰ লগতে ছাত্ৰ-ছাত্ৰীৰ ওপৰতো যথেষ্ট প্ৰভাৱ পেলায়। সেয়েহে আজিৰ ছাত্ৰ-ছাত্ৰীসকলে সামাজিক সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত বয়োজ্যেষ্ঠ নাগৰিকসকলৰ লগতে সমানে আগবাঢ়ি অহা পৰিলক্ষিত হৈছে। আনকি কিছু ক্ষেত্ৰত সমস্যা সমাধানৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়েই বেছি গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়।

প্ৰত্যেক ৰাষ্ট্ৰৰ সংবিধানতে নাগৰিকৰ কাৰণে কিছুমান 'সংবিধানপ্ৰদত্ত অধিকাৰ' থাকে আৰু এটা নিৰ্দিষ্ট বয়স অতিক্ৰম কৰাৰ পাছত এই অধিকাৰবিলাকেই ছাত্ৰ-ছাত্ৰীসকলেও উপভোগ কৰাৰ অধিকাৰ পায়। আইনগত (Legally) আৰু পৰম্পৰাগতভাৱে (Traditionally) ছাত্ৰ-ছাত্ৰীয়েনো কি কি অধিকাৰ উপভোগ কৰিব পাৰিব; সেই বিষয়ে ৰাষ্ট্ৰভেদে বেলেগ বেলেগ অধিকাৰ সন্নিৱিষ্ট কৰা দেখা যায়, অৰ্থাৎ পৃথিৱীৰ প্ৰত্যেকখন ৰাষ্ট্ৰৰে 'সংবিধান সন্নিৱিষ্ট' অধিকাৰসমূহ (পৃথক পৃথক) আৰু সংবিধান সন্নিৱিষ্ট অধিকাৰসমূহত 'ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ' বুলি বেলেগ এটা শিতানত কোনো 'বিশেষ অধিকাৰ' অন্তৰ্ভুক্ত কৰা দেখা নাযায়। তাৰোপৰি ৰাষ্ট্ৰভেদে 'যুক্তৰাষ্ট্ৰীয় আইন' আৰু 'ৰাজ্যিক আইন'সমূহো পৃথক-পৃথক হোৱা দেখা যায়। এই ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ উদাহৰণ উল্লেখ কৰিব পাৰি য'ত দুয়োধৰণৰ আইনসমূহে 'ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ'ৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। অৱশ্যে তাৰ 'ৰাজ্যিক আইন'সমূহৰ ক্ষেত্ৰতো ৰাজ্যভেদে কিছু তাৰতম্য দেখা যায়। এই দেশখনৰ ছাত্ৰ-ছাত্ৰীসকলে যিবোৰ সমস্যাই তেওঁলোকৰ ওপৰত কু-প্ৰভাৱ পেলাব পাৰে তেনে সমস্যা দূৰীকৰণৰ বাবে অকল সমাজখনৰ গণ্ডীতেই নহয়; স্কুলৰ পৰিসীমাৰ ভিতৰতো নিজৰ মতামত প্ৰকাশ কৰাৰ অধিকাৰ সেই দেশৰ উচ্চতম ন্যায়ালয়ে 'ছাত্ৰ-ছাত্ৰীসকলৰ অধিকাৰ'ত সাব্যস্ত কৰিছে এনেধৰণে— 'Students donot; 'shed their constitutional rights to freedom of speach or expression at the school gate.' (Tinker V. Des Moines Independent School Ditrict)

'ছাত্ৰী-ছাত্ৰীৰ অধিকাৰ'ৰ ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰত যুক্তৰাষ্ট্ৰীয় আইন (Federal Law) আৰু ৰাজ্যিক চৰকাৰৰ আইনসমূহৰ (States Law) মাজত থকা প্ৰভেদৰ ক্ষেত্ৰত কেলিফৰ্ণিয়াৰ উদাহৰণ আঙুলিয়াব পাৰি। যুক্তৰাষ্ট্ৰীয় আইনে ছাত্ৰ-ছাত্ৰীৰ মতামত প্ৰকাশৰ (Students' Free Speech Rights) ক্ষেত্ৰত কিছু সীমাবদ্ধতা আৰোপ কৰিছে। আনহাতে কেলিফৰ্ণিয়াৰ ৰাজ্যিক চৰকাৰৰ আইনে এই ক্ষেত্ৰত কিছু শিথিলতা অৱলম্বন কৰিছে। সেইখন ৰাজ্যৰ চৰকাৰী আৰু বেচৰকাৰী স্কুলসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মতামত প্ৰকাশৰ ক্ষেত্ৰত কিছুমান বিশেষ আইন প্ৰণয়ন কৰিছে (California Education Code, Sections 48907 and 48950)। এই অধিকাৰসমূহৰ ভিতৰত প্ৰচাৰ-পত্ৰ প্ৰকাশ আৰু বিতৰণ কৰা, স্কুলৰ প্ৰচাৰ পত্ৰিকা বা বাৰ্ষিক পত্ৰিকাত মতামত প্ৰকাশ কৰা, লিখিত কোনো আবেদন প্ৰকাশ ও বিতৰণ কৰা, নিৰ্বাচন (স্কুলীয়া) পৰিচালনা কৰা, বাৰ্তা বা জাননী প্ৰকাশ কৰা মঞ্চ গঠন কৰা, শান্তিপূৰ্ণভাৱে সমবেত হোৱা বা কোনো প্ৰতিবাদ

সাব্যস্ত কৰা ইত্যাদি অন্তৰ্ভুক্ত।

অৱশ্যে ওপৰোক্ত অধিকাৰসমূহ ছাত্ৰ-ছাত্ৰীয়ে সাব্যস্ত কৰিবলৈ লওঁতে কিছু সীমাবদ্ধতাৰ গণ্ডীতহে নিজৰ নিজৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। কাৰণ আইনগতভাৱে স্কুল কর্তৃপক্ষৰ ছাত্ৰ-ছাত্ৰীৰ অধিকাৰৰ ওপৰত কিছু পৰিমাণে কর্তৃত্ব থাকিব। উদাহৰণস্বৰূপে ছাত্ৰ-ছাত্ৰীয়ে প্ৰকাশ কৰা মতামতত কোনোধৰণৰ অশালীন শব্দৰ প্ৰয়োগ বা কোনো অসামাজিক তথ্যৰ লিখনি প্ৰকাশত বাধা থাকিব। তাৰোপৰি স্কুলীয়া আইন-শৃংখলা ভংগ কৰাৰ অধিকাৰ, পাঠদান চলি থকা সময়ত পাঠদানত ব্যাঘাত হোৱাকৈ কোনো পৰিবেশৰ অৱতাৰণা কৰা, কোনো প্ৰকাশিত প্ৰচাৰ পত্ৰিকাৰ প্ৰভাৱত ছাত্ৰ-ছাত্ৰীৰ মাজত ধৰ্মঘট বা শ্ৰেণী বৰ্জনৰ দৰে কাৰ্য যাতে সংঘটিত নহয়, সেইবোৰ নিয়ন্ত্ৰণৰ কৰ্তৃত্ব স্কুল কৰ্তৃপক্ষৰ থাকিব। মুঠতে স্থান, কাল, পাত্ৰভেদে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। গতিকে কেলিফৰ্ণিয়াৰ ৰাজ্যিক আইনে কিছু সীমাবদ্ধতাৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ সাব্যস্ত কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ শিক্ষা বিভাগৰ দ্বাৰা পৰিচালিত এখন আইন হৈছে Family Educational Rights and Privacy Acts (FERPA)। এই যুক্তৰাষ্ট্ৰীয় আইনখনৰ জৰিয়তে ওঠৰ বছৰ পূৰ্ণ কৰা ছাত্ৰ-ছাত্ৰী আৰু ওঠৰ বছৰৰ তলৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত অভিভাৱকে স্কুলীয়া তথ্যসমূহ পৰীক্ষা-নিৰীক্ষা কৰা বা তথ্য-পাতি জনাৰ অধিকাৰ আছে। তাৰোপৰি লিংগভেদে কোনো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কোনোৰে বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব।

ছাত্ৰ-ছাত্ৰীৰ অধিকাৰৰ সম্পৰ্কত ফ্ৰান্স দেশেও বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে Al Baho Caseটোত ফ্ৰান্সৰ এখন ফৌজদাৰী আদালতে এজন স্নাতক ছাত্ৰৰ ই-মেইলৰ চোৰাংচোৱাগিৰি (E-mail espionage) কৰা বুলি অভিযোগৰ ভিত্তিত তিনিগৰাকী জ্যেষ্ঠ শিক্ষাবিদক দোষী সাব্যস্ত কৰিছিল। (ছাত্ৰ-ছাত্ৰীৰ E-mail গোপনীয়তা ৰক্ষাৰ ক্ষেত্ৰত।) ছাত্ৰ-ছাত্ৰীৰ E-mailৰ গোপনীয়তা ৰক্ষাৰ ক্ষেত্ৰত ফ্ৰান্সৰ ফৌজদাৰী আদালতৰ এইটো এটা গুৰুত্বপূৰ্ণ ৰায়দান বুলি আখ্যা দিব পাৰি।

১৯৪৮ চনত সন্মিলিত ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ বাবে 'মানৱ অধিকাৰৰ শিতানত সাৰ্বজনীন ঘোষণা' (Univarsal Declaretion of Human Rights) এক অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ। 'মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা' (UDHR)ত ত্ৰিশটা অনুচ্ছেদৰ ভিতৰত, দুই নং অনুচ্ছেদৰ পৰা ২১ নং অনুচ্ছেদলৈ ব্যক্তিৰ পৌৰ (Civil) আৰু ৰাজনৈতিক (Political) অধিকাৰসমূহ ঘোষণা কৰিছে। ঘোষিত এই অধিকাৰসমূহৰ ভিতৰত প্ৰায়বোৰ অধিকাৰ 'ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ'ৰ অন্তৰ্ভুক্ত কৰিব পাৰি। অনুচ্ছেদ ২২ৰ পৰা ২৭ নং অনুচ্ছেদৰ ভিতৰত অৰ্থনৈতিক আৰু সামাজিক অধিকাৰসমূহ ঘোষণা কৰিছে। এই অধিকাৰ শিতানত অন্তৰ্ভুক্ত সামাজিক নিৰাপত্তা, জিৰণি লোৱাৰ অধিকাৰ, শিক্ষাগ্ৰহণৰ অধিকাৰসমূহো 'ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ' শিতান্ত অন্তৰ্ভুক্ত কৰিব পাৰি। এই ঘোষণা-পত্ৰৰ অনুচ্ছেদ ২৫ৰ ২ নং ধাৰাত স্পষ্টভাৱে শিশুসকলৰ প্ৰতি বিশেষ সহায়-সহযোগ আৰু তত্ত্বাৱধানৰ কথা উল্লেখ কৰিছে।

১৯৫৯ চনৰ ২০ নৱেম্বৰত সন্মিলিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে 'শিশুৰ অধিকাৰ' (Rights of the child)ৰ বাবে এখন নিজাববীয়া (independent) ঘোষণা-পত্ৰ প্ৰকাশ কৰে যিখন ঘোষণা-পত্ৰত দৃঢ়তাৰে কয় যে— 'Mankind owes to the Child the best it has to give.' ১৯৮৯ চনৰ ২০ নৱেম্বৰত আন্তঃৰাষ্ট্ৰীয় দিশত 'শিশুৰ অধিকাৰৰ সম্পৰ্কত' এখন অভিৱৰ্তন অনুষ্ঠিত হৈছিল আৰু এই অভিৱৰ্তনতে শিশুৰ অধিকাৰৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় গাঁথনি প্ৰস্তুত কৰিছিল। ১৯৯০ চনৰ ২ ছেপ্টেম্বৰৰ পৰা ই কাৰ্যকৰী হয়। ১৯৯৩ চনৰ 'ভিয়েনা ঘোষণা-পত্ৰ'তো শিশুৰ অধিকাৰৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। শিশুৰ এই অধিকাৰসমূহৰ মাজতেই প্ৰকৃত অৰ্থত 'ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ'সমমূহ নিহিত হৈ আছে। ১৯৯০ চনৰ ২ ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হোৱা 'শিশুৰ অধিকাৰ' আইনখনে বিভিন্নপ্ৰকাৰৰ অধিকাৰ সাব্যস্ত কৰিছে। এইবিলাক অধিকাৰৰ ভিতৰত জীৱন ধাৰণৰ অধিকাৰ, জন্মস্বত্বৰ অধিকাৰ, নিজৰ পৰিচয় প্ৰকাশ কৰাৰ অধিকাৰ, যিবোৰ পৰিবেশে শিশুৰ মানসিক-শাৰীৰিক বিকাশত প্ৰতিবন্ধকতাৰ

সৃষ্টি কৰে তেনে কথাত নিজৰ মতামত প্ৰকাশৰ অধিকাৰ, নিজৰ ভাব-অনুভূতি প্ৰকাশৰ অধিকাৰ, শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰ, মত প্ৰকাশৰ অধিকাৰ, শিক্ষাগ্ৰহণৰ অধিকাৰ, কঠোৰ কামত নিয়োজিত নোহোৱা, জিৰণি, সামাজিক নিৰাপত্তা, পূৰ্ণ বিকাশৰ বাবে স্বাস্থ্যসন্মত পৰিবেশত বাস কৰাৰ অধিকাৰ ইত্যাদি বহুবিধ অধিকাৰৰ কথা ঘোষণা কৰিছে আৰু এই অধিকাৰসমূহেই ছাত্ৰ-ছাত্ৰীসকলে উপভোগ কৰাৰ অধিকাৰ পাব যিহেতু এটি শিশুৱে তিনি বছৰমানৰ পৰা পঁচিশ বছৰমানলৈ ছাত্ৰ-ছাত্ৰীৰ মৰ্যাদা পায়। আন্তঃৰাষ্ট্ৰীয় পৰিসৰত 'শিশুৰ অধিকাৰ' সম্বন্ধে সময়ে সময়ে কেবাখনো অভিৱৰ্তন অনুষ্ঠিত হৈ আছে। আৰু অনুষ্ঠিত অভিৱৰ্তনসমূহে শিশুৰ বিভিন্নধৰণৰ অধিকাৰ সম্পৰ্কত প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে। আনকি ২০০২ চনৰ মে' মাহত নিউয়ৰ্কত 'শিশুৰ বাবে বিশেষ অভিৱৰ্তন'ত অনুষ্ঠিত হৈছিল; যিখনত কেৱল বিশ্বৰ শিশুসকলে বিভিন্ন কষ্টকৰ পৰিবেশত জীৱন অতিবাহিত কৰিবলগীয়া হোৱা বিভিন্ন দিশবিলাক আলোকপাত কৰি সেই শিশুসকলৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰিছিল। ক্ৰমোন্নয়নশীল দেশ (Developing Countries) সমূহৰ শিশুসকলৰ সৰ্বতোপ্ৰকাৰ উন্নয়নৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা অবিহনে শিশুৰ অধিকাৰ সুৰক্ষিত কৰা সম্ভৱ নহয়।

বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে আমাৰ ভাৰতবৰ্ষৰ সংবিধানতো সংবিধান প্ৰণেতাসকলে কিছুমান অধিকাৰ সাব্যস্ত কৰিছে যিবোৰক 'মৌলিক অধিকাৰ' বুলি কোৱা হয়। জাতি, ধৰ্ম, বৰ্ণ, উচ্চ-নীচ নিৰ্বিশেষে সকলো ভাৰতীয় নাগৰিকে সংবিধানপ্ৰদত্ত ১২ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ অন্তৰ্ভুক্ত এই অধিকাৰসমূহ উপভোগ কৰাত কোনো বাধা প্ৰদান কৰা নাই। কিন্তু ভাৰতবৰ্ষৰ সংবিধানতো পৃথিৱীৰ অন্যান্য ৰাষ্ট্ৰৰ সংবিধানৰ দৰে 'ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ' হিচাপে কোনো বিশেষ শিতানত কোনো নিৰ্দিষ্ট অধিকাৰ সন্নিৱিষ্ট কৰা নাই। কিন্তু আমাৰ সংবিধানৰ আওতাতে ছাত্ৰ-ছাত্ৰীয়ে ১৯ নং অনুচ্ছেদৰ পৰা ২৪ নং অনুচ্ছেদলৈ 'ছাত্ৰ-ছাত্ৰীৰ বাবে কিছুমান অধিকাৰ' সাব্যস্ত কৰা বুলি ক'ব পৰা যায়। অৰ্থাৎ আওপকীয়াভাৱে এই অনুচ্ছেদসমূহত উল্লেখিত অধিকাৰসমূহকে ভাৰতীয় সংবিধানৰ দৃষ্টিভংগীত 'ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ' হিচাপে চিহ্নিত কৰিব পৰা যায়।

সংবিধানৰ ১৯ নং অনুচ্ছেদত ছটা স্বাধীনতাক অন্তৰ্ভুক্ত কৰা হৈছে, যিবোৰ হ'ল— বাক স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা, বিনা অস্ত্ৰই শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰ, সংঘ বা সংস্থা গঠনৰ অধিকাৰ, ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত স্বাধীনভাৱে ঘূৰি ফুৰাৰ অধিকাৰ, ভাৰতবৰ্ষৰ যিকোনো অঞ্চলত বসবাস কৰাৰ অধিকাৰ আৰু যিকোনো বৃত্তি গ্ৰহণ বা ব্যৱসায় কৰাৰ অধিকাৰ। এইখিনি অধিকাৰ মৌলিক অধিকাৰৰ শিতানত পৰে যদিও ভাৰতবৰ্ষৰ সকলো চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠানত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলেও এই অধিকাৰসমূহৰ পৰা বঞ্চিত হ'ব নোৱাৰিব। কিন্তু কিছুমান চৰ্তসাপেক্ষেহে ছাত্ৰ-ছাত্ৰীসকলে তথা সকলো ভাৰতীয় নাগৰিকে এই অধিকাৰসমূহ সাব্যস্ত কৰিব পাৰিব। এই চৰ্তসমূহৰ ভিতৰত ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব আৰু সংহতি বজাই ৰখা, দেশৰ নিৰাপত্তা ৰক্ষা কৰা, দেশৰ শান্তি-শৃংখলা বজাই ৰখা, স্কুল-কলেজ-বিশ্ববিদ্যালয় তথা সমাজত বৰ্তি থকা সদাচাৰ বা শ্লীলতা বজাই ৰখা, কোনো অপৰাধমূলক কাৰ্যত জড়িত নোহোৱা, স্কুলৰ শৈক্ষিক পৰিবেশ যাতে কোনো কাৰণতে বিনষ্ট নহয় তাৰ প্ৰতি লক্ষ্য ৰখা, শিক্ষানুষ্ঠানত প্ৰৱৰ্তিত নিয়মাৱলী ভংগ নকৰা, শান্তিপূৰ্ণভাৱে সমবেত হৈ শিক্ষানুষ্ঠানত প্ৰৱৰ্তিত কোনো নিয়মাৱলী যদি ছাত্ৰ-ছাত্ৰীৰ অনুকূলে নাযায়, তাৰ প্ৰতিবাদ কৰা, স্কুলীয়া আলোচনী-পত্ৰিকাত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মতামত প্ৰকাশৰ স্বাধীনতা (কিন্তু অশালীন মন্তব্য বা লিখনি প্ৰকাশত বাধা থাকিব), বিনা কাৰণত শ্ৰেণী বৰ্জন, ধৰ্মঘট আদি প্ৰতিবাদ সাব্যস্ত কৰাত কিছু সীমাবদ্ধতা থাকিব। আইনে নিৰ্ধাৰিত কৰা ব্যৱস্থাৰ বাহিৰে কোনো ছাত্ৰ-ছাত্ৰীকে তেওঁলোকৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ পৰা কোনোৱে বঞ্চিত কৰিব নোৱাৰিব। কোনো কাৰণত যদি শিক্ষানুষ্ঠান কৰ্তৃপক্ষই কোনো ছাত্ৰ-ছাত্ৰীক আটক কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়, তেন্তে আটক কৰাৰ কাৰণ

দৰ্শাই চৌৰিশ ঘণ্টাৰ ভিতৰত আদালতত হাজিৰ কৰাব লাগিব। সংবিধানৰ ২৩ নং আৰু ২৪ নং অনুচ্ছেদত উল্লেখিত অধিকাৰসমূহো ছাত্ৰ-ছাত্ৰীৰ অধিকাৰৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ পৰা বঞ্চিত কৰি বিনা পাৰিশ্ৰমিকত 'বেগাৰ' খটুৱা বা জোৰ-জুলুম কৰি কাম আদায় কৰা, চৈধ্য বছৰৰ তলৰ শিশুক কাৰখানা, খনি বা আন কোনো বিপদজনক কামত নিয়োজিত কৰিলে তেনে শিশুৰ পিতৃ-মাতৃ বা অভিভাৱকে তাৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ অধিকাৰ থাকিব; যিহেতু চৈধ্য বছৰ বয়সলৈ সকলো শিশুৰে বিনামূলীয়া আৰু বাধ্যতামূলকভাবে শিক্ষাগ্ৰহণৰ অধিকাৰ থাকিব। ১৯৮৬ চনৰ শিশু শ্ৰমিক (বাধা আৰু নিয়ন্ত্ৰণ) Child Labour (Prohibition and Regulation) Act Of 1986 আইনখনে শিশু শ্ৰমিক য'তে-ত'তে নিয়োগৰ ক্ষেত্ৰত বাধা আৰু নিয়ন্ত্ৰণ আনিছে। এই আইনখন যদি সুন্দৰভাবে কাৰ্যকৰী কৰিব পৰা যায় তেনেহ'লে ভাৰতবৰ্ষৰ সকলো শিশুৰে ন্যূনতম শিক্ষাগ্ৰহণ কৰাৰ সুযোগ গ্ৰহণ কৰি ভৱিষ্যতেও নিজৰ প্ৰাপ্য অধিকাৰ দাবী কৰিব পাৰিব। ২০০৯ চনত কাৰ্যকৰী হোৱা 'শিক্ষাৰ অধিকাৰ আইন'খন ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ সাব্যস্ত কৰাত এক বলিষ্ঠ পদক্ষেপ বুলি উনুকিয়াব পাৰি। এই আইনখন বলৱৎ হোৱাৰ পাছৰ পৰা কোনো ছাত্ৰ-ছাত্ৰী শিক্ষাগত অৰ্হতা বা গ্ৰহণৰ ক্ষেত্ৰত যদি কিবা সন্দেহ বা দ্বিধাবোধ থাকে; সেই বিষয়ত কৰ্তৃপক্ষৰ পৰা স্পষ্টতা বিচৰাৰ অধিকাৰ থাকিব। RTI (তথ্য জনাৰ অধিকাৰ)ৰ যোগেদি বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পৰীক্ষাৰ মূল্যাংকন হোৱা বহীখন চোৱাৰো অধিকাৰ সাব্যস্ত কৰিব পাৰিব। 'শিক্ষাৰ অধিকাৰ আইন, ২০০৯'খন বলৱৎ হোৱাৰ পাছত প্ৰকৃত অৰ্থত কোনো শিশুকে নিজৰ স্বাৰ্থ পূৰণৰ বাবে ব্যক্তিগত কামত নিয়োজিত কৰি ন্যূনতম শিক্ষাগ্ৰহণৰ পৰা বঞ্চিত কৰিব নোৱাৰিব আৰু কোনোৱে তেনে কাৰ্য কৰিলে আইনমতে দণ্ডনীয় হ'ব। গতিকে কোনো শিশুকে আনুষ্ঠানিক নহ'লেও অনানুষ্ঠানিক শিক্ষাদানৰ পৰা বঞ্চিত কৰিব নালাগে। আমাৰ দেশৰ বিভিন্ন প্ৰান্তত আজিকালি শিক্ষাদানৰ বাবে বিভিন্ন অনানুষ্ঠানিক শিক্ষাদানৰ কেন্দ্ৰ গঢ়ি উঠিছে য'ত বিনামূলীয়াকৈ পাঠ্যপুথি যোগান ধৰা হয়। তাৰোপৰি অতি দুখীয়া শ্ৰেণীৰ শিশুসকলেও যাতে শিক্ষাগ্ৰহণৰ পৰা বঞ্চিত নহয় তাৰবাবে চৰকাৰী শিক্ষানুষ্ঠানসমূহত (প্ৰাথমিক স্তৰ) খাদ্য গ্ৰহণ কৰাৰ সুবিধাও প্ৰদান কৰিছে যাতে খাদ্যৰ অভাৱত কোনোৱে শিক্ষাগ্ৰহণ কৰাৰ পৰিৱৰ্তে অন্য কাৰ্যত জড়িত হ'ব নালাগে। চৰকাৰৰ এনে পদক্ষেপ সঁচাকৈয়ে প্ৰশংসনীয়। যিহেতু আজিৰ শিশুৱেই কাইলৈ দেশৰ নাগৰিক আৰু এই যুৱ শক্তি যদি সু-শিক্ষাৰে শিক্ষিত হোৱাত বাধাগ্ৰস্ত হয় তেন্তে তেনে এখন দেশে কোনো স্তৰতে উন্নয়নৰ জখলাত উধাব নোৱাৰিব।

ভাৰতবৰ্ষ এখন বিশাল জনবহুল দেশ য'ত প্ৰায় সৰ্বমুঠ জনসংখ্যাৰ ভিতৰত ৩৮০ নিযুত শিশু আৰু সম্ভৱ পৃথিৱীৰ কোনোখন ৰাষ্ট্ৰতে ইমান বৃহৎসংখ্যক শিশুৰ সমষ্টি নাই। সাধাৰণতে ছবছৰৰ পৰা চৈধ্য বছৰ বয়সৰ ল'ৰা-ছোৱালীখিনিক এই শিতানত অন্তৰ্ভুক্ত কৰিছে আৰু এইখিনি বয়সৰ ল'ৰা-ছোৱালীকেই স্কুলীয়া স্তৰৰ 'ছাত্ৰ-ছাত্ৰী'ৰ অন্তৰ্ভুক্ত কৰা হৈছে। অকল এখন দেশৰ চৰকাৰেই বিনামূলীয়া তথা বাধ্যতামূলক শিক্ষাগ্ৰহণৰ ব্যৱস্থা কৰাটো সম্ভৱ নহয়; তাৰ লগে লগে বিভিন্ন বেচৰকাৰী সংগঠনসমূহ (NGO's) আৰু পিতৃ-মাতৃ বা অভিভাৱক সকলো সমানে এই ক্ষেত্ৰত জড়িত হ'ব লাগিব। যিহেতু যুৱ শক্তি অৰ্থাৎ ছাত্ৰ-ছাত্ৰীৰ ওপৰতে দেশ এখনৰ সৰ্বতোপ্ৰকাৰ উন্নয়ন নিৰ্ভৰ কৰে; এই 'ছাত্ৰ-ছাত্ৰীসকলৰ অধিকাৰ' অধিকাৰসমূহ যাতে সাব্যস্ত কৰাত অযথা বাধাগ্ৰস্ত নহয় সেই বিষয়ে চৰকাৰ, সমাজ, বেচৰকাৰী সংগঠন তথা সমাজখন সম্পূৰ্ণৰূপে জড়িত তথা দায়ী হ'ব লাগিব। কাৰণ 'মানুহে মুক্তভাবে জন্মগ্ৰহণ কৰিলেও সকলোতে শিকলিৰ বান্ধোনত আবদ্ধ' (Man is born free but everywhere with chain), গতিকে পৰিয়াল, শিক্ষানুষ্ঠান তথা সমাজখনত ছাত্ৰ-ছাত্ৰীসকলে সুখ-শান্তি, মৰম-স্নেহ, আন্তৰিকতা, বুজাপৰা, স্বাস্থ্যকৰ পৰিবেশ এটা পাব লাগিব। তেতিয়াহে আমি আমাৰ ভৱিষ্যতৰ যুৱ শক্তি অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আমি আশা কৰাধৰণে ফলাফল পাবলৈ সক্ষম হ'ম।

এইখিনিতে আৰু এটা কথা উনুকিয়াই থোৱা ভাল যে প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ (স্তৰৰ) ছাত্ৰ-ছাত্ৰীৰ

অধিকাৰতকৈ চৰকাৰী উচ্চ স্তৰৰ শিক্ষানুষ্ঠানত শিক্ষাৰত ছাত্ৰ-ছাত্ৰীৰ অধিকাৰৰ গুৰুত্ব বহুখিনি বেছি। কাৰণ হিচাপে ক'ব লাগিব যে এই স্তৰৰ শিক্ষাৰত ছাত্ৰ-ছাত্ৰীসকলৰ সকলোৱে আইনগতভাবে প্ৰাপ্তবয়স্ক আৰু ৰাষ্ট্ৰয়ো এই বয়সৰ ছাত্ৰ-ছাত্ৰীৰ ওচৰত অভিভাৱকত্ব নেদেখুৱায় যিহেতু এই স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে নিজে ভাল-বেয়া দিশটো বুজিব পৰা গুণ আয়ত্ত কৰে আৰু দেশখনৰ সাধাৰণ নাগৰিকে আয়ত্ত কৰা সকলোখিনি অধিকাৰ সাব্যস্ত কৰিব পাৰে। আনকি এই স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ বিভিন্নধৰণৰ দিশবিলাকত নিজৰ মত বিনিময় কৰে, শৈক্ষিক দিশত স্বাধীনতা আহৰণ কৰে বা শিক্ষানুষ্ঠানৰ প্ৰশাসনৰ ক্ষেত্ৰতো অংশীদাৰ হোৱাৰ যোগ্যতা পায়। আজিকালিৰ উচ্চ স্তৰৰ শিক্ষানুষ্ঠানসমূহৰ প্ৰশাসন ব্যৱস্থাত অংশগ্ৰহণ তথা মুক্তভাবে মতামত প্ৰদানৰ অধিকাৰ এই স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলে আগভাগ লোৱা দেখা যায়। আমাৰ ভাৰতবৰ্ষত এই স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলে তলত উল্লেখ কৰা অধিকাৰসমূহ সাব্যস্ত কৰিব পাৰে; যেনে— নিজৰ মতামত প্ৰকাশৰ উদ্দেশ্যে নিজৰ পচন্দৰ সংগঠন গঠনৰ অধিকাৰৰ লগতে সেই সংগঠনবিলাকৰ বাবে প্ৰয়োজনীয় অৰ্থ সংগ্ৰহ কৰা, মুক্তভাবে নিজৰ মতামত প্ৰকাশ কৰা, সমবেত হোৱা আৰু প্ৰতিবাদ সাব্যস্ত কৰাৰ অধিকাৰ, আইন-শৃংখলা জড়িত কোনো ঘটনা সংঘটিত হ'লে নিৰপেক্ষ আৰু স্পষ্টভাবে যাতে কোনোধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় তাৰ প্ৰতি লক্ষ্য ৰখা, শিক্ষানুষ্ঠানৰ প্ৰশাসন জড়িত কথাত অংশগ্ৰহণ কৰাৰ অধিকাৰ, ছাত্ৰ-ছাত্ৰীৰ বাবে সঠিক নীতি-নিয়ম প্ৰস্তুত কৰি যাতে শিক্ষানুষ্ঠানসমূহ পৰিচালনা কৰা হয় তাৰ প্ৰতি নজৰ ৰখা আৰু অইনৰ কোনোধৰণৰ অপকাৰ নকৰাকৈ এই স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলে নিজে কৰিব বিচৰা কাম সমাধা কৰাৰ পূৰ্ণ স্বাধীনতা বা অধিকাৰ ছাত্ৰ-ছাত্ৰীসকলে বিনাদ্বিধাই সাব্যস্ত কৰিব পাৰিব। বিশেষকৈ যিবিলাক বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে বসবাস কৰিবলৈ সুবিধা গ্ৰহণ কৰি গৱেষণামূলক কাম-কাজত জড়িত হৈ পৰে তেনে স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলে নিজাববীয়াকৈ সংঘ (union) গঠন কৰি বিশ্ববিদ্যালয় প্ৰশাসন ব্যৱস্থাত মোকাবিলা (negotiate) কৰাৰ অধিকাৰো সাব্যস্ত কৰিব পাৰে। আনকি বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC) উত্তৰ-পূৰ্বাঞ্চলৰ অনুসূচিত জাতি আৰু জনজাতিৰ ক্ষেত্ৰতো যাতে উচ্চ শিক্ষা আহৰণৰ ক্ষেত্ৰত সমানধৰণৰ সা-সুবিধা প্ৰদান কৰা হয় তাৰ ওপৰত নতুন নিৰ্দেশনা জাৰি কৰিছে। মুঠৰ ওপৰত ভাৰতবৰ্ষৰ সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে কোনোধৰণৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত নহয় আৰু উপযুক্তজনে যাতে উপযুক্ত স্থানত কৰ্মসংস্থাপন পায় সেই বিষয়ে বিশ্ববিদ্যালয় অনুদান আয়োগে এটা সংগঠন 'OMBUDSMAN' গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে যাতে সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে এই সংগঠনৰ জৰিয়তে নিজৰ নিজৰ প্ৰাপ্যখিনি পাবলৈ দাবী কৰিব পাৰে। শেষত ক'ব পাৰি যে এই যুৱ শক্তি অৰ্থাৎ ছাত্ৰ সমাজৰ পৰাই সু-নাগৰিক হিচাপে গঢ়ি, দেশ তথা সমাজৰ সৰ্বতোপ্ৰকাৰ উন্নয়ন আশা কৰিব পাৰি।■

**Reference :**


1. Polotical Theory– Dr. K. C. Paul, Prof A. N. Chakraborty, Dr. N. Paul.
2. Indian govt. and Politics– K. K. ghai.
3. Human Rights– A. U. Yasin and Arrhana Upadhyay.
4. Human Rights– Dr. H. O. Agarwal.
5. Human Rights Under International Law and Indian Law– S. K. Kapoor.
6. Political Science– T. Bhattacharyya.
7. Political Science– D. K. Sharma.
8. Rights of Students ...... Point Counterpoint – David L. Hudson Jr.
9. Family Policy Compliance Office.U.S. Department of Education,499 Maryland Avenue, SW. Washington D.C.


---

❖ মুৰব্বী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

# মৃৎ শিল্প আৰু নগাঁও জিলা

বনশ্ৰী পৰাশৰ❖

মৃৎ শিল্প অথবা টেৰাকোট্টা এক প্ৰাচীন কলা। অসমত কছাৰীসকলৰ দিনৰে পৰাই এই স্থাপত্যৰ কাম আৰম্ভ হৈছিল। 'টেৰাকোট্টা' শব্দটিৰ উৎপত্তি হৈছিল গ্ৰীক আৰু ইটালিয়ান দুটা শব্দৰ পৰা। গ্ৰীক শব্দ টেৰা যাৰ অসমীয়া অৰ্থ হৈছে মাটি আৰু আনটো শব্দ কোট্টা অৰ্থাৎ ইটালিয়ান শব্দটিৰ অৰ্থ হৈছে জুইৰে পোৰা। মাটিৰ সামগ্ৰীসমূহ তৈয়াৰ কৰাৰ পিছত জুইৰে পুৰি যেতিয়া টান কৰা হয় সেয়াই টেৰাকোট্টা। নগাঁও জিলা তাহানিৰে পৰা পোৰা মাটিৰ ক্ষেত্ৰত চহকী আছিল। কছাৰী সকলৰ ৰাজত্ব কালতে নগাঁও জিলাৰ যিসমূহ ঠাইত স্থাপত্যৰ কাম আৰম্ভ হৈছিল তাৰ ভিতৰত শৈল ভাস্কৰ্যৰ লগতে পোৰামাটিৰ ভাস্কৰ্যয়ো সমানে স্থান লাভ কৰিছিল। ন-নাথ আৰু তাৰ চুবুৰীয়া অঞ্চলসমূহত পোৰা ফলিসমূহেই এই কথাৰ প্ৰমাণ দাঙি ধৰে। এই টেৰাকোট্টা অৰ্থাৎ পোৰা মাটিৰ ঐতিহ্যক কিন্তু বহুদিন ধৰি ৰাখিছিল নগাঁও জিলাৰ বিভিন্ন ঠাইত বিয়পি থকা কুমাৰ আৰু হীৰা সম্প্ৰদায়ৰ লোকসকলে। এওঁলোকে নিজ নিজ গাঁৱতে মাটিৰে কিছুমান পাত্ৰ আৰু পুতলা সজাৰ জৰিয়তে এই স্থাপত্যৰ কাম-কাজ বৰ্তাই ৰাখিছিল যদিও কালক্ৰমত মৃত-পাত্ৰ তৈয়াৰ কৰ্তাসকল আৰ্থিকভাবে লাভৱান নোহোৱাৰ ফলত এই পুতলা বনোৱাৰ পৰম্পৰা তেওঁলোকে প্ৰায় সম্পূৰ্ণৰূপে এৰি পেলালে। কিন্তু নগাঁও জিলাত পূৰ্বতে থকা সেই প্ৰাচীন কলাৰ স্থবিৰ অৱস্থাৰ অন্ত পেলাবলৈ ২০০০ চনত নগাঁও জিলাৰ পৰা প্ৰায় ১৫ কিঃ মিঃ দূৰত্বত স্থাপিত হ'ল 'কলং কলা কেন্দ্ৰ'। তেতিয়াৰে পৰা আজি প্ৰায় দহ বছৰে এই কেন্দ্ৰটিয়ে সেই প্ৰাচীন ঐতিহ্য ঘূৰাই অনাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ যত্ন কৰি আহিছে। প্ৰতিষ্ঠাৰ দিনৰে পৰাই কেন্দ্ৰই প্ৰতি বছৰে এচাম নতুন শিল্পীক প্ৰশিক্ষণৰ জৰিয়তে এই শিল্পকলাৰ প্ৰতি আকৰ্ষিত কৰি আহিছে। ফলস্বৰূপে প্ৰতি বছৰে এচাম নতুন শিকাৰুৱে নিজৰ চখ পূৰণ কৰাৰ লগতে বহু সংখ্যকে ইয়াক বৃত্তি হিচাপে গ্ৰহণ কৰি স্বাৱলম্বনৰ পথ প্ৰশস্ত কৰি তুলিছে। বৰ্তমান সময়ত সমগ্ৰ ভাৰততে টেৰাকোট্টা শিল্প এক উচ্চ পৰ্যায়ত উপনীত হৈছেগৈ। আমাৰ বাবে অতি সৌভাগ্যৰ কথা এয়ে যে এই সময়ত অসমৰ লগতে আমাৰ জিলাৰ পৰাও বিদেশলৈ বহু সংখ্যক পোৰা মাটিৰ সামগ্ৰী ৰপ্তানি কৰা হৈছে। কলকাতাৰ শান্তি নিকেতনত বৰ্তমান সময়ত টেৰাকোট্টা বিষয়টোৱে পূৰ্ণতা লাভ কৰিছে। আমাৰ বাবে অতি ৰোমাঞ্চকৰ কথা এয়ে যে মহেঞ্জোদাৰো আৰু হৰপ্পাৰ দিনৰে পৰাই বৰ্তমান সময়লৈকে টেৰাকোট্টা শিল্পটি আজিও জীয়াই আছে। মাটিক বাদ দি মানৱ সমাজ কেতিয়াও জীয়াই থাকিব নোৱাৰে। সেয়ে এই মাটিৰেই প্ৰস্তুত কৰা সামগ্ৰীসমূহ আমাৰ বাবে অতি আদৰণীয়। এই শিল্পকলাক বাদ দি সেয়ে আজিৰ সমাজত ঘৰ সজোৱাটো প্ৰায় অসম্ভৱ। সমাজখনৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মন আৰু ৰুচিবো পৰিৱৰ্তন ঘটে। তাৰবাবেই পোৰা মাটিৰ সামগ্ৰীসমূহৰ ক্ষেত্ৰতো বৰ্তমান সময়ত এক পৰিৱৰ্তনে গা কৰি উঠিছে, কিয়নো মানুহৰ মন সদায় বৈচিত্ৰতাৰ ফালেহে ঢাপলি মেলে। যাৰ ফলস্বৰূপে বৰ্তমান সময়ৰ শিল্পীসকলে কুমাৰসকলে প্ৰস্তুত কৰাৰ দৰে কেৱল মাটিৰ পাত্ৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰতে আবদ্ধ নাথাকি নানাধৰণৰ পুতলা, দেৱ-দেৱীৰ মূৰ্তি আৰু নানাধৰণৰ ব্যৱহাৰযোগ্য সামগ্ৰী প্ৰস্তুত কৰিছে। তাৰোপৰি টেৰাকোট্টাৰ গহনা সমূহেও আধুনিক যুগৰ বজাৰত যথেষ্ট সমাদৰ লাভ কৰিছে। এই ক্ষেত্ৰত আমাৰ জিলাখনৰ পুৰণিগুদামত স্থাপিত কলং কলা কেন্দ্ৰই বাটকটীয়া বুলিলেও বঢ়াই কোৱা নহ'ব। এই প্ৰাচীন কলাই জিলাখনৰ পূৰ্বৰ স্থান ঘূৰাই পোৱাৰ লগতে আৰু অধিক জনসমাদৃত হ'ব বুলি আমি আশাবাদী। এই ক্ষেত্ৰত যুৱ প্ৰজন্মই ইয়াৰ বাবে আগ্ৰহ প্ৰকাশ কৰি এই স্থাপত্য কলাক আদৰি ল'লে ৰাজ্যৰ ভিতৰত আমাৰ নগাঁও জিলাখনেই টেৰাকোট্টাৰ ক্ষেত্ৰত চহকী হৈ পৰিব। ■

❖স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰী

# দুৰ্নীতিৰ কবলত ভাৰতবৰ্ষ



প্ৰিয়াংকী শইকীয়া*

**দু**ৰ্নীতিয়েই ভাৰতবৰ্ষৰ বৰ্তমান বহু লোকৰ নীতি হৈ পৰিছে। সাধাৰণ মানুহৰ কথা বাদেই, সমাজৰ গণ্য মান্য, সম্ভ্ৰান্ত লোক হিচাপে বহু পৰিচিত তথা সুখ্যাতি থকা লোকো দুৰ্নীতিৰ পৰা মুক্ত নহয়। পুৰাৰ বাতৰি কাকতখন মেলিয়েই সাধাৰণতে পঢ়িবলৈ পোৱা যায় বিভিন্ন অৰ্থনৈতিক কেলেংকাৰীৰ কথা। বিশেষকৈ উচ্চ পদৱীধাৰী নাইবা ৰাইজে বাছি দিয়া প্ৰতিনিধিয়ে সভা-সমিতিত বক্তৃতাত জনগণ তথা দেশৰ বৃহত্তৰ কল্যাণৰ খাতিৰত নিজকে উৎসৰ্গা কৰাৰ ফুলজাৰি ছটিয়ায় অথচ নিজে ধনৰ ভঁড়াল টনকিয়াল কৰে আৰু ৰাইজৰ ফালে পিঠি দিয়ে। এনেধৰণৰ লোকসকলৰ কথা আৰু কামে সাধাৰণ মানুহৰ দুখ-কষ্ট দিনে দিনে বৃদ্ধি পাই আহিছে। অৱশ্যে সাধাৰণ শ্ৰেণীৰ লোকৰ মাজতো এনে দুৰ্নীতি অৰ্থাৎ সহজ উপায়েৰে টকা ঘটাৰ প্ৰৱণতাই গা কৰি উঠিছে। এনে লোকৰ ভিতৰত আছে ব্যৱসায়ী, চিকিৎসক, শিল্পী, শিক্ষক ইত্যাদি। দুৰ্নীতিৰ পথত বলি হোৱা এনে ব্যক্তিসকলৰ মূলমন্ত্ৰ হৈছে "ক'লাই শুভ, মিছাই সত্য আৰু দুৰ্নীতিয়ে নীতি।"

১৯৯৪ চনৰ ১৬ ডিচেম্বৰ তাৰিখে জ্ঞান প্ৰকাশ কমিটীয়ে চেনি কেলেংকাৰীৰ ৰিপোৰ্ট লোকসভাত দাখিল কৰিছিল। এই ৰিপ'ৰ্ট মতে, "ষ্টেট ট্ৰেডিং কৰ্পোৰেচন' তথা তদানীন্তন খাদ্যমন্ত্ৰী কল্পনাথ ৰায়ক দোষী সাব্যস্ত কৰিছিল আৰু বিৰোধী দলৰ প্ৰবল হেঁচাৰ ফলত মন্ত্ৰীজনে পদত্যাগ কৰিবলগা হৈছিল। এই ৰিপ'ৰ্টৰ ভিত্তিতে অসামৰিক সৰবৰাহ মন্ত্ৰী এ.কে. এণ্টনীয়েও পদত্যাগ কৰিবলৈ বাধ্য হৈছিল। সেইদৰে দুৰ্নীতিৰ আন এক উদাহৰণ হৈছে ১৯৯৫ চনৰ হাওলা কেলেংকাৰী। এই হাওলা হৈছে স্বদেশী ক'লা টকা বে-আইনীভাবে বিদেশী মুদ্ৰালৈ ৰূপান্তৰিত কৰাৰ প্ৰয়াস ১৯৯৫ চনৰ ১৩ এপ্ৰিল তাৰিখে হাওলা কেলেংকাৰীত জড়িত ব্যক্তি— এন. কে. জৈন, এস. কে. জৈন আৰু বি. আৰ. জৈনক চি.বি.আইয়ে দুৰ্নীতি দমন আইন তথা বৈদেশীক মুদ্ৰা নিয়ন্ত্ৰণ বিধি অমান্য কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰে। তদুপৰি চি.বি.আই.এ অভিযুক্ত সকলৰ কাৰ্যালয় তথা ঘৰ তালাচী কৰি বহু তথ্য উদ্‌ঘাটন কৰিছিল। সেইমৰ্মে বিপুল পৰিমাণৰ বে-আইনী টকা আৰু ব্যক্তিগত ডায়েৰীত ১১৫ জন ব্যক্তিৰ নাম উদ্ধাৰ কৰে, যাৰ লগত কোটি কোটি টকাৰ ঘোচৰ লেনদেন চলিছিল। উক্ত ১১৫ জন ব্যক্তিৰ ভিতৰত ভালেকেইজনমান প্ৰতিষ্ঠিত ৰাজনীতিবিদ, কেন্দ্ৰীয় মন্ত্ৰী, উচ্চ পদস্থ চৰকাৰী বিষয়া আৰু সাংবাদিকো আছিল। বৰ্তমানেও উক্ত ব্যক্তিসকলৰ ওপৰত আইনী মোকৰ্দমা চলি আছে, ভালেকেইজনমান ৰাজনীতিবিদে পদত্যাগ কৰিছে আৰু জে'ল-হাজোতত ৰখা হৈছে। সেইদৰে পশুখাদ্য কেলেংকাৰী

'কাৰচুপি গাওলা কেলেংকাৰী'ত বিহাৰৰ ভালেকেইজনমান বিশিষ্ট ব্যক্তিৰ নাম জনপ্ৰিয় হৈ পৰিছে।

সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো দুৰ্নীতিৰ প্ৰভাৱ পৰিছে আৰু এনে দুৰ্নীতিয়ে বিভিন্ন সময়ত বিভিন্ন বাতৰিকাকতৰ শিৰোনাম অধিকাৰ কৰি আহিছে। বিশেষকৈ ৰাজনীতি তথা চৰকাৰী উচ্চ পদস্থ বিষয়াৰ অগাধ সম্পত্তিৰ আঁৰত লুকাই আছে বহু জ্ঞাত-অজ্ঞাত দুৰ্নীতি। শেহতীয়াকৈ খাৰুৱা তেল চুৰি সংক্ৰান্তীয় কেলেংকাৰী, অবৈধ শিক্ষক নিযুক্তি কেলেংকাৰী অসমত চলি থকা অবাধ দুৰ্নীতিৰ জ্বলন্ত প্ৰমাণ।

এনেদৰেই দুৰ্নীতিয়ে অসম তথা সমগ্ৰ ভাৰতবৰ্ষৰ ৰন্ধ্ৰে ৰন্ধ্ৰে অনুপ্ৰবেশ কৰিছে। এনে দুৰ্নীতিগ্ৰস্ততাই নৱ প্ৰজন্মৰ হৃদয়ত দেশৰ প্ৰতি থকা কৰ্তব্য তথা উদ্যমতাৰ বিপৰীতে চৰম উদাসীনতাহে আনিছে। বহুতেই সমস্ত মানৱীয়তাৰ নীতি উলংঘা কৰি ধন ঘটাত ব্যস্ত হৈ পৰিছে। ইয়াৰ প্ৰভাৱ শিশুসকলৰ ওপৰতো পৰিছে, কাৰণ অতি কম বয়সতে শিশুসকলে নিজতকৈ বেছি গুৰুত্ব দিছে টকা-পইচাত আৰু ইয়াৰ বাবেই টকা-পইচা ঘটাৰ অবাধ পথ বাছি লৈছে। এইদৰেই এখন সুস্থ সমাজ পলকতে পৰিণত হৈছে দুৰ্নীতি গ্ৰস্ত সমাজত। দেশৰ বৰমূৰীয়াসকলেই যেতিয়া এনে দুৰ্নীতিত জড়িত হৈ পৰিছে তেনেস্থলত সাধাৰণ শ্ৰেণীৰ লোকৰ পৰা কি আশা কৰিব পাৰি ????

কিন্তু এখন দুৰ্নীতিমুক্ত দেশ গঢ়ি তুলিবলৈ হ'লে দেশৰ আইন ব্যৱস্থা কঠোৰ হ'ব লাগিব, শিক্ষাৰ প্ৰসাৰ ঘটাই সামাজিক মূল্যবোধ জাগ্ৰত কৰিব লাগিব। যিহেতু একেদিনাই এনে বিশাল সমস্যা একেদিনাই সম্ভৱ নহয়, সেয়েহে প্ৰথমে ভণ্ড ৰাজনীতিবিদ তথা দুৰ্নীতিগ্ৰস্ত লোকক সামাজিকভাবে বহিষ্কাৰ কৰা উচিত, তদুপৰি ফাকিবাজ লোভী লোকক ৰাজহুৱাভাবে কঠোৰ শাস্তি প্ৰদান কৰি এখন নিকা সমাজ গঢ়ি তোলাটো প্ৰত্যেক নাগৰিকৰে কৰ্তব্য। কাৰণ নাগৰিকসকলৰ দ্বাৰাহে সৃষ্টি হয় ৰাজনীতি আৰু সমাজ, সেয়েহে নিজ স্বাৰ্থৰ কবলত পৰি কোনেও যাতে ৰাজনীতি আৰু সমাজক অস্ত্ৰ হিচাপে ব্যৱহাৰ নকৰে—ইয়াৰ বাবে সচেতন হ'ব লাগে প্ৰত্যেকজন নাগৰিক। ■

❖স্নাতক তৃতীয় যান্মাসিকৰ ছাত্ৰী

## আজি মোৰ জীৱনৰ অগ্নি পৰীক্ষা

**স্বামী বিবেকানন্দৰ জীৱনৰ এটি ঘটনা।**

ইংলেণ্ডৰ এখন সভাত তেখেতে বক্তৃতা দিবলৈ বুলি বহা আসনৰ পৰা উঠি গৈছে। হঠাতে মাইক্ৰ'ফোনত বিজুতি ঘটিল। সাধাৰণ মানুহৰ এইখিনিতেই খুব খং উঠিলহেঁতেন। বিবেকানন্দৰ কিন্তু অকণো খং নুঠিল। বৰং দুগুণ উৎসাহেৰে তেওঁ ক'লে, "আজি মোৰ জীৱনৰ অগ্নি পৰীক্ষা। মই স্বীকাৰ নোহোৱাকৈয়ে এই বিৰাট সভাকক্ষত কথা ক'ম। আজি মই গম পাম মোৰ ব্ৰহ্মচৰ্য শক্তি কিমান প্ৰখৰ!"

লগে লগে মাইক্ৰ'ফোন নোহোৱাকৈয়েই তেওঁ উদাত্ত কণ্ঠেৰে বক্তৃতা দি গ'ল। সমগ্ৰ সভাকক্ষ তেওঁৰ গুৰু-গম্ভীৰ মাতত নিজম পৰি গ'ল। ভাষণৰ শেষত সকলোলৈকে শুভেচ্ছা জনাই বিবেকানন্দই ক'লে, "আজিয়েই বক্তৃতা দি মোৰ আটাইতকৈ ভাল লাগিছে।"

# অসমৰ সাম্প্ৰতিক সমস্যা আৰু কিছু ব্যক্তিগত অনুভৱ

জোনমণি ডেকা*

বৰ্তমান অসমখন বিভিন্ন সমস্যাৰে জৰ্জৰিত। অসমখন বৰ্তমান সময়ত দুৰ্নীতিৰে এনেদৰে পৰিপুষ্ট হৈ পৰিছে যে 'নীতি' শব্দটো মানুহৰ মাজৰ পৰা ক্ৰমাৎ হেৰাই যাব ধৰিছে। যাৰ বাবে মানুহে মানৱীয়তা, প্ৰমূল্যবোধ এই গুণসমূহ পাহৰি পেলাইছে। মানৱ সভ্যতা যিমানেই অগ্ৰগতিৰ পথত ধাৱমান হৈছে, তাৰ বিপৰীতে সেই মানুহেই স্নেহৰ সকলো বন্ধনক ভৰিৰে লঠিয়াই দিবলৈও কুণ্ঠাবোধ নকৰা হৈছে। এয়ে হয়তো মূল্যবোধৰ চৰম অৱক্ষয়। কিন্তু এইবোৰ উদ্ভৱৰ কাৰণ কি? এইবোৰৰ কিবা সমাধান আছেনে? দিনে দিনে সুন্দৰ শস্য-শ্যামলা অসমখন জহি খহি যাব ধৰিছে। অথচ কি নাছিল এই অসমভূমিত। লাচিত বৰফুকনৰ দৰে বীৰ পুৰুষৰ জন্ম হৈছিল এই পুণ্য ভূমিত, বিষ্ণু জ্যোতিৰ দৰে মহান মনীষীৰ পবিত্ৰ স্পৰ্শ আছে ইয়াৰ মাটিত। তথাপি কিয় হ'ব পালে মানৱীয়তাৰ এনে স্খলন! আজিৰ মানুহে চকুৰ সন্মুখতেই নিৰীহৰ অত্যাচাৰ দেখিও অনুভৱ নকৰে অকণমান সহানুভূতিৰ। অথচ এই অসমতেই জন্ম গ্ৰহণ কৰা শ্বহীদ সকলে দেশৰ কাৰণে নিজৰ প্ৰাণ আহুতি দিবলৈও কুণ্ঠাবোধ কৰা নাছিল। মানৱীয়তা, প্ৰমূল্যবোধ আদি শব্দবোৰ আজি কেৱল কিতাপৰ বুকুতেই আবদ্ধ হৈ পৰিল।

বৰ্তমান আহো অসমৰ সাম্প্ৰতিক সমস্যা সমূহলৈ। 'সমস্যা' এই শব্দটোৰ সৈতে মানুহৰ অতীতৰ পৰা বৰ্তমানলৈকে এক আজন্ম সম্পৰ্ক। অতীজৰে পৰা বিভিন্ন সমস্যাসমূহে অসমখনক জুৰুলা কৰি আহিছে, যাৰ বাবে অসমৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, শৈক্ষিক, পাৰিপাৰ্শ্বিক অৱস্থা শোচনীয় ফলত অসমে অন্যান্য ৰাজ্যসমূহৰ সৈতে সমান্তৰালভাৱে ফেৰ মাৰিব পৰা নাই। উদাহৰণস্বৰূপে— বানপানী, সন্ত্ৰাসবাদ, নিবনুৱা, ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক ভাৰসাম্যহীনতা আদি সমস্যাবোৰে এনেদৰে গা কৰি উঠিছে যে ইয়াৰ বাবে কেতিয়াবা মুক্ত হ'ব পাৰিমনে নোৱাৰিম এটা বৃহৎ সাঁথৰ।

অসমৰ বানপানী সমস্যাই প্ৰতি বছৰে সমগ্ৰ ৰাজ্যখনতে ভয়াবহ ৰূপ ধাৰণ কৰে, যাৰ ফলত অসমৰ অধিকাংশ জনগণেই বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। তথাপি কিন্তু চৰকাৰে এই ক্ষেত্ৰত কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰা দেখা নাযায়। বানাক্ৰান্ত ৰাইজৰ দুখত সমভাগী হ'বলৈ ৰাজনৈতিক নেতা, পালিনেতাসকলৰ আহৰি নাই। তেওঁলোকে বানত গৃহহাৰা, আত্মীয়হাৰা হোৱা লোকৰ মনৰ কৰুণ বেদনা বুজিবলৈ চেষ্টা কৰিছেনে? বছৰে বছৰে উত্থাপিত হোৱা পৰিকল্পনাৰ কিয়দাংশহে কাৰ্যকৰী কৰা হৈছে যদিও ঠিকাদাৰৰ পালমৰা কাৰ্যৰ পৰিণতিত এটা সামান্য পানীৰ হেঁচাতেই বান্ধ, মথাউৰি উটি যায়। এনে প্ৰেক্ষাপটত এই দুৰ্নীতিবোৰ দেখিও নেদেখাৰ ভাও জোৰাৰ বিপৰীতে আমি সকলো একত্ৰিত হৈ এইবোৰ নাশ কৰাৰ প্ৰয়াস কৰা উচিত।

দ্বিতীয়তে অসমৰ আন এটা জ্বলন্ত সমস্যা হ'ল সন্ত্ৰাসবাদৰ সমস্যা। বিংশ শতিকাৰ মাজ ভাগতেই এচাম দেশপ্ৰেমীয়ে অসম মাতৃৰ অধিকাৰ সাব্যস্ত কৰিবলৈ কেইবাটাও সংগঠনৰ সৃষ্টি কৰিছিল, যিয়ে এতিয়া সমাজত ভয় নতুবা ত্ৰাসৰ সৃষ্টি কৰিছে। সাধাৰণ ৰাইজৰ ওপৰত তেওঁলোকৰ অত্যাচাৰ দিনে দিনে বাঢ়ি আহিব ধৰিছে।

তেওঁলোকে দাবী উত্থাপন কৰিছে চৰকাৰৰ ওচৰত, কিন্তু নিৰীহৰ ওপৰত বীৰত্ব দেখুৱাই তেওঁলোক কেৱল ঘৃণাৰ পাত্রহে হৈছে। তেওঁলোকে নিজৰ বিচাৰ-বিবেচনাৰে যিকোনো সিদ্ধান্ত গ্রহণ তথা কার্যকৰী কৰিব লাগে, যাৰ জৰিয়তে তেওঁলোকে পিতৃ-মাতৃ, ভাতৃ-ভগ্নীসকলৰ মনৰ আশা উজ্জীৱিত কৰি আস্থা আৰু বিশ্বাস ঘূৰাই আনিবলৈ সক্ষম হ'ব বুলি মই ভাবো। গতিকে মোৰ তেওঁলোকৰ ওচৰত একান্ত প্রার্থনা যে তেওঁলোকে শান্তিৰ নামত, স্বাধীনতাৰ নামত নিৰীহৰ ওপৰত অত্যাচাৰ চলাই তেওঁলোকৰ নিকৃষ্ট বিচাৰৰ পৰিচয় দিবলৈ প্রয়াস নকৰে যেন। অসমৰ সাম্প্রতিক ঘটনাৱলীসমূহ বিশ্লেষণ কৰি চালে তাৰে অধিকাংশতেই দুর্নীতি তথা আমোলাতন্ত্র যিকোনো প্রকাৰে জড়িত হৈ থাকে। আনহাতে সৰু-সুৰা কার্যালয়ৰ পৰা বিভিন্ন প্রতিষ্ঠাননৈ গ'লে আপোনাৰ যিকোনো কাম কৰি দিয়াৰ বিনিময়ত উৎকোচ হিচাপে টকা-পইচা আগনবঢ়াই তেনেহ'লে আপোনাৰ উদ্দেশ্য সিদ্ধি হোৱাৰ সম্ভাৱনা কম। মই এইটো কথা ভাবি আচৰিত হওঁ যে যিসকল লোকে কোনো এটা কাম কৰি দিয়াৰ বিনিময়ত যিদৰে উৎকোচ তথা ঘোচ বিচাৰে তেওঁলোকৰ মনত অলপো মানৱীয়তা তথা সহানুভূতি জাগি নুঠেনে? অন্ততঃ তেওঁলোকে এইটো বুজা উচিত যে তেওঁলোকক সেই কার্যালয়টোত সেইবাবেই নিয়োগ কৰা হৈছে। মানুহৰ মনৰ পৰা প্রেম, দয়া, স্নেহ, সহানুভূতি, আন্তৰিকতা নোহোৱাৰ উপক্রম হৈছে। মানুহ একান্ত ব্যক্তিকেন্দ্রিক হৈ পৰিছে। উঠি অহা নৱ প্রজন্ম পাশ্চাত্য সংস্কৃতিৰ প্রতি এনেদৰে আকৃষ্ট হৈ পৰিছে যে যাৰ ফলত আমাৰ বাৰেৰহণীয়া সংস্কৃতিৰ প্রতিও আওকাণ কৰিবলৈ লৈছে। মানুহবোৰ যান্ত্রিকতাৰ পৰা যান্ত্রৱ মানৱলৈ ৰূপান্তৰিত হৈছে। যাৰ বাবে বেলতলাত সংঘটিত হোৱাৰ দৰে নৃশংস ঘটনাবোৰ ঘটিবলৈ লৈছে। যিবোৰে চৰম অমানৱীয়তাৰহে নিদর্শন দেখুৱাইছে। সমাজত যিমানেই আধুনিকতাৰ প্রভাৱ পৰিছে সিমানেই কু-সংস্কাৰবোৰ বাঢ়িবলৈ ধৰিছে। বিশ্বাস কৰিবলৈ টান লাগে আমিও উন্নত প্রযুক্তি তথা কম্পিউটাৰ যুগৰ মানুহ, যিয়ে এতিয়াও ডাইনী সন্দেহত দেৱতুল্য মানুহকো কাটিখুঁচি মাৰি পেলাবলৈ অলপো কুণ্ঠাবোধ নকৰা হৈছে।

শেষত মই ইয়াকে কওঁ যে এই সমস্যাসমূহৰ পৰা তেতিয়াহে মুক্ত হ'ব পাৰিম যেতিয়া আমি নিজে নিজকে সংশোধন কৰিম। সকলোৱে এই সমস্যাসমূহৰ সমাধানৰ বাবে চেষ্টা কৰিব লাগিব। কাৰণ এখন সমাজৰ পৰিৱর্তন এজনে কৰিব নোৱাৰে, ইয়াত সকলোৰে সহযোগিতাৰ অতি প্রয়োজন।■

---

❖স্নাতক তৃতীয় যান্মাসিকৰ ছাত্রী

## ঢোল বজাই ঘূৰি ফুৰা ডেকাজন

ব'হাগ মাহ। বসন্তৰ বিপুল প্রয়োভৰে কঢ়িয়াই অনা বিহুৰ উলাহত অসমীয়া ল'ৰা-ডেকা সকলো মত্ত। সেই সময়তে কলিকতাত পঢ়ি থকা এজন অসমীয়া ছাত্রই নিজৰ ডিঙিত বৰঢোল এটা আৰি লৈ গোটেই বাটে-পথে কোবাই ফুৰিছিল। ছাত্রজন আচলতে বিহুৰ সময়ত নিজৰ জন্মভূমিলৈ আহিব পৰা নাছিল। আনহাতে সেই সময়ত কলিকতাত বিশেষ জৰুৰী কিবা ঘটনা ঘটিলেহে ঢোল বজোৱা হৈছিল। বাটে-পথে ঢোল বজাই ঘূৰি ফুৰা এই ছাত্রজনক এজাক মানুহে ধৰি সুধিলে— 'কিবা অঘটন ঘটিছে নেকি?'

উশাহ নসলোৱাকৈয়ে আৰু দুটা ছেও মাৰি ছাত্রজনে ক'লে— 'নাই। ক'তো একো অঘটন হোৱা নাই। পিছে অসমত বিহু হৈছে।'

নিজৰ জাতীয় কৃষ্টি-সংস্কৃতিক ইমান গভীৰভাবে ভালপোৱা এই ছাত্রজন হ'ল আমাৰ সকলোৰে শ্রদ্ধাৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা।

# নেপোলিয়ন বোনাপার্ট উত্থান-পতনৰ নায়ক



সুস্মিতা বৰা*

পৃথিবীৰ বুৰঞ্জীৰ প্ৰখ্যাততম সেনানায়ক নেপোলিয়ন বোনাপাৰ্টৰ জন্ম হৈছিল এজ্যাকিঅ'ত। নেপোলিয়নৰ পিতৃ-মাতৃ আছিল ইটালীৰ। নেপোলিয়ন এজন অতি উদণ্ড ল'ৰা আছিল যদিও তেওঁ সাংঘাতিক মাতৃভক্ত আছিল।

যৌৱনৰ আৰম্ভণিৰে পৰা নেপোলিয়ন এজন উগ্ৰ দেশপ্ৰেমিক হিচাপে খ্যাত হৈ পৰিছিল। পৃথিবীৰ অতি দুৰ্দান্ত সেনাধ্যক্ষৰূপে পৰিচিত নেপোলিয়ন বোনাপাৰ্টে ১৭৮৫ খ্ৰীঃত ফৰাচী সৈন্য বাহিনীত যোগদান কৰে এজন বন্দুকধাৰী সৈন্য হিচাপে। অতি কম সময়ৰ ভিতৰতেই নেপলিয়ন সেনাবিষয়াৰ পদলৈ উন্নীত হয় আৰু শেষলৈ সেনাধ্যক্ষ হয়। বিশ্ববিখ্যাত সেনাপতি আলেকজেণ্ডাৰ বা জেংগিছখানতকৈও বেছি দ্ৰুত গতিত দেশ জয়ৰ অভিযান চলোৱা নেপোলিয়ন সেনাধ্যক্ষ হিচাপে সৰ্বপ্ৰথম অষ্ট্ৰিয়াৰ বিৰুদ্ধে যুদ্ধ কৰি অষ্ট্ৰিয়াক পৰাজিত কৰি এজন দুৰ্দান্ত সেনাধ্যক্ষৰূপে প্ৰতিষ্ঠিত হয়। নেপোলিয়নেই আছিল সৰ্বাধিক দেশলৈ যুদ্ধ অভিযান চলোৱা, সৰ্বাধিক দেশ জয় কৰা, সৰ্বাধিক দেশ লুণ্ঠন কৰা আৰু সৰ্বাধিক মানুহৰ মৃত্যু ৰচনা কৰা সেনাধিনায়ক আৰু সেইবাবেই হয়তো ভালেমান সু-সংস্কাৰ সাধন কৰিছিল যদিও তেওঁৰ উচ্চাংক্ষাৰ ফলস্বৰূপে সুদীৰ্ঘ পোন্ধৰ বছৰ ধৰি ফ্ৰান্স তথা সমগ্ৰ ইউৰোপতে যুদ্ধৰ মেলা পতা বাবে ইউৰোপীয় মানুহ তথা পৃথিবীৰ মানুহে তেওঁক এজন দুৰ্দান্ত নৰ হত্যাকাৰী হিচাপে মনত ৰাখিছিল। কিন্তু এই দুৰ্দান্ত সেনাধ্যক্ষ হিচাপে পৰিচিত নেপোলিয়ন আছিল দেখাত চুটি-চাপৰ, সেইবাবেই তেওঁ হেনো সদায় এটা সুন্দৰ ওখ বগা ঘোঁৰাত উঠি ফুৰিছিল।

নেপোলিয়ন উত্থান-পতনৰ দ্ৰুততম নায়ক হিচাপে পৃথিবীখ্যাত হোৱাৰ মূলতেই আছিল নিজৰ লক্ষ্যত উপনীত হ'বৰ বাবে সকলো কাম কৰিব পৰা এক অতি স্বাৰ্থপৰ মনোভাব। তেওঁ (নেপোলিয়ন) নিজৰ লক্ষ্যত উপনীত হ'বলৈ যিকোনো কামকে কৰিব পাৰিছিল। এইবাবেই তেওঁ অতি তীক্ষ্ণ বুদ্ধিসম্পন্ন লোক হোৱা সত্বেও অতি নৃশংসৰূপেও পৰিগণিত হৈছিল। তেওঁ যেনেদৰে কোনো দিনে কাৰো ওচৰত কৃতজ্ঞতা বিচাৰি যোৱা নাছিল তেনেদৰে তেওঁ কাৰো প্ৰতি কৃতজ্ঞ নাছিল।

সমগ্ৰ ইউৰোপতেই এটা ডাঙৰ ৰাজনৈতিক আৰু সামাজিক পৰিৱৰ্তন আনিবলৈ সক্ষম হোৱা নেপোলিয়নে ১৮১৫ চনত তেওঁৰ জীৱনৰ শেষ যুদ্ধখন যুঁজিলে ৱাটাৰলুত। এই যুদ্ধত বেলিংটনৰ ডিউকে নেপোলিয়নক পৰাজিত কৰিলে আৰু ব্ৰিটিছ সৈন্যই তেওঁক ছেণ্ট হেলেনা দ্বীপত বন্দী কৰি থ'লে। এই বন্দী অৱস্থাতেই ১৮২১ চনত এই প্ৰবল প্ৰতাপী পৃথিবীখ্যাত নেপোলিয়নৰ মৃত্যু হয়।

শেষত আমি ক'ব পাৰো যে তীব্ৰ আকাংক্ষাই নেপোলিয়নক যিদৰে বিখ্যাত কৰিছিল সেই আকাংক্ষাৰ জুইতেই তেওঁৰ অস্তিত্ব বিলোপো হৈছিল।■

*স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী

ভি
ন্ন
ছ
ন্দ

# যুব-উচ্ছৃংখলতা : বিশ্বাস এবং বাস্তব

রুবি দাস*

একটি দেশের সামগ্রিক উন্নয়নের মূল চালিকাশক্তি হলো যুব সমাজ। যুব সমাজ গঠিত হয় সাধারণতঃ ১৪-১৫ থেকে শুরু করে ২৯-৩০ বৎসর পর্যন্ত অবিবাহিত যুবক-যুবতীদের নিয়ে। সাধারণতঃ এই যুবশক্তির ধ্বংসাত্মক দিকটিকে কেন্দ্র করে গড়ে উঠে যুব-উচ্ছৃংখলতা নামক এক ভয়াবহ জলন্ত সমস্যা। অত্যাধুনিক পরিবেশ ও পরিস্থিতির প্রভাবে কিছু যুবক-যুবতী নিজেদের ভারসাম্য হারিয়ে ফেলে এবং তার ফলেই সৃষ্টি হয় এই ধরনের সমস্যা, যা নাকি গোটা সমাজকে এক মারত্মক ব্যাধি রূপে সংক্রামিত করে বনাগ্নির মতো দ্রুতগতিতে। যার ফলে দগ্ধ হয় আমাদের সমাজ, সংস্কৃতি, ঐতিহ্য, জনকৃষ্টি, রাজনীতি ও অর্থনীতি।

একটি যুবক বা যুবতী তার অবৈধ আচরণ বা উচ্ছৃংখলতা স্বেচ্ছায় প্রদর্শন করে না, তার নেপথ্যে থাকে অগণন আনুষংগিক বিষয়, এবং এক গুরু গম্ভীর কারণ। এই সম্বন্ধে যদি আমরা প্রত্যক্ষভাবে একটি যুবক বা যুবতীকে দোষারোপ করি তবে অন্যায় করা হবে। কারণ একটি যুবক বা যুবতী তার শৈশব ও বাল্যকাল এর মতো জীবনের গুরুত্বপূর্ণ প্রারম্ভিক স্তর দুটি বাসগৃহে অতিবাহিত করে অতিরিক্ত সময়। এবং এই স্তর দুটিতে শিশুরা অত্যন্ত অনুকরণপ্রিয় হয়। তারা তাদের বয়োজ্যেষ্ঠদের সব কিছু যেমন কথা-বার্তা, চাল-চলন, আচার-ব্যবহার ইত্যাদির যেন ভাল দিকটি অনুশীলন করতে করতে কখন যে তারা খারাপ দিকটিকেও নীরবে অনুসরণ করে ফেলে তা বোঝাই অসম্ভব। পরবর্তী কালে পরোক্ষভাবে হলেও যা যুব-উচ্ছৃংখলতায় ইন্ধন যোগায়। উপরন্তু সন্তানের প্রতি পিতা-মাতার অন্তহীন ভালবাসা, ধৃতরাষ্ট্রের ভূমিকায় সহস্র প্রশ্রয়, সন্তানদের প্রতি অভিভাবকের সময়াভাব, জীবন যাপন করা জন্য বিনা দ্বিধায় ভোগলিপ্সার পথ দেখিয়া দেওয়া ইত্যাদি সব কিছুই যেন যুব-উচ্ছৃংখলতার প্রতি পরোক্ষভাবে ইন্ধন

যোগানোর ক্ষেত্রে গৌণ ভূমিকা পালন করে

বর্তমান সমাজ মানেই বন্ধনহীন তথা উন্মুক্ত সমাজ। আমরা পাশ্চাত্য সমাজ ব্যবস্থাকে অনুকরণ করতে এতই ব্যতিব্যস্ত হয়ে উঠেছি যে তার আড়ালে আমরা আমাদের নিজেদের সামাজিক রীতি-নীতি, পরম্পরা-বিশ্বাস, আচার-আচরণ ইত্যাদি সমস্ত কিছুকে চরম অবহেলায় প্রত্যাখ্যান করি। বিনোদনের আধুনিক ব্যবস্থা যেন এক অশুভ শক্তির মত গ্রাস করছে আমাদের বিবেকবুদ্ধি। এক সময় শুধু একটি অনাঁতার যন্ত্র ছিল মনোরঞ্জন-এর কারক, কিন্তু আজ তার জায়গায় এসেছে চি.ডি., ভি.চি.ডি.র অনৈতিক যৌনতা, দূরদর্শন তথা ইন্টারনেটের অপব্যবহার। এ সবের প্রতি বয়স্করা যথেষ্ট মনযোগীও নয়। ধর্মীয় উৎসব বা সামাজিক কোনো অনুষ্ঠানে অনেক সময় বয়োজ্যেষ্ঠদের সুরাপান, অশ্লীল ব্যবহার ইত্যাদিও ছোটদের মনে কুপ্রভাব ফেলে। তারা ভাবে গুরুরাই যদি এমন অবিবেচিত কার্য করে, তবে তারা করলে আর দোষের কি।

অত্যাধিক শাসন বা একেবারে অনুশাসনহীনতা, জীবনে লাভ করা বিফলতা ইত্যাদিকে যুব-উচ্ছৃংখলতার কারক হতে দেখা যায় অনেক সময়ে। বাসগৃহে সন্তান--সম্পর্কের ক্ষেত্রে অনুশাসন এবং ভালবাসার মধ্যে যদি ভারসাম্য না থাকে তবে সেই সন্তান পরবর্তী কালে এক উগ্র যুব মস্তিষ্কের অধিকারী হতে পারে। বেকারত্ব এমন এক ভয়াবহ সমস্যা যার বিপরীতে অর্থের প্রলোভনে শিক্ষিত যুবক অত্যাধুনিক মারণাস্ত্র তোলে হাতে এবং তাই সর্বত্রই সুলভ হয়ে উঠে নিরীহ রক্তের কাঁচা গন্ধ। সেইসাথে ঘরের চারপাশের কঠোর নীতি-নিয়ম পালন করতে করতে যুবপ্রজন্ম বিরক্ত হয়ে যায় এবং সহজেই তারা উচ্ছৃংখল মনোভাবের হয়ে ওঠে।

এই সমস্যাটি ব্যক্তিগত ক্ষতি সাধন করা ছাড়াও আমাদের অর্থনীতি, রাজনীতি ও সমাজনীতির উপর বিরূপ প্রভাব বিস্তার করে। এই সমস্যাটি শুধু আমাদেরই নয় গোটা বিশ্বের। সমস্যাটি প্রতিরোধ করার ক্ষেত্রে প্রধানতঃ দুটি দিক আছে — এক যুব সমাজের আত্মনিয়ন্ত্রণ এবং দুই বয়োজ্যেষ্ঠের আদর্শ স্থাপনে অগ্রণী ভূমিকা পালন করা। তাছাড়া প্রতিটি যুবক বা যুবতীর অবসর সময়ে খেলা-ধূলা, পুথিগত অধ্যয়ন, নৃত্য-গীত-চিত্র-চর্চা ও হস্তশিল্পের শিক্ষা নেওয়া প্রয়োজন। এর মাধ্যমে যুবক-যুবতীরা আলস্য ত্যাগ করে কর্ম ব্যস্ত থাকার সুযোগ পাবে। অসৎ চিন্তার শিথিল সময় থাকবে না। নিজেকে দায়িত্বশীল, সৃষ্টিশীল, দয়াশীল ও কর্তব্যপরায়ণ করতে পারবে এবং সর্বদা নিজের জীবনের সঠিক পথ নির্ধারণ করে এবং ভুল-নির্ভুলের পরিমাপ করতে পারবে।

আজকের উচ্ছৃংখল তথা বিশৃংখল যুব প্রজন্মকে শৃংখলাবদ্ধ করার দায়িত্ব যেমন সরকারকেও নিতে হবে, তেমনি বুদ্ধিজীবি বা সমাজের প্রতিষ্ঠিত ব্যক্তিদেরও এই যুব প্রজন্মকে সুপথে পরিচালনা করার দায়িত্ব গ্রহণ করতে হবে। নতুবা এই উচ্ছৃংখলতায় যুবসমাজ যদি সম্পূর্ণরূপে দিকভ্রষ্ট হয়ে যায় তবে আমাদের সমাজ, সংস্কৃতি, কৃষ্টি, ঐতিহ্য, ধর্মীয় পরম্পরা সমস্তই এক সময় কালের কড়াল গ্রাসে ডুবে যাবে।■

---

❖স্নাতক তৃতীয় বার্ষিকৰ ছাত্রী

* Crocodiles swallow stones to help themselves dive deeper.
* Pigs are the fourth most intelligent animals in the world.

# HISTORY FOR WHOM ?

**Kishor Goswami**∗

We have frequently encountered the term 'what is history?' This question involves different aspects of history, such as the nature of history, its scope and present value, are discussed and debated among the scholars. However in the quest of explaining the question 'what is history?' scholars have frequently neglected another important question, 'history for whom?' As this negligence developed to a more concrete form history begins to lose its popular character. By the term popular character I mean the general acceptance of history, written by trained scholars, among common men as a branch of social science to attain knowledge.

It has often been argued that the most important responsibility of a historian is to reproduce the past closer to the reality with maximum utilization of objective thought. However, apart from this, historians have another responsibility, that is the responsibility towards the society, or more accurately, to develop a historical sense among the common men of the society. This responsibility of a historian to develop historical sense and proper understanding of history among the people of the society becomes even more important in a relatively backward society like India.

The challenge which history has now faced by post-modernism is not a new one. This kind of intellectual challenge is not alien to history. Through different ages history has faced this kind of challenges and has also been able to overcome it. However a more sharp and life threatening challenge history is now facing is its newly acquired elitist character especially in India which has not come from outside but from within history itself. This challenge has mainly developed because of the general ignorance and negligence to the question 'history for whom?' This general negligence comes out of the quest of the historians to attain scholarly status without giving any attention to the collective psychology and memory of a particular society. Historical books or rather a good balance view of the past events remains within a limited circle of intellectuals. Eventually common men with limited higher educational background deprive of any proper historical knowledge. This deprivation has constantly pushed the common men to a vicious circle of fiction and distorted version of past events propagated by those so-called hard-core nationalist and factional elements to gain certain political mileage. For example, in pre-colonial times, the geographical boundary of a particular state in Assam was never a fixed entity. In a sense, the state boundary of either the Ahom or the Koch or Kachari kingdom was in a constant flux with more or less a fluid kind of cultural and socio-economic relationship between the inhabitants of different states. In this pre-colonial state structure the cultural product of a particular community was not confined to itself and rather different communities shared those productions. However, the coming of the colonial ethnography and the concept of

cartographic state totally changed the picture. Now based on the idea of race science and ethnographic accounts the colonial authority embarked upon a mission of strictly codifying those inter cultural groups. In this mission, the colonial census project, once and for all, distinguished each ethnic community in separate compartments. At the same time, the concept of colonial cartography was also used to demarcate each state in strict and hard geographical boundaries. Ethnic groups like Ahom-Moran, Chutia-Moran, etc, ceased to exist in this process because such kind of groups who had earlier dual allegiance or identities were compelled to leave one in census enumeration. By this way, the aspect of folk culture along with other issues became a highly fixed kind of thing. Influenced and informed by these kinds of colonial impositions, a particular kind of ethnicized history has began to be produced with a disastrous impact on the cultural and ethnic landscape of Assam.

জনসংখ্যা বৃদ্ধিৰ লগত কৃষি উৎপাদনত ফেৰ মাৰিব নোৱাৰি জধেমধে কীটনাশক দ্ৰব্য আৰু ৰাসায়নিক সাৰ

প্ৰয়োগ কৰি মানৱ জাতি নিজেই ৰুগীয়া আৰু ঘুণীয়া হৈছে।

বন্য অঞ্চলৰ সংকোচনৰ বাবে বতৰ চক্ৰৰো পৰিৱৰ্তন প্ৰকট হৈ পৰিছে। উদ্যোগীকৰণৰ প্ৰসাৰতাই বিভিন্ন আৱৰ্জনাৰ সৃষ্টি কৰি জল, স্থল আৰু বায়ুমণ্ডলৰ প্ৰদূষণ বৃদ্ধি কৰিছে। গাড়ী-মটৰ আৰু কাৰিকৰী কৌশলৰ প্ৰগতিয়ে জীৱাশ্ম তেল (biofuel)ৰ ব্যৱহাৰ বৃদ্ধি কৰি সেই সম্পদৰাজিৰ পৰিমাণ নিম্নগামী হোৱাত সহায় কৰিছে।

এখন দেশৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ডৰ উন্নতিৰ কথা ভাবি অৰ্থনৈতিক কাৰ্যকলাপৰ সম্প্ৰসাৰণ কৰিবলৈ যাওঁতে প্ৰাকৃতিক সম্পদৰাজিৰ যথেষ্ট অৱক্ষয় হয়। এই ক্ষয়-ক্ষতিৰ বিচাৰ কিমান লোৱা হয়? অথবা বৰ্তমানৰ উন্নয়নে ভৱিষ্যতৰ উন্নয়নৰ বাট সুচল কৰি ৰাখিব পাৰিবনে? এইসমূহ আজিৰ সময়ত বৰ্তমান প্ৰজন্মৰ সন্মুখত কিছুমান অতি প্ৰাসংগিক আৰু জৰুৰী প্ৰশ্ন।

বৰ্তমানে পৰিবেশক লৈ সৃষ্টি হোৱা, প্ৰাকৃতিকেই হওক বা সামাজিকেই হওক, সৰহসংখ্যক সমস্যায়েই মানৱসৃষ্ট। এই সমস্যা সমাধানৰ দায়িত্ব প্ৰকৃততে কাৰ? সমাজৰ প্ৰতিজন ব্যক্তি বা নাগৰিক এই সমস্যা সমাধানৰ কাৰণে আগবাঢ়ি আহিছেনে বা আহিবনে? হ'ব পাৰে দায়িত্বৰ বোজা বিভিন্ন স্তৰৰ। অন্যথা সৌৰ জগতৰ একমাত্ৰ বাসোপযোগী এই বিনন্দীয়া পৃথিৱীক ধ্বংসৰ মুখৰ পৰা উদ্ধাৰ কৰিবলৈ সম্ভৱ নহ'ব। পৰিবেশৰ সুৰক্ষা কৰাত সমাজৰ প্ৰতিজন ব্যক্তিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰো বহু কৰণীয় আছে। ছাত্ৰ শক্তি এটা বৃহৎ ঐক্যবদ্ধ শক্তি। ছাত্ৰসকলে সাংগঠনিক দৃষ্টিভংগী লৈ কাম কৰিলে সফলতা লাভ নকৰাৰ কোনো কাৰণ নাই। বৰ্তমানে বিদ্যালয় বা মহাবিদ্যালয়সমূহত এন-চি-চি, এন-এছ-এছ, স্কাউট আদিৰ সহায়ত ছাত্ৰসকলক সংগঠনমূলক বহুধৰণৰ শিক্ষা দিয়া হয়। কিন্তু এই প্ৰশিক্ষণসমূহৰ পৰা পৰিবেশ (প্ৰাকৃতিক বা সামাজিক) সংৰক্ষণৰ বাবে কিছু জ্ঞান আহৰণ কৰিব পাৰিছেনে? পৰিবেশ শিক্ষণ (CEE)ৰ উদ্যোগত, ভাৰত চৰকাৰৰ পৰিবেশ আৰু বন মন্ত্ৰালয়ৰ (MOEF) মিত্ৰতাত আৰু আৰ্চেল'ৰ মিট্টল (Arcelor Mittal)ৰ সহযোগত প্ৰাৰম্ভণ কৰা ড° এ. পি. যে. আব্দুল কালামৰ সপোন 'পৰ্যাৱৰণ মিত্ৰ' (পৰিবেশ বন্ধু)ৰ আঁচনিৰ সপোন হ'ল দুই লাখৰো অধিক বিদ্যালয়ত পৰিবেশ সজাগতাৰ শিক্ষা প্ৰচাৰ কৰা। এই আঁচনি ২০০৮ চনত আমাৰ দেশৰ ৰাষ্ট্ৰপতি শ্ৰীমতী প্ৰতিভা সিং দেৱী পাটিলে মুকলি কৰে। এই আঁচনিৰ অধীনত বিদ্যালয়সমূহত বিভিন্নধৰণৰ পৰিবেশ সজাগতা অনুষ্ঠান চলোৱা হৈছে। এইজনা বিজ্ঞানীৰ সপোন তেতিয়াহে ফলপ্ৰসূ হ'ব যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশৰ উপাদানসমূহৰ মূল্য অনুধাৱন কৰিব পাৰিব।

বৰ্তমানে এই কথা সকলোৰে জ্ঞাত যে পৃথিৱীৰ বায়ু, পানী, মাটি, খাদ্যদ্ৰব্য সকলোৰে মান নিম্নগামী হৈছে। এয়া হ'ল প্ৰাকৃতিক পৰিবেশৰ অৱক্ষয়। আনহাতে মানুহে সমাজ পাতি থকা পৰিবেশো বহু ক্ষেত্ৰত নিম্নগামী হৈছে। এই পৰিবেশ সংৰক্ষণ আৰু বিশুদ্ধিকৰণত ছাত্ৰৰ ভূমিকা কি হ'ব পাৰে!

প্ৰথমতে প্ৰাকৃতিক পৰিবেশ সংৰক্ষণৰ কথা উনুকিয়াব খুজিছো। আমি বাস কৰা পৃথিৱীখনৰ পানীৰ অভাৱ বা অৱক্ষয়ৰ কথা বাৰু মানুহে কিমান দূৰ চিন্তা কৰিব পাৰে?

আমি সকলোৱে জানো যে পৃথিৱীৰ ৩/৪ ভাগ অংশই পানীৰে আগুৰি আছে; কিন্তু গ্ৰহণযোগ্য পানী মাত্ৰ ২.৫ শতাংশহে আছে। অৰ্থাৎ এই পানীখিনি লোণহীন। তাৰে আকৌ সত্তৰ শতাংশ বৰফ আকাৰত আবদ্ধ। গতিকে বাকী থকা সামান্য পৰিমাণৰ পানীৰ উপযুক্ত আৰু যথাযথ ব্যৱহাৰ নোহোৱাৰ ফলত বৰ্তমানে পৃথিৱীত অধিকাংশ মানুহ পানীৰ সংকটত ভুগিছে। এটা সমীক্ষামতে ২০২৫ চনত পৃথিৱীৰ প্ৰায় ১৮০ কোটি মানুহ পানীৰ অভাৱত পৰিব। আজি প্ৰায় ৩৬/৩৭ বছৰৰ আগতে দিল্লী মহানগৰীত পানী কিনি খাওঁতে আশ্চৰ্য প্ৰকাশ কৰিছিলো। অথচ বৰ্তমান গুৱাহাটী মহানগৰীৰ বহুতো অঞ্চলত মানুহে ব্যৱহাৰ কৰিবলৈ পানী কিনি লয়। গতিকে অবাবত পানী খৰচ কৰা বা অপচয় কৰা (গাঁও অঞ্চলত পদূলিৰ কাষত বহুত সময়ত মিউনিচিপালটিৰ কলসমূহেদি পানী গৈ থকা পৰিলক্ষিত হয়) কথাবোৰ ছাত্ৰ-ছাত্ৰীসকলে লক্ষ্য কৰিব লাগিব। নদী, বিল, পুখুৰী আদিসমূহ যাতে ঘৰুৱা আৱৰ্জনা বা উদ্যোগ আদিৰ পৰা নিঃসৰিত হোৱা

পদাৰ্থই কলুষিত নকৰে সেই কথালৈ সচেতন হ'ব লাগিব। প্ৰয়োজনসাপেক্ষে জিলা কৰ্তৃপক্ষৰ সহায় বিচাৰি যাব লাগিব। নিজৰ ঘৰতে বৰষুণৰ পানীখিনি সংগ্ৰহ কৰি মটৰ চাইকেল আৰু গাড়ীখন ধোৱাৰ ব্যৱস্থা কৰিলে বা গছ-গছনিত দিলে বিদ্যুৎ শক্তি ব্যৱহাৰ কৰি টেংকিত জমা কৰা পানীখিনি জানো সংৰক্ষণ নহ'ব? ছাত্ৰসকলে এনেধৰণৰ কথাবোৰ মন কৰিব লাগে আৰু নিজৰ ঘৰৰ পৰাই আৰম্ভ কৰি ক্ৰমে সমাজলৈ বিস্তাৰিত কৰিব পাৰে।

আজিৰ যুগত বায়ু প্ৰদূষণৰ কথা বেলেগে বৰ্ণনা কৰাৰ প্ৰয়োজনবোধ কৰা নাই। কিন্তু ছাত্ৰসকলে জনা উচিত যে এই প্ৰদূষণৰ কাৰকবোৰৰ উৎস যদিও ভিন ভিন, যান-বাহনৰ পৰা নিৰ্গত হোৱা ধোঁৱা আৰু তাত থকা গেছ বা দানাবোৰৰ অৰিহণা সবাতোতকৈ ওপৰত (শতকৰা যাঠি শতাংশৰো অধিক)। ছাত্ৰসকলে এই ক্ষেত্ৰত কি কৰিব পাৰে? তেওঁলোকে সামান্য দূৰত্বত মটৰ চাইকেল বা গাড়ী ব্যৱহাৰ নকৰি চাইকেল ব্যৱহাৰ কৰিব পাৰে। এই কথা নিজেও অনুধাৱন কৰক আৰু আনকো শিকাব লাগে। চীন দেশৰ কোনো কোনো অঞ্চলত বন্ধ বাৰত চাইকেল চলোৱাতো পুৰুষ আৰু নাৰী সকলোৰে বাবে বাধ্যতামূলক। গাড়ী লৈ যোৱাৰ লক্ষ্য স্থান যদি একে হয়, তেনেহ'লে দুখন গাড়ীৰ ঠাইত এখন গাড়ীত পাঁচজন ব্যক্তি যাব নোৱাৰে জানো? এইধৰণৰ চিন্তাশক্তিয়ে প্ৰদূষণ কিছু পৰিমাণে ৰোধ কৰাৰ উপৰিও জীৱাশ্ম ইন্ধনৰো কিছু ৰাহি কৰাত সহায় কৰিব।

দ্বিতীয়তে, যান-বাহনসমূহ নিয়মীয়াকৈ 'প্ৰদূষণ নিয়ন্ত্ৰণ' কেন্দ্ৰত পৰীক্ষা কৰাব লাগে। ছাত্ৰসকলে বিশুদ্ধ মনেৰে এই কাম নিজেও কৰিব লাগে আৰু এই কথাত গুৰুত্ব নিদিয়া চালক দৃষ্টিগোচৰ হ'লে কথাটো বুজাই দিব লাগে।

তৃতীয়তে, সকলো ছাত্ৰ-ছাত্ৰীৰেই এটা কথা জ্ঞাত যে উদ্ভিদে বায়ু প্ৰদূষণ ৰোধ কৰে। উদ্ভিদৰ পৰা অক্সিজেন ওলায় আৰু পাতসমূহে ধূলিকণা, ধোঁৱা আদি শুহি লয়। গতিকে উদ্ভিদ সংৰক্ষণ কৰা কথাটো সকলোৰে লক্ষ্য হোৱা উচিত। বহুত সময়ত বিভিন্ন উৎসৱত বৃক্ষৰোপণ কাৰ্যসূচী হাতত লোৱা হয়। কিন্তু গছ ৰুলেই কাম শেষ নহয়। গছপুলি এটাক পোহপাল দি ডাঙৰ কৰাটোহে আচল কথা। নামঘৰ, দোকান ঘৰ বা ঘৰৰ পদূলিমুখৰ গছকেইজোপা জীয়াই ৰখাৰ দায়িত্ব কোনে ল'ব? মাক-দেউতাক বা সমাজৰ এজন বৰেণ্য ব্যক্তিৰ জন্ম তিথি বা মৃত্যু তিথিৰ দিনা দুজোপামান গছ ৰুলে নিশ্চয় এক আদৰ্শমূলক দৃষ্টান্ত হ'ব। যোৰহাটৰ কঁকিলামুখৰ অৰুণাচাপৰিৰ বাসিন্দা শ্ৰী যাদৱ পায়েঙে যদি ৰাইজৰ সহযোগত চাপৰিটোৰ বন্যপ্ৰাণী সংৰক্ষণ কৰিবলৈ ২০০ হেক্টৰ মাটি এখন অৰণ্যলৈ ৰূপান্তৰিত কৰিব পাৰে, আমাৰ যুৱ ছাত্ৰ শক্তিয়ে পৰ্যায়ক্ৰমে নিশ্চয় অঞ্চল বুজি বহু বৃক্ষৰোপণ কৰিব পাৰিব।

চতুৰ্থতে, মাটিৰ পৰিবেশ সুৰক্ষা কৰাৰ কথালৈ আহো। মাটিত বিভিন্নধৰণৰ অণুজীৱ (বেক্টেৰিয়া, প্ৰট'জোৱা, ভেকুৰ, বিভিন্ন প্ৰাণীৰ পলু) থাকে। এই জীৱসমূহে মাটিত পৰা আৱৰ্জনাবোৰ পচি যোৱাত সহায় কৰে আৰু মাটিৰ উৰ্বৰতা বঢ়ায়। মাটিত পচিব নোৱাৰা (অৰ্থাৎ অণুজীৱসমূহে ক্ৰিয়া কৰিব নোৱাৰা) পদাৰ্থ যেনে— পলিথিন, ইলেকট্ৰনিক আৱৰ্জনা আদি মাটিত পেলাই থ'লে মাটিৰ গুণাগুণ নষ্ট হয় আৰু অণুজীৱসমূহ মৰি যায়। সেইদৰে বিভিন্নধৰণৰ ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰেও মাটিৰ গুণাগুণ নষ্ট কৰে। পলিথিনৰ ব্যৱহাৰ বন্ধ কৰিবলৈ চৰকাৰে বহুবাৰ নিয়ম জাৰি কৰিছে; কিন্তু ইয়াৰ ব্যৱহাৰ বন্ধ হোৱা নাই। এই কাম কোনে কৰিব পাৰিব? একত্ৰিতভাৱে ছাত্ৰ শক্তিয়ে এই দায়িত্ব ল'ব লাগে। বিদ্যালয়, মহাবিদ্যালয়, বিশেষকৈ দোকানসমূহত পলিথিনৰ মোনা দিয়াটো বন্ধ কৰিবলৈ অনুৰোধ কৰিব লাগিব আৰু প্ৰত্যেকেই এই মোনা গ্ৰহণ নকৰিবলৈ সংকল্পবদ্ধ হ'ব লাগিব আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকক পলিথিনৰ মোনা ব্যৱহাৰ নকৰিবলৈ বাধ্য কৰাব পাৰিব লাগিব।

পঞ্চমতে, কওঁ বিজুলী শক্তিৰ অপব্যৱহাৰৰ কথা। ছাত্ৰ অৱস্থাৰ পৰাই শিকিব লাগিব যে অবাবত লাইট বা ফেন চলি থাকিলে শক্তিৰ অপচয় হয় আৰু এই শক্তিৰ উৎস জলজ সম্পদৰ অৱক্ষয় হয়। গতিকে ছাত্ৰসকলে নিজৰ ঘৰতে হওক বা বিদ্যালয়ৰ চৌহদতেই হওক, শক্তিৰ অপচয় নহ'বলৈ চকু দিব লাগিব। বিদ্যুৎ শক্তিৰ পৰিমাণ ইমানেই নিম্নগামী হৈছে যে আজিকালি বহুতো অঞ্চলত সৌৰশক্তিৰ ব্যৱহাৰ কৰা দেখা

যায়।

ষষ্ঠতে ক'বলৈ ওলাইছো আমাৰ চাৰিওফালে থকা জীৱকুলৰ সুৰক্ষাৰ কথা। আমি অকল গঁড় বা বাঘ সংৰক্ষণৰ কথা ভাবিলেইনহ'ব। কাউৰী, শগুণ, চিলনী, শালিকা, বগলী, কণামুচৰী, মকৰা, কেৰেলুৱা— সকলো জীৱই আমাৰ বাবে প্ৰয়োজনীয়। কোনোবাটোৰ দায়িত্ব অপমাৰ্জক হিচাপে, কোনোবাটো কীট-পতংগ নিয়ন্ত্ৰণৰ বাবে বা কোনোবাটো উদ্ভিদৰ বংশ বৃদ্ধিৰ বাবে উপকাৰী। মুঠতে সমূহ জীৱকুলৰ লগত মানুহৰ সমাজখন ৰক্ষা কৰিব পাৰিব যুৱ শক্তিয়ে। কুৰি শতিকাৰ সপ্তম দশকত সৰলা দেৱী আৰু চণ্ডীপ্ৰসাদ ভট্টৰ নেতৃত্বত দশৌলিগ্ৰাম স্বৰাজ সংঘৰ অধীনত গঢ়ি উঠা বুৰঞ্জী প্ৰসিদ্ধ 'চিপকো' আন্দোলনত (১৯৭৪, ২৫ মাৰ্চ) গছ কটাৰ বিৰুদ্ধে কলেজীয়া ছাত্ৰসকলেও আগভাগ লৈছিল। গতিকে ছাত্ৰ শক্তিয়ে সকলো কাম কৰিব পাৰে।

সৰ্বশেষত সামাজিক পৰিবেশৰ অৱক্ষয়ৰ দিশসমূহ উল্লেখ কৰিব খুজিছো। মানুহ সমাজপ্ৰিয় আৰু এখন সুস্থ, নিকা, শান্তিৰ সমাজত বাস কৰিবলৈ সকলোৱে বিচাৰে। কিন্তু আজিৰ সমাজত কিছু উচ্ছৃংখলাই দেখা দিছে। সকলো দিশত ছাত্ৰ-ছাত্ৰী বা অভিভাৱকসকলৰ প্ৰতিযোগিতাৰ দৌৰ হৈছে। ইলেক্‌ট্ৰনিক যন্ত্ৰপাতি, ম'বাইল ফোনৰ ব্যৱহাৰৰ প্ৰসাৰতা, কম্পিউটাৰৰ ব্যৱহাৰ ইত্যাদি কথাই যুৱ শক্তিক এফালে আধুনিকতাৰ দিশ দেখুৱাইছে আৰু আনফালে উক্ত সামগ্ৰীসমূহৰ অপব্যৱহাৰে চাৰিত্ৰিক দিশত মাধমাৰ শোধাইছে। পূৰ্বৰ দৰে সমাজৰ মান্যজনক বা বয়োজ্যেষ্ঠজনক শ্ৰদ্ধাৰ চকুৰে চাবলৈ পাহৰি গৈছে। পিতৃ-মাতৃসকলৰ বেছিসংখ্যকেই নিজৰ সন্তানসকলৰ মতৰ বান্ধোনত বন্দী হৈ পৰিছে। সকলোতকৈ ডাঙৰ কথা হ'ল আজিৰ নৱ প্ৰজন্মৰ মাজত অতিকৈ প্ৰচলিত মাদক দ্ৰব্যসমূহৰ ব্যৱহাৰ। বিশ্ব স্বাস্থ্য সংস্থাই (WHO)ই সদৰি কৰামতে ৪০.১ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে ধূমপান কৰে। ড্ৰাগছ, সুৰা, গুটখা, ধপাত আদি ব্যৱহাৰৰ পৰা দূৰৈত থাকিবলৈ ছাত্ৰ-ছাত্ৰীসকল নিজেই প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব। নহ'লে সমাজৰ শৃংখলা কেতিয়াও অটুট নাথাকিব। ইয়াৰোপৰি এখন সুস্থ সমাজ সুদৃঢ় কৰি বৰ্তাই ৰাখিবলৈ হ'লে যুৱ শক্তিয়ে সদায় আদৰ্শ দেখুৱাব লাগিব— কিদৰে বয়োজ্যেষ্ঠজনক সন্মান কৰিব লাগে, নাৰীক কিদৰে সন্মান কৰিব লাগে, ওচৰ-চুবুৰীয়াক কেনেকৈ সহায় কৰিব লাগে, আনৰ বিপদত কেনেকৈ আগবাঢ়ি যাব লাগে ইত্যাদি। ইয়াৰ বাবে ছাত্ৰ শক্তি একত্ৰিত হ'ব লাগিব আৰু আজৰি সময়ত আলোচনাৰ মাজেৰে, তেওঁলোকৰ পৰ্যায়ত প্ৰাকৃতিক আৰু সামাজিক পৰিবেশ সুৰক্ষাৰ আঁচনি তৈয়াৰ কৰি লৈ মূলকত সমাজত উপস্থাপন কৰিবলৈ চেষ্টা কৰিব লাগে। ইয়াৰ বাবে লাগিব মনৰ উৎসাহ, উদ্দীপনা, প্ৰেৰণা আৰু একাগ্ৰতা। ছাত্ৰ শক্তিৰ নেতৃত্বত সমাজৰ মহৎ কাৰ্য সম্পাদিত হোৱাৰ আশা কৰিলো। অন্যথা ভৱিষ্যৎ প্ৰজন্মই এই বিনন্দীয়া পৃথিৱীৰ সৌন্দৰ্য উপভোগ কৰাৰ পৰা বঞ্চিত হ'ব।

'It is our task in our time and in our generation to hand down undiminished to those who come after us, as was handed down to us by those who went before, the natural wealth and beauty which is our's.'– John F . Kennedy, 1961.■

---

❖ মুৰব্বী অধ্যাপিকা, প্ৰাণী বিজ্ঞান বিভাগ

❖ Believing everybody is dangerous, but believing nobody is more dangerous.

**–Abraham Lincon.**

# বৈজ্ঞানিক মানসিকতা, ভগৱানৰ অস্তিত্ব আৰু আমাৰ শিক্ষা ব্যৱস্থা

ড° লক্ষ্যজ্যোতি বৰঠাকুৰ*

*"The future belongs to science and those who make friends with science."*

**–Jawaharlal Nehru.**

**কোনো** এটা বিষয়ৰ লগত জড়িত সামাজিক ৰীতি-নীতি বা ভাবধাৰাক অন্ধভাবে অনুকৰণ কৰাৰ বিপৰীতে বিষয়টোক যুক্তি সহকাৰে বিশ্লেষণ কৰি সমাজ তথা দেশৰ সৰ্বাংগীন উন্নতিৰ হকে সঠিক সিদ্ধান্ত ল'ব পৰা মানসিকতাকে বৈজ্ঞানিক মানসিকতা বুলিব পাৰি। স্বাধীন ভাৰতৰ প্ৰথমজন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে ভাৰতৰ প্ৰত্যেকজন নাগৰিকৰ বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। তেখেতে বিশ্বাস কৰিছিল যে এটা জাতিৰ সৰ্বাংগীন উন্নতিৰ বাবে জাতিটোৱে বিজ্ঞানৰ ক্ষেত্ৰখনত উন্নতি কৰাটো নিতান্তই প্ৰয়োজনীয়। তেখেত তথা সংবিধানৰ প্ৰণেতাসকলৰ আশাসুধীয়া প্ৰচেষ্টাৰ বাবেই "বৈজ্ঞানিক দৃষ্টিভংগীৰ উন্নতি সাধন"ক ভাৰতীয় সংবিধানত নাগৰিকৰ মৌলিক কৰ্তব্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। কিন্তু চিন্তনীয় বিষয় এই যে স্বাধীনতাৰ ৬৫ বছৰৰ পিছতো আমাৰ দেশৰ অধিকাংশ লোকৰ মাজত এতিয়াও বৈজ্ঞানিক মানসিকতাৰ বিকাশ ঘটা নাই। অশিক্ষিত বা অৰ্ধ শিক্ষিতসকলৰ কথা বাদেই আনকি উচ্চশিক্ষাৰে শিক্ষিতসকলৰ মাজতো বৈজ্ঞানিক দৃষ্টিভংগীৰ অভাৱ বৰ পুতৌজনকভাবে পৰিলক্ষিত হয়।

ভাৰতীয় সভ্যতা এক পৌৰাণিক ঐতিহ্যৰ বাহক। ঋষি-মুনিসকলৰ দিনত ভাৰতীয় সমাজ বিজ্ঞানৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া আছিল। পৌৰাণিক ভাৰতত জন্ম লাভ কৰা আয়ুৰ্বেদ চিকিৎসা পদ্ধতি আজিৰ দিনতো সমগ্ৰ বিশ্বত বিপুলভাবে সমাদৃত। আৰ্যভট্ট, বৰাহ মিহিৰ আদি গণিতজ্ঞসকলৰ অৱদান সঁচাকৈয়ে লেখত ল'বলগীয়া। বেদ, উপনিষদ আদি গ্ৰন্থসমূহতো বিজ্ঞান তথা বৈজ্ঞানিক মানসিকতাৰ বহুতো উৎকৃষ্ট উদাহৰণ পোৱা যায়। কিন্তু কালক্ৰমত বিভিন্ন কাৰকৰ বাবে ভাৰতবৰ্ষই বিজ্ঞানৰ ক্ষেত্ৰত এই অগ্ৰগতিৰ ধাৰা অব্যাহত ৰাখিব নোৱাৰিলে আৰু বিশ্বৰ আন দেশৰসমূহৰ তুলনাত বিশেষকৈ পশ্চিমীয়া দেশসমূহৰ তুলনাত ভাৰত বিজ্ঞানৰ ক্ষেত্ৰখনত বহুত পিছুৱাই আহিল। ইয়াৰ লগে লগে ভাৰতীয় নাগৰিকসকলৰো মনৰ পৰা বৈজ্ঞানিক দৃষ্টিভংগী লোপ পাবলৈ আৰম্ভ কৰিলে। ফলস্বৰূপে আজি এই একবিংশ শতিকাতো আমাৰ সমাজ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ অটল অন্ধকাৰত ডুব গৈ আছে।

পশ্চিমীয়া দেশসমূহৰ তুলনাত ভাৰতীয় সমাজ বিজ্ঞানৰ ক্ষেত্ৰত ইমান পিছুৱাই যোৱাৰ এটা মূল কাৰণ হ'ল

দুয়োখন সমাজত বিজ্ঞান সম্পৰ্কে গঢ় লৈ উঠা মানসিকতাৰ পাৰ্থক্য। যি সময়ত পশ্চিমীয়া সমাজত বিজ্ঞানক যিকোনো এটা বিষয়ৰ প্ৰণালীবদ্ধ অধ্যয়ন বুলি ভবা হ'ল সেই সময়ত ভাৰতীয় সমাজত বিজ্ঞানক এক সম্পূৰ্ণ পৃথক বিষয় হিচাপে গণ্য কৰা হ'ল। ভাৰতীয় জনসাধাৰণৰ মনত বিজ্ঞান সম্পৰ্কে এনেকুৱা ভ্ৰান্ত ধাৰণা কোনোৱা স্বাৰ্থান্বেষী দুষ্ট চক্ৰৰ দ্বাৰা উদ্দেশ্যপ্ৰণোদিতভাৱে সুমুৱাই দিয়া হ'ল। এনেকুৱা বিকৃত মানসিকতা গঢ় লৈ উঠাৰ ফলশ্ৰুতিত যি সময়ত পশ্চিমীয়া সমাজত বিজ্ঞানে জ্ঞান সাধনাৰ এক প্ৰশস্ত পথ হিচাপে সমাদৰ লাভ কৰিব ধৰিলে, আমাৰ সমাজত বিজ্ঞান সাধনাৰ ক্ষেত্ৰত বিভিন্নধৰণৰ বাধা আহিব ধৰিলে। যিকোনো এটা বিষয়ৰ প্ৰণালীবদ্ধ অধ্যয়নে সদায় নিত্য নতুন আৱিষ্কাৰ আৰু চিন্তাৰ উন্মেষ কৰে। বিজ্ঞানৰ অগ্ৰগতিৰ বাবে পশ্চিমীয়া দেশসমূহত নতুন নতুন আৱিষ্কাৰ হ'বলৈ ধৰিলে আৰু এই আৱিষ্কাৰ সমূহে তেওঁলোকক অৰ্থনৈতিক তথা সামাজিক ভাৱে এক উন্নত জাতি হিচাপে বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰিলে। যি সময়ত পশ্চিমীয়া সমাজত বিজ্ঞানৰ জয়যাত্ৰা পূৰ্ণ গতিত আগবাঢ়িল সেই সময়ত ভাৰতীয় সমাজ ব্যৱস্থাত বিজ্ঞান সম্পৰ্কে গঢ় লৈ উঠা বিকৃত মানসিকতাই সাধাৰণ জনসাধাৰণৰ পৰা বিজ্ঞানক বহু যোজন দূৰ আঁতৰাই গৈ গ'ল। বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা কেৱল বৈজ্ঞানিক তথা বিদ্বৎ মহলৰ মাজতহে প্ৰাসংগিক হৈ ৰ'ল। ফলস্বৰূপে ভাৰতীয় নাগৰিক সমাজ প্ৰচলিত ৰীতি, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ অটল গহ্বৰত ডুব যাব আৰম্ভ কৰিলে।

বিজ্ঞানক জ্ঞান সাধনাৰ সম্বল হিচাপে ব্যৱহাৰ কৰিলে আমাৰ মনোজগত সত্যৰ প্ৰতি আগ্ৰহী হৈ উঠে আৰু আমি যিকোনো সত্যক মানি ল'ব পৰা মানসিকতাৰ অধিকাৰী হওঁ। বিজ্ঞান কেতিয়াও স্থবিৰ নহয় আৰু ইয়াৰ সিদ্ধান্ত সমূহকো চূড়ান্ত বুলিব নোৱাৰি। আজিৰ এটা সত্যক কাইলৈ বিজ্ঞানে অসত্য বুলি প্ৰমাণ কৰিব পাৰে। সেইবাবে যুক্তি তথা প্ৰমাণ সহকাৰে সাব্যস্ত কৰিব পাৰিলে প্ৰকৃত বৈজ্ঞানিকসকলে সকলোধৰণৰ ধাৰণা মানি ল'বলৈ প্ৰস্তুত হোৱা উচিত। আমাৰ সমাজত একধৰণৰ ভ্ৰান্ত ধাৰণা আছে যে বিজ্ঞানৰ বিশ্বাসীসকল নাস্তিক হয়। এই ধাৰণা কেতিয়াও সত্য হ'ব নোৱাৰে, কাৰণ এজন প্ৰকৃত বৈজ্ঞানিকে কোনো বিষয় কেতিয়াও পূৰ্বানুমানৰ ভিত্তিত মানি নলয়, লোৱা অনুচিত। যুক্তি আৰু প্ৰমাণৰ জৰিয়তে দেখুৱাব পাৰিলে তেওঁ ভগৱানৰ ধাৰণাকো মানি ল'বলৈ বাধ্য। আচলতে ধৰ্ম আৰু বিজ্ঞান কেতিয়াও এটা আনটোৰ পৰিপন্থী নহয়। আধ্যাত্মিক স্তৰত বিজ্ঞান আৰু ধৰ্ম এক বিন্দুত বিলীন হৈ যায়। প্ৰায় সকলো বৈজ্ঞানিকেই ভগৱানৰ বিশ্বাসী আৰু সকলো সাধুয়েই প্ৰকৃত বিজ্ঞান মানসিকতাৰ অধিকাৰী। গতিকে বিজ্ঞান আৰু ধৰ্মক সম্পূৰ্ণ বিপৰীত সত্তা বুলি ভবাৰ কোনো যুক্তি নাই। ভাৰতীয় সমাজক ধৰ্মক বাদ দি ভাবিব পৰা নাযায়। এচাম তথাকথিত বৈজ্ঞানিক আৰু ধাৰ্মিক লোকে বিজ্ঞান আৰু ধৰ্মক বিপৰীতমুখী ধাৰা বুলি প্ৰতিষ্ঠা কৰিবৰ বাবে কৰা অপচেষ্টাই সমাজৰ সাধাৰণ শ্ৰেণীৰ মানুহক বিজ্ঞানৰ চৰ্চাৰ পৰা আঁতৰাই নিব ধৰিছে। অপতৃৰ্ণৰ দৰে ছানি ধৰি ইতিমধ্যে আমাৰ সমাজক বৈজ্ঞানিকভাৱে বিকলাংগৰ পৰ্যায়লৈ লৈ গৈছে।

ধৰ্ম আৰু অন্ধবিশ্বাসৰ নামত ডাইনী হত্যাৰ দৰে জঘন্য কাম আজিৰ তাৰিখতো আমাৰ সমাজত চলি আছে। কেৱল ধৰ্মৰ দোহাই দি সমাজৰ এক শ্ৰেণীৰ লোকক আন এক শ্ৰেণীৰ লোকে যুগ যুগ ধৰি শোষণ কৰি আহিছে। আমাৰ শিক্ষা ব্যৱস্থাই প্ৰকৃত বিজ্ঞান মানসিকতাৰ বিকাশ ঘটাব নোৱাৰাৰ বাবেই বহুতো উচ্চ শিক্ষিত লোকেও জ্যোতিষ শাস্ত্ৰৰ দৰে অবৈজ্ঞানিক এক ব্যৱস্থাক প্ৰবলভাৱে বিশ্বাস কৰে। বহুতো ভণ্ড তপস্যীয়েও আমাৰ সমাজত ভগৱানৰ আসনত নিজকে বহুৱাই টকা-পইচা আদি লুট কৰে। গতিকে আমাৰ সমাজক এই অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ পৰা মুক্ত কৰি বৈজ্ঞানিকভাৱে এখন সবল সমাজৰূপে গঢ় দিয়াটো নিতান্তই প্ৰয়োজনীয় হৈ উঠিছে আৰু এই ক্ষেত্ৰত শিক্ষাই এক সবল ভূমিকা ল'ব পাৰে।

বিজ্ঞান তথা প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতি তথা প্ৰত্যেক নাগৰিকৰ ব্যক্তিত্ব বিকাশৰ বাবে শিক্ষাই হৈছে মূল আধাৰ। আধুনিকীকৰণৰ এই ধামখুমীয়াত শিক্ষাই, বিশেষকৈ বিজ্ঞান

শিক্ষাই অগ্ৰাধিকাৰ পোৱা উচিত। আমি আমাৰ শিক্ষাৰ জৰিয়তে শিশু অৱস্থাতেই ছাত্ৰ-ছাত্ৰী সকলৰ মনত বৈজ্ঞানিক অনুসন্ধিৎসাৰ বীজ অংকুৰিত কৰা উচিত। আমাৰ নেতাসকলে বিশেষভাৱে জৱাহৰলাল নেহৰুদেৱে সেইবাবে বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট প্ৰাধান্য দিছিল আৰু পশ্চিমীয়া বিজ্ঞান প্ৰতিষ্ঠানবোৰৰ আৰ্হিত ভাৰতবৰ্ষতো বৈজ্ঞানিক প্ৰতিষ্ঠান গঢ় দিছিল। আমাৰ দেশ আজিৰ তাৰিখত পাৰমাণৱিক শক্তি, মহাকাশ বিজ্ঞান, তথ্য-প্ৰযুক্তি বিদ্যা আদি ক্ষেত্ৰবোৰত যথেষ্ট আগবঢ়া। কিন্তু আমাৰ শিক্ষাৰ ক্ষেত্ৰখনত ৰৈ যোৱা কেতবোৰ কেৰোণৰ বাবে আমাৰ সাধাৰণ জনসাধাৰণৰ মাজত বৈজ্ঞানিক দৃষ্টিভংগীৰ অলপো বিকাশ নঘটিল।

ভাৰতীয় শিক্ষা ব্যৱস্থা আজি পৰ্যন্ত ঔপনিবেশিক প্ৰভাৱৰ পৰা সম্পূৰ্ণৰূপে মুক্ত নহয়। ইংৰাজসকলে তেওঁলোকৰ ঔপনিবেশিক শাসন সুচাৰুৰূপে চলাই নিবৰ বাবে ভাৰতীয় নাগৰিকসকলক উদ্দেশ্যপ্ৰণোদিতভাৱে প্ৰকৃত শিক্ষা প্ৰদানৰ পৰা বিৰত কৰি ৰাখিছিল। কাৰণ ইংৰাজসকলে 'Knowledge leads to power' কথাষাৰ সম্পূৰ্ণৰূপে বিশ্বাস কৰিছিল। তেওঁলোকে ভাৰতীয়সকলক এনেকুৱা শিক্ষাহে প্ৰদান কৰিছিল যাতে এই শিক্ষাৰে শিক্ষিত ভাৰতীয়সকলে ইংৰাজসকলৰ চৰকাৰী কাম-কাজত নিম্নবৰ্গৰ সহায়ক হিচাপে কাম কৰিব পাৰে। উত্তৰ স্বাধীনতাৰ কালত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ব্যাপক পৰিৱৰ্তন আনিবৰ বাবে সময়ে সময়ে বিভিন্ন শিক্ষানীতিৰ আশ্ৰয় লোৱা হৈছে যদিও, আমাৰ শিক্ষা ব্যৱস্থা এতিয়াও সম্পূৰ্ণৰূপে উপনিবেশিক প্ৰভাৱৰ পৰা মুক্ত নহয়। এই ক্ষেত্ৰত দেখা যায় যে আমাৰ চিন্তাবিদসকলে কিবা নতুন চিন্তা প্ৰণালীৰ উদ্ভাৱন কৰাৰ পৰিৱৰ্তে পশ্চিমীয়া সমাজৰ শিক্ষা ব্যৱস্থাক অন্ধ অনুকৰণ কৰে বা পশ্চিমীয়া সমাজৰ পৰা ধাৰ কৰা ধ্যান-ধাৰণাক আমাৰ শিক্ষানীতিত অন্তৰ্ভুক্ত কৰে। যিহেতু পশ্চিমীয়া সমাজ আৰু আমাৰ ভাৰতীয় সমাজৰ ৰীতি-নীতি, নিয়ম-কানুন আদিৰ যথেষ্ট পাৰ্থক্য আছে, গতিকে আমাৰ শিক্ষা ব্যৱস্থা আমাৰ সামাজিক সমস্যা সমাধানৰ বাবে মুঠেই উপযুক্ত নহয়।

আজিকালিৰ শিক্ষা ব্যৱস্থাত শিশু অৱস্থাৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলক মেটমৰা কিতাপৰ বোজাৰ মাজেৰে চোঁচৰাই লৈ যোৱা হয়। শিক্ষক তথা শিক্ষাৰ লগত জড়িত ব্যক্তিসকলে শিশু এজনৰ এই বোজা বহন কৰিব পৰাকৈ মানসিক বিকাশ ঘটিছেনে নাই সেই কথা এবাৰলৈও বিচাৰ কৰি নাচায়। এনেধৰণৰ শিক্ষাই শিশুৰ মৌলিক চিন্তা কৰিব পৰা ক্ষমতাৰ লোপ ঘটায়। ফলস্বৰূপে শিশু এজনে বস্তুনিষ্ঠ যুক্তিযুক্তাৰে আমাৰ চাৰিওফালে ঘটি থকা ঘটনাৰাজিক বিশ্লেষণ কৰিব নোৱাৰা হয়। অৰ্থাৎ আমাৰ শিক্ষা ব্যৱস্থাই এজন ব্যক্তিৰ বৈজ্ঞানিক মানসিকতাৰ বিকাশ ঘটোৱাৰ বিপৰীতে শিশু অৱস্থাতেই তাক ধ্বংস কৰি পেলায়। শিক্ষা ক্ষেত্ৰৰ পৰা এই ধৰণৰ কেৰোণসমূহ দূৰ নকৰা পৰ্যন্ত আমি বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশ ঘটাব নোৱাৰিম।

আমাৰ সমাজ ব্যৱস্থাৰ লগত খাপখোৱা, আমাৰ ৰীতি-নীতিক প্ৰাধান্য দিয়া, আমাৰ মূল্যবোধক গুৰুত্ব দিয়া আৰু মৌলিক চিন্তাৰ বিকাশ ঘটাব পৰা শিক্ষাৰ প্ৰবৰ্তনেহে আমাৰ সমাজক বৈজ্ঞানিকভাৱে সবল সমাজ হিচাপে গঢ় দিব পাৰিব। এখন অন্ধবিশ্বাস, কু-সংস্কাৰমুক্ত সবল সমাজৰ খাটিৰত আমাৰ শিক্ষা ক্ষেত্ৰৰ আমূল পৰিৱৰ্তন অপৰিহাৰ্য।■

❖সহকাৰী অধ্যাপক, ৰসায়ন বিভাগ

❖ If you win you need not have to explain. If you lose, should something be there to explain!!

**–Hitler.**

# Biochemistry of Alcohol Toxicity and its Social Impact

**Rana Sanjay Kumar Singh**❖

Alcohol consumption by Kings and Tribes has its roots right from the prehistoric Era. Now it has entered into an epidemic form causing grave damage to the society. A dependency on alcohol causes life shattering addiction that leads to physical illness, severe malnutrition and demoralising erosion of self-esteem. Even though alcohol is legal, it alters one or more body functions and is medically defined as a Depressant Drug. Many die each year in alcohol related traffic accidents. The following discussion highlights some of the harmful effects of alcohol.

**How Alcohol Enters the Systems :**

Unlike foods which require digestion before they can be absorbed, the tiny ethanol molecules of alcohol can diffuse right through the walls of empty stomach to reach the brain in no time. Ethanol is toxin and too high a dose of it triggers vomiting which is one of the body's primary defences against poison. If it is taken gradually and in dilute form the vomiting reflex is delayed. One can become intoxicated almost immediately if alcohol is consumed on an empty stomach. But, when stomach is full of food, alcohol molecules have less chance of coming in contact with the stomach walls and alcohol affects the brain more slowly. If one drinks slowly enough, the alcohol molecules, after absorption, will collect in the liver and get processed into Acetic Acid without much effect on the other parts of the body. If one drinks rapidly, however, some the alcohol molecules will bypass the liver and flow for a while through the rest of the body and the brain.

**How alcohol is metabolised in the liver :**

Alcohol is metabolised mainly in the liver in two stages and catalysed by two enzymes namely alcohol dehydrogenases and aldehyde dehydrogenages, with a coenzyme NAD + as a hydrogen acceptor (the schematic diagram has been shown in the figure 1).

**Figure 1. Metabolism of alcohol in the liver.**




The presence of alcohol in the liver makes a heavy demand on a limited supply of NAD+ which is responsible for 90% oxidation of alcohol molecules. Other reactions that depends on NAD+ will thus be curtailed. In particular the oxidation of lactate to pyruvate will become much slower. It causes accumulation of lactate in the liver and finally interferes with excretion of uric acid from the kidney causing the disease Gout.

Acetate oxidation also gets affected due to lack of NAD+ enzyme. Hence access acetates are diverted into the fatty acid synthetage system accounting for Fatty Liver condition commonly found in alcoholics. Alcohol acts as a depressant and sedates all the nerve cells.

Brain cells are particularly sensitive to excessive exposure to alcohol. The brain cells shrink even in persons who drink moderately. However, prolonged drinking beyond an individual's capacity can cause severe damage to vision, memory and learning ability. Alcohol increases urine output. This is because alcohol depresses the pituitary glands production of the antidiuretic hormone Vasopressin. The resulting loss of body water leads to thirst and each drink will worsen the thirst if water is not taken in plenty. The water takes with it important minerals like potassium, magnesium, calcium and Zinc. These minerals are vital to the maintenance of the boy's fluid balance, nerve and muscle action and coordination.

**What is hangover?**

An awful feeling of headache, pain, unpleasant taste in the mouth and nausea that one experiences in the morning after drinking too much is called a hangover. Alcohol actually reduces water

content in the brain cell. When these cells take in water and rehydrate in the morning, *pain accompanies their swelling back to their normal size.*

**What is liver cirrhosis?**

Upon consuming alcohol, the liver accelerates fatty acid synthesis. Fat accumulates in the liver which interferes with distribution of nutrients and oxygen to the liver cells. If this condition persists, liver deteriorations called fibrosis occurs. It is the second stage of liver deterioration and is reversible with abstinence from alcohol and good nutrition. But the next and last stage is liver cirrhosis in which the liver cells harden, turn orange and lose function forever as they die.

**Long term effects of Alcohol.**

Alcohol is directly toxic to skeletal and cardiac muscles causing weakness and deterioration in a dose related manner. Alcoholism makes heart disease more likely because chronic alcohol use raises the blood pressure. The heart of an alcoholic appears bloated and weighs twice as much as a normal heart. Alcoholism leads to

- Cancers of the mouth, throat, lungs
- Diabetes
- Ulcers of mouth and intestines
- Severe psychological depression
- Impaired immune response
- Central nervous system damage
- Malnutrition
- Bone deterioration and osteoporosis.

Alcohol causes the stomach cells to over-secrete both an acid and an agent of immune system, histamine, which causes inflammation of liver. These changes make the stomach and esophagus linings vulnerable to ulcer formation. Liver cells lose their efficiency in activating vitamin D and in excretion of bile. Rod cells in the retina which normally process vitamin A needed in vision, find themselves processing ethanol instead. Nutritional deficiencies are virtually inevitable consequences of alcoholism, not only because alcohol displaces food but also because alcohol directly interferes with the body's use of nutrients, making them ineffective even if they are present.

**Alcohol and Barbiturates found in the sleeping pills :**

The sleeping pills containing barbiturates are very dangerous and normal prescription doses of barbiturates have lethal consequences in the presence of alcohol. Barbiturates and alcohol both interact with aminobutrate activated chloride channel. Activation of chloride channel inhibits neuronal firing. A chronic alcoholic has trouble falling asleep even after taking several sleeping pills because the liver has developed an increased capacity to metabolise barbiturates contained in the pills. In frustration more pills are consumed followed by alcohol. Sleep results, but may be followed by respiratory depression and death.

**Final conclusion**

"The best way to escape the harmful effects of alcohol might be to abstain from it altogether".■

---

❖ Assistant Professor, Department of Chemistry

# Global Warming



Ibrahim Zaman❖

The phenomenon of gradual increase in the average temperature of the globe has been termed as global warming. The average facade temperature of the globe has augmented more than 1 degree Fahrenheit since 1900 and the speed of warming has been almost three-fold, the century's longest average since 1970. This increase in earth's average temperature is called Global Warming. More or less all specialists studying the climate record of the earth have the same opinion now that human actions, mainly the discharge of greenhouse gases from smoke stacks, vehicles and burning forests, are perhaps the leading power driving the fashion.

**Causes of Global Warming :-**

As said, the major cause is the increase of house gases like carbon dioxide, methane, nitrousoxide etc. in the atmosphere. The major source of carbon dioxide is the power plants. These power plants emit large amounts of carbondioxide produced from burning of fossil fuels for the purpose of electricity generation. About twenty percent of carbon dioxide emitted in the atmosphere comes from burning of gasoline in the engines of the vehicles. This is true for most of the developed countries.

**The global environmental threat :-**

Of all the GHGs, $Co_2$ has the biggest impact on the climate change due to its relatively long lifetime in the atmosphere and the massive quantities produced globally. In this context, the main culprits are the developed industrialised countries of the West. In the present scenario, it is estimated that the developed countries continue to emit 70% of the global $Co_2$ emissions. It is also estimated that if the $Co_2$ emissions continue to grow at the present rate (2% per year), the average global temperature by 2100 may rise any where between 1°c to 3.5°c (around 6.4$^0$c in polar region due to emergence of hole in Ozone layer in stratosphere, which acts as sum screen). The best guess is a 2° Celsius rise, which will be enough to drown island nations like Maldives and low lying Bangladesh. About 7.1 million people in India would be affected by submergence of coastal lands if temperature rises by 2 Celsius. The economic loss quite naturally would be high in urban centres such as Mumbai and Chennai.

**Steps taken so far to mitigate the problem of global warming** :-

Right from the UNESCO conference in 1945, a number of international conferences have been held to mitigate the problem of 'Global Warming'. Among them, the study of club of Rome in 1968 and 1972, the Stockholm conference in 1972, the Rio Meet in 1992, the Kyoto conference in 1997, Johannesburg Meet in 2002 are worth mentioning. It is to be noted that during Kyoto conference in 1997 a historic protocol was signed by 141 countries (Including India), known as 'Kyoto Protocol'. It is the first legally binding plan to tackle climate change at global level. This protocol requires developed nations to cut emission of GHGs mainly $Co_2$ by 5.2% below 1990 level by 2008-2012 (8% for European Union, 7% for the U.S.A. and 6% for Japan). The developing nations like China, India, Brazil etc. were emission rates were still very low. Instead they were advised to adopt clean Development Management Technologies in their industries. This imposing restriction on $Co_2$ emission was conceived on the basis of the argument that rich nations are probably the main cause of a 0.6° Celsius rise in the world temperature since the Industrial Revolution. Therefore, they should take the lead by cutting the use of fossil fuels, use cleaner energy resource like Solar and Wind. The U.S.A. accounts for almost 25% of global greenhouse emissions and Australia scientific data are too costly for them. The Kyoto protocol expires in 2012. But its success depends on the key issues like who will cut their emission by how much and by when; how developing countries will access affordable clean technology to reduce emission etc.

**How India has responded to Global Warming**:-

The sincere Indian response to global warming issue has been universally recognised at the international level. India has been taking active part in global negotiations from the beginning held on this issues. In recognition of such dedicated contribution of India Dr. R.K. Pachauri (from India) was elected to head the prestigious Intergovernmental Panel on climate change (IPCC) in April 2002. Infact Dr. Pachauri is the first representative from the developing countries to head this prestigious body. It is to be mentioned that IPCC was established by the United Nations in 1989. It is worth mentioning that the prestigious Nobel Peace Prize was jointly won by Mr. A Gore, the former vice-president of the U.S.A. and the IPCC under the directorship of Dr. Pachauri.In conclusion, it can be said that there is an immediate need to stop the factors that encourage global warming. It is necessary to pull the efforts of all the developed, developing and under developed countries of the World.■

❖Student of B. Com. 3rd semester.

**AMAZING FACTS**

An air conditioner (2.5 tonne used for an hour generates 3 kg of $CO_2$. If you go without air conditioning for an hour a day, the release of 3×365=1095 kg of $CO_2$ into the atmosphere per year, can be prevented.

# ACID RAIN
## *And Green House Effect*

**Mitashri Borah**❖

When rain water contains acids it is called acid rain. Due to the presence of pollutants like oxides of sulphur, nitrogen and carbon in the air, rain water transform them into weak acids and finally comes down to the surface of the earth as acid rain.

Acid rains are often called 'the lake killers' as these rains are one of the main causes of deaths of lakes. Acid rains kill all aquatic lives including plants and animal in lakes, ponds, rivers etc. The productivity of soils is also affected as the acid rain destroys the mineral elements and other nutrients of the soil. In Canada 50,000 lakes have been affected by acid rains and out of these 50,000 lakes, 140 have been declared dead.

Acid rain has its adverse effects on human being also – but the mode of human diseases or deaths caused by acid rains is not properly understood as yet.

Taj Mahal, the world's famous marble monument at Agra, has been affected by the emissions of sulphur-di-oxide and other gases from Mathura oil Refinery and its has lost its original glow.

The amount of pollutants determines the strength or weakness of acid content in rain water pollutants remain in atmosphere in gaseous from and they are driven away from place to place. But the amount of effect has not yet been determine. It affects buildings, other structures, human life day by days. Some forests of Canada, Germany, USA are largely damaged due to acid rains.■

❖ Student of B. A. 3rd semester

# DEEP – SEA LIFE

**Chayanika Devi**❖

It is very dark deep below the surface of the oceans of the world. This dark area is called the 'Abyssal Zone'. It is black, soundless place where the water is very still. This zone lies thousands of metres below the water's surface. There are many kinds of living things to be found in the abyss. For a long time, people believed that nothing could live down there because there is no light. But scientists who have investigated the deep sea have found plenty of life.

Deep-sea animals have special features that allow them to live in those conditions in which other animals can not. These features are called adaptations.

Many deep-sea fish & other creatures flash with their own lights. This ability to give light is called 'bioluminescence'. Some deep sea animals have coloured light in different parts of the body keep flashing on and off.■

❖ Student of B. A. 3rd semester

# UTILITY PLANT

**Arup Jyoti Das❖**

It has been observed that the knowledge of covering our bodies were transmitted to us from our ancestors. They covered their bodies with skin of animals or bark of trees. Gradually they knew the usefulness of clothes from various points of view and their necessity increases. As the proverb says, "Necessity is the mother of invention", many new inventions are taking place in this field. The continuous technological and chemical developments have taken the textile industry to a new high. New ways of thinking and acting are becoming common now. Now scientists are competing with different studies. The earlier available resources are transformed to newer ones.

It is seen that, the previously used fibres such as silk and cotton are not used by these weavers now. Many new fibres are coming up today. Banana fibre is one of them. Mostly prevalent outside our country, banana fibre is now gradually taking root in the textile industry here. Banana plant, which is widely grown in the states like Tamilnadu, Karnataka, Madhya Pradesh, Kerala, Assam, Uttar Pradesh etc. is said to be the oldest cultivated fruit in India. It is also useful to us from its root to branch in different ways. The ripe fruits are delicious and are used for offering to guests. They are also used in sacred purposes without which no religious activity is performed in Assam as also in some other places. Sometimes, they also act as stands for piercing the incense sticks. The immature fruits are used for vegetable purpose. The end of the inflorescence is cooked as vegetable in many places which is quite tasty and nutritious. The leaf of banana is used as a plate for serving meals and for some other purpose. In Kerala and some parts of India, many products like banana chips, banana fig. jam etc. are made.

Now the portion of banana plant above the ground, which is made of sheaths of leaves, has emerged as a good source of fibre. The fibre can be produced from any variety of the banana plant. As the banana plant grows abundantly in all the places and the wild plants do not bear edible fruits, it can be used for the purpose of making fibre. Variety of items including twines and Hessians, sacking required for making container to store or for transporting a large variety of commodities can be prepared with banana fibre. Many utility articles such as kit-bags, toolbags, luggage covers can also be made with such fibres. Banana fibres can also be blended with wool, cotton, flake and can be made into a large variety of utility fabrics. An extended use of the banana fibre blende with wool or other fibres for clothing and for such materials as blankets, carpets, rags, etc. is also a possibility. ■

❖Student of B. Sc. 3rd semester

# শিক্ষাও যখন বৈষম্যের কারণ

ড° সঞ্জয় দে*

সার্বিক শিক্ষার একটি সামাজিক গুরুত্ব আছে কারণ সমাজের সামগ্রিক উন্নয়নের জন্য সামাজিক ন্যায় বিচারের স্বার্থেই সর্বজনীন প্রাথমিক শিক্ষা প্রয়োজনীয়। সার্বিক শিক্ষার একটা রাজনৈতিক গুরুত্ব আছে কারণ গণতন্ত্রের সুপ্রতিষ্ঠার জন্য স্বাধীন মত প্রকাশের স্বার্থেই সর্বজনীন প্রাথমিক শিক্ষা প্রয়োজনীয়। সার্বিক শিক্ষার একটি অর্থনৈতিক গুরুত্ব আছে কারণ উন্নত মানের উৎপাদন ব্যবস্থার জন্য দক্ষ ও কুশলী শ্রমিক পাবার স্বার্থেই সর্বজনীন প্রাথমিক শিক্ষা প্রয়োজনীয়। এ সব মিলিয়ে সার্বিক শিক্ষার যে একটি মানবিক গুরুত্ব আছে সে কথাও স্পষ্ট। এ সবই আমরা সূত্র আকারে জানি দু একটা উদাহরণ দিয়ে বোঝার চেষ্টা করা যাক। ধরা যাক কোনো ব্যক্তি দেশীয় ভাষায় একটা বই লিখলেন তার বইয়ের পাঠক সংখ্যা কিন্তু নির্ভর করবে ঐ ভাষাভাষী মানুষের সাক্ষরতা হারের উপর। বইয়ে বিবৃত তত্ত্ব ও তথ্যের প্রসার ছাড়াও লেখকের বই বিক্রি লাভালাভের প্রশ্নটি সরাসরি সর্বজনীন শিক্ষার সঙ্গে জড়িত। বর্তমানে বহু ভারতীয় লেখক যে ইংরাজি ভাষায় সাহিত্য রচনা শুরু করেছেন, পুরস্কার প্রাপ্তি ছাড়াও কিন্তু বৃহত্তর পাঠকের বাজার ধরাও তাঁদের একটা উদ্দেশ্য। একজন নিরক্ষর মানুষ শেয়ার বাজারে ফাটকা খেলে বা লটারী পেয়ে হঠাৎ ধনী হয়ে উঠতে পারে। কিন্তু কম্পিউটার থেকে শুরু করে আধুনিক প্রযুক্তির বহু পণ্য ব্যবহার করার ক্ষেত্রেই তাঁর আর্থিক অসুবিধা না থাকলেও কেবল শিক্ষার অভাবই তাঁর পক্ষে প্রতিবন্ধকতা হয়ে উঠতে পারে। সেক্ষেত্রে আজকের বাজার অর্থনীতিতে উন্নত প্রযুক্তির পণ্যের বাজার শুধু অর্থনৈতিক কারণে নয় শিক্ষার কারণেও সংকুচিত হতে বাধ্য। সে কারণেই সমাজতান্ত্রিক দেশের মত উন্নত ধনতান্ত্রিক দেশেও প্রাথমিক শিক্ষা সকলের জন্য বাধ্যতামূলক।

ভারতবর্ষে অবশ্য প্রাচীনকাল থেকেই সকলের শিক্ষা গ্রহণের অধিকার ছিল না। জাতি বৈষম্য, বর্ণ-বৈষম্য ও লিঙ্গ বৈষম্যের কারণেই মূলতঃ শিক্ষালাভের সুযোগ ছিল সীমাবদ্ধ। শাসন ব্যবস্থা বজায় রাখার জন্য উচ্চবর্ণের শিক্ষা উপযোগী বিষয় ছিল চারটি—আন্বীক্ষিকী (ন্যায় দর্শন), এয়ী (ঋক, সাম যজুঃ তিনটি বেদ), বার্তা (অর্থনীতি), ও দণ্ডনীতি (রাজনৈতিক নীতি)। [১] রাজার পৃষ্ঠপোষকতায় চালিত গুরুগৃহ ছিল এই শিক্ষার প্রাতিষ্ঠানিক অবস্থান। নিম্নবর্ণের বৃত্তিজীবি মানুষেরা বৃত্তিশিক্ষা গ্রহণ করত পরিবারের অভ্যন্তরেই তার কোনো প্রাতিষ্ঠানিক রূপ ছিল না। সংখ্যা গরিষ্ঠ মানুষের অক্ষরজ্ঞান না থাকার জন্য নীতিশিক্ষা বা মূল্যবোধের শিক্ষা প্রচারের বড় হাতিয়ার ছিল মৌখিক বা গীত সাহিত্য। বৌদ্ধ বিহারগুলির মধ্য দিয়ে শিক্ষা ভারতবর্ষে প্রথম বৃহৎ প্রাতিষ্ঠানিক রূপ লাভ করে। ইংরেজ আসার আগে অবধি টোল, পাঠশালা, চতুষ্পাঠী, মাদ্রাসা জাতীয় শিক্ষা প্রতিষ্ঠান গুলির মধ্য দিয়ে সমাজের মুষ্টিমেয় সংখ্যক মানুষের মধ্যে প্রধানত ধর্ম-দর্শন, গণিত, জ্যোতিষ, ব্যাকরণ ও ভাষা-সাহিত্যের চর্চা অব্যাহত ছিল। এমন কি ইংরেজ আসার পরেও দীর্ঘদিন পর্যন্ত ডেভিড হেয়ার, ডাফ বা ডিরোজিওর মত কতকগুলি ব্যতিক্রমী প্রচেষ্টা ব্যতীত

আমাদের দেশের শিক্ষা, ব্যাকরণ ও অধিবিদ্যাচর্চার মধ্যেই সীমাবদ্ধ ছিল। ১৮২৩ খ্রিষ্টাব্দের ১১ ডিসেম্বর রামমোহন লর্ড আমর্হাষ্টের কাছে প্রাকবেকনীয় পদ্ধতিতে ব্যাকরণ আর আধিবিদ্যক গবেষণার মত ধ্রুপদী বিষয়ের বদলে কার্যকরী পাশ্চাত্য বিজ্ঞান শিক্ষার প্রচলন [২] করার প্রস্তাব করেছিলেন একটি চিঠিতে। দীর্ঘদিন বাদে ১৮৩৫ খ্রিষ্টাব্দে বেণ্টিঙ্ক ও মেকলে রামমোহনের এই চিঠিটিকেই সরকারি কার্যক্রমের ভিত্তি হিসেবে গ্রহণ করেন ও নতুন শিক্ষানীতি চালু হয়। মেকলের শিক্ষানীতিতে শিক্ষাকে সর্বজনীন করার কোন পরিকল্পনা ছিল না। কেবলমাত্র (দেশীয় জনগণ ও ইংরেজ শাসকের মধ্যে যোগাযোগকারী একটি শ্রেণি তৈরীর উপযোগী শিক্ষা ব্যবস্থা চালু করার প্রস্তাব করা হয়েছিল। পাশ্চাত্য শিক্ষায় শিক্ষিত এই শ্রেণিটি থেকে আধুনিক শিক্ষা পরবর্তীকালে সমাজের বৃহত্তর জনগণের মধ্যে চুঁইয়ে নামাবে—এরকমটাই ছিল আশা।[৩]

১৯০৬ খ্রিষ্টাব্দের ১১ মার্চ জাতীয় শিক্ষা পরিষদের প্রতিষ্ঠাকালেই প্রথম জনশিক্ষা বিস্তারের প্রস্তাব গৃহীত হয়। যদিও তা শেষ পর্যন্ত কাগজে কলমেই থেকে যায় কোন উদ্যোগ হয়ে উঠে নি। ১৯৩৭ এ গান্ধীজী ওয়ার্ধা কমিশনে ৬ বছর থেকে ১৩ বছর বয়স পর্যন্ত যে অবৈতনিক বাধ্যতামূলক সাধারণ শিক্ষার কথা বলেছিলেন তারও লক্ষ্য ছিল দেশের সমগ্র জনসাধারণ।[৪] ১৯৩৮-৪০ সালে খের কমিটি ১৪ বছর বয়স পর্যন্ত সার্বিক শিক্ষার অনুমোদন করেছিলেন। ১৯৪৪ সালে সার্জেণ্ট কমিটিও সবার জন্য শিক্ষার উপর জোর দিয়েছিল। সার্জেণ্ট কমিটির সুপারিশ অনুযায়ী ১৯৬০ এর মধ্যে দেশের সমগ্র জনসাধারণকে প্রাথমিক ও প্রাথমিক-উত্তর শিক্ষার আওতায় নিয়ে আসার কথা ঘোষণা করেছিল ব্রিটিশ সরকার। ইতিমধ্যে ১৯৪৭ এ দেশ স্বাধীন হল। ব্রিটিশ সরকারের ঐ ঘোষণা স্বাধীন ভারতের সংবিধানেও অনুমোদিত হল। ১৯৬৪ তে গঠিত কোঠারি কমিশনের প্রতিবেদনে সার্বিক শিক্ষা বিস্তারের সঙ্গে সঙ্গে সকলের জন্য সমান শিক্ষা ব্যবস্থার আদর্শে 'সকলের জন্য এক স্কুল' নীতি গ্রহণের পরামর্শ দেওয়া হয়েছিল।[৫] অতঃপর ১৯৮৬ তে ঘোষিত জাতীয় শিক্ষানীতিতেও শিক্ষাক্ষেত্রের বৈষম্য দূর করে সার্বিক শিক্ষায় সমতা আনার উপর জোর করার জন্য শিক্ষা কমিশন প্রস্তাবিত সমস্কুল ব্যবস্থা গৃহীত হওয়া উচিত বলে ঘোষিত হয়। [৬] শিক্ষাকে সর্বজনীন করার উদ্দেশ্যে এর পরবর্তী সরকারী প্রচেষ্টা দেখা যায় ১৯৯৬ সালে। যখন সর্বজনীন শিক্ষাকে শুধুমাত্র সংবিধানের নির্দেশ না রেখে, মৌলিক সাংবিধানিক অধিকার হিসেবে ঘোষণা করার প্রস্তাব উত্থাপিত হয় এবং প্রস্তাবের আর্থিক ও অন্যান্য দিক খতিয়ে দেখার জন্য শিক্ষাদপ্তরের তৎকালীন উপমন্ত্রী শ্রীমুহিরাম শইকীয়ার নেতৃত্বে একটি কমিটি গঠন করা হয়। অতঃপর রাজনৈতিক উত্থান পতনের জেরে দীর্ঘদিন এই প্রস্তাব ফাইল বন্দী হয়ে পড়ে থাকে। শেষ পর্যন্ত ২০০১ সালের ডিসেম্বরে স্বাধীনতার ৫৪ বছর পরে শিক্ষাকে সংবিধানের মৌলিক অধিকার হিসেবে ঘোষণা করে সংসদে বিল পাশ হয়। তৎপরবর্তী কালে রাজ্যে রাজ্যে শুরু হয় সর্বশিক্ষার অভিযান।

কোন নীতি পরিকল্পনাই যে সঠিকভাবে রূপায়িত হয় নি তার প্রমাণ বর্তমান ভারতবর্ষের এক তৃতীয়াংশ জনগণ এখনও নিরক্ষর এবং বহুধরণের বৈষম্যমূলক সমান্তরাল শিক্ষা ব্যবস্থার উপস্থিতি। আমরা জানি জাতপাত, ধর্ম, বর্ণ সর্বোপরি আর্থিক অবস্থার সাপেক্ষে ভারতবর্ষের জনগণের মধ্যে নানারকম বর্গ বিভাজন সম্ভব। কিন্তু একটু লক্ষ্য করলেই দেখা যাবে শিক্ষার নিরিখেও জনগণের মধ্যেও কেবলমাত্র শিক্ষার অবস্থা অনুযায়ী প্রবল অসাম্য দেখা যায়। শিক্ষায় সমতা আনার সমস্ত সরকারী সদিচ্ছা কেবলমাত্র বিভিন্ন কমিশনের ঘোষিত নীতি হয়ে রয়ে গিয়েছে কোন সত্যিকারের উদ্যোগ হয়ে উঠে নি। ফলে বর্তমান ভারতবর্ষে শিক্ষা জনগণের মধ্যে বিভিন্ন ধরনের বিভাজন রেখা টেনে দিয়েছে। শিক্ষাকে কেন্দ্র করে ভারতীয় জনগণের মধ্যে বর্গ বিভাজন ; বৈষম্যমূলক শিক্ষা ব্যবস্থার ফলে সমাজে ভিন্ন ভিন্ন শ্রেণির যে পারস্পরিক বিরোধিতা অর্থাৎ ভারতীয় জনগণের মধ্যে বৈষম্য সৃষ্টিতে শিক্ষা যেভাবে একটি নতুন মাত্রা হয়ে উঠছে তারই প্রতিবেদন বর্তমান প্রবন্ধ। প্রধানত তিনটি দ্বিত

(diachotomy) (ক) সাক্ষর-নিরক্ষর, (খ) ভালো স্কুল-খারাপ স্কুল, (গ) ইংলিশ মিডিয়াম-মাতৃভাষা মাধ্যম বৈষম্যের কারক হিসেবে আলোচনায় ব্যবহৃত হয়েছে।

**(ক) সাক্ষর-নিরক্ষর ঃ** ১৯৯১ সালের হিসেব অনুযায়ী ভারতবর্ষে সাত বছর বয়সের উপরে প্রায় ৩৩ কোটি মানুষ নিরক্ষর। অর্থাৎ স্রেফ পড়তে না পারার জন্য দেশের ৩০ শতাংশ মানুষ একটি পৃথক প্রান্তিক শ্রেণী যার কেন্দ্রে আছে সাক্ষর মানুষ এই ৩০ শতাংশ মানুষের মধ্যে ভাষাগত, ধর্মীয়, জাতিগত বা সম্পদগত নানা পার্থক্য থাকতে পারে কিন্তু একটা বিষয়ে তারা সকলেই এক তারা কেউ লিখতে বা পড়তে জানে না। তারা কেউ দেখে বোঝে না তাদের সবাইকে শুনে বুঝতে হয়। একজন অক্ষর-জ্ঞানহীন মানুষ অর্থনৈতিক বা বৃত্তিগত বা ধর্মীয়ভাবে সমশ্রেণিভুক্ত একজন অক্ষরজ্ঞান সম্পন্ন মানুষের কাছে প্রতারিত হতেই পারে। আইনগত অধিকার বা মানবাধিকারের সুযোগ থেকে বঞ্চিত হতেই পারে। অর্থাৎ অর্থনৈতিকভাবে সমশ্রেণীভুক্ত মানুষের মধ্যেও কেবলমাত্র অক্ষরজ্ঞানের নিরিখেই সুবিধে প্রাপ্ত একটি শ্রেণীর পৃথক অস্তিত্ব লক্ষ্য করা যায়।

**(খ) ভালো স্কুল-খারাপ স্কুল ঃ** ভারতবর্ষে যে সকল বাবা-মা তাঁদের সন্তানকে ভালো স্কুলে পড়াতে আর্থিকভাবে সক্ষম তাঁরা তাঁদের আর্থিক সামর্থ্য অনুযায়ী গ্রাম থেকে শহরে, শহরের এক অঞ্চল থেকে অন্য অঞ্চলে অথবা এক শহর থেকে বহুদূরের কোন শহরে পড়তে পাঠান। ভারতবর্ষের বেশিরভাগ স্কুল সরকার পরিচালিত এবং তাদের অধিকাংশই রাজ্য শিক্ষা দপ্তরের অধীন। ভারতবর্ষে প্রায় ৩০০০ ক্যাথলিক স্কুল, ৯০০ কেন্দ্রীয় বিদ্যালয়, ৪২৩ টি জওহর নবোদয় বিদ্যালয়, ৫৫০ টি দিল্লী অ্যাডমিনিস্ট্রেটিভ বোর্ড স্কুল বর্তমান। প্রায় ৫০০০ স্কুল সি. বি. এস. ই বোর্ড ও প্রায় ১০০০ স্কুল আই সি এস ই কাউন্সিলের অধীন। গত ২০০১ সালে 'আউটলুক' পত্রিকা ও 'সেণ্টার ফর ফোরেকাস্টিং এণ্ড অ্যাডভাইসরি রিসার্চ বা 'সি ফোর' এর যৌথ প্রচেষ্টায় ভারতবর্ষের সবচেয়ে ভাল ১০ টি স্কুলকে চিহ্নিত করা হয়। সুন্দর পরিকাঠামো সহ ছাত্র শিক্ষকের অনুপাত ২০ জন ছাত্র পিছু অন্তত ১ জন শিক্ষক—এই ধরনের 'সি বি এস ই' ও 'আই সি এস ই'-র অধীন প্রায় ৫০০০ স্কুল এই সমীক্ষার আওতাভুক্ত ছিল। [৭] এই সমস্ত স্কুলে সুন্দর পরিকাঠামো বলতে বোঝায় বিশাল খেলার মাঠ, আসবাব পত্র ও কম্পিউটার সমৃদ্ধ শ্রেণীকক্ষ ও পরীক্ষাগার। [৮] উল্টোদিকে ১৯৯৩ সালে ইণ্ডিয়ান অব এডুকেশনাল রিসার্চ অ্যাণ্ড ট্রেনিং এর যৌথ উদ্যোগে পশ্চিমবঙ্গের ১৭ টি জেলায় ৮৮২ টি স্কুলে একটি সমীক্ষা চালানো হয়েছিল। সমীক্ষকরা দেখেছিলেন—'রাজ্যের এক চতুর্থাংশ প্রাথমিক স্কুলের ঘরবাড়ি নেই—ক্লাস বসে গাছতলায় বা বাড়ির উঠোনে আশি শতাংশ স্কুলে শৌচাগার নেই বলে মেয়েরা ছেলেদের আগে স্কুল ছেড়ে দেয়'। [৯] এই সব বিদ্যালয়ে ছাত্র-শিক্ষকের অনুপাত সরকারী নিয়মেই ৮০ঃ১ থাকার কথা তবে বহুক্ষেত্রেই সে নিয়মও মানা হয় না। এই সব স্কুলের চতুর্থ শ্রেণিতে 'পড়া শেষ করেও ৮০ শতাংশ ছেলেমেয়ে সরল বাংলায় ছোট ছোট বাক্যে গঠিত একটা সরকারী বিজ্ঞাপ্তিও পড়তে পারে না। অর্থাৎ তাদের সাক্ষরতাটুকু অকার্যকর বা 'নন ফাংশনাল।' [১০] এখন তাদের এই অকৃতকার্যতার দোষ কার? তাঁদের মেধাকে দোষ দেবার আগে একবার ভাবুন গোটা সমাজ ব্যবস্থা, রাষ্ট্র কিন্তু তাঁদের সমমানের স্কুল দিতে পারে নি। অথচ মনে করে দেখুন ইতিপূর্বেই উল্লেখিত কোঠারি কমিশনের রিপোর্ট ও জাতীয় শিক্ষানীতিতেও শিক্ষা ব্যবস্থার বৈষম্য দূর করার প্রস্তাব করা হয়েছিল। অর্থাৎ সরকারী নীতি-নির্দেশে সকলের জন্য এক স্কুল বা 'কমন স্কুলের' কথা বলা হলেও তা বাস্তবায়িত করার ক্ষেত্রে সরকার যথাযথ ব্যবস্থা গ্রহণে সম্পূর্ণ ব্যর্থ হয়েছে। এই সরকারী ব্যর্থতার জন্য ভারতবর্ষে ভিন্ন ভিন্ন মানের শিক্ষা ব্যবস্থা গড়ে উঠেছে। সব স্কুলের মান সমান না হওয়ায় ভালো স্কুল ও খারাপ স্কুলে পড়া ছাত্ররা সমাজে দুটি পৃথক শ্রেণি তৈরী করে। সংবিধানের ৯৯ তম সংশোধনীতে শিক্ষাকে মৌলিক অধিকার রূপে স্বীকৃতি জানিয়ে বিল পাশ হয়। সেখানেও কিন্তু সমতুল শিক্ষা ব্যবস্থার কথা বলা হয় নি। ফলে কেবল মাত্র সাংবিধানিক বাধ্যবাধকতার জন্য সরকার হয়ত সস্তা মানের

শিক্ষা ব্যবস্থা বজায় রাখতে বাধ্য হবে বলে শিক্ষবিদরা আশঙ্কা প্রকাশ করেছেন। এই প্রসঙ্গে পশ্চিমবঙ্গের মেদিনীপুর জেলার 'কাজলা জন কল্যাণ সমিতি'র বিবেকানন্দ সাহু মন্তব্য করেন—"আমাদের দিকে সাহায্য হিসেবে ছুঁড়ে দেওয়া হবে এক শিক্ষক বিদ্যালয়, খুব বেশি অষ্টমান উত্তীর্ণ শিক্ষাকর্মী, প্রথাবহির্ভুত শিক্ষা ব্যবস্থা ইত্যাদি। ধনীদের জন্য হবে এক ধরনের শিক্ষা ব্যবস্থা, অন্যদিকে দরিদ্রদের জন্য চালু থাকবে একটি তৃতীয় শ্রেণীর ব্যবস্থা।"(১১) মধ্যপ্রদেশে ১৮ বছর ধরে শিক্ষাকর্মের সঙ্গে জড়িত বেসরকারী সংস্থা 'একলব্যে'র অঞ্জলি নারোলা বলেছেন "শিক্ষায় অসাম্য ক্রমাগত বৃদ্ধি পাচ্ছে। অর্থবান পরিবারের শিশুদের কাছে জ্ঞান অর্জনের যন্ত্রপাতি, বইপত্র, আধুনিক পাঠদান পদ্ধতির সুযোগ বৃদ্ধি পাচ্ছে। গরীবরা পড়ে থাকছে বহু পিছনে।"(১২) সুতরাং এটা স্পষ্ট যে স্বাধীন দেশের এই শিক্ষাব্যবস্থায় একদল শিক্ষিত হচ্ছে যারা শাসন করবে আর একদল শিক্ষালাভ করছে যাদের কে শাসন করা হবে।

ইংলিশ মিডিয়াম—মাতৃভাষা মাধ্যম — মেকলের সুপারিশ অনুযায়ী ১৮৫৩-এ বেণ্টিঙ্ক প্রচলিত শিক্ষা ব্যবস্থায় শিক্ষাদানের মাধ্যম হিসেবে দেশীয় ভাষার পরিবর্তে ইংরেজি ব্যবহারের সিদ্ধান্ত গৃহীত হয়। ১৯৩৭-এ গান্ধীজী ওয়ার্ধা সম্মেলনের শিক্ষা প্রস্তাবে মাতৃভাষার মাধ্যমে শিক্ষাদানের প্রস্তাব করেছিলেন।(১৩) স্বাধীনতার পর ১৯৬৪ তে গঠিত কোঠারি কমিশন রবীন্দ্রনাথের বক্তব্য উদ্ধৃত করে প্রাদেশিক ভাষাকেই শিক্ষার মাধ্যমরূপে ব্যবহারের সপক্ষে মত প্রকাশ করে। কমিশনের নীতি মেনেই রাজ্য সরকারগুলি প্রাথমিক স্তরে মাতৃভাষায় শিক্ষাদানের প্রস্তাব কার্যকর করতে উদ্যোগী হয়। কিন্তু এক্ষেত্রেও বৈষম্য থেকে যায়। (১) রাজ্য সরকার পরিচালিত কোনো কোনো স্কুলে প্রাথমিক স্তরে ইংরেজি একেবারে তুলে দিয়ে মাতৃভাষা-শিক্ষার উপর জোর দেওয়া হয়। (২) সরকার পরিচালিত বহু ইংরেজি মাধ্যম স্কুলও চালু থাকে। (৩) অসংখ্য ব্যক্তিগত উদ্যোগে পরিচালিত ইংরাজি মাধ্যমের প্রাথমিক শিক্ষার স্কুল গড়ে ওঠে। (৪) আবার কিছু কিছু বেসরকারী স্কুলে প্রাথমিক শিক্ষার মাধ্যম হিসেবে মাতৃভাষা থাকলেও বিষয় হিসেবে ইংরেজি ভাষা শিক্ষা নিম্নশ্রেণী থেকেই চালু থাকল। ফলে মাধ্যমিক শিক্ষা পরবর্তী সময়ে ইংরাজি কম জানা বেশি জানা বিভিন্ন ধরনের ছাত্রের আবির্ভাব হল। সরকারী নির্দেশে প্রাথমিক শিক্ষা আংশিক্ষভাবে মাতৃভাষা নির্ভর হলেও, পাঠ্য পুস্তকের অভাব, বিদেশি ভাষায় বিস্তৃত জ্ঞানকে দেশীয় ভাষায় প্রসারিত করার ক্ষেত্রে পরিকাঠামোর অভাব, আন্তর্জাতিক স্তরে যোগাযোগের ক্ষেত্রে সুবিধা ইত্যাদি কারণে উচ্চ শিক্ষায় ইংরেজি ভাষার প্রাধান্যই বজায় থাকল। অবশ্য শুধু উচ্চ শিক্ষাতেই নয় প্রশাসনিক ক্ষেত্রেও ইংরেজিকে কতৃত্বকারী ভাষা রূপেই বহাল রাখা হল। যার অনিবার্য ফল হল প্রাথমিক স্তর থেকে ইংরেজি বেশি জানা যে মুষ্টিমেয় মানুষের আবির্ভাব হয়েছিল তারা অন্যদের তুলনায় ইংরেজি বেশি জানার সুযোগটুকু কাজে লাগিয়ে উচ্চ শিক্ষায় ও প্রশাসনে সুবিধেবাদী বর্গ হয়ে উঠল। অন্যদিকে পড়ে রইল এক বিশাল সংখ্যার শিক্ষিত শ্রেণী যারা তাদের অর্জিত জ্ঞান একটি বিশেষ ভাষায় প্রকাশ করতে পারল না বলেই দেশের সামগ্রিক উন্নয়নে যথাযথ রূপে অংশগ্রহণ করতেই পারল না। ১৯৯৮ সালে দেশ পত্রিকা কলকাতা, যাদবপুর, বর্ধমান ও উত্তরবঙ্গ এই চারটি বিশ্ববিদ্যালয়ের ১১১ জন সেরা ছাত্র-ছাত্রীর মধ্যে একটি সমীক্ষা চালায়। সমীক্ষার ফলাফলে দেখা যায় "স্নাতক পর্যায়ের ৭০ শতাংশ ছাত্র-ছাত্রীই এসেছে ইংরেজি মাধ্যমের বিদ্যালয় থেকে বা যে বিদ্যালয়ে ইংরেজি পড়ানো হয় প্রথম শ্রেণি থেকে।" (১৪) বিভিন্ন বিভাগের ১১১ জন সেরা ছাত্র-ছাত্রীর মধ্যে "চোদ্দোজন ক্লাস ফাইভ থেকে ইংরেজি পড়েছে। এই চোদ্দোজনের মধ্যে দশজন মাষ্টার ডিগ্রি করছে বাংলায়। একজন সাইকোলজিতে, দুজন ফিজিক্সে। এবং একজন পলিটিক্যাল সায়েন্সে।"(১৫) স্পষ্টই বোঝা যায় ইংরজি মাধ্যম থেকে আগত ছাত্ররা মাতৃভাষা মাধ্যমের ছাত্রদের থেকে উচ্চ শিক্ষার প্রতিযোগিতায় যথেষ্ট এগিয়ে থাকে। কিন্তু তাদের এই এগিয়ে থাকার কারণ অধিকাংশ সময়েই ইংরেজি ভাষায় তাদের পারঙ্গমতা। অর্থাৎ দুটি মধ্যমের প্রাথমিক শিক্ষা সমান্তরালভাবে চালু থাকার ফলে

কেবল ইংরেজি ভাষায় পারদর্শিতার নিরিখেই শিক্ষিত মানুষের মধ্যে সুবিধাভোগী ও সুযোগ বঞ্চিত দুটি পৃথক শ্রেণি গড়ে ওঠে। অর্থাৎ অর্থ-ধর্ম-বর্ণের বিভাজন ছাড়াও কেবলমাত্র শিক্ষাৰ মাধ্যম বৈষম্যই মানুষকে এমন দুটি দলে ভাগ করে ফেলছে যেখানে একটি দল অন্য দলের উপর প্রভুত্ত করতে পারছে।

শিক্ষা ব্যবস্থার অন্তর্গত এই অসাম্যতো আছেই তার সঙ্গে যুক্ত হয়েছে আমাদের দেশের নতুন আর্থিক সংস্কার নীতি বা বলা ভাল গোটা পৃথিবীর আর্থিক উন্নয়নের ক্ষেত্রে নিয়ন্ত্রিত অর্থনীতির পরিবর্তে বাজার অর্থনীতির প্রাধান্য। ভারতীয় অর্থনীতিতে বর্তমানে বিশ্বায়ণের জানালা দিয়ে যে উদারীকরণের হাওয়া এসেছে তার পিছনেও আছে এই মুক্ত অর্থনীতির প্রভাব। মুক্ত বাজার অর্থনীতি সব কিছুকে পণ্য করে দেয় বলে শিক্ষাও পণ্যে পরিণত হয়। ফলে আর্থিক ক্ষমতা অনুযায়ী পণ্য কিনতে পারার যে বিভেদ প্রচলিত, শিক্ষা কেনার ক্ষেত্রেও তা ব্যবহারের ফলে বৈষম্য সৃষ্টি হয়। পণ্য বিনিময়ে কমে যায় কিন্তু জ্ঞান বিনিময়ে বৃদ্ধি পায় বলে জ্ঞানের চরিত্র ছিল পণ্যের বিপরীত। তাই পণ্যের চরিত্র দিতে গিয়ে জ্ঞানকে অসংখ্য টুকরো টুকরো তথ্যে বিভাজিত করা হয়। শিক্ষালাভের মানে দাঁড়ালো অর্থের বিনিময়ে তথ্য সংগ্রহ। যার যত অর্থ আছে তার পক্ষে সেই পরিমান তথ্য ক্রয় সম্ভব। অর্থাৎ বাজার অর্থনীতি শিক্ষাকে পণ্যে পরিণত করে শিক্ষা ব্যবস্থার আভ্যন্তরীণ বৈষম্যকে এক বৈধ ন্যায্যতা দিয়েছে।

এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিলো। এৰি যাম মোৰ চেনেহৰ কলেজখন। সময় আৰু জীৱনক ধৰি ৰখাৰ উপায় নাই। থকা হ'লে আকৌ নগাঁও কলেজ, আকৌ শ্ৰেণী কোঠা, কলেজ কেণ্টিন, ইউনিফৰ্ম, শিল্পী, আশা, প্ৰিয়ংকা, প্ৰজ্ঞা, গৌতম, যুক্তি, ভাস্কৰ, ওৱাছিম, এৰিক, ৰাকেশ আৰু কিমানৰ লগত টিফিনৰ ভাগবাটোৱাৰা। প্ৰতিদিনেই ৰাতিপুৱা উঠি টিফিনত কিবা এটা নতুন নিয়াৰ চিন্তা। অকল নিমখীয়া হ'লে নহ'ব, আশাৰ বাবে কিবা এটা মিঠা বস্তু লাগিবই। কাযৰ ৰুমত ক্লাছ হৈ থাকিলে আমাৰ হাঁহি খিকিন্দালিত ছাৰ-বাইদেউ ওলাই আহি সেই ঠাইৰ পৰা খেদি পঠিওৱা, দৌৰি পলোৱা, চেনেহৰ ধমকনি দিয়া-- এই

সকলোবোৰ যে কেতিয়াবা স্মৃতি হৈ যাব ভবাই নাছিলো।

কেন্টিনত ১০ টকাৰ পকৰীৰ লগত কেইটামান বিনামূলীয়াকৈ খোজা, পিছফালৰ ফলমূলৰ দোকানত দুটা আপেলৰ লগত এটা কমলা বিনামূলীয়াকৈ খুজি খোৱা, এটা আপেলকে ১০ টাই কামুৰি খোৱা, প্ৰতিদিনে এপাক লাইব্ৰেৰীলৈ যোৱা (পঢ়িবলৈ নহয়), মনোযোগেৰে পঢ়ি থকা ছাত্ৰ-ছাত্ৰীক দেখি হাঁহি উঠি তাৰ পৰা ওলাই অহা আদি ঘটনাবোৰ বিশ্ববিদ্যালয়ত ঘটিবনে? তাত জানো খেলিবলৈ পাম আমাৰ লুকা-ভাকু, কাবাদী, বেডমিণ্টন, বাস্কেট বল?

কলেজৰ আটাইতকৈ ভাল লগা দিন আছিল নৱাগত আদৰণি আৰু কলেজ সপ্তাহ। কলেজ সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাত যোগদান কৰা, বিশেষকৈ নৃত্য প্ৰতিযোগিতা, শাস্ত্ৰীয়, আধুনিক, দলীয়, মই আৰু শিল্পীয়ে নিজে কৰিঅ'গ্ৰাফ কৰা লগতে ছাৰ-বাইদেৱে বেয়া নোপোৱাকে সাজ-পোছাক কৰাৰ বাবে মাৰ সকীয়নি, ফাংচন শেষ নোহোৱালৈকে বহি থকাৰ হেঁপাহ, অঘটন ঘটিব নোৱাৰাকৈ ছাৰ-বাইদেউ আৰু ইউনিয়ন বডীৰ চোকা নজৰ-- এই কথাবোৰে আজি কিয় আমনি কৰিছে নিজেই নুবুজা হৈছো।

কিমানবোৰ যে কথা আছে বুকুৰ মাজত! কিমানবোৰ যে স্মৃতি! যেন লিখি গ'লে শেষেই নহ'ব। তথাপি আকৌ এবাৰ পালো, আমাৰ কলেজৰ ৬৮ তম জন্ম দিৱস। কিন্তু হেঁপাহৰ জানো শেষ আছে?

আমাৰো হেঁপাহ আছে-- আকৌ আহিম, আকৌ নাচিম, আকৌ অডিটৰিয়াম, আকৌ ছাৰ-বাইদেউ; আকৌ এবাৰ আমাৰ নগাঁও কলেজ।

শেষত কলেজীয়া জীৱনৰ উল্লাস আৰু অনভিজ্ঞ বয়সৰ ভুলৰ বাবে ছাৰ-বাইদেউসকলৰ ওচৰত অজানিতে যি দোষ কৰিছিলো তাৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে লেখাটিৰ সামৰণি মাৰিছো।

পৰিশেষত আশা কৰো নগাঁও কলেজ ভাৰতবৰ্ষৰ এখন আগশাৰীৰ কলেজ হিচাপে চিহ্নিত হওঁক। কলেজৰ ঐশ্চৰ্যময় অৱস্থা দেখি আমি সকলোৱে ছাৰ-বাইদেউসকলৰ আগত উচ্চাৰণ নকৰা আৰু আমাৰ মাজত বহুলভাবে প্ৰচলিত এটি বাক্য শ্ৰদ্ধাৰে দোহাৰিলো---

**"Nowgong College Rocks"** ■

❖প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ

অতীতৰ পাত লুটিয়াই...



# S. P. P Girls' Hostel
## *A Snapshot*




Monalisa Chhetry❖

It was the bright sunny day of 8th August, 2010, when I first stepped into S.P.S. Girls' Hostel premises. It was indeed a very special and memorable day for me. I was tensed up on the first day but soon I adjusted myself to the hostel environment, and entered the S.P.P. family of Nowgong College.

S.P.P. Girls' Hostel is named after Late Prabhat Pator who had sacrificed his life during the Assam Agitation. From then he is called "Swahid Prabhat Pator" and our hostel as "Swahid Prabhat Pator Girls' Hostel" (S.P.P.).

Our hostel is built inside the College Campus. It is a large two-storeyed building with 36 rooms. Rooms are three-bedded and the number of boarders total to about 105. Boarders from all over Assam stay here irrespective of caste, creed, religion, language, community etc.

We get every facility in our hostel regarding food and security. We have extra workers in our kitchen and two boarders run the mess every month. There are two aquaguards for proper drinking water facility. There are proper and enough toilets and bathrooms for sanitation purpose and they are always kept clean by the sweeper everyday. We also have a small flower garden which is cleaned timely.

We have a hostel common room where we gather everyday after the long busy day for evening prayer. There is a T.V. which has different news channels for our knowledge, different games are there to utilise our leisure time. We have a great collection of books which is called "GYANANKUR LIBRARY". The boarders can issue books from there. The cleanliness and discipline of the room is looked after by the Common Room Secretary.

At our hostel we organise different types of functions, special occasions or other cultural meets. We organise Tithis and Birth Anniversaries of great Saints, Saraswati Puja, Holi and the most important is "Fresher's Meet" where a warm welcome is given to the new boarders. Our hostel is so to say rich and active in all aspects. The boarders made a good impression on the 'NAAC' peer team which came in the year '2011' and our college had Grade 'A'.

We the boarders live peacefully and in a friendly atmosphere at hostel. There is love among the seniors and juniors too. Sometimes there are petty quarrels which is also needed to share love amongst the boarders. We have "Unity in Diversity". Staying away from our home and parents have taught that life is not easy and this long life needs sacrifices. We were born alone and so we will have to struggle alone. Hostel life has taught us to tackle and solve our problems ourselves. We have learnt to adjust with different types of people with whom it would not have been possible otherwise. This life is the best teacher which teaches us about the hurdles in life.

I would conclude saying that–

"EVERYONE MUST HAVE EXPERIENCE OF LIFE AT HOSTEL. LIFE IS INCOMPLETE WITHOUT HOSTEL LIFE".

Anyone who has not stayed at hostel or did not have the opportunity to stay has missed the best experience of life. Life is truly incomplete without it. Staying altogether brings in us a good sense of maturity. My life at S.P.P. Girls' Hostel has been the best phase in my study life. I am proud to be a border of S.P.P. Girls' Hostel as well as Nowgong College. ■

❖Student of B. A. 3rd Year



# সাহিত্যত আধুনিকতাবাদ

কল্পনা হাজৰিকা গায়ন*

'আধুনিক' শব্দটোৱেই এটা বহু বিতৰ্কিত শব্দ। ব্যক্তি আৰু ৰুচি অনুযায়ী আধুনিকতাই বহন কৰে ভিন্ন অৰ্থ। একেদৰে প্ৰয়োজন অনুসৰিও আধুনিকতাৰ ব্যাখ্যা হয় ভিন্ন ধৰণেৰে। সমাজ ব্যৱস্থাৰ কথা ক'বলৈ গ'লে সময়ৰ হিচাপেৰে ন-পুৰণিৰ বিচাৰ কৰিব পাৰি। সাংস্কৃতিক জীৱনলৈ লক্ষ্য ৰাখিও নতুন-পুৰণিৰ ধাৰণা গঢ়ি তুলিব পাৰি। মুঠৰ ওপৰত যদি ন-পুৰণিৰ সংজ্ঞা নিৰূপণ কৰিবলৈ বাহ্যিক আভৰণকেই মাপ-কাঠি হিচাপে ব্যৱহাৰ কৰিব পৰা গ'লহেঁতেন তেনেহ'লে ইয়াত বিতৰ্কৰ প্ৰশ্নই নুঠিলেহেঁতেন।

শিল্প সাহিত্যতো আধুনিক শব্দটো কেৱল আংগিকৰ নতুনত্বতেই গঢ় লৈ উঠা নাই। ইয়াত স্বাভাৱিকতাৰ বিৰুদ্ধে সংগ্ৰাম আৰু গতানুগতিকতাৰ বিপৰীতে পৰিবৰ্তনৰ আকাংক্ষা আগবঢ়োৱা হৈছে। ই হৈছে ঐতিহ্য উদ্ভাৱনৰ এক প্ৰশংসনীয় প্ৰচেষ্টা। ঐতিহ্য প্ৰতিভাত হৈ উঠে সমকালীন সময়ৰ অংশ হিচাপে। আধুনিক শব্দটো ব্যৱহৃত হয় এক তুলনামূলক ধাৰণাৰ পৰাহে। পুৰণিৰ লগত নতুনক, অতীতৰ লগত বৰ্তমানক তুলনা কৰিবলৈ ল'লেই আহি পৰে আধুনিকতাৰ চিন্তা।

আধুনিকতাৰ ইতিহাস বিচাৰিলেই ওচৰ চপা হয় ইংলেণ্ডৰ শিল্প বিপ্লৱৰ। বিশেষকৈ শিল্প-বিপ্লৱৰ ফলত বিজ্ঞান আৰু অৰ্থনীতিত যি নতুন চিন্তাৰ উন্মেষ ঘটিল, তাকেই সভ্যতাৰ আধুনিকতা বুলি কোৱা হয়।

বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰে আধুনিকতাৰ কিছুমান লক্ষণৰ কথা কৈ গৈছে। তেওঁৰ মতে আধুনিকতা হৈছে অতীতক জাগ্ৰত কৰি বৰ্তমান সময় প্ৰবাহৰ সৈতে গতিশীলতা দান কৰা। আধুনিকতা মানে কেৱল সমসাময়িকতা নহয়। অতীত, বৰ্তমান আৰু ভৱিষ্যৎ এই ত্ৰিকালৰ সমন্বয়কহে কবিয়ে আধুনিক বুলি কৈছে। সময়ৰ হিচাপেৰে তেওঁ আধুনিকতাৰ সীমা নিৰ্দেশনা মানি লোৱা নাই। তেওঁৰ মতে, 'আধুনিকতা সময় নিয়ে নন মৰ্জি নিয়ে বলে।'

আধুনিক শব্দই বিশেষভাৱে সমসাময়িকতাক সূচায়। সেইবাবে আধুনিক সাহিত্য বুলিলে বিতৰ্কৰ থল থাকে। সময়ৰ ধাৰণাৰে আধুনিকৰ জোখ-মাখ ল'ব নোৱাৰি। কাৰণ প্ৰতিটো যুগৰ বাবেই সেই সেই যুগ আধুনিক। আজিৰ আধুনিক কালিলৈ প্ৰাচীন। সেইবাবেই কিছুমান লক্ষণক কেন্দ্ৰ কৰি বিচাৰ কৰিলে আধুনিকতাবাদী সাহিত্যৰ ধাৰণা স্পষ্ট হয়। বহুজন সমালোচকে এই লক্ষণসমূহৰ অন্তৰ্ভূক্ত সাহিত্যৰাজিকহে আধুনিক সাহিত্য বুলি মত পোষণ কৰিছে।

উত্তৰ ৰোমাণ্টিক যুগৰ কবি হাইনৰিখ হাইনেৰ কবিতাত ৰোমাণ্টিক ভাৱ-চিন্তা পৰিহাৰ কৰি কবিতাৰ ভাৱ আৰু আংগিকৰ অভিনৱত্বত গুৰুত্ব দিয়াৰ ফলশ্ৰুতিতেই আধুনিকতাৰ বিতৰ্ক আৰম্ভ হয়। নন্দনতাত্বিক দৃষ্টিভংগীৰে আৰম্ভ হোৱা এই আন্দোলন বিশ্ব সাহিত্যৰ গতি পৰিবৰ্তনৰ সহায়ক স্বৰূপে চিহ্নিত হয়। এই আন্দোলনৰ সবাতোকৈ প্ৰতিনিধি স্থানীয় কবি আছিল বোডলেয়াৰ। এওঁৰ বিশ্বাস আছিল যে য'ত শিল্পৰ পৰশ নাই—সি সুন্দৰ আৰু অৰ্থবহ হ'বই নোৱাৰে। বোডলেয়াৰে কবিতা লিখিবলৈ আৰম্ভ কৰাৰ সময়ত ফ্ৰান্সত ৰোমাণ্টিক ভাৱনাৰ জয়জয় ময়ময় অৱস্থা। বোডলেয়াৰৰ কাব্যদৰ্শন আছিল ৰোমাণ্টিকতাৰ বিপৰীতে

নিৰ্ভীক দৃষ্টিৰে পৃথিৱীৰ নগ্নৰূপ প্ৰত্যক্ষ কৰি বাস্তৱতাক স্বীকাৰ কৰি লোৱাৰ দৰ্শন।

বাস্তৱবাদৰ দৰ্শনৰ উপৰিও আধুনিক সাহিত্য বিকাশৰ দুটি ধাৰা হৈছে প্ৰতীতিবাদ আৰু প্ৰতীকবাদ। সংগীত, ভাস্কৰ্য আৰু চিত্ৰকলাৰ পৰা গ্ৰহণ কৰা হৈছে এই দুটি মতবাদ। প্ৰতীতিবাদ আন্দোলনৰ গুৰি ধৰোতা ডেগা, ৰেণৱা আৰু চেজাঁনৰ প্ৰতীতিবাদৰ মূল কথা আছিল যে কোনো বস্তুৰে হুবহু ৰূপ ব্যঞ্জিত কৰাটো সম্ভৱ নহয়। দেখা পোৱা বস্তুটোৱে মনত যি প্ৰত্যয় জন্মায়, সেই প্ৰত্যয়ৰ ধাৰণাকহে অংকণ কৰা সম্ভৱ। সেই বিশ্বাসৰ আধাৰত শিল্পীসকলে বিচিত্ৰ ৰঙৰ সমাহাৰেৰে পোহৰৰ দ্যোতনা ঘটাই আঁকি উলিওৱা চিত্ৰশিল্পই মানুহৰ মন বিশেষভাৱে আকৰ্ষণ কৰিছিল। কাৰণ ইয়াৰ ৰূপ হৈ পৰিছিল ধূসৰ, অস্পষ্ট। এই ক্ষেত্ৰত মনেৰ গুৰুত্ব সৰ্বাধিক।

চিত্ৰশিল্পী সকলে ছবিত বিমূৰ্ততা দান কৰাৰ অৰ্থই আছিল এই যে মানুহ, সমাজ অথবা বিশ্ব সম্পৰ্কে সঠিক জ্ঞান সম্ভৱ নহয়। বাহ্যিক আচাৰ-আচৰণৰ মাজেৰে এজন ব্যক্তিক সম্পূৰ্ণকৈ জানিব নোৱাৰি। সেয়ে বাহ্যিক ৰূপৰ চানেকি চাই বাস্তৱতা প্ৰকাশ কৰিব পৰা নাযায় অথবা নিশ্চিত ধাৰণাও সম্ভৱ নহয়। এই অনিশ্চয়তাবাদৰ ধাৰণাই হৈছে আধুনিকতাবাদৰ প্ৰধান ধাৰণা।

যিহেতু কোনো বস্তু সম্পৰ্কে সঠিক ধাৰণা সম্ভৱ নহয়, গতিকে শব্দৰ আভিধানিক অৰ্থৰে তাক বুজোৱাটোও সম্ভৱ নহয়। সেয়ে আধুনিক সাহিত্যৰ ভাষাও হৈ পৰিল ইংগিতময়। এই ধাৰণাৰ আধাৰতেই গঢ় লৈ উঠিল আধুনিকতাবাদী সাহিত্যৰ দুটি লক্ষণ প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ। আধুনিক যুগত পশ্চিমৰ কবি বোডলেয়াৰ, মাৰ্লমে, পলভেলৰী আদিৰ হাতত প্ৰতীকবাদী আন্দোলনে গা-কৰি উঠিল। অসমীয়া কাব্য সাহিত্যত অমূল্য বৰুৱা, হেম বৰুৱা, হোমেন বৰগোহাঞি, নীলমণি ফুকনৰ কবিতাত ইলিয়টৰ দৰে প্ৰতীকৰ মনঃস্তাত্বিক বিশ্লেষণ দেখা পোৱা যায়। প্ৰথম অৱস্থাত প্ৰতীকৰ ব্যৱহাৰ কেৱল ছবি আৰু কবিতাতহে ব্যৱহৃত হৈছিল। পৰবৰ্তীকালত ইয়াৰ প্ৰয়োগস্থল ব্যাপ্ত হৈ পৰিল। উপন্যাস, নাটক, চুটিগল্প আদিতো প্ৰতীকৰ বহুল প্ৰয়োগ ঘটিল। হেমিংৱেৰ 'The old man and the sea', ভাৰ্জিনিয়া উলফ্‌ৰ 'To the light house' যোগেশ দাসৰ 'ডাৱৰ আৰু নাই', হোমেন বৰগোহাঞিৰ 'অস্তৰাগ' আদি উপন্যাসত প্ৰতীকৰ সফল প্ৰয়োগ ঘটিছে।

চিত্ৰকল্প হৈছে কথাৰ ভাষাৰে আঁকা ছবি। চিত্ৰকল্পত শব্দই দিয়ে ৰেখাৰ ধাৰণা আৰু অৰ্থই দিয়ে ৰঙৰ। প্ৰতীক আৰু চিত্ৰকল্পৰ মাজত পাৰ্থক্য এয়ে যে চিত্ৰকল্পই আভিধানিক অৰ্থৰে এক সহজ ব্যাখ্যা দিবলৈ বিচাৰে। কিন্তু প্ৰতীক সদায় ইংগীতধৰ্মী। ই এটা লুকাই থকা অৰ্থ বা বস্তুৰ প্ৰতিনিধিত্ব কৰিবলৈ বিচাৰে। কাব্য সাহিত্যত কুৰি শতিকাৰ আৰম্ভণিতে পশ্চিমত এই আন্দোলনে গঢ় লৈ উঠিলেও টি. ই. হিউম, এজৰা পাউণ্ড, এমি ল'ৱেলে আদি আছিল চিত্ৰকল্পবাদী আন্দোলনৰ প্ৰবক্তা।

আধুনিকতাবাদী আন্দোলনৰ অন্য এটা বিশেষ লক্ষণ হৈছে ইতিবাচক প্ৰেৰণাৰ অভাৱ। সাহিত্যত এনেধৰণৰ অভাৱবোধৰ উৎস বিচাৰি অস্তিত্ববাদৰ ধাৰণালৈ উভতি যাব লাগিব। নিজৰ অস্তিত্ব সম্পৰ্কে মানুহ যেতিয়াৰ পৰা সজাগ হ'বলৈ ধৰিলে তেতিয়াৰ পৰাই মনত ঠাই ল'লে ভয়, দুৰ্ভাৱনা, নিঃসংগতাবোধ আদি চিন্তাই। প্ৰথম বিশ্বযুদ্ধই মানুহৰ অস্তিত্বক বিপদাপন্ন কৰাৰ লগে লগে অস্তিত্ব সম্পৰ্কে মানুহ বিশেষভাৱে সজাগ হ'বলৈ ধৰিলে। প্ৰথম বিশ্বযুদ্ধৰ ভয়াবহতা প্ৰত্যক্ষ কৰি মনোবিজ্ঞানী ফ্ৰয়েডৰ বিশ্বাস জন্মিছিল যে সভ্যতাই যদিও মানুহৰ আদিম প্ৰবৃত্তি সমূহ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে, তথাপি সামান্য প্ৰৰোচনাতেই সেইবোৰ পুনৰ অনিয়ন্ত্ৰিত হৈ পৰিবলৈ বিচাৰে।

মানুহৰ মনৰ এই আদিম প্ৰবৃত্তিসমূহ নিয়ন্ত্ৰণ কৰিবৰ বাবে মানুহৰ মনত অহৰ্নিশে লাগি থকা দায়িত্বৰ ভাৰৰ পৰাই মনত ঠাই পায় নিৰাশাবাদী চিন্তাই। আনহাতে ক্ষুধা, তৃষ্ণা, ভয়, উৎকণ্ঠা আদিৰ লগত মানুহৰ চেতন আৰু অৱচেতন মনৰ যি টনা-আজোৰা তাৰ ফলতেই সৃষ্টি হয় সংশয় ভাৱৰ। সংস্কৃতিবান আৰু সভ্য হৈ জীয়াই থাকিবৰ বাবে মানুহে আদিম প্ৰবৃত্তিবিলাক দমন কৰি নিৰংকুশ স্বাধীনতাক অৱদমিত কৰি ৰখাৰ বাবেই মনলৈ আহে নিসংগতাবোধৰ চেতনা।

মানুহৰ অস্তিত্ব আৰু স্বাধীনতাক গুৰুত্ব দি প্ৰখ্যাত দাৰ্শনিক জ্যাঁ পল ছাৰ্টেই কৈছে যে মানুহৰ অস্তিত্বই শেষ সত্য। অস্তিত্ববাদী দৰ্শনৰ প্ৰধান প্ৰবক্তা কিৰ্কেগাৰ্ডেৰ মতে

নিজৰ ভাগ্যৰ লগত ব্যক্তিৰ সম্বন্ধ অসীম। এন অসীম সম্বন্ধৰ ফলতেই এজন ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ সাধিত হয়। বিভিন্ন অভিজ্ঞতাৰ ফলত ব্যক্তিত্বৰো ৰূপান্তৰ ঘটে।

ছাৰ্টেৰ অস্তিত্ববাদী দৰ্শনত দুটা সত্তা স্বীকৃত হৈছে। এটা হৈছে নিজৰ কাৰণে সত্তা (Being for itself) আৰু আনটো হৈছে নিজস্ব সত্তা (Being-in-itself)। নিজৰ কাৰণে সত্তাৰ মূল কথা হৈছে এজন ব্যক্তিয়ে নিজক আন বস্তু বা ব্যক্তিৰ পৰা আঁতৰত ৰাখি সেইবোৰক নিজতকৈ ভিন্ন ৰূপত দেখে। বিষয় আৰু বিষয়ীৰ মাজত থকা এই শূন্যতাই হ'ল স্বাধীনতা। আনহাতে এজন ব্যক্তিয়ে যি বস্তু বা ব্যক্তিৰ বিষয়ে চিন্তা কৰে তাৰো এটা নিজস্ব অস্তিত্ব আছে। ছাৰ্টেৰ মতে এইটোৱেই নিজস্ব সত্তা। তেওঁৰ মতে মানুহৰ অস্তিত্ব হ'ল চেতনা আৰু জাগতিক বস্তুবোৰৰ মাজত থকা শূণ্যতা। ইয়াৰ ফলতেই মানুহৰ মনত ঠাই পায় শূণ্যতাবোধে।

আধুনিকতাবাদী সাহিত্যৰ অন্য এটি বিশেষ লক্ষণ হৈছে মৃত্যু চেতনাৰ প্ৰতি গুৰুত্ব। অস্তিত্ব যেতিয়া বিপদাপন্ন হয় তেতিয়াই আহি পৰে মৃত্যু চেতনা বা আত্মহত্যাৰ প্ৰৱণতা। ফৰাচী অস্তিত্ববাদী মহলত বিশেষকৈ আলবেয়াৰ ক্যেমুৰ লেখনিত মৃত্যু আৰু আত্মহত্যাৰ ভাব প্ৰকট হৈ উঠিছে। জনবহুল সমাজত জীয়াই থাকিও মানুহ নিঃসংগ আৰু অকলশৰীয়া। এই নিঃসংগতাবোধৰ লগত সাঙুৰ খাই থাকে নিজৰ অস্তিত্বক আনে উপেক্ষা কৰাৰ হতাশা। গতিকে মৃত্যুচেতনাও সম্ভৱ হৈছে অস্তিত্বৰ সজাগতাৰ পৰাই।

আধুনিকতাবাদী সাহিত্যৰ আনটো গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে ইয়াৰ ভাষা। ভাষা ভাব বিনিময়ৰ প্ৰধান মাধ্যম। চৈতন্যৰ অস্তিত্ব কেৱল ভাষাৰ মাধ্যমেৰেহে সম্ভৱ হয়। ব্যক্তি আৰু ভাষা পৰস্পৰ সম্পৰ্কযুক্ত। এজনৰ মনৰ কথা ভাষাৰ মাধ্যমেৰে আনজনৰ আগত প্ৰকাশ কৰা হয়। যুগৰ পৰিবৰ্তনৰ লগে লগে ভাষাৰো পৰিবৰ্তন হয়।

ভাষাৰ দ্বাৰা মানুহ সদা-সৰ্বদাই নিয়ন্ত্ৰিত হৈ থাকে। কাৰণ ভাষাৰ অবিহনে কোনো অভিজ্ঞতা প্ৰকাশ সম্ভৱ নহয়। সাহিত্যৰ ভাষা আৰু কথাৰ ভাষা সদায়েই এক পাৰ্থক্যৰ মাজেৰে আগবাঢ়ি যায়। সাহিত্যৰ ভাষা অলংকাৰপূৰ্ণ আৰু কথিত ভাষা নিৰাভৰণ।

ভাষাৰ যোগেদি সৃষ্টি হোৱা শব্দৰ অৰ্থ প্ৰকাশক তিনি প্ৰকাৰৰ শক্তি থাকে। যাক সমালোচকসকলে শব্দশক্তি বুলি কয়। এই শব্দশক্তিৰ বলতেই শব্দই তিনিধৰণৰ অৰ্থ প্ৰকাশ কৰে। প্ৰথমবিধ অভিধানগত বা অভিধা, দ্বিতীয়বিধ লক্ষণাক্ৰান্ত বা লক্ষণা, তৃতীয়বিধ অতিৰঞ্জনৰ অৰ্থে ব্যৱহাৰ হোৱা ব্যঞ্জনা।

শব্দৰ ব্যঞ্জনাই অভিধা আৰু লক্ষণাক অতিক্ৰম কৰি ইংগিতেৰে একোটা বেলেগ অৰ্থ বুজাবৰ যত্ন কৰে। এই ধৰণৰ ভাষাই পোনপটিয়া অৰ্থ বহন নকৰে। আধুনিক সাহিত্যত এনে আওপকীয়া শব্দৰেই প্ৰয়োগ বেছি। এনে আওপকীয়া অথবা ইংগিতসূচক শব্দ প্ৰয়োগৰ ফলতে আধুনিকতাবাদী সাহিত্যত প্ৰতীকক বিযেশভাৱে প্ৰাধান্য দিয়া হৈছে।

উপৰিউক্ত লক্ষণযুক্ত সাহিত্যকে সমালোচক সকলে আধুনিক সাহিত্য বুলি চিহ্নিত কৰিলেও সাহিত্যৰ মূল্য নিৰূপিত হয় সাৰ্বজনীনতা আৰু কালাতীতৰ মূল্যৰে। সকলো ধৰণৰ আধুনিকতাবাদী লক্ষণ নাথাকিলেও এই দৃষ্টিৰেই 'গীতা' সৰ্বসময়ত সাৰ্বজনীনভাৱে গৃহীত। সমসাময়িক সমাজ অথবা জনজীৱনক প্ৰাধান্য দিও যি সাহিত্যই ভৱিষ্যৎ পথৰ নিৰ্দেশনা দি যায় সিয়েই সৰ্বকালৰ বাবে আধুনিক সাহিত্য।■

❖সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

## Knowledge about the WILD WORLD

**Shipli Shikha Saikia**
B.A.3rd semester

✡ An adult Giraffe's kick is so powerful that it can kill a lion.

✡ The Hippopotomas has a 4 c.m. thick skin – so solid that most bullets cannot penetrate it.

# ফেচবুকত পৰিণীতা

facebook

ড° চিদানন্দ শৰ্মা ✧

একাউণ্ট খোলাৰ কিছুদিন পাছলৈকে নিয়মিতভাৱে ফেচবুক চোৱাৰ অভ্যাস আছিল। পিছে আজিকালি কিবা অজুহাতত সপ্তাহটোত এবাৰো ফেচবুক খোলা নহয়। তথাপি মাজে-মধ্যমে ফেচবুকৰ জৰিয়তে ন-পুৰণি বন্ধুৰ লগৰ সম্পৰ্ক বজাই চলি আছো। সিদিনা পৰিণীতা বৰুৱাৰ পৰা বন্ধুত্বৰ অনুৰোধ বিচাৰি (Friend Request) এটা ই-মেইল পালোঁ। ঠিকনা মাইক্ৰছফট, বাংগালুৰ! কিছু সময় ভাবিলো কোন এই পৰিণীতা বৰুৱা! অলপ উৎসুকতাৰে কণফাৰমেচন আইকণটোত ক্লিক কৰি দিলোঁ। তেওঁ বোধহয় অনলাইনত আছিল। ফেচবুকৰ অনলাইন চাটিঙত এটা মেচেজ ভাঁহি আহিল .....।

ঃ কেনে আছা মামা?

তাৰমানে পৰিণীতা মোৰ ভাগিন! মনত পৰিল—পৰিণীতাৰ মাক জুপিতৰা মোৰ মামাৰ ছোৱালী। স্কুলত আমি দুয়ো একেলগে পঢ়িছিলো। সেয়া আজিৰ পৰা চল্লিশ বছৰমান আগৰ কথা। জুপিতৰা পঢ়াত খুউব ভাল আছিল। তাইৰ বাবে মই মোৰ মাৰ পৰা কেইবাবাৰো গালি শুনিব লগা হৈছিল। প্ৰায়বোৰ বিষয়ত তাই মোতকৈ এক নম্বৰ হ'লেও পৰীক্ষাত বেছি পাইছিল। গাঁৱত ডাঙৰ-দীঘল হোৱা ছোৱালী—চাকৰিয়াল দৰা পাই ডিগ্ৰী পঢ়ি থাকোতেই জুপিতৰাক মামাই বিয়া দি দিলে। তাৰ পাছত এৰাধৰাকৈ আমাৰ যোগাযোগ চলি আছিল। তাই নিজৰ সংসাৰক লৈ ব্যস্ত, মই মোৰ পঢ়া-শুনা, চাকৰিৰ সন্ধান এইবোৰকে লৈ ব্যস্ত। এবাৰ চাকৰিসূত্ৰে জুপিতৰাহঁতৰ ওচৰৰ চহৰখনত দুবছৰমান আছিলো। বিয়া বাৰু কৰোৱাই নাই। নিজৰ ঘৰলৈ যাবলৈ এনিশা বাছত কটাব লগা হয়। সেয়ে বন্ধৰ দিনত জুপিতৰাহঁতৰ ঘৰলৈ যাওঁ। চহৰৰ পৰা পোন্ধৰ-বিশ কিলোমিটাৰমান দূৰৰ নৈ-পৰীয়া গাঁওখন মোৰ খুউব ভাল লাগিছিল। জুপিতৰাৰ শহুৰদেউতা বৰ ৰসাল আৰু কৰ্মী মানুহ আছিল। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত নিজহাতে এখন কাজি-নেমুৰ বাগান পাতিছিল। বাগানৰ মাজে মাজে বগৰী, আম, কঁঠাল, তেতেলী, লেতেকু, ক'লাজামু আদি অনেক ফলৰ গছ আছিল। জুপিতৰাৰ ছোৱালী পৰিণীতাৰ বয়স তেতিয়া দহ বাৰ বছৰমান হ'ব। জুপিৰ শহুৰে লগুৱা এজন লগত লৈ বাগানৰ কাম-বন চায় আৰু আমি দুয়ো মামা-ভাগিনে গছত বগাওঁ। মনৰ ইচ্ছাৰে বতৰৰ ফল খাওঁ। একো নাপালে কলাপাতত নেমু টুকুৰা-টুকুৰকৈ কাটি নিমখ-জলকীয়া সানি খাওঁ। পিছে দুবছৰমান পাছতে মই চাকৰি কৰি থকা কোম্পানীটো লোকচান ভৰি মৰি থাকিল। মোৰো চাকৰিৰ মুদা মৰিল। কিছুদিন অনাই-বনাই ঘূৰি ফুৰি সৌভাগ্যক্ৰমে ভাৰত চৰকাৰৰ জলপানী এটা লৈ বিদেশলৈ পঢ়িবলৈ গ'লো তিনি বছৰৰ বাবে। আজিৰ দৰে মোবাইলৰ প্ৰচলন তেতিয়া নাছিল। গাঁৱৰ ঘৰত টেলিফোনৰ সুবিধাও নাছিল। সেয়ে জুপিতৰাহঁতৰ লগত যোগাযোগো কমি আহিছিল। বিদেশৰ পৰা ঘূৰি আহি চাকৰিত যোগদান কৰাৰ পাছত চাকৰি, সংসাৰ এইবোৰৰ মাজত সোমাই কাৰো খবৰ

ভালদৰে ৰাখিব পৰা নাছিলো। আজিৰ পৰা বাৰ বছৰমানৰ আগতে জুপিতৰাই খবৰ দি মাতি পঠিয়ালে। একমাত্ৰ জীয়ৰী পৰিণীতাই ভালকৈ মেট্ৰিক পাছ কৰিছে। অসমৰ ভিতৰত দ্বাদশ স্থান লাভ কৰিছিল। মাকে জীয়েকৰ ভৱিষ্যত পঢ়া-শুনা আদিক লৈ মোৰ পৰা পৰামৰ্শ বিচাৰিছিল। দেউতাকে জীয়েকৰ কৃতকাৰ্যতাৰ আনন্দত এটা ডাঙৰ পাৰ্টিৰ আয়োজন কৰিছিল। পাৰ্টিৰ মাজতে পৰিণীতাক মাকে মোৰ লগত চিনাকি কৰাই দিলে। বেছ কিছু বছৰৰ পিছত পৰিণীতাক লগ পাইছো। আগতকৈ বহু সলনি হ'ল। দেখাই-শুনাই ধুনীয়া, মাৰ্জিত! পিছে অলপ ভাবুক প্ৰকৃতিৰ। কিছু বছৰৰ আগৰ সেই স্ফূৰ্তিবাজ ভাগিনজনীৰ তুলনাত এতিয়া তাই যথেষ্ট গহীন। তাতে ইমান ভাল ৰিজাল্ট কৰিছে। মোৰ ভিতৰি ভিতৰি অলপ লাজো লাগিল। ছাত্ৰ জীৱনত পঢ়া-শুনাত বৰ ফাংফুং কৰিছিলো। গাঁৱৰ পথাৰে-পৰ্বতে অনাই-বনাই লগৰ ল'ৰাৰ লগত ঘূৰি ফুৰোতেই বেছিভাগ সময় পাৰ হৈ গৈছিল। আজি কালিৰ ল'ৰা-ছোৱালীবোৰে পৰীক্ষাত ইমান নম্বৰ পায়। গোটেই জীৱনটোত এটা পৰীক্ষাতো মাৰ্কচিটত ইমান নম্বৰ গোটাব নোৱাৰিলো। অৱশ্যে ভাগিন এজনীয়ে ইমান ভালকৈ পাছ কৰিছে— ভাবি মনতে ভালো লাগিল। বন্ধু মহলত ভাগিনৰ কৃতকাৰ্য্যতাক লৈ অলপ গৰ্বও কৰিলো। পিছে সকলো ভাল লগা, অহংকাৰ মাটিত মিহলি কৰি দুবছৰৰ পাছত এজন ল'ৰাৰ লগত মাক-দেউতাকৰ অজ্ঞাতে পলাই গুচি গ'ল পৰিণীতা। হায়াৰ চেকেণ্ডাৰী পৰীক্ষা শেষ হোৱা এমাহমানহে হৈছিল। বোধহয় মেট্ৰিকৰ দৰে ৰিজাল্ট নহ'ব বুলি ভাবি পৰীক্ষাৰ ৰিজাল্টৰ আগতে বিদায় মাগিলে। মেট্ৰিকৰ ৰিজাল্টৰ পাছত যিমান গৰ্বত মনটো ভৰি পৰিছিল, খবৰটো শুনাৰ পাছত সিমান ঘৃণাৰে মনটো ভৰি পৰিল। কিমান নিষ্ঠুৰ আঘাত হ'ব পাৰে এজনী মাকৰ বাবে। ঘৰলৈ বহু পলমকৈ ৰাতি ঘূৰি আহিলো, গোটেই ৰাতি উজাগৰে পাৰ কৰিলো—কিয় হয় এনেবোৰ ঘটনা? নিজৰ সন্তানে যদি মাক-দেউতাকক এনে প্ৰতাৰণা কৰিব পাৰে আৰু কি বাকী থাকিব পাৰে? সময় বাগৰি গ'ল, বিয়া বাৰু কৰাই সংসাৰী হ'লো। আজি দহবছৰ ধৰি মনৰ মাজত এটা প্ৰশ্নই বাৰে বাৰে ভূমুকি মাৰি থাকে—নিজৰ পিতৃ-মাতৃক চৰম অস্বস্তিত পেলাই কেনেকুৱা সুখ বিচাৰি সন্তান আঁতৰি যায়। অচিন কাৰোবাৰ লগত দুদিনৰ বন্ধুত্বৰ পাছতে কেনেদৰে পাহৰি যাব পাৰে পিতৃ-মাতৃৰ মৰম আৰু ত্যাগ। উত্তৰ বিচাৰি কষ্ট কৰা নাছিলো। ভাবিছিলো—সময়ে কঢ়িয়াই আনিব মোৰ এই দীৰ্ঘদিনৰ প্ৰশ্নৰ উত্তৰ আৰু এতিয়া, দহ বছৰৰ পাছত পৰিণীতাক লগ পাইছো ফেচবুকৰ অনলাইনত।

ঃ কি হ'ল মামা? চিনি পোৱা নাই? তোমাৰ মৰমৰ ভনী জুপিতৰাৰ ছোৱালী—পৰিণীতা। মই বৰ্তমান বাংগালুৰত।

জুপিতৰাৰ নাম শুনাৰ লগে লগে মোৰ মূৰৰ ভিতৰখন উতলি উঠিল। কি স্পৰ্দ্ধা এই ল'ৰা-ছোৱালীবোৰৰ ! নাই যে নাই, অলপ অনুশোচনাও নাই! অলপ খঙেৰে মই আৰম্ভ কৰিলো—

ঃ কিয় খবৰ ল'লা সুদীৰ্ঘ দহ বছৰৰ পাছত?

ঃ কাৰণ তুমি মোৰ মৰমৰ মামা! মাৰ ভাল বন্ধু।

ঃ তোমাৰ মা-দেউতাৰ খবৰ ৰাখিছা? তেওঁলোকতকৈও মই বেছি মৰমৰ নে?

ঃ মানে?

ঃ চিম্পল কথা! যিজনী ছোৱালীয়ে মাক-দেউতাকৰ মনত চৰম আঘাত হানিবলৈ কুণ্ঠাবোধ নকৰে, তেনে এজনী ছোৱালীৰ পৰা 'মামা' সম্বোধন আশা নকৰো।

ঃ তাৰ মানে তুমি পুৰণা কথাবোৰ পাহৰিব পৰা নাই?

ঃ কিছুমান কথা পাহৰিব পাৰিলে ভাল লাগে, পিছে সদায় সম্ভৱ নহয়।

ঃ মোৰ ওপৰত ইমান খঙৰ পাছতো ফেচবুকত মোৰ বন্ধুত্ব স্বীকাৰ কৰিলা কিয়?

ঃ এটা প্ৰশ্নৰ উত্তৰ বিচাৰি। আজি বহুবছৰ ধৰি মই এই প্ৰশ্নৰ উত্তৰৰ বাবে হাহাকাৰ কৰি ফুৰিছো।

ঃ মোৰ জীৱনৰ সিদ্ধান্তৰ বিষয়ত?

ঃ এৰা, কেনেদৰে তুমি সেই চৰম সিদ্ধান্তটো গ্ৰহণ কৰিব পাৰিছিলা? দুদিনৰ চিনাকি বন্ধু এজন, নিজৰ মাক-দেউতাকতকৈও কেনেদৰে আপোন হৈ পৰিব পাৰিলে?

ঃ কি লাভ হ'ব তোমাৰ মামা? সেয়া মোৰ দুখৰ

অতীত।

ঃ সেই দুখৰ অতীতক তুমি নিজেই স্বাগতম জনাইছিলা। তুমি বিশ্বাস কৰিবা নে নাই নাজানো—আজি কালি মই মোৰ সন্তানৰ ওপৰতো সন্দেহ কৰিববৈলে লৈছো। কালিলৈ যদি তোমাৰ দৰে মোৰ সন্তানেও মোক প্ৰতাৰণা কৰে?

ঃ প্ৰতাৰণা! এৰা হয়তো মা-দেউতাক মই প্ৰতাৰণা কৰিছো। কিন্তু তুমি চিন্তা নকৰিবা। তোমাৰ সন্তানে তোমাক প্ৰতাৰণা কৰিব নোৱাৰে। কাৰণ তুমি মোৰ মা-দেউতাতকৈ বহুত বেলেগ। সন্তানৰ বাবে তোমাৰ হৃদয়ত এডোখৰ বহল পথাৰ সেউজীয়া হৈ থাকে। তুমি তোমাৰ সন্তানৰ পিতৃয়েই নহয়, বন্ধুও!

ঃ প্ৰসঙ্গ সলনি নকৰিবা। তুমি কেনেকৈ জানিলা মই মোৰ সন্তানক তেনেকৈ ডাঙৰ কৰিছো। তুমি ক'ব খোজা নেকি যে মা-দেউতাৰ তোমাৰ প্ৰতি মৰম নাছিল? তেওঁলোকে তেওঁলোকৰ একমাত্ৰ সন্তানটিক অৱহেলা কৰিছিল? ভগৱানৰ দোহাই! নিজৰ দোষ ঢাকিবলৈ এক চিৰন্তন সত্যক 'অসত্য' আখ্যা নিদিবা। কোনো মাক-বাপেকে নিজৰ সন্তানক মৰম নকৰাকৈ নাথাকে।

ঃ মৰম! হয়তো কৰিছিল?

ঃ কি কৰা নাছিল তোমাৰ বাবে? তোমাৰ ভৱিষ্যতৰ বাবে গাঁৱৰ ঘৰ-বাৰী এৰি টাউনত ভাড়াঘৰত থাকি তোমাক পঢ়াইছিল। টি.ভি., কম্পিউটাৰ, গাড়ী, দামী কাপোৰ-কানি সকলো বস্তু তোমাৰ পছন্দ মতে যোগান ধৰিছিল।

ঃ কৰিছিল, কিন্তু মোৰ বাবে কৰা নাছিল। সমাজৰ মানুহে সমালোচনা কৰাৰ ভয়ত তেওঁলোকে দায়িত্ব পালন কৰিছিল। নামী-দামী বস্তুৰে ঘৰ ভৰাই পেলাইছিল সমাজৰ আন মানুহক দেখুৱাবৰ বাবে।

ঃ মানে?

ঃ নৰৱেৰ বিখ্যাত নাট্যকাৰ হেনৰিক ইবছেনৰ নাম শুনিছা নিশ্চয়! তেওঁ কৈছিল—ধনেৰে খোলাটো কিনিব পাৰে, শাহটো কিনিব নোৱাৰে। ধনে আহাৰ দিব পাৰে, ভোক দিব নোৱাৰে। ঔষধ দিব পাৰে, স্বাস্থ্য নোৱাৰে। চিনাকি মানুহ দিব পাৰে, কিন্তু বন্ধু দিব নোৱাৰে। ভৃত্য দিব পাৰে, বিশ্বস্ততা দিব নোৱাৰে। আনন্দ দিব পাৰে, কিন্তু দিব নোৱাৰে সুখ আৰু শান্তি।

ঃ মই তোমাৰ কথা একো বুজি পোৱা নাই।

ঃ চোৱা, মই মা-দেউতাৰ একমাত্ৰ সন্তান। তেওঁলোকৰ ব্যস্ত জীৱনত আঘাত হনাৰ ভয়ত তেওঁলোকে দ্বিতীয়টো সন্তান জন্ম দিয়াৰ সাহস কৰিব নোৱাৰিলে।

ঃ আজিকালিৰ দিনত বহুতো মা-বাপেকৰ এটা সন্তান থাকে। অন্ততঃ পিতৃ-মাতক প্ৰতাৰণা কৰাৰ বাবে ই এটা অজুহাত হ'ব নোৱাৰে। অন্ততঃ মই বিশ্বাস কৰিব নোৱাৰো।

ঃ হয়, মই তোমাৰ যুক্তি মানি লৈছো। কিন্তু, সেইবোৰ মাক-দেউতাকে অকলশৰীয়া সন্তানটোৰ বাবে অপৰ্য্যাপ্ত সময় খৰচ কৰে। সন্তানৰ সৈতে সময় অতিবাহিত কৰাটো তেওঁলোকে দায়িত্ব বুলি জ্ঞান কৰে।

ঃ তুমি ক'ব বিচাৰিছা—তোমাৰ মা-দেউতাই তোমাৰ বাবে সময় দিব পৰা নাছিল?

ঃ চোৱা, গাঁৱৰ ককা-আইতা, ওচৰ-চুবুৰীয়াৰ সৈতে আমাৰ ঘৰখন এখন ৰসাল ঘৰ আছিল। ককা, আইতা, ওচৰ সম্বন্ধীয়া বাই-ভনীহঁতৰ সৈতে গাঁৱত থকা সময়বোৰত মই অলপো অকলশৰীয়া বোধ কৰা নাছিলো। বৃদ্ধ ককা-আইতাক গাঁৱৰ ঘৰত অকলে এৰি যেতিয়া মোক টাউনত পঢ়িবলৈ লৈ আহিছিল, মই অকলশৰীয়া হৈ পৰিছিলো। সেই মুহূৰ্তত মোৰ মা-দেউতাই তেওঁলোকৰ পিতৃ-মাতৃক প্ৰতাৰণা কৰা যেন মোৰো বোধ হৈছিল।

ঃ সন্তানৰ পঢ়া-শুনাৰ স্বাৰ্থত, কেতিয়াবা মাক-দেউতাকে এনেবোৰ সিদ্ধান্ত ল'বলৈ বাধ্য হয়।

ঃ হয়তো সঁচা! কিন্তু মোৰ গাঁৱৰ স্কুলখন টাউনত আহি পঢ়া স্কুলখনৰ তুলনাত বহুত উন্নত আছিল। বছৰি দহ পোন্ধৰটা ল'ৰা-ছোৱালীয়ে সেইখন স্কুলৰ পৰা মেট্ৰিকত প্ৰথম বিভাগ পাইছিল। প্ৰায়ে মেট্ৰিকত বিশটা স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ তালিকাত সেইখন স্কুলৰ ছাত্ৰ-ছাত্ৰী আছিল—সেই কথা তুমি নিশ্চয় নজনাকৈ থকা নাছিলা। দেশ-বিদেশে সুনাম অৰ্জন কৰা বহুতো ব্যক্তি সেইখন স্কুলৰ পৰাই ওলাই অহা।

ঃ টাউনলৈ আহি তেওঁলোকে তোমাক পঢ়া-শুনাৰ

আৰু ভাল পৰিবেশ এটা দিয়াৰ যত্ন কৰিছিল। বৰ্তমানৰ প্ৰতিযোগিতাৰ সময়ত এটা বহল পৰিবেশত ল'ৰা-ছোৱালী ডাঙৰ কৰিবলৈ বহুতো অভিভাৱকে বিচাৰে।

ঃ ছাত্ৰ-ছাত্ৰীৰ উন্নতিত সুস্থ শৈক্ষিক-সাংস্কৃতিক পৰিবেশ এটাৰ প্ৰয়োজন মই অস্বীকাৰ নকৰো। কিন্তু আমাৰ গাঁৱৰ অঞ্চলটোত সেই পৰিবেশ বহু দিনৰে পৰাই আছিল। অন্ততঃ টাউনৰ আওহতীয়া ঠাইখনৰ, সৰু ভাড়া ঘৰটোৰ চাৰিওফালৰ পৰিবেশৰ তুলনাত। আচলতে টাউনৰ হুলস্থূলীয়া পৰিবেশত বসবাস কৰাৰ তীব্ৰ হেঁপাহ জন্ম হৈছিল মোৰ মাৰ অন্তৰত। এজন চহকী অফিচাৰৰ পত্নী হিচাপে শাহু-শহুৰৰ শাসনৰ মাজত থাকিবলৈ তেওঁ ভাল পোৱা নাছিল।

ঃ টাউনৰ ভাড়া ঘৰটোৰ পৰা তুমি মেট্ৰিক পৰীক্ষা দিয়াৰ পাছতে তোমালোক টাউনৰ নিজৰ নতুন ঘৰলৈ গুচি আহিছিলা। এটা নতুন পৰিবেশত তুমি দুবছৰ থাকিলা, কলেজত পঢ়িলা। কিন্তু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ ঠিক পাছতে তুমি তোমাৰ জীৱনৰ আত্মঘাতী সিদ্ধান্তটো লৈ পেলালা!।

ঃ এৰা, অকলশৰীয়াবোধে মোক উন্মাদ কৰি তুলিছিল। নতুন ঘৰটো সজাৰ নামত, মাটি কিনাৰ নামত, দেউতাক বহুতো টকাৰ প্ৰয়োজন হৈছিল। চাকৰিৰ দৰমহাৰ টকাৰে সেইবোৰ সম্ভৱ নহৈছিল। উপৰুৱা ধন অৰ্জন কৰিবৰ বাবে তেওঁ বহুত তললৈ নামি গৈছিল। বহুতো ঘোচখোৰ, দুৰ্নীতিকাৰী মানুহৰ লগত তেওঁৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। বহু ৰাতি ঘৰলৈ ঘূৰি অহা দেউতাৰ মুখত মই মদৰ ভেকেটা গোন্ধ পাইছিলো। অন্যহাতে মা ব্যস্ত হৈ পৰিছিল ইঞ্চিউৰেঞ্চ, নেটৱৰ্ক বিজিনেচ ইত্যাদি কামত। কেইটামান টকা অৰ্জনৰ নামত গোটেই দিনটো তেওঁ ঘূৰি ফুৰিছিল। ক্লাচৰ পৰা ঘূৰি আহি যেতিয়া ভাতৰ টেবুলত অকলে বহিছিলো— চাৰিওফালে মই অনুভৱ কৰিছিলো মাথো শূন্যতা।

ঃ কিন্তু মই যিমানদূৰ জানো তোমাৰ হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ সময়ত তোমাৰ মাৰাই সকলোবোৰ বাহিৰা কাম বাদ দি তোমাৰ লগত ব্যস্ত হৈ আছিল।

ঃ হয় আছিল। কিন্তু মোৰ বাবে নহয়। বিজিনেচৰ কামত বাহিৰত ঘূৰি ফুৰা বাবে দেউতাই মাক সন্দেহ কৰিবলৈ লৈছিল। মাৰ চৰিত্ৰৰ ওপৰত কটু মন্তব্য দিয়া মই নিজ কাণে শুনিছিলো। শেষত মাই সকলো বিজিনেচ বাদ দি ঘৰতে থকাৰ সিদ্ধান্ত লৈছিল।

ঃ মই যিমানদূৰ জানো, তোমাৰ মা এগৰাকী চৰিত্ৰবান আৰু সু-গৃহিণী।

ঃ ময়ো বিশ্বাস কৰো। কিন্তু টকাৰ বাবে দেউতা ইতিমধ্যে বহুত তললৈ নামি গৈছিল। মাৰ সংসাৰৰ ঘৰ, মাটি, টি.ভি. ফ্ৰীজ আদি অভাৱবোৰ পূৰণ কৰিবলৈ তেওঁ কেতিয়া কিমান তললৈ নামি গ'ল, দুৰ্নীতিৰ বোকাত কেনেদৰে লুতুৰি-পুতুৰি হ'ল তেওঁ নিজেও গম নাপালে। স্বামী-স্ত্ৰীৰ মাজৰ আস্থা, বিশ্বাস—তেওঁলোকে কেতিয়াবাই হেৰুৱাই পেলাইছিল।

ঃ তোমাৰ দেউতাৰা চাকৰিৰ পৰা কিছুদিনৰ বাবে নিলম্বিত হৈ আছিল বুলি শুনিছিলো। পিছে কিছুদিনৰ পিছতে তেওঁ পুনৰ চাকৰিত সসন্মানে যোগদান কৰিছিল।

ঃ অফিচৰ বহুতো টকা-পইচাৰ খেলি-মেলিত তেওঁক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছিল। পিছে বহুতো টকা খৰচ কৰি ওপৰৱালা বিষয়াক মেনেজ কৰি তেওঁ পুনৰ চাকৰিত যোগদান কৰিছিল। মোৰ ককাদেউতাৰ সুনাম তেওঁ পণ্যৰ দৰে বিক্ৰী কৰি চাকৰিত পুনৰ যোগদান কৰিছিল।

ঃ তুমি কেনেকৈ জানিলা এইবোৰ কথা?

ঃ ৰাতি অ-প্ৰকৃতিস্থ হৈ ঘৰলৈ আহি প্ৰায়ে মাৰ লগত কাজিয়া কৰিছিল। কাষৰ কোঠাত মই ভয়তে কান্দি আছিলো। মা-দেউতাই নুশুনাকৈ ৰাতি মই উজাগৰে পাৰ কৰিছিলো। দেউতাৰ ষ্টেটাচত আঘাত কৰিব পাৰে বুলি বেছিকৈ বন্ধু-বান্ধৱীৰ লগত মিলা-মিচা কৰাটো দেউতাই পছন্দ কৰা নাছিল। সেয়ে মোৰ ঘনিষ্ঠ বন্ধুৰ সংখ্যা আছিল তেনেই নগণ্য। মনৰ কথা আলোচনা কৰিবৰ বাবে কোনো নাছিল। ছবি অঁকা, ভায়লিন বজোৱা— এই সকলোবোৰ অভ্যাস গাঁৱৰ পৰা অহাৰ পাছত বাদ পৰিল। ককা-আইতাৰ লগত সম্পৰ্কও প্ৰায় এৰা পৰাৰ দৰে হৈছিল। এটা সময় আহিল মই উন্মাদৰ দৰে হৈ পৰিলো। ঘৰৰ পৰিবেশৰ পৰা মুক্তি বিচাৰি মই পলাই যাব বিচাৰিছিলো। ঠিক তেনে সময়তে

লগ পাইছিলো ইমদাদুল নামৰ ল'ৰা এজনক। সৰুতে মাকক হেৰুওৱা ইমদাদুলৰ ওচৰত কোনোবা অজান মুহূৰ্তত মই ঘনিষ্ঠ হৈ পৰিছিলো। এদিন ইমদাদুলৰ আপত্তি সত্বেও মই মোৰ ঘৰ এৰি ওলাই আহিছিলো।

ঃ তাৰ পাছত? তোমালোকে বিয়া কৰালা?

ঃ বিয়া কৰাম বুলি মই ঘৰৰ পৰা ওলাই অহা নাছিলো। মই মোৰ ঘৰখনৰ পৰিৱেশৰ পৰা মুক্ত হ'ব বিচাৰিছিলো। ইমদাদুলৰ তেতিয়া বিয়া কৰোৱাৰ বয়সো হোৱা নাছিল। সি তাৰ সম্পৰ্কীয় বাইদেউ এগৰাকীৰ জৰিয়তে বাংগালুৰৰ এটা প্ৰাইভেট হোষ্টেলত মোৰ থকাৰ ব্যৱস্থা কৰি দিছিল। বাংগালুৰলৈ মই অকলেই আহিছিলো। মনত সাহস আৰু লক্ষ্য স্থিৰ থাকিলে মানুহে বহুতো টান কাম অনায়াসে কৰিব পাৰে। আৰম্ভণিতে মোৰ হাতত কিছু টকা জমা আছিল। কলেজলৈ ওলাই যাওঁতে দেউতাই হাত খৰচ হিচাপে যথেষ্ট টকা দিছিল। আন দহজনী ছোৱালীৰ দৰে মই টকা-পইচা খৰচ কৰা নাছিলো— সুবিধাও নাছিল। পিছলৈ ইমদাদুলৰ জৰিয়তে মোৰ আইতাৰ লগত যোগাযোগ হৈছিল। আইতাই প্ৰতিমাহে ককাৰ পেন্সনৰ পৰা পোৱা টকাৰ এটা অংশ মোলৈ পঠাইছিল। মোৰ স্বৰ্ত আছিল— মা-দেউতাই সেই কথা জানিব নোৱাৰিব। আইতাই মোৰ মৰমত সকলো কৰিছিল। বাংগালুৰৰ কলেজ এখনৰ পৰা কম্পিউটাৰ চায়েন্সত চাৰিবছৰীয়া ডিগ্ৰী লৈ এতিয়া মই মাইক্ৰছফট্‌ৰ কৰ্মচাৰী ইমদাদুলে তেওঁৰ দেউতাকৰ পছন্দ মতে ছোৱালী এজনী বিয়া কৰাইছে।

ঃ ইমদাদুলৰ লগত তুমি বিয়াৰ কথা ভবা নাছিলা?

ঃ মাক নোহোৱা ল'ৰা! দেউতাকে বৰ কষ্টৰে তাক ডাঙৰ-দীঘল কৰিছে। দেউতাকৰ মনত কষ্ট দিয়াৰ কথা ইমদাদুলে ভাবিব নোৱাৰে। মোৰ আইতাইয়ো এটা বেলেগ ধৰ্মৰ ল'ৰাক নাতি জোঁৱাই হিচাবে মানি ল'বলৈ টান পাইছিল। আওপকীয়াকৈ তেওঁ মোক মনৰ কথা জনাইছিল।

ঃ ঠিক আছে, এতিয়া তোমাৰ আৰু আইতাৰ পছন্দ হোৱাকৈ এজন ল'ৰা বিচাৰা। সদায় এনেদৰে থাকিব পাৰিবা জানো?

ঃ সেইবোৰ চিন্তা মই বহুত দিনৰ আগতেই আঁতৰাই পেলাইছো। মই এতিয়া যথেষ্ট টকা দৰমহা পাওঁ আৰু কেইবছৰমানৰ ভিতৰতে মই এটা ভাল অংকৰ টকা জমা কৰিব পাৰিম। তাৰ পাছত মই ঘূৰি ঘাম ককা-আইতাৰ কাষলৈ। তেওঁলোকক এতিয়া কাৰোবাৰ সাহাৰ্য্যৰ প্ৰয়োজন। গাঁৱতে মই এখন কেৰিয়াৰ কাউঞ্চেলিঙৰ স্কুল খুলিব বিচাৰিছো। গাঁৱৰ ভাল ল'ৰা-ছোৱালীবোৰক জীৱনৰ বাটত আগবাঢ়ি যোৱাত মই সহায় কৰিব বিচাৰিছো।

ঃ তোমাৰ জীৱনৰ ইমানবোৰ সমস্যা তুমি অকলেই সমাধান কৰিলা। এবাৰ মোক জনাব পাৰিলাহেঁতেন।

ঃ জীৱন যুদ্ধত সকলো অকলশৰীয়া মামা! তথাপি মাক-দেউতাকৰ মৰম, সাহস — এইবোৰে জীৱনটো বহুত ৰসাল কৰি ৰাখে। নিজৰ নিজৰ অহংকাৰৰ মাজত ডুবি থাকি বহুতো মাক-বাপেকে পাহৰি যায় সন্তানৰ মানসিক যন্ত্ৰণাৰ কথা। মোৰ অনুৰোধ, তোমাৰ সন্তানক তুমি কেতিয়াও নিঃসংগতাবোধত ভূগিব নিদিবা। এটা পৰিৱেশ দিবা য'ত সন্তানে সকলো কথা মাক-বাপেকৰ লগত মুকলিকৈ আলোচনা কৰিব পাৰে। ইমান মানুহ অথচ এই সংসাৰত অকলশৰীয়া হৈ থকাটো কিমান দুৰ্ভাগ্যৰ কথা ভাবি চোৱাচোন!

ঃ অকল আশীৰ্বাদেৰে জীৱনত জয় লাভ কৰিব নোৱাৰি। তথাপি হিয়াভৰা আশীষ যাচিছো তুমি সুখী হোৱা। তোমাৰ উদ্দেশ্য সফল হওঁক।

ঃ আজিলৈ বিদায় মামা— পৰিণীতা!

ঃ বিদায়! শুভেচ্ছাৰে, তোমাৰ মামা!

(গল্পৰ সকলো চৰিত্ৰ কাল্পনিক— লিখক)■

---

❖প্ৰাক্তন ছাত্ৰ, আই. আই. টি., গুৱাহাটীত চাইন্‌টিফিক অফিচাৰ হিচাপে কৰ্মৰত

✡ The penguin is the only bird that can swim, but not fly.
✡ A grasshopper's blood is green in colour.

# গোন্ধ

গীতামণি বৰা*

পৃথিৱীত কিমান ধৰণৰ গোন্ধ পোৱা যায়? হিচাপ থাকেনে আমাৰ? দিনটোত কিমান ধৰণৰ গোন্ধ লওঁ আমি? ৰাতিপুৱা শোৱাৰ পৰা উঠাৰ পৰা ৰাতি শোৱালৈকে অলেখ, অযুত গোন্ধ লওঁ আমি। তেনেকুৱা বহুত গোন্ধ মই আজিও পাহৰিব পৰা নাই। অলপ নষ্টাল'জিক হৈ পৰিলেই সেই চিনাকি গোন্ধবোৰ অজানিতে মোৰ নাকে স্পৰ্শ কৰে। কি সেই আপোন আপোন গোন্ধবোৰ? যিবোৰ আজিও মোৰ বাবে বুকুতকৈও আপোন।

মোৰ ওপজা মাটিৰ গোন্ধ মই আজিও পাহৰিব পৰা নাই। কপিলীখনৰ পাৰতে ৰাস্তাটো পাৰ হৈ আমাৰ ঘৰটো। বাঁহৰ বেৰেৰে সজা মাটিৰে লিপা আমাৰ সৰু ঘৰটোৰ এটা সুকীয়া গোন্ধ মোৰ নাকত লাগি থাকে। যিটো মই এতিয়া মোৰ নিজৰ টকাৰে সজা বিশাল অট্টালিকাটোত বিচাৰি ফুৰো। কিন্তু হতাশ হওঁ মই। সৰুতে আমাৰ ঘৰৰ সন্মুখতে আছিল এখন বহল চোতাল। চোতালখনৰ এটা কাষত মই সৰুকৈ এখন ফুলনি পাতিছিলো। অ'ৰ ত'ৰ পৰা ফুলৰ পুলিবোৰ গোটাইছিলো। দেউতাই মোৰ কথামতেই বাঁহেৰে ফুলনিখন বেৰি দিছিল। সেই ফুলবোৰৰ ভিতৰত মই সকলোতকৈ ভালপোৱা ফুলজোপা আছিল এজোপা খৰিকাজাঁই। আঃ কি সুগন্ধ! সেই গোন্ধই মোৰ মন-প্ৰাণ টানি নিছিল। ৰাতিপুৱা শোৱাৰ পৰা উঠিয়েই মই ফুলনিখন চাবলৈ মোৰ কোঠাটোৰ খিৰিকীখন মেলি দিছিলো। লগে লগে সেই চিনাকি সুগন্ধই মোৰ উশাহ স্পৰ্শ কৰিছিল। মোৰ প্ৰিয় খৰিকাজাঁইজোপাৰ গোন্ধ সেয়া।

সৰুতে মই ঘৰৰ একেটি মাত্ৰ ল'ৰা হোৱাৰ বাবে মা-দেউতাৰ পৰা বৰ মৰম পাইছিলো। কিজানি সপ্তম-অষ্টম শ্ৰেণীলৈকে মই মাৰ চাদৰৰ আঁচল টানি ফুৰিছিলো। মাৰ চাদৰৰ সেই আঁচলটোৰ গোন্ধ মোৰ নাকত আজিও লাগি আছে আৰু মায়ে যেতিয়া দাইলত তেল মাৰে, তেতিয়া যি গোন্ধ ওলায়, সেই গোন্ধ মই পাহৰিব পাৰিমনে? পকা তেলত পাঁচফোৰণ, পিয়াঁজ, জলকীয়া আৰু মিঠিগুটিৰে ভজাৰ যি গোন্ধ সেই গোন্ধ মোৰ মনত পৰিলে আজিও এনেকুৱা লাগে যেন মায়ে দাইলত তেল মাৰিছে আৰু মোক আদৰেৰে মাতিছে "ভাত হ'লহি আৰু দেই সোণ। টোপনি নাযাবি।"

স্কুলত মই সদায় এক নম্বৰ স্থানত আছিলো। কিন্তু ঘৰৰ অৱস্থা সিমান সন্তোষজনক নাছিল। সেইবাবে স্কুলৰ প্ৰধান শিক্ষকে মোক প্ৰধান পাঠ্যপুথিকেইখন নিজাববীয়াকৈ কিনি দিছিল। স্কুলৰ পৰা বছৰৰ আৰম্ভণিতে যেতিয়া মই নতুন কিতাপৰ টোপোলাটো লৈ ঘৰলৈ আহিছিলো তেতিয়া মোৰ বৰ ভাল লাগিছিল। ঘৰলৈ আহি কিতাপবোৰ এখন এখনকৈ তুলি ধৰি দীঘলকৈ তাৰ সুঘ্ৰাণ লৈছিলো। নতুন কিতাপৰ সেই ফুৰফুৰীয়া গোন্ধটো মোৰ বৰ ভাল লাগিছিল। কিতাপবোৰক আপোন আপোন লাগিছিল। সপোন দেখিছিলো এদিন মোৰ নিজৰ এটা পুথিভঁড়াল হ'ব। বহুত কিতাপ থাকিব।

পুথিভঁড়াল হ'লো। কিন্তু এতিয়া কিতাপ পৰিক্ৰমাত

মই অনেক যাতনাৰ সন্মুখীন হৈছিলো। কিন্তু সকলোতকৈ বেছি ভয়ংকৰ আছিল পাপৰিক হেৰুওৱাৰ যাতনাটো। মই বি.এ. ৩য় বাৰ্ষিকত পঢ়ি থাকোতেই পাপৰিৰ বিয়া হৈ গৈছিল এজন ইঞ্জিনীয়াৰৰ লগত। বিয়াৰ পিছতে পাপৰি স্বামীৰ লগত গুচি গৈছিল দিল্লীলৈ চিৰদিনৰ বাবে। পাপৰিক মনৰ কথা ক'ব নোৱাৰিলো। তাই আনৰ হৈ গুচি গ'ল। চিৰদিনলৈ পাপৰিক মনৰ পৰা বিদায় দিছিলো। তথাপিও মনে স্বীকাৰ কৰা নাছিল। সেইবাবে এতিয়াও হয়তো পত্নীৰ পাৰফিউমেৰে মলমলাই থকা দেহৰ গোন্ধৰ মাজত মই পাপৰিৰ সেই আপোন আপোনলগা গোন্ধটি বিচাৰি ফুৰো। কিন্তু নিষ্ফল মোৰ প্ৰচেষ্টা। মই যে এতিয়া মোৰ আপোন গোন্ধবোৰৰ পৰা বহু দূৰত।

এতিয়া মোৰ এটা সুউচ্চ কংক্ৰীটৰ অট্টালিকা আছে, তাকো মুম্বাই মহানগৰীত। চাকৰি গুৱাহাটীতে। বেছিভাগ মুম্বাইৰ ঘৰতে থাকো। এতিয়া মোৰ দামী কাৰ, কাপোৰ একোৰে অভাৱ নাই। খোৱা টেবুলতো বিলাসী খাদ্যৰ সমাহাৰ। ৰান্ধনিয়ে বিধে বিধে যতনাই দিয়া আহাৰ মোৰ পত্নী আৰু ল'ৰা-ছোৱালীহালে বৰ ভাল পায়। মইহে সেইবোৰত আপোন আপোন গোন্ধ নাপাওঁ। মাৰ হাতৰ দাইলৰ গোন্ধটোলৈ মনত পৰে। তথাপিও খাওঁ। ব্যস্ত পৃথিবীৰ ব্যস্ত নাগৰিক মই। দামী কাৰত ফুৰো, দামী আহাৰ খাওঁ, দামী হোটেলত থাকো। কিতাপৰ গোন্ধতকৈ এতিয়া টকাৰ গোন্ধ মই বেছি পাওঁ। আমাৰ গাঁৱৰ ওপজা মাটিৰ গোন্ধৰ ঠাই ল'লে নগৰৰ পৰিবেশে পঢ়িবলৈ মোৰ সময় নাই। এজন ব্যস্ত চৰকাৰী বিষয়া মই। ল'ৰা-ছোৱালীৰ কিতাপ চাবলৈকো আহৰি নাপাওঁ। নতুন কিতাপৰ গোন্ধ ল'বলৈ সময় ক'ত? তথাপিও কেতিয়াবা নতুন কিতাপৰ সেই গোন্ধটো মোৰ বৰকৈ মনত পৰে।

আৰু কিমান গোন্ধ মোৰ স্মৃতিত জীয়াই আছে। আমাৰ ঘৰৰ পদূলিতে থকা আমজোপাৰ গোন্ধ, সন্ধিয়া কাৰেণ্ট নাথাকিলে মায়ে জ্বলাই দিয়া চাকিটোৰ গোন্ধ, বছৰে বছৰে পতা গৰখীয়া সকামত খাবলৈ দিয়া ভোগৰ গোন্ধ, আমাৰ কেঁচা মাটিৰ মজিয়াখন মায়ে গোবৰমাটি দি লিপাৰ পিছত বহুত সময়লৈকে বিয়পি থকা গোন্ধ, মই নিজে বনাই লোৱা বাঁহৰ টেবুলখনত চূণ-তেলেৰে লিপাৰ পিছত এসপ্তাহমানলৈকে বিয়পি থকা গোন্ধ, দেউতাৰ গাৰ ঘামৰ গোন্ধ, দুপৰীয়া স্কুলৰ পৰা পলাই আহি সমনীয়াৰ লগত লোকৰ বাৰীৰ পৰা ৰবাব টেঙা চুৰ কৰি তাৰ লগত নিমখ, জলকীয়া সানি উলিওৱা গোন্ধ, মই সপ্তম শ্ৰেণীত পোৱা বৃত্তিৰে জীৱনৰ প্ৰথম যিখন চাইকেল কিনিছিলো, সেই চাইকেলখনৰ গোন্ধ, এই সকলোবোৰ গোন্ধ মই আজিও পাহৰিব পৰা নাই। হয়তো নোৱাৰিম। এই গোন্ধবোৰতে মই বিচাৰি পাওঁ মোৰ শৈশৱ, কৈশোৰ আৰু মোৰ যৌৱন। মোৰ আত্মাত এই গোন্ধবোৰ মিলি গৈছে। আৰু মোৰ বাবে সকলোতকৈ বেছি আপোন, এতিয়াও মোক প্ৰায়ে আমনি কৰা সেই গোন্ধ! কিহৰ গোন্ধ সেয়া? এৰা। একোছা দীঘল চুলিৰ গোন্ধ আছিল সেয়া। চুলিকোছা আছিল পাপৰিৰ।

ক্লাছত মোতকৈ সদায় এক নম্বৰ পিছত থকা পাপৰি সদায় মোৰ আগৰ বেঞ্চত বহিছিল। তাইৰ কঁকাললৈকে বৈ পৰা চুলিকোছাই মোক বৰ আকৰ্ষণ কৰিছিল। তেতিয়া ছেম্পুৰ প্ৰচলন নাছিল। খুব সম্ভৱ খাৰ, চাবোনেৰেই তাই চুলিকোছা ধুইছিল। চুলিখিনিৰ পৰা কিবা এটা সুগন্ধই মোক সদায় আমনি কৰিছিল। তাই য'তেই থাকে মই যেন চিনাকি চিনাকি গোন্ধ পাওঁ। এৰা। লাহে লাহে চুলিকোছাৰ লগতে গোটেই পাপৰিজনীৰ গোন্ধটোৰেই মোৰ বাবে আপোন হৈ পৰিছিল।

লগৰে ছোৱালী বুলি মই প্ৰায়ে তাইৰ চুলিৰ আগটো নাকৰ ওচৰলৈ নি শুঙি চাইছিলো। তাই বেয়া পোৱা নাছিল। তথাপিও কিয় জানো, তাইৰ সমগ্ৰ দেহৰ সুঘ্ৰাণ ল'ব পৰাকৈ মই তাইক একো খুলি ক'ব নোৱাৰিলো। ধনীৰাম মৌজাদাৰৰ একোজনী ছোৱালী আলাসৰ লাডু পাপৰি। মোৰ দৰে দুখীয়া ল'ৰা এটাই তাইৰ চুলিৰ গোন্ধটোকে যে ল'ব পাৰিছো, সেয়াই বহুত। কিন্তু সেই গোন্ধটিক চিৰদিনলৈ আপোন কৰি লোৱাৰ সপোন বুকুত বান্ধিছিলো। বহুত কষ্ট কৰিছিলো মই। বহুত।

মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ কেইদিনমান আগত দেউতা ঢুকাল। বহুত দুখ পাইছিলো। মাৰ চকুপানী বুকুত

সাবটি মই আগতকৈও বেছি কষ্ট কৰিছিলো। মেট্ৰিকত অসমৰ ভিতৰতে পঞ্চম স্থান লাভ কৰি মই কলা শাখাত নামভৰ্তি কৰিছিলো। এদিন অসম চৰকাৰৰ উচ্চ পদস্থ প্ৰশাসনিক সেৱাৰ পৰীক্ষা দিছিলো আৰু আশা কৰাৰ দৰেই এজন শীৰ্ষস্থানীয় চৰকাৰী বিষয়া হৈছিলো। দেউতা ঢুকোৱাৰে পৰা বিষয়া হোৱালৈকে এই দীঘলীয়া পথ গাড়ী-মটৰৰ ধোঁৱাই, ডাঙৰ ডাঙৰ চিমেণ্টৰে নিৰ্মিত অট্টালিকাবোৰে আৰু কলকাৰখানাবোৰৰ পৰা ওলোৱা বিষবাষ্পবোৰো আৱৰি আছিল। এই গোন্ধবোৰ মোৰ চিনাকি, কিন্তু আপোন নহয়।

এইকেইদিন মই বেছিকৈ নষ্টালজিক হৈ পৰিছো। হয়তো কামৰ হেঁচা অলপ কম হোৱাৰ বাবে। ল'ৰা-ছোৱালীহালৰ গৰম বন্ধ। মাকৰ লগত মোমায়েকৰ ঘৰলৈ পঠাই দিছো। এতিয়া অন্তত কেইদিনমান নিজৰ জগতখনত ডুব যাব পাৰিম।

ৰাতিপুৱাই কামকৰা বাইজনী আহিল। বহুদিনৰ মূৰত অসমীয়া বাতৰিকাকত এখন হাতত ল'লো। এখিলা এখিলাকৈ পাতবোৰ লুটিয়াই গ'লো। আৰু আৰু হঠাৎ! মোৰ চকুৰ আগত জিলিকি উঠিল এখন ফটো!

কাৰ ফটো, কাৰ ফটো এইখন? পাপৰিৰ নহয়নে? মোৰ অন্তৰখনে হাহাকাৰ কৰি উঠিল। এইখন পাপৰিৰে ফটো। কিন্তু এয়া যে শ্ৰদ্ধাঞ্জলি জনাইছে তেওঁৰ পৰিয়ালে।

আস্। এটা গভীৰ কান্দোন মোৰ ডিঙিলৈ উজাই আহিল। পাপৰিৰ ফটোখন শুঙি পেপাৰখন বুকুতে সাবটি ল'লো— তাইৰ চুলিৰ গোন্ধটো মোৰ নাকত লাগিল। কিন্তু তাই যে মোৰ পৰা নহয় এই পৃথিবীৰ পৰাই চিৰদিনলৈ আঁতৰি গ'ল। সেই গোন্ধ আৰু বিচাৰি নাপাম। কিন্তু, কিন্তু কেনেকৈ পাহৰিম সেই সজীৱ আপোন আপোন গোন্ধ.....।

পেপাৰখন আৰু জোৰকৈ সাবটি ধৰিলো। চকুপানীবোৰ ধাৰাসাৰে বৈ আহিল। অনুভৱ কৰিলো চুলিকোছাৰে সৈতে তাইৰ গাৰ গোন্ধ। মোৰ উশাহে স্পৰ্শ কৰিলে সেই গোন্ধ আৰু আত্মাৰ সত্তাত বিলীন হৈ গ'ল চিৰদিনলৈ.....।■

❖স্নাতক তৃতীয় যান্মাসিকৰ ছাত্ৰী



# অটোগ্ৰাফ

সুপ্ৰিয়া দেৱী*

বিশিষ্ট ব্যক্তিৰ অটোগ্ৰাফ লৈ ফুৰাটো প্ৰীতমৰ পুৰণি চখ। ক'ৰবাত কোনোবা অহা বুলি গম পালেই হাতত অটোগ্ৰাফৰ বুকখন লৈ সি দৌৰ মাৰে তেওঁলোকৰ ওচৰলৈ। ভাবি আচৰিত হয় সি— "সফল ব্যক্তি এজনৰ সাধাৰণ একোটা পাকমৰা চহীয়েই কেনেদৰে আন হেজাৰজনক কিবা এটা দি যাব পাৰে। প্ৰেৰণা যোগায়! তাৰো যদি চহীটো.....।" বৰ্তমান প্ৰীতম প্ৰাইভেট কোম্পানীৰ চাকৰিয়াল। চাকৰিৰ ব্যস্ততাৰ মাজতো এই পুৰণি বেমাৰটোৱে তাক আমনি নকৰাকৈ থকা নাই। টিভিৰ চেনেল, বাতৰিকাকত চাই বিজ্ঞ লোকসকল আহিব বুলি জানিলে হেজাৰ বিপদ নাহক, সি যাবই। আজিও ব্যতিক্ৰম নহ'ল। যোৱা কালি নিউজ পেপাৰত সি কথাটো গম পালে। বৰ্তমান প্ৰজন্মৰ জনপ্ৰিয় লেখিকা মৃগাক্ষী চলিহা কলাক্ষেত্ৰলৈ এক বিশেষ অনুষ্ঠানৰ বাবে আহিব। তেওঁৰ লেখাসমূহ প্ৰীতমৰ খুবেই ভাল লাগে। দৈনিক কাকতখনত তেওঁৰ গল্প, কবিতা প্ৰায়েই প্ৰকাশ হৈ থাকে। বাতৰিটো পোৱাৰ পিছৰে পৰাই তাৰ মনটো খু-দুৱাই থাকিল। তেওঁক ওচৰৰ পৰা লগ পাবলৈ তাৰ বৰ ইচ্ছা হ'ল। গতিকে সন্ধ্যা ৫-৩০ বজাত সি কলাক্ষেত্ৰলৈ বুলি যাবলৈ ঠিক কৰিলে। অফিচতো তাৰ দিনটো নাযায়-নুপুৱায় যেন লাগিল। যি কি নহওক, ৪ বজাত ঘৰলৈ গৈ চাহটোপা খায়েই লৰালৰিকৈ সি সাজু হ'ল। হাতত সেই অটোগ্ৰাফ বুকখন। যিখন তাক পৰিস্মিতাই উপহাৰ হিচাপে দিছিল। তাই প্ৰীতমৰ কলেজীয়া দিনৰে বান্ধৱী। মাৰ্জিত স্বভাৱৰ পৰিস্মিতাৰ পঢ়া-শুনাৰ লগত লিখা-মেলা আদিতো যথেষ্ট ৰূপ আছে। কলেজ সপ্তাহত লগ পোৱা পৰিস্মিতাৰ লগত প্ৰীতমৰ ভাল বন্ধুত্ব হৈছিল। প্ৰীতমক সকলো সময়তে সহযোগ কৰিছিল পৰিস্মীতাই। তাইৰ নামটো শুনিলে প্ৰীতমৰ কিয় জানো খুবেই ভাল লাগি যায়। সেই পৰিৰ লগত সম্পৰ্ক নথকা আজি পাঁচ বছৰেই হ'ল। তাৰ খুব জানিবৰ মন যায় তাইৰ কথা। কিন্তু, প্ৰীতমে বহুত চেষ্টা কৰিও নোৱাৰিলে। চাকৰিৰ ব্যস্ততাও বাঢ়িল। গতিকে কথাবোৰ তেনেকৈয়ে থাকি গ'ল। আজি হঠাৎ অটোগ্ৰাফ বুকখন হাতত লৈ তাৰ মনটো উৰি গ'ল অতীতলৈ। বহুদিনীয়া বন্ধুত্বৰ চিনস্বৰূপে পৰিয়ে কলেজৰ শেষ দিনটোত তাক সেইখন উপহাৰ দিছিল। সেইখনৰ প্ৰথম পৃষ্ঠাতে হাতৰ আখৰেৰে লিখা আছিল— "What is success ? When your signature changes to autograph." তাৰ ইচ্ছুক মনটোত আজিও সেই শাৰীকেইটাই যথেষ্ট সাহস দিয়ে। তাৰ চকুৰ আগত ভাহি উঠিল মৰমলগা পৰিৰ মুখখন। ইমান বছৰৰ পিছতো তাৰ বাৰুকৈয়ে মন গ'ল পৰিক লগ পাবলৈ। কেনে আছে বাৰু তাই? নানা কথাই তাৰ মনটো বেৰি ধৰিলে। বন্ধুত্বৰ ছিণ্ডি যোৱা এনাজৰীডাল আকৌ জোৰা লগাবলৈ সি যেন উত্তাৱল হৈ পৰিল। ৱাল ঘড়ীটোৰ সংকেত ধ্বনিতহে সি বৰ্তমানলৈ ঘূৰি আহিলে। তেতিয়া ঘড়ীত পাঁচ বাজিলেই। লৰালৰিকৈ চুলিখিনি ফণিয়াই বাইকখন লৈ সি কলাক্ষেত্ৰ অভিমুখে গতি ল'লে। পোন্ধৰ মিনিটৰ বাটকণো তাৰ আজি এঘণ্টা যেন লাগি। প্ৰায় পাঁচ বাজি বিশ মিনিট যোৱাৰ পিছত সি সভাকক্ষ পালেগৈ। বিৰাট সমাগম মানুহৰ। চাই-চিতি এটা

সুবিধাজনক জেগা বাছি ল'লৈ প্ৰীতমে আৰু ঠিক দহ মিনিটৰ পিছতেই মৃগাক্ষী চলিহাৰ লগতে আন বহু বহু ব্যক্তিসকল আহিব মঞ্চ শুৱনি কৰিবলৈ। প্ৰীতম ব্যাকুল হৈ পৰিল। বেনাৰত ডাঙৰ ডাঙৰ হৰফেৰে লিখা আছে— "সদৌ অসম কবি সন্মিলন"। তেনেতে আহ্বায়কে মাইক্ৰফোনত মৃগাক্ষী চলিহাৰ নামটো সভাৰ বিশিষ্ট অতিথি হিচাপে ঘোষণা কৰিলে। মঞ্চৰ তলত বহি থকা বিশিষ্ট ব্যক্তিসকলৰ লগতে মৃগাক্ষী চলিহাকো মঞ্চলৈ আদৰি নিয়া হ'ল। তেওঁ আসন গ্ৰহণ কৰিলে আন কিছু নবীন-প্ৰবীন কবি, সাহিত্যিকৰ স'তে। প্ৰীতমৰ অশান্তি লাগিল। শেষৰ ছিটত বহা বাবে উপায়ো নাই। আগৰফালেও ছিট নাই, সেয়ে একোৱেই দেখা নাযায়। তেনেকৈয়ে কিছু সময় পাৰ হ'ল। এইবাৰ মাইক্ৰফোনত ভাহি আহিল এটা গহীন কণ্ঠস্বৰ। মাতটো চিনাকি যেন লাগিল প্ৰীতমৰ। বহাৰ পৰা একেজাঁপে উঠি গৈ প্ৰায় দৌৰি যোৱাদি সি মঞ্চৰ সমুখ পালেগৈ। নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান লাগিল তাৰ। সি ভুল কৰা নাইতো? ৰঙা বোৱা মেখেলা-চাদৰ পৰিহিত এখন মৰমলগা মুখ। শান্ত, সৌম্য চেহেৰা। আজি দহ বছৰৰ আগতে লগ পোৱা পৰিৰ মুখখনে তাক বৰকৈ আমনি কৰিলে। হয়, তাৰ ভুল হোৱা নাই। প্ৰীতমৰ সন্মুখতে মঞ্চৰ ওপৰত বক্তৃতা দি আছে তাৰেই প্ৰিয় বান্ধৱী— পৰিস্মিতাই। তেন্তে, মৃগাক্ষী চলিহা পৰিস্মিতা বৰুৱাৰে নাম। লিখা-মেলাৰ খাতিৰতে চাগৈ নামটো সলনি কৰিছে। এটা বুজাব নোৱাৰা অনুভূতিয়ে তাৰ দেহ-মন চুই গ'ল। ভাল লাগিল তাৰ অতদিনৰ মূৰত পৰিক দেখি। বাঃ। সেই পৰিৰ পৰা অটোগ্ৰাফ ল'বলৈকে তাৰ কিমান দিনৰ প্ৰস্তুতি! পৰিচয় দিয়া অটোগ্ৰাফ বুকখনতে সি এতিয়া তাইৰ অটোগ্ৰাফ লব'নে? ওঁহো, সি নিবিচাৰে তাইৰ অটোগ্ৰাফ। তাইক ওচৰৰ পৰা লগ কৰি বহুত কথা পাতিব সি। তাইৰ ভাল-বেয়া খবৰ ল'ব। সি গৌৰৱ অনুভৱ কৰিলে।—"তাৰ প্ৰিয় বান্ধৱী পৰি আজি তাৰ প্ৰিয় লেখিকা হ'ল। পৰিৰ পৰা অটোগ্ৰাফ ল'বলৈকেতো বহু কাম পেলাই সি এইখিনি পাইছেহি। তাৰ মনত অগা-ডেৰা কৰি গ'ল সেই শাৰীকেইটাই।" "What is success? When your signature changes to autograph." ■

❖উচ্চতৰ মাধ্যমিক, দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী



# লক্ষ্য ঃ এক অনন্য যাত্ৰা

গৰিমা দাস❖

সিহঁতেও সপোন দেখিছিল। পখিলা খেদা বয়সৰ পৰাই সিহঁতে সপোন দেখিছিল। কেতিয়াবা পৰীৰ সপোন, কেতিয়াবা ৰাজকুমাৰ-ৰাজকুমাৰীৰ সপোন আৰু কেতিয়াবা চৰাইৰ দৰে আকাশত উৰাৰ সপোন। সময়ৰ লগে লগে সলনি হৈছিল সিহঁতৰ সপোন। পিছলৈ সিহঁতে সপোন দেখিছিল কিবা এটা কৰাৰ। স্বাৱলম্বী হোৱাৰ। আকৌ এবাৰ সলনি হৈছিল সিহঁতৰ সপোন। এইবাৰ সিহঁতে সপোন দেখিছিল কেৱল নিজৰ বাবেই নহয় আনৰ বাবেও কিবা এটা কৰাৰ। গভীৰ পৰিকল্পনা কৰিছিল সিহঁতে সিহঁতৰ সপোনবোৰ বাস্তৱ কৰাৰ বাবে। আৰু যেতিয়া সিহঁতে ভবামতেই সকলো হৈছিল তেতিয়া হঠাৎ মণিময়ৰ এই সিদ্ধান্ত! এয়াতো সিহঁতৰ চিনাকি মণিময় নহয় এয়া যে আন এক মণিময়। যাক সিহঁতে ইমান বছৰে জনাই নাছিল। আনকি নীলায়ো জনা নাছিল।

**সপোনৰ পাছে পাছে ...**

পৰিকল্পনামতেই সকলোবোৰ কৰিছিল সিহঁতে। সেই যে সিহঁতে বি.এ.ৰ ফাইনেল পৰীক্ষা দিয়াৰ সময়তে দুৰ্ঘটনাটো ঘটিছিল তেতিয়াই সিহঁত পাঁচটাই মানে মণিময়, নীলা, অনুৰাগ, নিয়ৰ আৰু অনুৰাধাই ঠিক কৰিছিল সিহঁতৰ অঞ্চলত দ্বিতীয়বাৰ এনে ঘটনা ঘটিবলৈ নিদিয়ে সিহঁতে। দেওবাৰ আছিল সেইদিনা। সিহঁত পাঁচোটা ব্যস্ত আছিল নীলাহঁতৰ ঘৰত কথাৰ মহলা মৰাত। সিহঁতে কথা পাতিছিল। সিহঁতৰ ভৱিষ্যতৰ কথা। সিহঁতৰ সপোনবোৰৰ কথা। সপোন দেখিছিল সিহঁতৰ সপোনবোৰ সঁচা কৰাৰ। সেই সময়তে উধাতু খাই লৰি আহিছিল দ্বীপ আৰু সেই সংবাদটো দিছিল, যিটো সংবাদে সলনি কৰি পেলালে সিহঁতৰ সপোন।

**বাস্তৱৰ অচিনাকি ছবি ...**

অসীম। সিহঁতৰ অঞ্চলৰ ভিতৰতে আগৰণুৱা ল'ৰা আছিল অসীম। পঢ়া-শুনাত সাংঘাতিক চোকা নাছিল যদিও একেবাৰে বেয়াও নাছিল। কল্পনাপ্ৰৱণ ল'ৰাটোৱে কবিতা লিখি বৰ ভাল পাইছিল। তাৰ সৰহসংখ্যক কবিতাৰ উৎস আছিল তাৰ প্ৰেয়সী অনিতা। এল. পি. স্কুলৰ পৰাই একেলগে পঢ়িছিল দুয়োটাই। ডাঙৰ হৈ অহাৰ লগে লগে এটা আনটোৰ ছাঁৰ দৰে হৈ পৰিছিল। মাক-দেউতাকৰ একমাত্ৰ ল'ৰা আছিল অসীম। তাৰ বায়েকৰ বিয়াৰ এবছৰমান পাছত হঠাৎ তালৈ এটা প্ৰস্তাৱ আহিছিল। তাৰ লগৰ এটাই কৈছিল সি যদি দুই লাখ টকা দিব পাৰে তেন্তে তাৰ চাকৰি হোৱাটো খাটাং। টকা দি চাকৰি কিনাৰ পক্ষপাতী কেতিয়াও নাছিল সি। কিন্তু, অনিতাৰ দেউতাকে যে কৈছিল তাক তাৰ এটা চাকৰি নহ'লে অনিতাক তালৈ বিয়া নিদিয়ে তেওঁ। কিন্তু দুই লাখ টকা সি ক'ৰ পৰা দিব। বায়েকৰ বিয়াৰ পাছত সিহঁতৰ স্থাৱৰ সম্পত্তি বুলিবলৈ কেৱল সিহঁতৰ ঘৰ আৰু ঘৰৰ ভেটিটোহে বাকী ৰৈছিলগৈ। সি কি কৰিব কি নকৰিব চিন্তা কৰি থাকোতেই তাৰ লগৰটোৱে এজন মানুহৰ পৰা দুই লাখ টকা সুতৰ বিনিময়ত আনি দিলে। চাকৰি হোৱাৰ পিছত সি সেই টকা সুতেমূলে এবছৰৰ ভিতৰত উভতাই দিয়াৰ কথা কৈছিল। কিন্তু গোটেই কথাবোৰ খেলি-মেলি হৈ গ'ল। চাকৰিটো সি নাপালে। ঘূৰাই নাপালে তাৰ দুই লাখ টকাটোও। গোটেই ঘটনাবোৰ একে পাকতে তাৰ বিৰুদ্ধে হৈ গ'ল। তাৰ

প্ৰেয়সী অনিতাৰ চহৰৰ এজন ধনী ল'ৰাৰ লগত বিয়া ঠিক হ'ল। ধাৰে অনা দুই লাখ টকাৰ সুতো বাঢ়ি গ'ল। এটা এটাকৈ তালৈ অহা ধমকীবোৰ বাঢ়ি গ'ল। টকাখিনি বিচৰাৰ নামত প্ৰতিদিনে সিহঁতৰ ঘৰত এক অকল্পনীয় পৰিস্থিতিৰ সৃষ্টি হ'ল। সি টকা অনা মানুহজনৰ ভেৰণীয়া গুণ্ডাৰ হাতৰ পৰা সাৰি নগ'ল তাৰ বৃদ্ধ মাক-দেউতাকে। তাৰ চকুৰ সন্মুখত তাৰ মাক-দেউতাকক অপমান কৰোতেও সি একো কৰিব নোৱাৰিলে। তাৰ হাতত যে একোৱেই নাছিল। একোৱেই।

বৰ হীনমন্যতাত ভুগিছিল সি। তাৰ বাবেই তাৰ মাক-দেউতাকে কষ্ট পোৱা দেখি সি বেছি দুখ পাইছিল। এদিন সি এটা ভাবুকি পাইছিল। হত্যাৰ। টকা দিব নোৱাৰিলে তাক হত্যা কৰাৰ ভাবুকি দিছিল। সি বুজিছিল তাৰ মৃত্যুৱেহে তাৰ মাক-দেউতাকৰো কষ্ট দূৰ কৰিব। ধাৰ পৰিশোধ কৰাৰ কোনো উপায় নাছিল তাৰ। কবিতা লিখিতো এই দেশত টকা ঘটিব নোৱাৰি। নোৱাৰি কবিতা লিখি জীয়াই থাকিব। সি আত্মহত্যা কৰিলে। হৃদয়ত লৈ গ'ল আধুনিক সমাজ ব্যৱস্থা আৰু সমাজৰ মানুহৰ প্ৰতি বহুতো ক্ষোভ।

**অন্য এক বাস্তৱ ...**

ইয়াৰ পাছতেই সলনি হৈ গ'ল মণিময়হঁতৰ জীৱন। মণিময়ে অসীমৰ ঠাইত নিজক কল্পনা কৰিলে। মণিময়ৰ কাৰণে চাকৰি-টকা ইমান ইম্পৰটেণ্ট নহয়, কিন্তু যদি নীলাক কোনোবাই তাৰ পৰা কাঢ়ি নিয়ে তেতিয়া হয়তো সিও জীয়াই থাকিব নোৱাৰিব। সিহঁতে বহুত চিন্তা কৰিলে, কি কৰিলে সিহঁতে নিজৰ লগতে সিহঁতৰ অঞ্চলৰ আন ল'ৰা-ছোৱালীকো সংস্থাপন এটা দিব পাৰিব। নিজৰ ভৰিত থিয় হ'ব পাৰিব। যাতে কাইলৈ চৰকাৰী চাকৰি কিনিবলৈ গৈ আন এটা অসীম বাধ্য নহয় নিজক হত্যা কৰিবলৈ।

বি. এ. পৰীক্ষা দিয়াৰ পাছত নীলা আৰু মণিময় পৰিকল্পনামতেই চহৰলৈ গ'ল। দুবছৰীয়া ফেশ্বন ডিজাইনিঙৰ ক'ৰ্চ কৰাৰ বাবে। নিয়ৰে কম্পিউটাৰৰ ক'ৰ্চ কৰিলে। ইফালে অনুৰাগ আৰু অনুৰাধাই খেতিত হাত দিলে। লগতে অনুৰাগৰ দেউতাকে সিহঁতৰ আগ্ৰহ দেখি এখন নাৰ্ছাৰীও খুলি দিলে। অনুৰাগহঁতৰ লগ লাগিল আন ছজন যুৱক-যুৱতী। লাহে লাহে সঁচা হ'বলৈ ধৰিলে সিহঁতৰ সপোনবোৰ। দুবছৰত সিহঁতে যথেষ্ট উন্নতি কৰিলে। অনুৰাগৰ নাৰ্ছাৰীত ইতিমধ্যে দহজন নিবনুৱাক সংস্থাপন দিলে। অনুৰাধাই নিজেই নাৰ্ছাৰীৰ তদাৰক কৰিলে। বাঢ়ি আহিল সিহঁতৰ আদৰ্শেৰে খেতি কৰিবলৈ আগবাঢ়ি অহা যুৱক-যুৱতীৰ সংখ্যাও। প্ৰথমে সিহঁতে খেতি কৰিবলৈ লওঁতে হঁহা মানুহবোৰে এতিয়া সিহঁতক লৈ গৌৰৱ কৰা হ'ল।

ইতিমধ্যে নীলা আৰু মণিময়ো উভতি আহিল সিহঁতৰ ফেশ্বন ডিজাইনিঙৰ ক'ৰ্চ সম্পূৰ্ণ কৰি। সিহঁতে গাঁৱতে সিহঁতৰ অঞ্চলৰ পোন্ধৰজন যুৱক-যুৱতীক লৈ সিহঁতৰ ইণ্ডাষ্ট্ৰি খুলিলে। খুব সুন্দৰভাবে আগবাঢ়ি সিহঁতৰ কাম। চহৰৰ এটা কোম্পানীৰ লগত চুক্তি কৰিলে সিহঁতে। লাহে লাহে সিহঁতে ডিজাইন কৰা কাপোৰৰ চাহিদা বাঢ়িল। সিহঁতে কম খৰচত সুন্দৰ ডিজাইনেৰে বনোৱা পোছাক সৰু-ডাঙৰ সকলোৰে মাজত জনপ্ৰিয় হ'ল। বাঢ়ি গ'ল সিহঁতৰ কাম। বাঢ়ি গ'ল সিহঁতৰ ইণ্ডাষ্ট্ৰিৰ কৰ্মচাৰীৰ সংখ্যা। ইফালে নিয়ৰে অনুৰাগৰ সহায়ত দুটা কম্পিউটাৰ কিনি এটা ইনষ্টিটিউট খুলিলে। তাৰ ষ্টুডেণ্টৰ সংখ্যা বঢ়াত এবছৰৰ ভিতৰতে আৰু দুটা কম্পিউটাৰ কিনিলে।

**পৰিৱৰ্তনৰ আঁৰত ...**

সকলোবোৰ গল্পৰ দৰে হৈ গৈছিল। সিহঁতে ভবাৰ দৰেই এক বিপ্লৱে গা কৰিছিল সিহঁতৰ অঞ্চলত। কিন্তু হঠাৎ জানো কি হ'ল! সকলোবোৰ খেলি-মেলি হৈ গ'ল। কালি মণিময় চহৰত সিহঁতৰ কাপোৰ জমা দিবলৈ গৈছিল। লগত গৈছিল অনুভৱ। চহৰৰ পৰা অহাৰ পিছতেই তাৰ আচৰণ সলনি হ'ল। সি যেন বৰ চিন্তাত আছে। নীলাই বাৰে বাৰে সুধিও একো উত্তৰ নাপালে তাৰ পৰা। আৰু সন্ধ্যা সিহঁত চাৰিওটাকে একেলগে মাতি আনি সি এটা আচৰিত কথা ক'লে। সিহঁতে অচিনাকিৰ দৃষ্টিৰে চালে মণিময়লৈ। মণিময়ে এনে সিদ্ধান্ত কেনেদৰে ল'ব পাৰে। নীলাৰ দুচকুৱে চকুলো বৈ আহিল। মণিময় মুম্বাইলৈ যাব বিচাৰিছে। তাক হেনো কালি চহৰলৈ যাওঁতে এজন মানুহে লগ পাইছিল। মানুহজনে

তাক মুম্বাইলৈ যোৱাৰ কথা কৈছে। সিহঁতৰ কাম হেনো তাত খুব চলিব। সিহঁতৰ দৰে টেলেণ্টৰ হেনো তাত খুবেই প্ৰয়োজন। নীলাহঁতে মণিময়ক কেনেকৈ বুজাব ভাবি নাপালে। মণিময় হঠাৎ এনেকৈ সলনি হ'ব পাৰেনে! সিহঁতে জনা মণিময়তো কেতিয়াও টকা আৰু ক্ষমতাৰ পিছত দৌৰা নাই। তেনেহ'লে এই মণিময়। নীলাৰ বাবেও অচিনাকি এই মণিময়। মণিময়ে নীলাকো তাৰ লগত ওলাবলৈ ক'লে। দুদিন পিছতেই সি যাব।

নীলাই দুদিন তাৰ লগত কথা নপতাকৈ থাকিল। ভাবিছিল সি আনবাৰ ভুল কৰি ছৰী কোৱাৰ দৰে এইবাৰো আহি তাইক ছৰী ক'ব। ক'ব সি ভুল ভাবিছিল। সিহঁতৰ সপোনবোৰতো ইয়াতেই আছে। সিহঁত দুয়োটাই একেলগে থাকিলে কেৱল সিহঁতৰে নহয় আন বহুতৰে সপোন সজাব পাৰিব। কিন্তু মণিময় নাহিল। যোৱাৰ সময়তো সি আনকি নীলাহঁতক মাত নলগালে।

**একেখন ফুলনিৰ ফুল ...**

নিশা বাৰ বাজি গ'ল। নীলাহঁতৰ ঘৰতে নিয়ৰ, অনুৰাগ আৰু অনুৰাধা বহি আছিল। ডিভানখনত বহি আছিল নীলা। নিশ্চুপ হৈ আছিল আটাইকেইটা। নীলা ভাগি পৰিছিল। মণিময়ৰ এই পৰিৱৰ্তনত ভীষণ আঘাত পাইছে তাই। বুজাব পৰা নাই তাইক নিয়ৰহঁতে। বুজাব পৰা নাই তাই নিজে নিজক। কেৱল উচুপি আছে তাই। বাগৰি আছে দুগালেৰে তাইৰ তপত চকুলো। হঠাৎ দুৱাৰত টোকৰ পৰিল। সিহঁত আচৰিত হ'ল। এই ৰাতিখন কোন আহিল। নিয়ৰ উঠি দুৱাৰখনৰফালে গ'ল। অনুৰাগো তাৰ লগত গ'ল। দুৱাৰখন খুলি সিহঁতে চিঞৰি উঠিল, “মণিময় তই”। নীলা আৰু অনুৰাধা দৌৰি আহিল। মণিময়ে নীলালৈ চালে। নীলাই লাহেকৈ সুধিলে, “তুমি নগ'লা মণিময়?” মণিময় আগুৱাই আহিল আৰু নীলাৰ হাত এখন নিজৰ হাতৰ মাজত লৈ ক'লে, “কেনেকৈ যাম নীলা? মোৰ সপোনবোৰতো ইয়াতে আছে। তোমাৰ লগত। নিয়ৰহঁতৰ লগত। অলপ সময়ৰ কাৰণে মই পাহৰি গৈছিলো নিজক। প্লিজ, তোমালোকে মোক ক্ষমা কৰি দিয়া। প্লিজ।” মণিময়ে উচুপি উঠিল। অনুৰাধাই ক'লে, “অ'ই তই কান্দি দেখুৱাব নালাগে। তোক আমি ক্ষমা কৰি দিছো। কিন্তু এটা কথা, নীলাক তই এই দুদিন বহুত কষ্ট দিলি। বেচেৰীয়ে চাগৈ এই দুদিন পানী এটুপিও মুখত দিয়া নাই। সেই কাৰণে এতিয়া তই নীলাক চম্ভাল।” মণিময়ে নীলালৈ চালে। তাইৰ দুগালেৰে তেতিয়াও চকুলো বাগৰি আছিল। মণিময়ে নীলাৰ চকুপানীবোৰ হাতেৰে মচি দিলে। নীলাই উচুপি উঠিল আৰু মণিময়ক সাবটি ধৰিলে। মণিময়ে তাইৰ চুলিত হাত বুলাই দিলে আৰু ক'লে, “ছৰী নীলা। মই কথা দিছো। মোৰ কাৰণে তুমি আৰু কেতিয়াও চকুলো টুকিব নালাগে। কেতিয়াও।” “হ'ব দে মণিময়। নীলাই বুজি পাইছে। তহঁতে এতিয়া পাব্লিকৰ মাজত ৰোমাঞ্চ বন্ধ কৰ।” নিয়ৰে ক'লে। তাৰ কথাত আটাইকেইটাই ঢেকঢেকাই হাঁহি উঠিল। নিশাৰ আন্ধাৰতো সিহঁতৰ মুখবোৰ উজলি উঠিল। পুৱাৰ বেলিটোৰ দৰে।■

---

❖স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰী

## Great Thoughts

"Winning doesn't always mean being first, winning means you are doing better than you have done before."

**–Bonnie Blair.**

# স্বাৰ্থপৰ

শিৱপ্ৰসাদ বৰা⁂

**কা**লি ৰাতি গাঁৱৰ পৰা ফোনটো অহাৰ পিছত তাইৰ মনটো উগুল-থুগুল হৈ আছে। সৰুতে তাইক নাটক শিকোৱা ভৱেন বৰঠাকুৰে নিজেই ফোনটো কৰিছিল। গাঁৱত এইবাৰ নাটক কৰিবলৈ নিমন্ত্ৰণ কৰা নাটকৰ নায়িকাগৰাকী বোলে কিবা কথাত নাটকৰ পৰা আঁতৰি গৈছে। এতিয়া স্মিতাই হৈছে তেওঁলোকৰ প্ৰধান ভৰষা। নাটকখনৰ লগতে গাঁওখনৰো সন্মানৰ কথা আছে। স্মিতাই কথাখিনি মনতে জুকিয়াই চালে। এফালে নাৰ্ছিংহোমত এক্সিডেণ্ট হোৱা গিৰিয়েক, ঘৰত শাহুয়েক আৰু আনফালে নিজৰ আপোন গাঁওখনৰ মানুহ। বিশেষকৈ ভৱেন বৰঠাকুৰ ছাৰৰ ভৰষা তাইৰ ওপৰত। কিন্তু সেই একেখিনি মানুহেই তাইৰ বিয়াৰ আগলৈকে ঘৰৰ মানুহখিনিৰ ওপৰত কম মানসিক নিৰ্যাতন চলাইছিলনে! তাইৰ দেউতাকৰ অসুস্থতাৰ বাবে চহৰত থাকি কাম বিচাৰি ফুৰা স্মিতাক লৈ তেতিয়া গাঁৱৰ মানুহৰ মুখে মুখে বুবু বাবা চলিছিল। তথাপিও বৰঠাকুৰ ছাৰ, যিয়ে তাইক এদিন নাটকৰ বাবেই ঘৰৰ পৰা উলিয়াই আনিছিল, প্ৰতিটো কামত উৎসাহ দিছিল, তেওঁক কিদৰে পাহৰিব? পাৰিব জানো তেওঁৰ আশাত চেঁচাপানী ঢালিব। নাই নোৱাৰে। তাই এনে কাম কেতিয়াও কৰিব নোৱাৰে।

ঃ স্মিতা........ স্মিতা........

গিৰিয়েক অৰুণাভৰ মাততহে তাইৰ সম্বিৎ ঘূৰি আহিল। তাই ইমানপৰে তাইৰ অতীত জীৱনৰ কথাকে ভাবি আছিল।

ঃ কি হ'ল স্মিতা, তুমি ইমান অন্যমনস্ক হৈ আছা যে? — অৰুণাভে সুধিলে।

স্মিতাই এতিয়া কি ক'ব কি নক'ব ভাবি নাপালে। তাইৰ গিৰিয়েক অৰুণাভৰ আজি দুদিন আগতে অট'ৰ এক্সিডেণ্ট হৈছে। এতিয়া তাই কিদৰে অৰুণাভৰ এই অৱস্থাত এৰি গাঁৱলৈ নাটক কৰিবলৈ যাব। অৰুণাভে মানা নকৰিলেও তাইৰতো কাণ্ডজ্ঞান বুলি কথা এটা আছে। শাহুৱেকে কি বুলি ভাবিব! তথাপি অৰুণাভৰ প্ৰশ্নত তাই গাঁৱৰ পৰা বৰঠাকুৰ ছাৰে ফোন কৰা কথাটো ক'লে।

ঃ তেনেহ'লে তুমি কি ভাবা? ছাৰৰ ইমান অনুৰোধ উপেক্ষা কৰি তুমি থাকিব পাৰিবা। মই এতিয়া সুস্থ হৈছোৱেই। মাক মই বুজাম। তুমি যোৱা। — অৰুণাভে ক'লে।

ঃ কিন্তু.....

ঃ কোনো কিন্তু নাই, মই তোমাক নাটক কৰাৰ পৰা কেতিয়াও বঞ্চিত কৰিব নোৱাৰো।

অৰুণাভে স্মিতাক বহুত সময় বুজোৱাৰ পিছত তাই গাঁৱলৈ যাবলৈ মান্তি হ'ল।

পুৱাৰ হেঙুলি কিৰণে তেতিয়া পৃথিৱী উদ্ভাসিত কৰি তুলিছিল। চাহবাগানৰ পাতবোৰৰ ওপৰত শৰতৰ আগমনৰ চিনস্বৰূপে নিয়ৰ পৰি ৰ'দৰ পোহৰত জলমলাই উঠিছিল। গাড়ীৰে গৈ থাকোতে তাইৰ মনটো শৈশৱলৈ উৰা মাৰি গ'ল। সৰুতে দেউতাক আৰু ভনীয়েকৰ সৈতে পূজা চোৱা দিনবোৰলৈ মনত পৰি তাইৰ দুচকু সেমেকি উঠিল। শৈশৱৰ



120

দিনবোৰত বুৰ গৈ কেতিয়াবা গাঁও পালেহি. তাই গমেই নাপালে।

নাটকৰ ৰিহাৰ্ছেল হ'ল গাঁৱৰ পুথিভঁৰালত। নাটকৰ ৰিহাৰ্ছেল দুদিন চলিল। তাই বৰঠাকুৰ ছাৰৰ নিৰ্দেশত কথাবোৰ এই দুদিনতে আযত্ত কৰি ল'লে। তাই গাঁওখনৰ যথেষ্ট পৰিৱৰ্তন দেখিলে। গাঁৱৰ মানুহৰ মনবোৰ আগৰ দৰে হৈ থকা নাই নেকি! স্মিতাই ভাবিলে।

কিন্তু নাটকৰ ৰিহাৰ্ছেলৰ তিনি দিনৰ দিনা তাই ভনীয়েকৰ মুখত যি কথা শুনিলে সেই কথা শুনি তাই নিজৰে কাণক বিশ্বাস কৰিব নোৱাৰিলে। নাটকৰ বাবে প্ৰথমতে ঠিক কৰা নায়িকাগৰাকী বোলে লাইব্ৰেৰীৰ সম্পাদকৰ সম্পৰ্কীয় হোৱা বাবে তাইক সৈমান কৰাই পুনৰ উভতাই আনিছে। বৰঠাকুৰ ছাৰে কথাটো নিজে ক'ব নোৱাৰি ভনীয়েকৰ আগত কৈ পঠাইছে।

ঃ কিন্তু কিয়? — স্মিতাই চিঞৰি উঠিল।

তাই কি নাটকখনৰ কাৰণে যোগ্য নাছিল? বৰঠাকুৰ ছাৰৰ প্ৰতিটো নিৰ্দেশেই তাই দেখোন অতি হেঁপাহেৰে পালন কৰিছিল। বৰঠাকুৰ ছাৰো সন্তুষ্ট হৈছিল। কিন্তু তাইক কিয় প্ৰতাৰণা কৰা হ'ল। বৰঠাকুৰ ছাৰ ইমান স্বাৰ্থপৰ হ'ব পাৰেনে? নাই, বৰঠাকুৰ ছাৰে এই কাম কেতিয়াও নকৰে। তেওঁ চক্ৰান্তৰ বলি হৈছে। নহ'লেনো সেই দেউতাকৰ বয়সৰ লোকজনে তাইৰ অন্তৰ এনেদৰে ভাঙিব পাৰেনে। স্মিতাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে।

এইখনেই সেই গাঁওখন, যিখনৰ সন্মানৰ কাৰণে তাই নিজৰ এক্সিডেণ্ট হোৱা গিৰিয়েকক নাৰ্ছিংহোমত এৰি থৈ আহিছিল। তাইক এইদৰে লাজত পেলাবলৈ কিয় মাতি অনা হ'ল তাই বুজি নাপালে। তাই গাঁৱৰ আগৰ মানুহখিনি আৰু এতিয়াৰ চামৰ মাজত কোনো পাৰ্থক্য বিচাৰি নাপালে। ভীষণ স্বাৰ্থপৰ এই মানুহখিনি। নিজৰ বিপদৰ সময়ত তাইক মাতি আনি এতিয়া কৈ দিয়া হ'ল যে আগৰ নায়িকাগৰাকী ঘূৰি আহিছে গতিকে তাই........।

স্মিতাই গাঁৱত এখন্তেকো নৰৈ বাছত উঠিল। এতিয়া তাই শাহুয়েক আৰু অৰুণাভক কি বুলি ক'ব। তাই জানো ক'ব পাৰিব যে তাইৰ নিজৰ আপোন মানুহখিনিয়েই তাইক প্ৰতাৰণা কৰিলে। দলিয়াই পেলালে অপ্ৰয়োজনীয় বস্তু হিচাপে। অথচ সেইখন গাঁৱৰ সন্মান ৰক্ষাৰ বাবে তাই এইদৰে দুদিন আগতে ঢাপলি মেলি আহিছিল। তাই আৰু কোনো দিন এই গাঁৱলৈ নাহে। কিন্তু পাহৰিব পাৰিব জানো তাইৰ শৈশৱ, কৈশোৰৰ স্মৃতি বিজড়িত এই আপোন গাঁওখনক?

পশ্চিম আকাশত তেতিয়া সূৰুযে মেলানি মাগিছিল। সমগ্ৰ ধৰাক এন্ধাৰৰ কৰাল গ্ৰাসত আবদ্ধ কৰাই নীৰৱে আঁতৰি গৈছিল সূৰুয এটা দিনৰ অন্তত। মাথোঁ শপত দিছিল নতুন প্ৰভাতৰ ৰশ্মিমালাত উজলিব নতুন দিন আৰু সেউজ পৃথিৱী।■

❖ স্নাতক তৃতীয় ষান্মাসিকৰ ছাত্ৰ

## MORAL

✡ I love to think of nature as an unlimited braodcasting station, through which God speaks to us every hour, we only tune it.

**–George Washington Carver.**

বি
ত
র্ক

# প্ৰসংগ ঃ যুৱ উচ্ছৃংখলতা



আজিৰ যুৱচামটোৰ ওপৰতে নিৰ্ভৰ কৰে এখন সমাজৰ ভৱিষ্যৎ। পৰিসংখ্যাৰ দিশৰ পৰা ভাৰতবৰ্ষক এতিয়া এখন যুৱকৰ দেশ বুলি কোৱা হয়। আজিৰ যুৱচাম আগৰ প্ৰজন্মসমূহতকৈ পৃথক ঃ চিন্তাৰেই হওঁক বা কৰ্মৰেই। শিক্ষাৰ প্ৰসাৰ, বস্তুগত আন্তঃগাঁথনিৰ উন্নয়ন, তথ্য প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰ আদিয়ে সৃষ্টি কৰা পৰিবেশে আজিৰ চাম যুৱকক আগতকৈ পৃথক হোৱাত সহায় কৰিছে।

আজিৰ এই যুৱচামৰ চিন্তা আৰু কৰ্মক কিন্তু পুৰণি প্ৰজন্মসমূহে সন্দেহ আৰু অবিশ্বাসেৰেহে নিৰীক্ষণ কৰিছে। এচাম পুৰণিৰ মতে আজিৰ চাম যুৱক উশৃংখল, দিক্‌ভ্ৰষ্ট ঃ এওঁলোকৰ পৰা ভৱিষ্যৎ সমাজে বিশেষ আশা কৰিব পৰা অৱস্থা নাই। আন এচামৰ মতে আকৌ আজিৰ যুৱচাম প্ৰচুৰ মেধাসম্পন্ন আৰু সম্ভাৱনাপূৰ্ণ ; কেৱল সু-নেতৃত্বৰ অভাৱত এইচাম যুৱক হতাশ হৈছে, দিক্‌ভ্ৰান্ত হৈছে।

বাস্তৱটো কি? আমি জানিবলৈ চেষ্টা কৰিছিলো এক বিতৰ্কৰ মাধ্যমেৰে। আজিৰ যুৱচামক আমি সঠিক পথেৰে আগুৱাই নিব পাৰিলেহে ভৱিষ্যতে এক সুন্দৰ সমাজ পাব পাৰিম। সেয়ে যুৱচামক এক সঠিক পথৰ সন্ধান দিয়াৰ উদ্দেশ্যেৰে আমি অৱতাৰণা কৰিছিলো কিছুমান প্ৰশ্নৰ। এই প্ৰশ্নবোৰৰ উত্তৰতে লুকাই আছে আমি বিচৰা 'বাৰ্তা'। আমি সাম্প্ৰতিক যুৱ প্ৰজন্মৰ বিষয়ে মহাবিদ্যালয়ৰ কেইবাজনো জ্যেষ্ঠ অধ্যাপক আৰু কৰ্মচাৰীৰ মতামত বিচাৰিছিলো। এই প্ৰতিবেদনৰ প্ৰথম ভাগত আমি আগবঢ়াম এইসকলৰ মতামত। আলোচিত বিষয়টোৰ ওপৰত যুৱচামৰ মতামত নাজানিলে সমগ্ৰ প্ৰসংগটোৱে আধৰুৱা হৈ ৰ'ব। সেয়ে আমি মতামত সংগ্ৰহ কৰিছিলো ছাত্ৰ-ছাত্ৰীৰ পৰাও। এওঁলোকৰ মতামতৰ বিশ্লেষণ আগবঢ়োৱা হ'ব প্ৰতিবেদনৰ দ্বিতীয় ভাগত।

<u>প্ৰথম ভাগ</u> ঃ

মহাবিদ্যালয় শিক্ষক-কৰ্মচাৰী কেইজনৰ সন্মুখত আগবঢ়োৱা আমাৰ প্ৰশ্নসমূহ আছিল ঃ

১। আজিৰ যুৱ-প্ৰজন্ম আগৰ তুলনাত যথেষ্ট আগবঢ়া। আমেৰিকাৰ ৰাষ্ট্ৰপতি বৰাক ওবামাইও সমীহ কৰে এই প্ৰজন্মৰ মেধাক। আকৌ আন এচামৰ মতে 'আজিৰ যুৱ-প্ৰজন্ম উশৃংখল, দিশহাৰা'। আপুনি কোনটো ধাৰণা সমৰ্থন কৰে? কিয়?

২। বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত উন্নয়নে আজিৰ যুৱ চামৰ সন্মুখত সুযোগ আৰু সম্ভাৱনাৰ এখন পৃথিৱী সৃষ্টি কৰিছে। তথাপিও আজিৰ যুৱ চাম নিজৰ কৰ্মৰ প্ৰতিয়েই হওক বা জীৱনৰ প্ৰতিয়েই হওক, যেন আগৰ চামতকৈ Casual। কিয় এনে হৈছে?

৩। প্ৰতিযোগিতা আৰু উচ্ছাকাংক্ষাই আজিৰ যুৱ প্ৰজন্মক সংবেদনহীন আৰু নৈতিকতাৰহিত কৰি তুলিছে নেকি? যদি হয়, এখন ভৱিষ্যত সুন্দৰ সমাজৰ স্বাৰ্থত এনে পৰিস্থিতিক মোকাবিলা কৰাৰ উপায় কি?

তলত মহাবিদ্যালয়ৰ কেইজনমান জেষ্ঠ্য অধ্যাপক আৰু কৰ্মচাৰীৰ ওপৰত উল্লেখিত প্ৰশ্নসমূহৰ ওপৰত মতামত আগবঢ়োৱা হ'ল ঃ-

**গুণ শইকীয়া, মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ**

১। প্ৰথম প্ৰশ্নটো দুটা পৃথক পৃথক ধাৰণাৰ সমাহাৰত সজোৱা হোৱাৰ কাৰণে এইসন্দৰ্ভত একে আযাৰতে আৰু পোনপটীয়াকৈ উত্তৰটো দিয়া মোৰ পক্ষে সহজসাধ্য নহ'ব। ধাৰণা দুটাৰ প্ৰতিটোকে যেনেকৈ মই সম্পূৰ্ণৰূপে সমৰ্থন নকৰো, তেনেকৈ সম্পূৰ্ণৰূপে অগ্ৰাহ্যও নকৰো। 'আজিৰ যুৱ-প্ৰজন্ম আগৰ তুলনাত আগবঢ়া' বুলি যিটো মত দিয়া হৈছে, তাত 'কি দিশত' আগবঢ়া বুলি ক'বলৈ বিচৰা হৈছে, সেইটো স্পষ্টকৈ কোৱা হোৱা নাই। অৱশ্যে, পাছৰ বাক্যশাৰীত সন্নিবিষ্ট বক্তব্যৰ অনুষঙ্গই সেইটো 'মেধাৰ দিশ' বুলিয়েই ধাৰণা দিয়ে। মোৰ ধাৰণাত মেধাতকৈও 'বৌদ্ধিক কছৰৎ' বুলি ক'লেহে উক্ত মতটিৰ যথাৰ্থতা বেছিকৈ সম্পন্ন হ'লহেঁতেন। বাৰু সি যি কি নহওক, বৌদ্ধিক কছৰৎ (ওৰফে - মেধা)ৰ ক্ষেত্ৰত আজিৰ যুৱ-প্ৰজন্ম আগৰ তুলনাত যে আগবঢ়া সেইটো ময়ো মানো। অৱশ্যে, এই কথাও লগতে দোহাৰিব লাগিব যে যুৱ-প্ৰজন্মৰ 'মেধা' বা 'বৌদ্ধিক কছৰৎ' যি বুলিয়েই কওঁ কিয়, সি আশাপ্ৰদৰূপত আনুভূমিকধৰ্মী (horizontal) কিন্তু নহয়, বহু পৰিমাণে উলম্বিকধৰ্মীহে (vertical)।

আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক অ'বামাই নিজৰ দেশৰ যুৱ-প্ৰজন্মক সমীহ কৰাৰ প্ৰধান কাৰণটো মোৰ বিচাৰত যুৱ-প্ৰজন্মৰ 'মেধা'টো নহয়। মই ভাৱো, দেশখনৰ সাম্প্ৰতিক ৰাজনৈতিক আৰু আৰ্থ-সামাজিক স্বৰূপ বা কাঠামোটোৰ কাৰণেহে ৰাষ্ট্ৰপতিজনে উক্ত চামটোক সমীহ কৰে। আকৌ, আজিৰ যুৱ-প্ৰজন্ম উশৃংখল বা দিশহাৰা বুলি কোৱা কথাটো পূৰ্ণশতাংশ শুদ্ধ নহয়। এটা গুৰু অংশ কিন্তু হৈছে। আধুনিক যান্ত্ৰিক সভ্যতাই সৃষ্টি কৰা ভোগবাদ আৰু পণ্যবাদৰ পৰিবেশকে তাৰ বাবে প্ৰধানকৈ দায়ী বুলি মই ভাবো। কেবা তৰপীয়া অভিভাৱক শ্ৰেণীটোৰ উন্নাসিক অৱস্থান আৰু মনোবৃত্তি তথা ভূমিকাও তাৰ বাবে বহু পৰিমাণে দায়ী।

২। দ্বিতীয় প্ৰশ্নৰ সন্দৰ্ভত মোৰ বক্তব্য হ'ল — বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত উন্নয়নে সৃষ্টি কৰা সুযোগ-সম্ভাৱনাৰ মায়াবী আবেশত মোহাচ্ছন্ন হোৱা যুৱ-প্ৰজন্মই প্ৰকৃত জীৱনৰ সংজ্ঞা তথা প্ৰত্যাহ্বানবিলাক প্ৰায়েই পাহৰি যায়। তদুপৰি, যান্ত্ৰিক সুবিধাবোৰ ভোগ কৰি কৰি তেওঁলোকো গৈ বস্তুতঃ যান্ত্ৰিক হৈ পৰে। ফলত তেওঁলোক অৱলীলাক্ৰমে জীৱন আৰু কৰ্মৰ প্ৰতি casual হৈ পৰে। অন্যহাতে প্ৰযুক্তিৰ উন্নয়নে জীৱিকাৰ ক্ষেত্ৰখনত সুযোগ-সম্ভাৱনা উচ্চ হাৰত সৃষ্টি কৰিলেও আজিৰ যুৱচামক দেশ, জাতি অথবা মানুহৰ প্ৰতি সহানুভূতিশীল আৰু দায়বদ্ধ হ'বলৈ পোনপটীয়াকৈ নিশিকায়। তেনেকুৱা কথাৰ কাৰণেও যুৱচাম জীৱন আৰু কৰ্মৰ প্ৰতি casual হৈ পৰিব পাৰে।

৩। তৃতীয় প্ৰশ্নটোৰ সন্দৰ্ভত মই ক'ব খোজো যে, ভোগবাদী সমাজখনত প্ৰতিযোগিতা আৰু উচ্চাকাংক্ষাই অকল যুৱ-চামক কিয়, আজিৰ প্ৰৌঢ়চামটোৱো এটা গুৰু অংশক সংবেদনহীন আৰু নৈতিকতাৰহিত কৰি তুলিছে। যদি যুৱ-প্ৰজন্মৰ শিক্ষা-প্ৰক্ৰিয়াত মানৱিক প্ৰমূল্যবোধৰ উচিত শিক্ষা পোৱাৰ সুবিধা উপলব্ধ কৰাব পৰা হয়, তেতিয়া সেই ধৰণৰ নেতিবাচক প্ৰৱনতাবোৰ আপোনা-আপুনি কমি যাব বুলি আশা কৰিব পাৰি। সুস্থ মানৱিক প্ৰমূল্যৰ ব্যক্তি এজন সাধাৰণতে সংবেদনহীন বা নৈতিকতাবৰ্জিত হ'ব নোৱাৰে। আৰু এটা কথা মই লক্ষ্য কৰিছো—যিচাম যুৱক-যুৱতী নিজৰ জাতীয় ঐতিহ্যৰ পৰা বিচ্ছিন্ন, তেওঁলোকৰ গাতে এইধৰণৰ নেতিবাচক প্ৰৱণতাসমূহে সহজে বাহ লয়। ভৱিষ্যত সমাজখনক সুন্দৰ কৰাৰ স্বাৰ্থত প্ৰতিখন দেশৰ যুৱ-চামক নিজ নিজ ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল কৰি তুলিবলৈ চেষ্টা কৰিব পাৰি।

**ড° গিৰিকান্ত গোস্বামী, মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ**

১। উশৃংখল আৰু দিশহাৰা হোৱাটো খাটাং। ঘৰুৱা, ৰাজহুৱা তথা সামাজিক জীৱনত উক্ত কথাৰ প্ৰমাণ আছে। ইয়াৰ বাবে ৰাষ্ট্ৰ তথা ৰাজ্যিক চৰকাৰক জগৰীয়া কৰিব পাৰি। অৱশ্যে আমি নিজকো ধোৱা তুলসীৰ পাত বুলিব নোৱাৰো। আমি কাকো বলে নোৱাৰা হৈছো। নিজৰ সন্তান আৰু বিদ্যাৰ্থীসকলৰ মাজতো ৯০ শতাংশক উশৃংখল আৰু দিশহাৰা দেখা যায়।

২। কৰ্ম বিমুখতা অসমীয়া লোকৰ স্বভাৱগত আচৰণ। এনে আচৰণ আঁতৰ কৰিবলৈ বহু যত্ন কৰিব লাগিব। ব্যক্তিগত জীৱনত কিছু তৎপৰতা দেখিলেও সামাজিক তথা ৰাজহুৱা ক্ষেত্ৰত ব্যক্তিবিশেষৰ casual স্বৰূপ বাঢ়ি গৈছে।

৩। ভৱিষ্যৎ সমাজ গঢ়িবলৈ যুৱচামে সংবেদনহীন আৰু নৈতিকতা বিৱৰ্জিত কাম কৰিলে নহ'ব। প্ৰযোগিতাতকৈ নিজা নিজা কৰ্মত ব্ৰতী হোৱা ভাল।

**নৱ কুমাৰ মহন্ত, অধ্যাপক, ভূগোল বিজ্ঞান বিভাগ**

১। আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক অ'বামাৰ উদাহৰণৰ কোনো প্ৰয়োজন নাই। এইখন আমেৰিকা যুক্তৰাষ্ট্ৰ নহয়। ইয়াত অ'বামাৰ শাসন নচলে। আজিৰ যুৱ-প্ৰজন্ম পূৰ্বৰ তুলনাত আগবঢ়া হয়, কিন্তু তেওঁলোক বিদ্যায়তনিক দিশত আগবঢ়া নহয়। তেওঁলোকে মেধাৰ পৰিচয় দিছে কিন্তু জ্ঞানৰ পৰিসীমা সীমিত। সমাজে তেওঁলোকক উশৃংখল কৰিছে। সেয়ে সমাজৰ দায়িত্ব আছে।

২। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক তেওঁলোকে ইতিবাচক দিশত প্ৰয়োগ কৰিব পৰা নাই।

৩। প্ৰতিযোগিতা আৰু উচ্চাকাংক্ষা দুয়োটাৰে প্ৰয়োজন আছে। কিন্তু তাৰ লগে লগে 'মানুহ' হিচাবে জীয়াই থকাৰ যিখিনি 'গুণ'ৰ প্ৰয়োজন হয় সেয়া ডাঙৰৰ পৰা আহৰণ কৰা দৰকাৰ। সমাজখনৰ বৰমুৰীয়া সকল ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব। অভিভাৱক সকলে নিজৰ ল'ৰা-ছোৱালীক নিয়ন্ত্ৰণ কৰিব পাৰিলে সমাজৰ সামাজিকতা সদায় থাকিব আৰু ইয়াৰ জৰিয়তে এখন সুস্থ সমাজ গঠন কৰিব পৰা যাব।

**ড° বলীন কুমাৰ ভূঞা, মুৰব্বী অধ্যাপক, ৰসায়ণ বিজ্ঞান বিভাগ**

১। আজিৰ যুৱ-প্ৰজন্মৰ পৃথিৱীখনেই আগৰ তুলনাত অতি আগবঢ়া। সময়ৰ অগ্ৰগতিৰ লগে লগে বিজ্ঞান প্ৰযুক্তিয়ে এখন সুকীয়া ছবিৰ স'তে পৰিচয় কৰাই দিছে নতুন চামক। Globalization আৰু Liberalizationৰ লগে লগে শিক্ষা, বাণিজ্য, উদ্যোগ সকলো ক্ষেত্ৰতে বিশাল পৰিবৰ্তনৰ সূচনা হৈছে। এই প্ৰতিখণ্ডতে সঘনাই সলনি হোৱা দৃশ্যপটত নতুন চামে নিজকে খাপ খুৱাই ল'ব লাগিব। সকলো দিশতে প্ৰতিযোগিতাৰ সৃষ্টি হৈছে। নতুন চামৰ কল্পনাৰ জাগতখন আকাশলংঘী হৈ আহিছে। সীমাহীন মেধা শক্তিৰ ভাণ্ডাৰ এই প্ৰজন্মৰ বাবে বহু কথাই সম্ভৱ। এই প্ৰতিযোগিতাৰ জখলাৰ পৰা পিচলি পৰা সকলৰ বাবেও আছে বেলেগ বেলেগ পৃথিৱী। এনে ক্ষেত্ৰত ক'তোৰেই খাপখুৱাব নোৱাৰা, কৰ্মবিমুখ, এলেহুৱা শ্ৰেণীটো দিক্‌ভ্ৰান্ত হোৱাটো অতি স্বাভাৱিক। বিজ্ঞান প্ৰযুক্তিবিদ্যায়েই প্ৰদান কৰিছে তেওঁলোকক উশৃংখল হ'বৰ বাবে প্ৰয়োজনীয় বিভিন্ন আহিলা।

২। প্ৰযুক্তিৰ দ্ৰুত উন্নয়নৰ লগে লগে জীৱনৰ গতিধাৰা ত্বৰান্বিত হৈছে। সন্মুখত কৰিবলগীয়া কামৰ পৰিমাণ বাঢ়িছে। এই কামৰ বোজা কঢ়িওৱাতে যুৱ মানসিকতা casual ধৰ্মী হোৱাৰ সম্ভাৱনা নোহোৱা নহয়। নিষ্ঠা আৰু সততাক যেন প্ৰতিযোগিতাই বহু দূৰ পিছুৱাই থৈ গৈছে। নিজক প্ৰতিষ্ঠাৰ তাগিদা আৰু দৌৰত নতুন এচামৰ সহজ ধনৰ প্ৰতি আসক্তি

বাঢ়িছে। ফলত বাঢ়িছে দূর্নীতি। এনেক্ষেত্রত একাগ্রতা আৰু পাৰদৰ্শিতাই কাম নিদিয়ে। ইয়ো এক কাৰণ casual হোৱাৰ।

৩। 'যোগ্য ভোগ্য বসুন্ধৰা'--- এই ধাৰণাটো আজিৰ যুৱচামৰ বাবে অতি প্ৰাসংগিক। ৰঙীন পৃথিৱী চোৱাৰ হাবিয়াসত যিকোনো সুযোগকেই বাদ দিব নোখোজে আজিৰ চামটোৱে। এই হাবিয়াসবোৰে স্বাৰ্থপৰ কৰি তোলে তেওঁলোকক। পাহৰি যায় সমাজখনক। পিতৃ-মাতৃৰ মৰমকো নেওচে কৰ্তব্যৰ তাগিদাত।

এনেধৰণৰ পৰিস্থিতি সম্পৰ্কে যথেষ্ট আলোচনা আৰু বিশ্লেষণ হ'ব লাগে। এই সম্পৰ্কে লিখা ৰচনা, প্ৰৱন্ধ আদি পাঠ্যপুথিত সন্নিবিষ্ট হ'ব লাগে যাতে কৈশোৰ অৱস্থাতে ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ মূল্যবোধ সম্বন্ধে সজাগ হ'ব পাৰে।

জীৱনটোত বহু কিবা কিবি পোৱা বহুজনৰ বৃদ্ধ অৱস্থাত নামি অহা অমানিশাৰ প্ৰতিচ্ছবিবোৰ নতুন চামে জনাৰ ব্যৱস্থা কৰিব লাগে। সমাজ আৰু নৈতিকতাক বিসৰ্জন দিয়া উচ্চাকাংক্ষাই সৃষ্টি কৰা সমস্যাবোৰৰ প্ৰকৃত অৱলোকন হ'ব লাগে।

**বন্তি নেওগ, অধ্যাপিকা, অৰ্থনীতি বিভাগ**

১। যুৱশক্তিয়ে এটা লেখত ল'বলগীয়া সামাজিক শক্তি সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু সুসংহত, সুচিন্তিত আৰু সুনিয়ন্ত্ৰিত নহ'লে যুৱশক্তিয়ে সমাজৰ অপকাৰ কৰাৰো সম্ভাৱনা থাকে। বৰ্তমান সময়ত সকলো মানুহকে উদ্বিগ্ন কৰি তোলা কথাটো হ'ল--- আজিৰ যুৱ প্ৰজন্মৰ মাজত শৃংখলাবোধৰ অভাৱ আৰু যুৱসমাজৰ মাজত বাঢ়ি অহা হতাশা আৰু অনিশ্চয়তা। ইয়াৰ কাৰণ হিচাপে মই আৰ্জিত জ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগৰ অভাৱ, অনুশাসনহীনতা আৰু কৰ্ম বিমুখতা বুলি ভাবো।

২। বিচৰা বস্তুটো অতি সহজেই পোৱাৰ বাবে আজিৰ যুৱ-প্ৰজন্ম কৰ্মবিমুখ হৈ পৰিছে আৰু জীৱন আৰু জাতিৰ প্ৰতি দায়িত্ববোধ নোহোৱা হৈছে।

৩। প্ৰতিযোগিতা আৰু উচ্চাকাংক্ষাই আজিৰ যুৱ-প্ৰজন্মৰ নৈতিকতা আৰু মানৱীয় মূল্যবোধৰ অৱক্ষয় ঘটাইছে। কৰ্ম সংস্কৃতি, এক আধ্যাত্মিকতাসম্পন্ন, সুস্থ আৰু নিকা ঘৰুৱা পৰিৱেশেহে যুৱ-প্ৰজন্মক এনে পৰিস্থিতিক মোকাবিলা কৰাত সহায় কৰিব বুলি মই ভাবো।

**ড° দীপা ডেকা, অধ্যাপিকা, হিন্দী বিভাগ**

১। সম্পূৰ্ণভাৱে কোনো এটা ধাৰণাকেই সমৰ্থন নকৰো। আপেক্ষিকভাৱে যুৱ-প্ৰজন্মৰ মেধাক সমীহ কৰো। আগৰ তুলনাত যুৱ-প্ৰজন্ম উশৃংখল আৰু দিশহাৰা হোৱাৰ মূলতে উপযুক্ত মাৰ্গদৰ্শকৰ অভাৱ বুলি মই ভাৱো।

২। সুযোগ আৰু সম্ভাৱনাৰ পৃথিৱীখনত যিসকলক আমি casual বুলি ধৰি লওঁ তেওঁলোক আচলতে 'অধিক মাছত বগলী কণা'ৰ লেখিয়া হৈছে। উপযুক্ত আৰু পৰিকল্পিতভাৱে বাট দেখুৱাই দিব পাৰিলে, মই ভাৱো, নিশ্চয় এই casual স্বাভাৱৰ লুপ্ত হ'ব।

৩। প্ৰতিযোগিতা আৰু উচ্চাকাংক্ষাই আজিৰ যুৱ চামক কিছু পৰিমাণে সংবেদনহীন আৰু নৈতিকতাৰহিত কৰি তুলিছে বুলি ভবাৰ থল আছে।

এনে পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ সাৱধানে বাট বুলিব লাগিব। কিছু পৰিমাণে আমাৰ প্ৰাচীন পৰম্পৰা, ঐতিহ্য, সমাজ ব্যৱস্থাৰ যোগাত্মক দিশসমূহ আলোকপাত কৰিব পাৰিলে ভাল। প্ৰযুক্তি বিজ্ঞানৰ অৱদানে এচামক এখন সম্ভাৱনাৰ জগতলৈ লৈ যাব পাৰিছে আৰু এচামক বিকৃত মানসিকতাৰ জালত পেলাই দিশহাৰা কৰি তুলিছে। সেয়ে অভিভাৱক তথা জ্যেষ্ঠজনে এখন সুন্দৰ সমাজৰ সৃষ্টিৰ খাতিৰত সমন্বয় আৰু ভাতৃত্ববোধৰ সেতুৰে পাৰ কৰাৰ দায়িত্ব ল'ব পাৰিলে এনে পৰিস্থিতিৰ মোকাবিলা কৰিব পৰা যাব বুলি ভাবো।

জীৱন চন্দ্ৰ কলিতা, কাৰ্যালয় সহায়ক

১। মোৰ বোধেৰে আজিৰ যুৱ-প্ৰজন্ম বিভিন্ন ক্ষেত্ৰত আগবঢ়া। ই অনস্বীকাৰ্য্য। কিন্তু আমি সমগ্ৰ ভাৰতবাসী যিহেতু উন্নয়নশীল ৰাষ্ট্ৰৰ নাগৰিক ইয়াত আগবঢ়া বুলি কওঁতে আমেৰিকাৰ লগত তুলনা কৰা উচিত হোৱা নাই। ভোগবাদী আমেৰিকাৰ ছত্ৰছায়াতে আজি আমাৰ নৱপ্ৰজন্ম দিক্‌ভ্ৰান্ত, পথভ্ৰষ্ট, উশৃংখল হৈছে।

২। আমাৰ যুৱ-প্ৰজন্মৰ মাজত গা কৰি উঠিছে সহজ ধন ঘটাৰ মানসিকতা। ফলত আজিৰ যুৱ প্ৰজন্ম কৰ্ম-সংস্কৃতিৰ প্ৰতি পিঠি দিছে আৰু নিজেই ধ্বংসৰ ফালে ধাৱমান হৈছে, আৰু আমাৰ সমাজখন কলুষিত কৰিছে।

৩। এখন ভৱিষ্যত সুন্দৰ সমাজৰ প্ৰত্যাশা আমি সকলোৱেই কৰো। কিন্তু তাৰ কাৰণে আমি সকলোৱে কৰ্মক পূজা কৰিব লাগিব আৰু শ্ৰদ্ধা কৰিব লাগিব। আমি জীয়াই আছো কামেৰে, বছৰেৰে নহয়। সু-কৰ্মৰ সুফল আছেই। যেতিয়াই মানুহ আত্মবিশ্বাসী আৰু সাহসী হৈ উঠে তেতিয়াই এখন সমাজ সৰ্বাংগসুন্দৰ হয়।

## দ্বিতীয় ভাগ

সাম্প্ৰতিক যুৱ মানসিকতা, যুৱ উশৃংখলতা আদি বিষয়ত সদায় অভিযুক্ত পক্ষ হৈ আহিছে যুৱচাম। এনে প্ৰেক্ষাপটত এই বিষয়সমূহত যুৱচামৰ মতামত আৰু অনুভৱ সমূহক বুজাটো খুবেই প্ৰয়োজন। সেয়ে যৌৱনত ভৰি থোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰ চপা হৈছিল মতামত বিচাৰি। মূলতঃ যুৱচামৰ বিপক্ষে সৰ্বত্ৰে আৰু সকলো সময়তে উত্থাপিত কিছুমান অভিযোগৰ ওপৰত তেওঁলোকৰ মতামত বিচৰা হৈছিল।

ছটা প্ৰশ্ন সন্নিবিষ্ট এখন প্ৰশ্নাৱলী (Questionnaire) ৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীৰ মতামত আহ্বান কৰা হৈছিল। মতামত সংগ্ৰহৰ বাবে স্নাতক তৃতীয় বৰ্ষত অধ্যয়নৰত মুঠ ১০০ জন ছাত্ৰ-ছাত্ৰী চিনাক্ত কৰা হৈছিল। কেৱল স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীকহে নিৰ্বাচন কৰাৰ কাৰণটো হ'ল— ধৰি লোৱা হ'ল, ২০-২১ বছৰীয়া এই ছাত্ৰ-ছাত্ৰীসকল এনে মতামত প্ৰদানৰ বাবে তেওঁলোকতকৈ কণিষ্ঠ ছাত্ৰ-ছাত্ৰীৰ তুলনাত বেছি পৰিপক্ক হ'ব।

নিৰ্বাচিত মুঠ ১০০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৬০ জন কলা, ২০ জন বাণিজ্য আৰু ২০ জন বিজ্ঞান শাখাৰ পৰা লোৱা হৈছিল। বিভিন্ন শাখাৰ তৃতীয় বৰ্ষৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ লগত সামঞ্জস্য ৰাখি এই নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিৰূপণ কৰা হৈছিল। প্ৰতিটো শাখাৰ পৰা নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ পৰা আধা সংখ্যক ছাত্ৰ আৰু আধা সংখ্যক ছাত্ৰী নিৰ্বাচিত কৰা হৈছিল। এইটোও চেষ্টা কৰা হৈছিল যাতে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ মাজত গাঁও আৰু চহৰত বাস কৰা সকলৰ সামঞ্জস্য থাকে।

যিহেতু নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বেছি, সেয়ে তেওঁলোকৰ অভিমত সমূহক ইয়াত সহজ পাৰিসাংখ্যিক পদ্ধতিৰে উত্থাপন কৰা হ'ব। ছাত্ৰ-ছাত্ৰীৰ পৰা মতামত সংগ্ৰহৰ গোটেই প্ৰক্ৰিয়াটোত আমি দুটা কথা লক্ষ্য কৰিছিলো যিদুটা অতি হতাশজনক। প্ৰথম, ১০০ জন নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰশ্নাৱলী বিলাই বহু প্ৰচেষ্টাৰ অন্ততো আমি সকলোৰে পৰা উত্তৰ সম্বলিত প্ৰশ্নাৱলী ঘূৰাই নাপালো। বাৰম্বাৰ তাগিদাৰ অন্ততো শেষ পৰ্য্যন্ত মাত্ৰ ৮৭ জন ছাত্ৰ-ছাত্ৰীয়েহে উত্তৰ সম্বলিত প্ৰশ্নাৱলী ঘূৰাই দিলে। দ্বিতীয়তে, প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই যিকোনো এটা বা দুটা প্ৰশ্নৰ উত্তৰ দিয়াৰ পৰা আঁতৰি ৰৈছে। এনে কিয় হৈছে— বিষয়বস্তুৰ ওপৰত জ্ঞানৰ অভাৱ, নে গোটেই প্ৰক্ৰিয়াটোৰ ওপৰত গুৰুত্বহীনতা-গম পোৱা নগ'ল। যিয়েই নহওক, এই কথা দুটাই কিন্তু পুৰণি চামে আজিৰ যুৱচামক casual বুলি কৰা দোষাৰোপক কিছু পৰিমাণে হ'লেও প্ৰতিবিম্বিত কৰে।

এতিয়া আমি সোধা প্ৰশ্নসমূহৰ যিখিনি উত্তৰ পোৱা গ'ল, তাক সৰল পৰিসংখ্যাৰে প্ৰকাশৰ চেষ্টা কৰিম।

জ্যেষ্ঠ সকলক সোধা প্ৰথম প্ৰশ্নটোৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলক দুটা প্ৰশ্ন সোধা হৈছিল (প্ৰশ্ন ১ আৰু ২)

প্ৰশ্ন- ১ ঃ প্ৰায়েই অভিযোগ আহে— 'আজিৰ যুৱ-প্ৰজন্ম উশৃংখল, দিশহাৰা আৰু সংযমহীন'। আপুনি বিশ্বাস কৰেনে?

সহাঁৰি সমূহ—

(ক) কৰো (খ) নকৰো (গ) মন্তব্য নাই




মুঠ উত্তৰদাতা সকলৰ ৭৩ জনে এই প্ৰশ্নৰ উত্তৰ দিছিল। তাৰে ৫৫ শতাংশ উত্তৰদাতাই যুৱ-প্ৰজন্ম উশৃংখল বুলি মানি লোৱাৰ বিপৰীতে ৩৬ শতাংশই ইয়াক অস্বীকাৰ কৰিছিল। ন শতাংশ উত্তৰদাতাই কোনো মন্তব্য প্ৰকাশ নকৰিলে। উল্লেখযোগ্য, যুৱসকলৰ গৰিষ্ঠ সংখ্যকে নিজৰ প্ৰজন্মটোকে উশৃংখল বুলি মানি লোৱাটো আমাৰ এই অধ্যয়নৰ এক গুৰুত্বপূৰ্ণ দিশ।

প্ৰশ্ন-২ ঃ সময়ৰ পৰিবৰ্তন হৈছে। আজিৰ যুৱচামে সময়ৰ পৰিবৰ্তনক গ্ৰহণ কৰি আগুৱাবলৈ চেষ্টা কৰিছে। সময়ৰ এই পৰিবৰ্তনক গ্ৰহণ কৰিব নোৱাৰি পুৰণি এচামে আজিৰ চাম যুৱকক উশৃংখল আখ্যা দিব বিচাৰে। আপুনি বিশ্বাস কৰেনে?

সহাঁৰি সমূহ—

(ক) কৰো (খ) নকৰো (গ) মন্তব্য নাই




৭৭ জন উত্তৰদাতাই এই প্ৰশ্নটোক সম্বোধন কৰিছিল। তাৰে ২২ শতাংশ উত্তৰদাতাই 'মন্তব্য নাই' বুলি প্ৰকাশ কৰাৰ বিপৰীতে, ২৯ শতাংশই উল্লিখিত ধাৰণাটোক বিশ্বাস নকৰে বুলি প্ৰকাশ কৰিছিল। এই প্ৰশ্নটো আছিল পুৰণা চামৰ ওপৰত আজি যুৱচামৰ আক্ষেপ আৰু অভিযোগ। কিন্তু ৪৯ শতাংশ উত্তৰদাতাইহে এই অভিযোগৰ পক্ষত থিয় হ'ল। মানে এই অভিযোগৰ পক্ষত যুৱচামৰ গৰিষ্ঠ সংখ্যক থিয় নহ'ল।

প্ৰশ্ন ১ আৰু ২ আছিল পৰস্পৰ বিৰোধী। প্ৰশ্ন ১ য়ে আলোচিত প্ৰসংগত যুৱচামক দোষাৰোপ কৰাৰ বিপৰীতে ২ য়ে পুৰণি প্ৰজন্মক দোষাৰোপ কৰিছিল। কিন্তু মন কৰিলে দেখা যায় দুয়োটা প্ৰশ্নৰ ক্ষেত্ৰত উত্তৰ দাতাসকল যথেষ্ট বিভ্ৰান্ত আছিল। বিষয় বস্তুৰ ওপৰত জ্ঞানৰ অভাৱেই হয়তো যুৱচামৰ এই বিভ্ৰান্তিৰ কাৰণ।

জ্যেষ্ঠ সকলক সোধা দ্বিতীয় প্ৰশ্নটোৰ লগত সামঞ্জস্য ৰাখি ছাত্ৰ-ছাত্ৰীক দুটা প্ৰশ্ন (৩ আৰু ৪) সোধা হৈছিল।

প্ৰশ্ন-৩ ঃ অভিযোগ আৰু আছে..... 'আজিৰ যুৱচামে সকলো আলাসতে বিচাৰে। কষ্টৰ প্ৰতি এইচাম অনিচ্ছুক'। বিশ্বাস কৰেনে—

সহাঁৰি সমূহ—

(ক) কৰো (খ) নকৰো (গ) মন্তব্য নাই

প্ৰশ্ন-৪ ঃ আজিৰ যুৱচাম যথেষ্ট সৌভাগ্যবান। বাইক, ম'বাইল, ইণ্টাৰনেটে এই চামক পৃথিৱীখনক হাততে পোৱা যেন কৰিছে। কিন্তু বিজ্ঞানৰ এই অৱদানবোৰক আজিৰ চামে যেন সঠিক ব্যৱহাৰ কৰিব জনা নাই। কাৰণ, অতীতৰ তুলনাত আজিৰ যুৱচামে বিশেষ একো সফলতা দেখুৱাব পৰা নাই। সঁচানে?

সহাঁৰি সমূহ—

(ক) সঁচা (খ) মিছা (গ) নাজানো।

প্ৰশ্ন- ৩ আৰু ৪ৰ ফলাফলক আমি একেলগে বিশ্লেষণ কৰিম। চিত্ৰ Aয়ে ৩ নং প্ৰশ্নৰ চিত্ৰ Bয়ে ৪ নং প্ৰশ্নৰ ফলাফলক প্ৰকাশ কৰিছে।







মুঠ ৭৬ জন উত্তৰদাতাই ৩ নং প্ৰশ্নক আৰু ৭৭ জনে ৪ নং প্ৰশ্নক সম্বোধন কৰিছিল। তিনি নং প্ৰশ্নৰ ক্ষেত্ৰত ৫৭ শতাংশই আজিৰ যুৱচামৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগক বিশ্বাস কৰে বা মানি লয়। আকৌ চাৰি নং প্ৰশ্নত উত্থাপিত অভিযোগক ৬০ শতাংশ উত্তৰদাতাই মানি লয়। এই দুই প্ৰশ্নৰ উত্তৰৰ পৰা পৰিস্ফুত হয় যে আজিৰ যুৱচামৰ গৰিষ্ঠ সংখ্যকে নিজৰ প্ৰজন্মটোৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগবোৰক মানি লয়।

জ্যেষ্ঠ সকলক সোধা তৃতীয়টো প্ৰশ্নৰ বাস্তৱতাক জানিবলৈ ছাত্ৰ সমাজৰ সন্মুখত অৱতাৰণা কৰা হৈছিল প্ৰশ্ন নং ৫ আৰু ৬ ।

প্ৰশ্ন-৫ ঃ আজিৰ সমাজত মূল্যবোধ/নৈতিকতা আদিতকৈ সম্পদ/ঐশ্বৰ্য্য আদিহে বেছি প্ৰয়োজনীয়। বিশ্বাস কৰেনে?

সহাঁৰি সমূহ—

(ক) কৰো (খ) নকৰো (গ) মন্তব্য নাই।

প্ৰশ্ন-৬ ঃ আজিৰ যুৱচাম সমাজৰ প্ৰতি দায়বদ্ধ মুঠেই নহয়। হয়নে ?

সহাঁৰি সমূহ—

(ক) হয় (খ) নহয় (গ) নাজানো।

চিত্ৰ C য়ে ৫ নং প্ৰশ্নৰ আৰু চিত্ৰ D য়ে ৬ নং প্ৰশ্নৰ উত্তৰক প্ৰকাশ কৰিছে।

চিত্ৰ – C




চিত্ৰ – D




প্ৰশ্ন ৫ আৰু প্ৰশ্ন ৬ য়েও যুৱসমাজৰ সমুখত তেওঁলোকৰ বিৰুদ্ধে কিছুমান অভিযোগ উত্থাপন কৰিছিল। কিন্তু এই দুটা প্ৰশ্নৰ ক্ষেত্ৰত তাৎপৰ্য্যপূৰ্ণভাৱে দেখা গ'ল— যুৱচামৰ গৰিষ্ঠই তেওঁলোকৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সমূহ খণ্ডন কৰিছে। ৫ নং উত্তৰৰ ক্ষেত্ৰত ৫৬ শতাংশ উত্তৰদাতাই বিশ্বাস নকৰে যে আজিৰ সমাজত মূল্যবোধতকৈ ঐশ্বৰ্য্য বেছি প্ৰয়োজনীয়। মানে আজিৰ যুৱচামৰ গৰিষ্ঠসংখ্যকে এতিয়াও মূল্যবোধক গুৰুত্ব দিয়ে, যিটো সঁচাকৈ তাৎপৰ্যপূৰ্ণ আৰু প্ৰয়োজনীয়। কিন্তু ৩৯ শতাংশ উত্তৰদাতাই ঐশ্বৰ্য্যতকৈ মূল্যবোধক কম গুৰুত্বপূৰ্ণ বুলি জ্ঞান কৰিছে, যিটো আকৌ চিন্তনীয়। ছয় নং প্ৰশ্নৰ ক্ষেত্ৰত ৫৩ শতাংশ উত্তৰদাতাই অস্বীকাৰ কৰিছে যে আজিৰ যুৱচাম সমাজৰ প্ৰতি দায়বদ্ধ নহয়। আজিৰ যুৱচামৰ দায়বদ্ধতা অবিহনে ভৱিষ্যতে আমি এখন ভাল সমাজ পাব নোৱাৰিম। তেনে ক্ষেত্ৰত গৰিষ্ঠ সংখ্যক উত্তৰদাতাই সমাজৰ প্ৰতি নিজৰ প্ৰজন্ম দায়বদ্ধ হয় বুলি কোৱাটো শুভ সংবাদ। আকৌ, এক মোটা অংশই (৪০ শতাংশ) সমাজৰ প্ৰতি নিজৰ প্ৰজন্মৰ দায়বদ্ধতাক অস্বীকাৰ কৰাটো চিন্তনীয়।

**সামৰণি** ঃ- যুৱ মানসিকতাৰ ওপৰত এই আলোচনাই প্ৰসংগটোৰ ওপৰত মূলতঃ দুটা দিশ প্ৰকট কৰিলে। প্ৰথম, আজিৰ যুৱচাম দিশহাৰা হৈছে বুলি প্ৰতীয়মান হৈছে। আনকি যুৱ প্ৰজন্মৰ এক বুজন অংশয়ো মানি লৈছে যে আজিৰ যুৱচাম উশৃংখল, দিশহাৰা।

দ্বিতীয় কথাটো হ'ল— এই আলোচনাৰ পৰা প্ৰতীয়মান হৈছে যে আজিৰ যুৱ সমাজৰ উশৃংখলতাক বৰ্তমান সমাজ ব্যৱস্থাটোৰ পৰা পৃথক কৰি চাব নোৱাৰি। আজিৰ সমাজত সকলো প্ৰজন্ম আৰু শ্ৰেণীৰ মাজতে বিশৃংখলতা বাঢ়িছে। নৈতিকতা, সামাজিক দায়বদ্ধতা আদি সকলো প্ৰজন্মৰ মাজতে দ্ৰুতভাৱে হ্ৰাস পাইছে।

তেনে প্ৰেক্ষাপটত অকল যুৱ প্ৰজন্মক উশৃংখল বুলি বাৰে বাৰে দোষাৰোপ কৰাৰ কি যুক্তি থাকিব পাৰে? যুৱসকল হ'ল বয়সসন্ধিৰ প্ৰতিনিধি। এজন শিশু বা এজন যুৱকে নিজক এজন সুস্থ নাগৰিক কৰি গঢ়ি তোলে সামাজিকৰণ প্ৰক্ৰিয়াৰ মাজেৰে। তেওঁলোকে দেখি শিকে, শুনি শিকে, পঢ়ি শিকে......। আজি যুৱ-প্ৰজন্মই যিখন পৃথিৱী দেখিছে, যিবোৰ শুনিছে সেইবোৰে প্ৰকট কৰে তেওঁলোকৰ পূৰ্ব প্ৰজন্ম সমূহৰ কেৱল মূল্যবোধৰ অৱক্ষয়, সমাজৰ প্ৰতি দায়বদ্ধতাহীনতা। তেওঁলোকে প্ৰত্যক্ষ কৰে তেওঁলোকৰ পূৰ্ব প্ৰজন্মৰ মাজত কেৱল ব্যক্তিগত স্বাৰ্থ পূৰণ আৰু সম্পদ আহৰণৰ প্ৰতিযোগিতা। এনে পৰিবেশত আজিৰ যুৱচামে কি শিকিব? এই সমাজত জীয়াই থাকিবলৈ তেওঁলোকে নিজক কিদৰে গঢ় দিব?

যুৱ সমাজক সদায় নেতৃত্বৰ প্ৰয়োজন আৰু এই নেতৃত্ব দিব লগা হয় সমাজখনৰ বয়োজ্যেষ্ঠ প্ৰজন্মটোৱে। গতিকে, সমাজ এখনৰ যুৱ-প্ৰজন্মটোক সঠিক দিশত, সু-শৃংখলিতভাৱে আগুৱাই নিয়াৰ দায়িত্ব সমাজখনৰ বয়োজ্যেষ্ঠসকলৰহে। আমাৰ সমাজৰ আজিৰ যুৱপ্ৰজন্ম যদি উশৃংখল, তাৰ বাবে কিন্তু বহুলাংশে জগৰীয়া বয়োজ্যেষ্ঠসকলো। সেয়ে যুৱ প্ৰজন্মৰ উশৃংখলতা দূৰ কৰাৰ ক্ষেত্ৰত আমাৰ সকলোৰে কৰণীয় আছে-- প্ৰতিজন যুৱকৰ লগতে প্ৰতিজন বয়োজ্যেষ্ঠৰো।

---

প্ৰতিবেদন যুগুতালে ড° মনোজ কুমাৰ নাথে, সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

ক
ৱি
তা

# মোৰ ফলিখন হেৰাল

ৰাজশ্ৰী ৰাজলক্ষ্মী❖

**মোৰ** ফলিখন হেৰাল
যিখন ফলি আয়ে মোৰ হাতত তুলি দি কৈছিল
ইয়াতেই তোৰ সপোনটো আঁকিবি।

সপোন, ইনো কি বস্তু!
বুজা নাছিলো মই সপোনৰ অৰ্থ
বিচাৰি ফুৰিছিলো মই
নুবুজি কেৱল মই
আঁকি গৈছিলো।

এতিয়া মই বুজি পোৱা হ'লো
সপোনৰ অৰ্থ
সিদিনা ফলিত মই লিখিছিলো
প্ৰথমটো আখৰ
বুজা নাছিলো
কি আঁকিছিলো,
কাক আঁকিছিলো,
আজি যদি পালোহেঁতেন ফলিখন মই।

মনত পৰে সেই এৰি অহা দিনবোৰলৈ,
একে একে দুই বুলি কৰা চিঞৰবোৰলৈ,
একৰ পৰা এক বিয়োগ কৰি যিদিনা মই
শুই পৰিছিলো,
শূন্যতাৰ কোলাত।
শূন্যতাৰ ভাৱনাত
আগতে শিকিছিলো শূন্যৰ অৰ্থ
এতিয়া বুজি পোৱা হ'লো
শূন্যৰ গভীৰতা।



অংকৰ মাজৰ অংকও
কৰিব পৰা হ'লো বোধগম্য মই।

মোৰ ফলিখন হেৰাল
বিচাৰি পোৱা হ'লে ফলিখন এবাৰ!

মোৰ মৰমৰ ফলিখন,
য'ত কৰিছিলো আঁক-বাক মাথোঁ।
এতিয়া লিখিলোহেঁতেন প্ৰকৃত অৰ্থ জীৱনৰ
যিবোৰ বিচাৰি বিচাৰি মই
হাবাথুৰি খাই ফুৰো
জীৱনৰ কণ্টকময় পথত।■

---

❖উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী

ক
বি
তা

# অনুভৱ

লিপি হাজৰিকা❖

দেখাতো নাছিলো তোমাক, শুনিছিলোহে মাথোঁ,
লক্ষ্য হেনো তোমাৰ গান্ধীবধাৰী অৰ্জুনৰ দৰে অব্যৰ্থ,
তোমাৰ মাজত হেনো স্বপ্নাতুৰজনেও বিচাৰি পায়
পূৰ্ণতাৰ প্ৰশান্তি

সেয়ে হয়তো,
মোৰ মৰমৰ চিৰ সেউজ নৈ এখনক এৰি
উজাই দিছিলো মোৰ নাওখনি
তোমাৰ বুকুলৈ
বিশাল সমুদ্ৰৰ মাজলৈ।
আজি, তোমাৰ বিশ্বাসতেই সযত্নে গুঁঠিছো
সংকল্প আৰু আশাৰ সুকোমল দলিচাখনি,
যাক পোহৰাই তুলিছে চিৰ প্ৰজ্বলিত তোমাৰ
প্ৰজ্ঞাৰ শলিতাবোৰে।
তোমাৰ পদূলিত দিয়া প্ৰথম খোজটিত
মোৰ ধমনীয়েদি পাৰ হৈ গৈছিল,
উৎকণ্ঠা আৰু সংশয় সংগমৰ এজাক
উচ্ছলিত ৰক্তস্ৰোত,
গোপনে নিজকে প্ৰশ্ন কৰিছিলো,
তুমি দিবা জানো, কিছু স্থান তোমাৰ হিয়াৰ কোণত?
মোৰ জিজ্ঞাসা আৰু সংশয়িত মনক?
হয়,
তুমি পান কৰালা অমৃত সুধা,
দি গ'লা মিঠা অনুভূতি,
এক আপোন প্ৰাণৰ নিবিড়তাৰ তোমাৰ এক অভূতপূৰ্ব
আলিংগনেৰে!!
হে স্ৰোতস্বিনী, হে আৱাহনী ....
সৰ্বদা আলোকিত হওক চৌদিশ তোমাৰ
জ্ঞানৰ জ্যোতিৰে,
জ্যোতিষ্মান হোৱা তুমি জ্ঞানৰ অদ্ৰিশিখৰত
সুশোভিত হৈ ৰওক তোমাৰ প্ৰতিটো সুৰৰ লয়,
হে চিৰ যুগমীয়া,
মোৰ,
"নগাঁও মহাবিদ্যালয়"
'জয়তু ভৱ'■

❖স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰী



# অনুভূতি

দৃষ্টিপৰ্ণা শইকীয়া❖

ধূসৰ প্ৰতিভাৰ ক্ষণ গণি চাই দেখো
কি হৈছে বাৰু আজি এই
জীৱশ্ৰেষ্ঠ মানৱৰ?
কৰিছেনে চিন্তা কোনোবাই এই বিশ্বৰ
ভৱিষ্যতৰ
সকলো কেৱল মাত্ৰ নিজক লৈয়ে ব্যস্ত,
কাৰো সময় নাই অকণমান সহানুভূতিৰে
ৰৈ চাবলৈ!
প্ৰেমত নাই কোনো অফুৰন্ত আনন্দ, নম্ৰতা
ভদ্ৰতাত নাই কোনো সততা
সকলোতে মাথোঁ অহংকাৰ।
সৃষ্টিৰ কামনাৰে ধ্বংস কৰিছে
প্ৰতিপালিত পুৰণি সভ্যতাৰ আত্মাক।
মানৱ জীৱনটোৱেই হৈ পৰিছে
সহস্ৰ বিশ্বাস-অবিশ্বাসৰ বন্যা।
মানৱৰ কাৰুকাৰ্য দেখি সেয়ে মই
অস্থিৰ হৈ সৃষ্টি কৰিছো পথিলাৰ গান,
মই তৃপ্তি লভিছো আত্মানুগন্ধী নীৰৱ
যাতনাৰ নৈৰ্ব্যক্তিক সোৱাদ।।■

❖স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰী

কবিতা

# সপোন

অনুৰাগ গগৈ❖

(১)

অ' মোৰ চিনাকি সপোনবোৰ
আকৌ উভতি আহা
ধূলিয়ৰি বাটটোৰে

আকৌ আমি হেৰাই যাম
হাতে হাত ধৰি
সেউজীয়া পথাৰখনৰ সিপাৰে

(২)

এয়াতো সময় নহয়
জীৱনটো হেৰুৱাই পেলোৱাৰ
বিনা দোষত দুখী হোৱাৰ
বিনা শোকত আতুৰ হৈ
ছন্দহীন হোৱাৰ

এয়া যে সময়
জীৱনটো নতুনকৈ চোৱাৰ
মেঘাচ্ছন্ন আকাশৰ তলত
ইউকেলিপ্টাছৰ দৰে ওখ ওখ
সপোন ৰচাৰ।■

❖স্নাতক তৃতীয় ষান্মাসিকৰ ছাত্ৰ



# ঘৰটো এইটোৰেই

অৰ্ণৱ বৈৰাগী❖

ঘৰটো এইটোৰেই
য'ত দেখা যায়
সূৰ্যৰ সপোন ....
হয়
সপোন দেখা মানুহক ধুমুহাই খেদে
বুকুত সূৰ্য এটা থাকে বাবেই
হয়তো 'বেলি আৰু বতাহৰ যুঁজ'
সকলোৰে জানে
বেলিয়েই জিকে ....■

❖স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ



# এটি কবিতা, প্ৰেমৰ

বিকাশ ৰঞ্জন বৰা❖

এন্ধাৰৰ ঠিকনাত অহা এখন চিঠি
তোমাৰ শেষৰখন চিঠি আছিল সেয়া,
তুমি লিখিছিলা, মোতকৈ ওখ সপোন এটাৰ সৈতে
কথা-বতৰা চলিছিল তোমাৰ।
অংকত ভাল আছিলা (অন্ততঃ মোৰ তুলনাত)
সেয়ে গুচি গৈছিলা মোৰ জীৱন অংকত আউল লগাই
সপোনটোৰ হাতত ধৰি।
আছাৰ খাই পৰি ৰ'লো মই
কঁচাই চুবুৰিত বটলৰ ভিতৰত ককবকাই তাৰ ৰাতি
পুনঃ "তোমাক পালে সাঁচি ৰাখিম পাৰ্চৰ শেষৰ টকাটোৰ দৰে
বুকুৰ এচুকত, খৰচ নকৰাকৈ যিমান পাৰি সিমান দিন।"■

❖স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ

# চিত্ৰপট



শিৱম কুমাৰ দেৱ❖

উকা পাত আছে উকা হৈ
ৰঙৰ অভাৱ ও নিৰাশ হিয়া মোৰ
অতীতৰ সেই শুকান তুলিকাত
পুৰণি সনা ৰংবোৰ ....
আছে খহটা হৈ ....।
পুনৰ পট আঁকিবৰ নাই মোৰ মন
থাওক উকা পাত উকা হৈ
সময় স্বাৰ্থপৰ .... ৰং স্বাৰ্থপৰ
স্ব-শোণিততেৰে ৰঙীন পট
জ্বলন্ত ৰূপৰে জীৱিত
সময় শুৱনি কৰা ....
সেই এজাক ছিটিকনি বৰষুণৰ
কথা সুঁৱৰিলে
হিয়াই মোৰ চিঞৰি উঠে
বিকৃত সেই পট মোৰ
মাথোঁ 'ছি' বিশেষণেৰে পূৰ্ণ
নিষ্ঠুৰ শোণিত মোৰ ....
নাই আঁকিবৰ মন মোৰ দুনাই
নাই ৰং, নাই হেঁপাহ
নাই সজীৱতা
আছে মাথোঁ হিয়াহীন
জ্বলন্ত উৰন্ত দেহ।■

❖স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ

ক
বি
তা

# আশা



বৰ্ষা তামুলী❖

নিশাৰ নিস্তব্ধতাৰ সমাপ্তিত
আৱিৰ্ভাৱ হৈছে পুনৰ
এটি নতুন প্ৰভাতৰ।
ভগ্ন হৃদয়ৰ গোপন কোঠাত
বহু স্মৃতি লৈ ফুৰিছো
কিছুমান হয়তো সুখৰ
আন কিছুমান দুখৰ
কত স্মৃতি হয়তো পোত গৈছে
মৰুভূমিৰ শুকান বালিচৰৰ মাজত।
কিন্তু, এয়া নতুন প্ৰভাতৰ সৃষ্টিত
কাৰ হৃদয়ৰ কেনভাছত
জীৱন্ত হৈ উঠিছে
গতিবিহীন স্মৃতিৰ মৌন বিন্দু?
নিশাটোৰ সংগী হৈ
মৌনতাই সহবাস কৰে
কথা পাতে জোনাকৰ
কথা পাতে জোন, বেলি, তৰাৰ
কথা পাতে আশা ভংগৰ
আৰু পাতে
স্মৃতিৰ, প্ৰতিধ্বনিৰ।
আশা ভংগৰ বাসনাত
ম্ৰিয়মান মই,
তথাপিও জানো বঞ্চিত হয়
আশাবোৰে আবিৰ সানে
ৰংতুলিকাৰ সহায়েৰে,
কেনভাছৰ বুকুত অক্ষয় হৈ ৰয়
অন্তৰৰ বিচিত্ৰ সোঁৱৰণি।

সেইবাবেই আশা কৰিছো মৱো
আছেনে তোমাৰ
অযুত স্বপ্ন
আছেনে তোমাৰ এখন
বিকাশ হৃদয়?
আছে জানো তোমাৰ
মন মন্দিৰৰ কোনোবা একোণত
মোৰ নাম......?
যদি আছে তোমাৰ
তুমি আহিবা
দুয়ো একেলগে
আঁকিম ছবি
গাম সুন্দৰৰ গীত
লিখিম কবিতা
ৰূপ দিম তুমি আৰু মই
আশাবোৰক অক্ষয় কৰাৰ।■

❖উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী

# বিষাদ

অনুপম বৰা❖

**বি**ষাদলগ্ন মন আজি মোৰ
শুভ্ৰ বসনা হোৱাৰ বেজাৰত কাতৰ
বিষাদৰ ৰং হেনো বগা।

চুই চাব নোৱাৰা দূৰত্বত ৰৈ আছা তুমি
আৰু তাৰ পৰাই সুধিছা কেনে আছো বুলি
কেনেকৈ অনুভৱ কৰিবা মোৰ হিয়াৰ শূন্যতা
মোৰ হৃদয়ৰ দুখৰ গভীৰতা
তুমিতো দুখৰ বৰষুণত তিতা নাই কেতিয়াও।

এয়াই মোৰ ভাগ্য,
বিষাদ বিননি, অতীতৰ স্মৃতি
বুকুৰ তেজেৰে আছে অন্তৰতে আঁকা
জনম অৱধি বহু ভুগিলো কষ্ট
আজিও ভূগিছো তাকে দুৰ্ভগীয়া মই।

এবুকু দুখৰ যন্ত্ৰণা লৈ
শৰবিদ্ধ শৰীৰেৰে
পাৰ কৰিছো সময়।
এনেকৈই থাকোতেই হঠাৎ এদিন
কালপচোৱাই জীৱনৰ চাকিটি নুমুৱাই দিব।
নিচিনা বাটেদি নজনা দেশলৈ
নিয়তিয়ে হাতত ধৰি আগুৱাই নিব।■

❖স্নাতক তৃতীয় ষান্মাসিকৰ ছাত্ৰ

# এখনি হৃদয়ৰ ভাল পোৱাৰ অপেক্ষাত

অংকিতা ৰাজকুমাৰী❖

হয়তো এনে এটা দিনতে মোৰ হৃদয়ৰ পথাৰত
তুমি মৰমৰ বীজ সিঁচিছিলা
মোৰ হৃদয়ৰ সাৰুৱা পথাৰত।
তোমাৰ মৰমৰ কঠীয়া লহপহকৈ বাঢ়িছিল
হৃদয়ৰ ফুলনিত ফুলি উঠিল ভালপোৱাৰ ফুল
চকু জুৰ পেলোৱা হালধীয়া সৰিয়হ ফুলৰ দৰে।
কিন্তু ভালপোৱাৰো জানো কোনো ৰং থাকে?
হয়তো এই ৰং আছিল হালধীয়া। মৃত্যুৰ ৰং।
সেয়েহে গুটি ধৰাৰ সকলো আশা ম্লান হৈ
ফুলতেই ভাল পোৱাৰ অকালমৃত্যু ঘটিল।
ফুলৰ মৌ চুহা মৌ-মাখিবোৰে এদিন
আমাৰ ভাল পোৱাৰ পৰা তোমাৰ মৰম চুহি লৈ গ'ল।
তুমিও ইমান সহজে কিয় সিহঁতৰ হাতত ধৰা দিলা?
আজি হয়তো তোমাৰ মৰমৰ গছবোৰ পচি গৈছে
কিন্তু মোৰ হৃদয়ৰ পথাৰ একে আছে
মই মোৰ হৃদয়ৰ পথাৰত তোমাৰ মৰমৰ প্ৰতিজোপা
গছৰ অস্তিত্ব মৰমেৰে ৰাখিছো।
আজিও মোৰ মৰমভৰা হৃদয়ৰ পথাৰ সাৰুৱা
হয়তো আগতকৈও বেছি।
দুখনি খালী হাতেৰে অনন্ত কাল অপেক্ষা কৰিম।
তোমাৰ মৰমৰ বীজ মোৰ হৃদয়ৰ পথাৰত
আহিবা আকৌ এদিন সিঁচিবলৈ।
তোমাৰ মৰমৰ এটি মাথোঁ বীজেই যথেষ্ট
মোৰ হৃদয়ৰ পথাৰ ওপচাই তুলিবৰ বাবে।■

❖উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী

ক
বি
তা

# ৰাঙলী হাতৰ আঙুঠি

বিদ্যুৎ কলিতা❖

**সেইদিনা** ৰাতিপুৱা হঠাৎ
বাজি উঠিল মোৰ ম'বাইলটো
মোক আচৰিত কৰি,
"গণেশগুৰিতে থাকিম মই
তোমালৈ অপেক্ষা কৰি।"

সেইদিনা আছিল ২০০৮ চনৰ
৩০ অক্টোবৰ, বৃহস্পতিবাৰ,
গণেশগুৰিতেই থাকিব
মোৰ প্ৰেয়সী
মোৰেই অপেক্ষাত।

ঠিক সময়তেই পালোগৈ
মোৰ গন্তব্য স্থান
গণেশগুৰি
"গুৰুম গুৰুম" কি আচৰিত
ইতিমধ্যে ধোঁৱাই ধৰিলে সমগ্ৰ আকাশ ছানি।
একো দেখা নাই বুজা নাই

মাথো আৱৰণ ধুঁৱলী-কুঁৱলীৰ,
কিন্তু শুনিবলৈ পাইছো
বাধ্যবাধকতাত পৰি চিঞৰা কিছু শব্দ
কিছুমান নিৰীহ প্ৰাণীৰ।

দুখোজ আগবাঢ়ি গৈ পালো
বাহুৰ ঠিক তলিতে দ্বি-খণ্ডিত হোৱা
ৰাঙলী হাত এখনি,
হৃদয়ত সৃষ্টি হ'ল প্ৰবল ঢৌ
যেন ই সাগৰৰ ছুনামি।
আলফুলে দুহাতলৈ তুলি
চালো তাক লিৰিকি-বিদাৰি
বিশেষ নতুনত্ব একো নাই
মাথোঁ
অনামিকা আঙুলিত এটা সোণৰ আঙুঠি।
ঠিকেই, এইটো সেই আঙুঠিটো
যিটো ময়েই গঢ়াইছিলো,
আৰু মাত্ৰ এসপ্তাহ আগতে
মোৰ নিচেই কাষতে বহুৱাই
প্ৰেয়সীৰ অনামিকা আঙুলিত
পিন্ধাই দিছিলো।■

*(৩০ অক্টোবৰ, ২০০৮ চনৰ বিস্ফোৰণত প্ৰাণ
হেৰুওৱাসকলৰ স্মৃতি সুঁৱৰি...)*



❖স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ

# কলংপাৰৰ কবিতা

অচ্যুত কুমাৰ শইকীয়া❖

কলঙৰ কাষেৰে তই যাৱনে?
ময়ো যাওঁ, সিহঁতো যাব, সি গ'ল ....
কিন্তু কলংখন ৰ'ল
যোৱাকালি কলংখনে মোক সুধিছিল
এখুদ ককাইদেওৰ পৰা ভবেন্দ্ৰ নাথলৈ
আজিও সুধিছে
দেৱকান্তৰ পৰা বিৰিঞ্চিলৈ
তথাপি মই একোৱেই নক'লো।
কলংখনে ক'লে এইবাৰ পালে আকৌ সুধিব
অৰুন্ধতীৰ পৰা ককাদেউতাৰ হাড়লৈ
ৰঙাজিয়াৰ পৰা কাঠনিবাৰীৰ ঘাটলৈ
সুধিলে মই ক'ম মই সাগৰ নেদেখাৰ কথা।
কাৰণ মই যে কওঁ বুলিও একোৱেই নক'লো ....
(কটা যোৱা নাক খাৰণিৰে ঢাক)!
কলংখনে সিহঁতকো সুধিলে ;
উভতি নগৈ থমকি ৰোৱাৰ বাটতে
ভোগেশ্বৰী ফুকননীৰ পৰা ক'লাই কোচলৈ
সিহঁতে মাথোঁ ক'লে
তেজ ধুলে উটে মঙহ ধুলে নুঠে।
কলংখনে ফেঁকুৰিলে.....।■

# মাজে-সময়ে

কৃষ্ণা দেৱী❖

মাজে-সময়ে মই চিঞৰি দিওঁ
বিষাদৰ উমান পাই
সিহঁতবোৰে সমালোচনা কৰে
মোৰ জীৱন-মনৰ তথ্যবোৰ
আৰু সিহঁতবোৰেও মোৰ ফালে চাই
হাস্যব্যংগৰ দৃশ্য প্ৰদৰ্শন কৰে।
মাজে-সময়ে মই নিমাত হওঁ
পোহৰৰ আগমন পাওঁ বুলি
আজি সৰ্বশৰীৰৰ চেতন
নাশ হ'ব বুলি আছো মই
প্ৰকৃতিৰ নিভাঁজ কোলাত।
মাজেসময়ে মই তোমাৰ সম্ভেদ পাওঁ
নিঃশেষ হোৱাৰ আশংকাত
প্ৰতিটো অংগক মই
বিলীন কৰি দিওঁ
যন্ত্ৰণাৰ অবান্তৰ পথলৈ
তোমাৰ কাষলৈ ......।■

('কাঞ্চন' উপন্যাসখনৰ কাহিনীৰ আধাৰত ৰচিত)



❖স্নাতকোত্তৰ তৃতীয় ষান্মাসিকৰ ছাত্ৰ

❖স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰী

ক
বি
তা

# অবমাননা

প্রীতম পাল❖



নিখিল ভুবনমাঝে বিধাতার
অপরূপ সৃষ্টি মানুষ।
কিন্তু, উহার মাঝে এক,
অভেদ্য প্রাচীর
পুরুষ ও নারী।
বৃক্ষবল্ক হইতে আরম্ভ করিয়া
কম্পিউটার,
বিবর্তনের এই যাত্রায়
পুৰুষ আপনাকে
মেলিয়াছে আকাশের গায়,
কিন্তু নারী!
পুরুষ নারীকে করিয়াছে অন্তঃপুরবাসিনী,
ইতিহাস উহাকে গার্গীই বলুক,
কিংবা খনা,
কিংবা জাহানারা,
শুধু সময় বদলাইয়াছে
যেই সময় শুধু,
জন্ম দেয়
অবহেলিত, নিষ্পেষিত নারীকুলের।
নারী সীমার ডোরে বাঁধা পরিয়াছে।
একটি ডানায় ভর করিয়া
সমাজ চলিতেছে
তবে এই উড়ন
সম্ভব নহে
জগদম্বার মূর্তিপূজা
ফলদায়ী নহে
জ্যান্ত দুর্গার অবমাননা
ঈশ্বরেরও সহ্যের বাহিরে
অনেক হইয়াছে মূর্তিপূজা
গাহ সবে এইবার
মাতৃজাতির জয়গান।■

❖স্নাতক তৃতীয় বার্ষিকৰ ছাত্র

ক
বি
তা

# ধৰিত্ৰী

দিপামণি বৰা❖

অতিকে আপোন মোৰ ধৰিত্ৰী আই,
আই বিনে মোৰ আৰু কোনো নাই।
কত উপহাৰ তুমি নিবেদিছা আই,
তাৰ প্ৰতিদান আমি দিব পৰা নাই।
বিত্তৰ ক্ষতি কৰো নৰৰূপী আমি,
কেতিয়াবা ভাবি চাইছোনে আমি?
জড়-জীৱৰ আধাৰ ধৰিত্ৰী আই,
অস্তিত্ব নাথাকিব অবিহনে আই।
ৰাসায়নিক দ্ৰব্য আৰু প্লাষ্টিক পাই,
নিতৌ প্ৰদূষিত আমাৰ ধৰিত্ৰী আই।
সেয়ে আমি কৰো আহা আইক ৰক্ষণ,
দশ কাৰ্য সাধো আহা কৰি বৃক্ষৰোপন।■

❖তৃতীয় বৰ্গৰ কৰ্মচাৰী

# বৃষ্টি

সুমন দাস❖

আকাশের বুজে গর্জায় মেঘ, ওরে শোন
এলো যে বর্ষা .....
ভাসছে কালো মেঘ, ঢালছে বৃষ্টি
ভিজে ওঠে প্রান্তর
মানুষের ভরসা।
আকাশে মেঘ এলেই পৃথিবীর ঘ্রাণ তাই
বৃষ্টির ফোঁটায় ফোঁটায় কেন যে খুজে পাই
সাগর থেকেই বয়ে আনে বৃষ্টি
পৃথিবীতে এসে করে কত যে সৃষ্টি।
যেতে হয় ফিরে তাকে ওই
সাগরেরই পৃষ্ঠা
এর বিধান যে এই প্রকৃতিরই সৃষ্টি।■

❖ স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ



# बड़ा महत्व है

सीमा साहनी❖

रिश्तों में विश्वास का, स्गाँ में लाज का,
सुर में साज का, पुजा में पवित्रता का
बड़ा महत्व है।
सिर में बाल का, खाने में स्वाद का
मनुष्य में ज्ञान का, आगे बढने में आर्शीवाद का
बड़ा महत्व है।
जीवन में पानी का, लेने में श्वासों का,
देश में सरकार का, पान में सूपाड़ी का,
बड़ा महत्व है।
पढ़ाई में परिणाम का, बातों में सच्चाई का,
त्र में चाल का, चबाने में पान का
बड़ा महत्व है।■

❖स्नातक तृतीय वर्ष का छात्री

क
वि
ता

# अनुभव

तपस्या शर्मा❖

**प्रा**प्ति में जीवन की तृप्ति
मातृ ही जीवन की दात्रि
मित्रता में जीवन की शांति
यद्यपि,
शत्रु ही जीवन की भातृ है।
अश्रु में जीवन की प्रेरणा
हँसी ही जीवन की कामना
सन्तुष्टि में जीवन की प्रत्याशा
ततार्थ,
लोभ में ही जीवन की वासना है।
स्मृति में जीवन की आईना
प्रेम ही जीवन का गहना
मन तो हमेशा जीवन का अपना
तथापि,
मृत्यु ही जीवन का शेष ठिकाना है... ॥।■

---

❖स्नातक तृतीय वर्ष का छात्री



# प्यार

श्रुतिधारा बरा❖

**'प्यार'** शब्द है बहुत प्यारा
ढाई अक्षर की यह कोमल गाथा।
प्यार में ही है यह दुनिया कायम
प्यार न हो तो दुनिया ही भसम।
प्यार के लिए ही फूल खिलते
पक्षी भी अपनी धुन को छेड़ते।
पशु मात्र भी है प्यार को ललचे
ह्रदयविहीन शरीर ..... वो न समझे।
कल कल करती बहती ये झीले
सबके मन को कर देते मतवाले।
हरी भरी सी लहराती धरती
प्यार की बारीश में झुम उठती।
जाने कैसे लग गये ..... किसी की नजर!
हो गयी हिंसा-दूंष, भर्द-भाव का असर।
भूला दिया सबने शब्द प्यार को
बाकी है पृथ्वी मात्र ध्वंस होने को .... ॥■

---

❖स्नातक तृतीय वर्ष का छात्री



# ये जिन्दगी

शिबानन भूया❖

**ये** जिन्दगी क्या है ...
क्या हम जानते हैं ?
हम क्या ढूँढ रहे हैं.....
कहाँ जा रहे है ?
हमें ही नहीं मालूम जैसे ..... ।
जिन्दगी एक मरीचिका है,
जहाँ हम भटकते रहते है।
न जाने कहाँ जा रहै!
जैसे मरीचिका में पानी की तलाश....
व्याकुल ओर तृष्णातुर है।
कभी सामने देखता हूँ,
फिर कहीं खो जाता हूँ....
चिन्दगी एक तरह का संग्राम है,
हर मोड़ पर खतरा ही खतरा है।
फिर भी हार मानने का मन नहीं है।
बस, आगे बढ़ते ही जाना है..... ॥■

❖स्नातक तृतीय वर्ष का छात्र

# शिक्षा का प्रकाश

दीपा बेगम❖



**सू**र्य के प्रकाश की तरह
शिक्षा के प्रकाश को भी फैलाना हैं
इसे केवल शहरों में ही नहीं
गाँवों-गाँवों में भी पहुँचाना है।
अज्ञान के गहरे अंधेरे को
शिक्षा से दूर करना है
अशिक्षित इस समाज को
शिक्षित हमें बनाना हैं।
बच्चे, बूढ़े और जवानों को
शिक्षा का अधिकार दिलाना हैं,
शिक्षा बिना जीवन अधुरा
यह संदेश फैलाना है
शिक्षा है जीवन का अमुल्य धन
यह कहावत पुराना है
शिक्षा है आनन्दमयी
यह सिद्ध करके दिखाना है।
हर काम में है शिक्षा की जरुरत
हम सबको यह बताना है,
अमीर-गरीब, भेद-भाव बिना
सबको शिक्षा प्रदान करना है।
शिक्षा के धूडार शिक्षा बिना अधुरा है
ज्ञान ज्योति को जीतने के लिए
शिक्षा की जरुरत है।■

❖स्नातक तृतीय वर्ष का छात्री

क
वि
তা

# हौसला

सालमा खातुन❖

खुद पर विश्वास है
    बस कदम बढ़ाना हैं हमें।
दूर ही मंजिल सही
    बस चलते जाना हें हमें॥
दिल मे गहरी तकलीफ हैं
    पर उसको मिटाना हैं हमें।
रस्ते मे गद्ढे ही सही
    पार करके दिखाना है हमें॥
न जाने लोग भूल जाते है क्यों
    याद दिलाना है हमें।
सामने चुनौती खड़ी हैं हमारे
    उसे पराजित करना है हमें॥
लाख तुफान क्यों न आयें
    कश्ती बचाना है हमें।
जिन्दगी की इस जंग में
    ज़ीत कर दिखाना है हमें।■

❖स्नातक तृतीय वर्ष का छात्री

# FREIND OF MY LIFE

Manai Engti Katharpi❖



The sorrowful mysteries of life are forgotten
And with you a new day has seen its dawn.
Though life seems so long ....
yet, you lend me your shoulder to step for ward
A dark storm has obscured my life
But you came and made my life secure
It is you my sweetest friend
Who helps me in my dismay.
    As I was feeble, so I cried and cried
    till I lost my sense.
    Yet by your love and care
    You rescured me
    It is you my Sweetest Friend
Who lights up my life
Like the rainbow in the sky
It is you for whom my gloomy days ended
For the promise of the hour
For the sincerity of your eyes
Has comforted my heart
    Till then I feel happy and satisfied
    Thank you friend for
    being by my side
    To fulfill all my heart's desire.■

❖B. A. 3rd Year Student

# DEEP RISING

**Lipika Borah❖**

**O**n that vast ocean
Something is rising,
But none can realise
Without God's blessing.
O, God are they dreaming
They forget everything and
Running after currency
With the mind full of jealousy.
Will they be able to come back ?
To the world of love
With a fresh mind and soul
That will ever shine like gold.■

❖B. A. 3rd Year Student



# Within you is the Strenght to Meet life's challanges!

**Poushali Chatterjee❖**

**Y**ou are stronger than you think,
remember to stand tall.
Every challenge in your life
helps you to grow.
Every problem you encounter
Strenghtens your mind and your soul.
Every trouble you overcome
increases your understanding of life.
When all your troubles weigh
heavily on your shoulders.
remember that beneath the burden
You can stand tall
because you are never given
more than you can handle ...
and you are stronger than you think.■

❖B. Com. 3rd semester student.

# OH KARBI ANGLONG

Dhoromsing Ronghang❖

**O**h Karbi Anglong
Bestowed with all forms of
Beauty, charms and fascination.
The solace, the guide, the guardian
And soul of all our moral being.

Oh Karbi Anglong, wake up
Convey to the world–the agonies,
Affliction, dejection and despondency.
Let every creature that breathes now, declare
"United we stand for you"
Oh Karbi Anglong, be firm and
Determined to cope with any challenges
Until tears in the eyes of
Karbi Anglong be wiped off...■

❖B. A. 3rd semester student.

# *Jiban Narah's Poem Translated by Lyra Neog*

# 'Farewell' (Biday)

**O**n the day our sister left our home
She left an unbearable emptiness there,

For she loved to sing alone
A room of her own was built

The sad resonance of her singing
Scattered in the room
Hurts us now and then

With the boy she loved
She left us forever-that is the custom
But not very easy to accept

Because she loved the 'simalu'* Blossom
She never told a lie to the river

And the day she sailed downstream
Her sorrow began growing.■

**A kind of tall tree with red flowers.*

Lyra Neog (Translation)

# Guest (Atithi)

For coming to our home at the time of this Bihu
I shall not give you my address
Come looking for me to the village 'Alupora'
Ask anyone carrying a pitcher my wherebouts
You can also ask those naked boys playing on the sandy banks of the river, my address.

If the young Belles burst into rippling laugther
You will know that is my village, my address

Or you can do one thing
After crossing 'Gela Bil' the first house you come across, ask about me there
If a woman from the house answers you in a coarse voice
Beware! Come back!
For that can either be 'Charaipung'* or 'Lakhipathar'*
But if a man answers from within and opens the door
You can rest assured that
You have reached my home and can give a whopp of joy

They will first offer you a bowl of 'Apong'
Some baked 'Goroi Machh' on a plantain leaf and a piece of yam
With some salt and green chillies. The is the way they welcome their guest.

After the first bowl is over, they willl give you a second,
A third
And a fourth
Do not refuse for they may feel hurt.
Do not get drunk on apong they will feel hurt.
Once they dislike you they will never call you again
I shall not give you my address, if you come, come on the day of URUKA.
Beware, do not refuse to dance if the young lads and girls want you to dance
Never say you do not know how to dance, for they will be hurt
Do not desire to return on that 'Karpongpuli'* nigth lest they feel hurt
Do not stretch out you hand to the bosom in an inebriated state, for they will hurt
And will inform the headman of your misdemanour

Think twice before you decide to come !!!
For I will still not give you my address.■

* *a small rivulet in Golaghat district of Assam*
* *these two forests were once famous for the camps of ULFA a terrorist outfit of Assam*
* *a kind of sweet beer made by the Mishing tribe of Assam*
* *a muddy water fish found in Assam*
* *clear sky on a full moon night.*

ক
বি
তা

# DREAM

**Pallabi Konwar**❖



**I** tend to run after
Run after something I think
I wanted to have
But I couldn't, my fault
I should not.
It was a dream, a mirage
So, I think now it to be
And hope it to be, wish it to be
But Alas! it is not.
It is so strange, how
I was running after a butterfly
like a child
I almost had it
But just then, I awoke
And found
No, I was dreaming.
Let no one, ever have such a
Bad dream like mine
The butterfly, flew away
breaking me,
So, I swear not to dream
It really pains
To dream to have something
One could not. My fault
I should not.■

❖Ex-student, English Department

# THOUGHTS

**Chiranjit Poddar**❖

**I** sat and thought one sunny morn,
Why people, nowadays, are full of scorn?
I sat and thought the same noon,
Why is there a sun and a moon ?
I sat and thought the very same night,
Why do people all over the world fight ?
I sat and thought the next bright evening
Why do rivers keep flowing ?
I sat and thought,
I sat and thought for the next few days,
Why do we sit, think and gaze ?
Since there are so many things to do in life,
Why waste time while it passes like a flashing knife ???■

❖B. Com. 3rd semester

# বৰ্তমান ভাৰতীয় সংগীত জগত



**শিল্পী শিখা বৰা❖**

পৃথিবীৰ চহকী সভ্যতাৰ ভিতৰত ভাৰতীয় সংস্কৃতি আৰু সভ্যতা বহু চহকী আৰু সংস্কৃতিৱান। ইয়াৰ জ্বলন্ত উদাহৰণ সিন্ধু সভ্যতা— যেনেকৈ পৃথিবীৰ ইতিহাসৰ বুৰঞ্জীৰ গতি লুটিয়ালে নীল নদীৰ সভ্যতা, সিন্ধু সভ্যতা, ভাৰতীয় সভ্যতাৰ জ্ঞানৰ আৰু সংস্কৃতিৰ পৰিচয় নালন্দা বিশ্ববিদ্যালয়, তক্ষশিলা বিশ্ববিদ্যালয় ইত্যাদি। যিবোৰ সভ্যতাৰ আমি গুৰুগৃহত "টোলৰ" ব্যৱস্থা পঢ়িবলৈ পাওঁ। এই টোলবোৰত ছাত্ৰসকলক জ্ঞান আৰু সংগীতৰ দৈনন্দিন শিক্ষা দিছিল।

কবিৰ ভাষাত সংসাৰ মৰুভূমিত সংগীত হৈছে সৰোবৰ ভাৰতবৰ্ষত স্বাধীনতাৰ আগত বহু বছৰ মোগলসকলে ৰাজত্ব কৰিছিল, তেতিয়াৰ পৰাই মানুহৰ কৰ্ম জীৱনৰ ব্যস্ততাৰ মাজত জিৰণি হিচাপে মহাৰজা বা ৰজাসকলৰ ৰাজত্ব কালত সংগীত বা নৃত্য-গীতৰ ব্যৱস্থা অতীজৰে পৰা ৰাখিছিল। মোগল সাম্ৰাজ্যৰ দিনত তেনে এজন সুৰ বা সুধাকণ্ঠৰ অধিকাৰী আছিল "তানসেন"। যি আছিল আকবৰৰ ৰাজসভাৰ বিশিষ্ট সংগীত শিল্পী।

বৰ্তমান সংগীত জগতৰ কথা ক'বলৈ গ'লে আমি বৰ্তমানৰ যিসকল বিখ্যাত সংগীতজ্ঞ সেইসকলৰ কথা উল্লেখ কৰিলেই নহ'ব কাৰণ অতীতৰ পৰা আমাৰ ভাৰতবৰ্ষত যি সংগীতৰ জোৱাৰ উঠি আহিছে সেই জোৱাৰৰ ওপৰত নিৰ্ভৰ কৰিহে বৰ্তমান সংগীত সমাজ উন্নতিৰ শিখৰত আগবাঢ়িব পাৰিছে। পুৰণি শিল্পীসকলৰ সংগীতৰ যি আদৰ আৰু সন্মান সেই আদৰ আৰু সন্মান বৰ্তমানেও দেখা যায়। আমাৰ অসম তথা অসমীয়া লোকসকলৰ সংস্কৃতিও অতি ধনী বা চহকী সংস্কৃতি। জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে সৃষ্টি কৰি যোৱা বাটেৰে জন্ম লাভ কৰিছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা। তেখেতসকলৰ বাটেৰে বাট কাটি সংগীতসূৰ্য বিশ্বৰত্ন, অসমৰত্ন ড° ভূপেন হাজৰিকাদেৱে অসমীয়া সংস্কৃতিৰ বিশাল ভাৰখন নিজ হাতে বহন কৰি অসমীয়া সংস্কৃতিক তেখেতৰ গীত-মাত আৰু অমৰ সৃষ্টিৰাজিৰে বিশ্বদৰবাৰত থিয় কৰাই এক সুকীয়া মৰ্যদা দিছিল। কিন্তু তেনে এজন বিশ্ববৰেণ্য শিল্পী আমি সৌসিদিনা হেৰুৱালো।

আজিৰ বিশ্বত অসমীয়া গীত-মাত, সংস্কৃতিয়ে অতি চহকী তথা ধনী সংস্কৃতি বুলি পৰিচয় লাভ কৰিছে। কিন্তু কিছুমান ক্ষেত্ৰত এই আদৰৰ অভাৱ অনুভৱ কৰা হয় কিয়নো বহুতো শিল্পীয়ে আজিকালি সংগীত পৰিৱেশন কৰিবলৈ গৈ সংগীতৰ নামত কিছুমান আৱৰ্জনা চপাই দিয়ে যাৰ ফলত সংগীত জগতখন অধঃপতনে যোৱাও দেখা গৈছে। আমাৰ সমাজখনে যিহেতু এইবোৰ চকুৰ আগতে দেখিছে গতিকে ই যাতে আৰু ধ্বংসৰ পথলৈ নাযায় তাৰ প্ৰতি সজাগ হোৱাটো অতি প্ৰয়োজন। এনে হৈছে যদিও সংগীত জগতখন বহুত উচ্চ স্থানত আছে আৰু ভৱিষ্যতেও থাকিব। জগতগুৰু শংকৰদেৱৰ পৰা আমাৰ হিয়াৰ আমঠু ড° ভূপেনদালৈকে যিসকল মহান লোক অসমী আয়ে লাভ কৰিলে সেইসকলে যদি আজি গ্ৰেট ব্ৰিটেইনত জন্মগ্ৰহণ কৰিলে হয় তেতিয়াহ'লে হয়তো তেওঁলোকে শ্বেইক্সপীয়েৰতকৈও উচ্চ আসন লাভ কৰিলেহেঁতেন।■

---

❖স্নাতক তৃতীয় ষান্মাসিকৰ ছাত্ৰী

# Oldest Classical Dance of India BHARAT NATYAM



Susmita Borah❖

The form of dance began in ancient time. Bharata was a Brahmin who wrote a wonderful book called 'Natyashastra'. Natyashastra is one of the oldest scientific treatise on dance, drama and music. Natayshastra means a book on control directing on the profession of acting. According to Natyashastra, 'Nritya' is dance with Abhinaya depicting Rasa, Bhava etc.

A classical dance must have Nritt, Nritya and Natya. Apart from these, a classical dance must have tradition, arising out of a connection with religion or important social behaviors. The oldest classical dance of India is Bharat Natyam. 'Bha' means bhava, 'Ra' means raga and 'Ta' means ta ta. The oldest name of Bharat Natyam is 'sadir'. Bharat Natyam is a South India Margi dance form. In Malowar this dance was known as 'Kulthu' as revealed in the old tamil book 'Silappadikaram.

The first institute of Bharat Natyam is Kalakshetra, which was inaugurated by Rukmini Devi in Madras.

The four Scholars Punnia, Chinnaiya, Baribelu and Shivanandam are the root of giving the present form to Bharat Natyam. Then it was the great guru Meenakshi Sundaram Pillai, who created the great art of Bharat Natyam.

Bharata felt that dance was a very important form of art he believed that the dancer should be able to involve the people and make them feel the particular emotions portrayed by the artist to come closer and make an eye contact with the audience the emotions were made as 'Rasas'.

Nine Rasas were described by him which were :-

i) Shringar,
ii) Rudra,
iii) Hasya,
iv) Vibhatsa,
v) Karuna,
vi) Veera,
vii) Krodha,
viii) Ashcharya,
ix) Shant.

The Abhinaya Darpan, which was written by Nandikeshwar is a treatise on the gestures and postures used in dance and drama. According to Bharata drama should be a mixture of singing, dancing and acting and it should initiate gods and kings also. Drama should offer the audience a good moral and make them feel strong and courageous. The theatre of ancient India has a great influence on the classical forms of dance and drama.■

❖ Student of B. A. 2nd semester

# History of Olympic

Gangutri Garg❖

The olympic games began at Olympia in Greece in 776 BC. The Greek calendar was based on the Olympiad, the four year period between games. The games were staged in the wooded valley of Olympia in Elis. Here the Greeks erected statues and built temples in a grove dedicated to Zeus, supreme among the gods. The greatest shrine was an ivory and gold statue of Zeus, Created by the Sculptor Phidias, it was considered of the 7 wonders of the world.

At first the only olympic event was a 200 yard race. This was the only event until 724 BC, when a two-stadia race was added. Two years later the 24 stadia event began and in 708 the penthathlon was added and wrestling became part of the games. This pentathlon, a five event match consisted of running, wrestling, leaping, throwing the discus and hurling the javelin. In time boxing, a chariot race, and other events were included.

The vectors of these early games were crowned with wreaths from a sacred olive tree that grew behind the temple of Zeus. According to tradition this tree was planted by Nercules (Heracles), founder of the games.

In ancient Greece, games were closely connected to the worship of gods and heroes. Games were held as part of religious ceremonies in honor of deceased heroes.

The games were held every four years from 776 BC to 393 AD when they were abolished by the Christian Byzantine Emperor Theodosius I. The successful campaign to revive the Olympics was started in France by Baron Pierre de Coubertin late in the 19th century. The first of the modern Summer Games opened on Sunday, March 24, 1896, in Athens, Greece. The first race was won by an American college student named James Connolly and it is commonly believed that first woman to win an Olympic event was Englands Charlotte Cooper, who won the tennis in 1900.

The Olympic Hymn (Greek and English) was written by Costis Palamas, one of the Greece's most famous poets, in 1893 and was set to music by Spiros Samaras in 1896. The Hymn was adopted as the official Olympic Hymn by the International Olympic Committee in 1957.

In modern concept, the best amateur athletes in the world match skill and endurance in a series of contests called the Olympic Games. Almost of every nation sends teams of selected athlets to take part. The purposes of the Olymic Games are to foster the ideal of a "sound mind in a sound body" and to promote friendship among nations.■

❖ Student of B.A. 3rd semester

# History of Football



**Ananya Baruah**❖

Throughout history, humans have enjoyed kicking a ball or a ball shaped object. Between 255 BC and 220 AD, when the Ts'in and Han Dynasties rule China, a game called 'tsu chu' was played. In this game, balls were dribbled through gaps in a net stretched between two poles. Some ancient Greeks and Romans played a game in which a ball had to be kicked around which have much similarities with football.

Before the Middle Ages or medieval period, a popular pastime involved an entre village kicking a skull along a path to a nearby village square. The opposing village, would in turn, attempt to kick the skull back to the first village's square. This caused a lot of fights between the villagers. The early balls are made from human heads, stitched up cloth, animal skulls and pig cow bladders. Later, the bladders were covered with leather for better shape retention, and finally it took the shape of the present football as we watch in out TV sets or in our country football matches. The first description of a football match in England was written by William Fitz Stephen in about 1170. He records that, while visiting London, he noticed that 'after dinner, all the youths of the city go out into the field for the very popular game of ball.' Centuries later, other men 'propel a huge ball not by throwing it into the air, but by striking and rolling it along the ground, and that not with their hands but with their feet. There was scarcely any progress at all in the development of football for hundreds of years. A change did not come about until the beginning of the 19th century when school football became the custom, particularly in the famous public schools. This was the turning point for football. The first laws for modern football were drawn up in London in 1863, where the Football Association was formed. In those early years, the game gradually assumed the features we take for granted today. Goal-Kicks were introduced in 1869, and corner-kicks in 1872. In 1878, a referee used a whistle for the first time. Yet, there was no such thing as a penalty until 1891. By

the late 1930's the low changed to fine tune football. In the 1980's, the laws of the game were further revised and a series of amendments were made in 1990, and later in 1998. These rules have helped to make football a sport with more than 15,48,000 teams, and many million people who regularly play the game.

The growth of football began with its popularity in the public schools in England. The authorities for school education noted that this sport helped in nourishing fine qualities like loyalty, selflessness, cooperation and team spirit, and so they encouraged it. But the game was rather a rough one, and in 1863 rules were laid down by the Football Association. However, everyone does not agreed with these rules, and so the game of football split into two games Soccer or Association Football, and Rugby, in which carrying the ball with hands was allowed. Soccer rapidly gained in popularity after 1863. Only eight years after its foundation, the Football Association already had 50 member clubs. The first football competition in the world, the FA Cup, was established in 1872. By 1888, the first league championship was under way. So, international match were being staged in Britain. The spread of soccer outside of Great Britain was mainly due to the Britain influence abroad. It started slowly, but it soon gathered momentum, and rapidly reached all the parts of the world.

The next countries to form football associations were the Netherlands, Denmark, New Zealand, Argentina, Chile, Uruguay, Hungary and Finland. Today soccer is the most popular sport in the world. FIFA, the Federation of International Football Associations, includes 208 different national federations, and many countries consider football a part of their national heritage. According to current affairs I have heard a news. It was in the time when football world cup fever was on, the people in the eve of 2010 Football World Cup heard a news that in a small country in the African continent (where the 2010 world cup was held) the people used football or soccer game to overcome their miseries and depressions, for they suffered from drought and famine.

Many factors contribute to soccer being the most popular sport around the world, both in terms of spectators and participants. The most important are its simplicity, the sense of involvement that it arouses in players, its excitement and inelodrama its appeal as a television sport. However, the game has a bad side to because it is a sport where violence may occur. But the common people like it very much and it is very popular among them from the past. ■

❖Student of B. Sc. 3rd semester

## MORAL

✡ The sun is the epitome of benevolence. It is life giving and warmth giving and happinees giving and to it we owe our thanks giving.

**–Jessi Lane Adams.**

# গ্ৰন্থমেলা

মিতাশ্ৰী বৰা*




'গ্ৰন্থমেলা' শব্দটো এটি নতুন শব্দ। দৰাচলতে বহুত দিনৰ আগৰে পৰা এই মেলা শব্দটোৰ প্ৰচলন হৈ আহিছে। ইয়াৰ সহজ অৰ্থ হ'ল বহুতো মানুহে একেলগে মিলি-জুলি আনন্দ উৎসৱ কৰা। য'ত অস্থায়ীভাবে বহুতো ক্ৰেতা আৰু বিক্ৰেতাৰ সমাগম হয় আৰু য'ত সহজে নোপোৱা বস্তু ক্ৰয়-বিক্ৰয় কৰা হয়। গ্ৰন্থমেলা এনে এক মেলা য'ত অলেখ দুষ্প্ৰাপ্য গ্ৰন্থ ক্ৰয় কৰাৰ সুবিধা পোৱা যায়। অৱশ্যে অন্যান্য মেলাৰ দৰে ইয়াত হাই-উৰুমি অথবা উচ্ছৃংখল মানসিকতাৰ ল'ৰা-ছোৱালীৰ সমাগম নহয়। ইয়াত থাকে চিন্তাশীল লোক, সুস্থ মস্তিষ্কৰ ল'ৰা-ছোৱালী, যিসকল তালৈ যায় জ্ঞানৰ ভাণ্ডাৰ চাবলৈ, সেইবোৰ ক্ৰয় কৰিবলৈ।

পোনপ্ৰথমে গ্ৰন্থমেলা আৰম্ভ হয় ইউৰোপত আনুমানিক ত্ৰয়োদশ শতিকাত। ইয়াৰ পিছত ইউৰোপ আৰু আমেৰিকাৰ বিভিন্ন ঠাইত গ্ৰন্থমেলাৰ আয়োজন কৰা হয়। অৱশ্যে সেইবোৰ অন্য মেলাৰ অংশ হিচাপেহে অনুষ্ঠিত হৈছিল। কিন্তু সম্পূৰ্ণ গ্ৰন্থৰ মেলাখন অনুষ্ঠিত হয় জাৰ্মানীত। ইয়াৰ পিছত অন্যান্য দেশবোৰত গ্ৰন্থমেলা পাতিবলৈ লয়। ভাৰতৰ প্ৰথম গ্ৰন্থমেলা হয় কলিকতাত। বঙ্গীয় পুস্তক প্ৰকাশক আৰু বিক্ৰেতা সমিতিয়ে বহু সংস্কৃতি সন্মিলনত অংশগ্ৰহণ কৰি সেই মেলাৰ আয়োজন কৰিছিল। ইয়াৰ পিছতে নেচনেল বুক ট্ৰাষ্টে পূৰ্ণ পৰ্যায়ৰ গ্ৰন্থমেলা ১৯৬৯ চনত বোম্বাইত অনুষ্ঠিত কৰে। এইদৰে নেচনেল বুক ট্ৰাষ্টে দিল্লী, মাদ্ৰাজ আদি কৰি প্ৰধান প্ৰধান চহৰসমূহত গ্ৰন্থমেলা আজি পৰ্যন্ত আয়োজন কৰি আহিছে। আমাৰ বাবে সু-খবৰ যে ১৯৭৬ চনত অনুষ্ঠিত হোৱা বিশ্ব গ্ৰন্থমেলাত প্ৰকাশন পৰিষদে ছপাই উলিওৱা 'হস্তী-বিদ্যাৰ্ণৱ' পুথিয়ে বিশ্বৰ ভুয়সী প্ৰশংসা লাভ কৰিছে।

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত অসমৰ প্ৰধান চহৰ গুৱাহাটীত প্ৰথম গ্ৰন্থমেলা আৰম্ভ হয়। এতিয়া প্ৰতি বছৰে গ্ৰন্থমেলা অনুষ্ঠিত হয়। অসম প্ৰকাশন পৰিষদৰ উপৰিও 'উত্তৰ-পূব' গ্ৰন্থমেলাও প্ৰতি বছৰে গুৱাহাটীত অনুষ্ঠিত হয়। দুয়োখন গ্ৰন্থমেলাতে অসমৰ প্ৰকাশকসমূহৰ উপৰিও ভাৰতৰ আন ঠাইৰ পৰা প্ৰকাশকসকল আহিবলৈ লোৱাত ইয়াৰ জনপ্ৰিয়তা বাঢ়িবলৈ লৈছে। বৰ্তমান অসমৰ বিভিন্ন ঠাইত গ্ৰন্থমেলা হ'বলৈ ধৰিছে। ই আমাৰ বাবে সু-খবৰ।

গ্ৰন্থমেলাত পোৱা যায় হেজাৰ-বিজাৰ কিতাপ, জ্ঞান-বিজ্ঞানৰ বিচিত্ৰ সম্ভাৰ। মানুহৰ বিচিত্ৰ অভিজ্ঞতা আৰু চিন্তাই ঢুকি পোৱা সমস্ত বিষয়ৰ কিতাপ গ্ৰন্থমেলাত থাকে। সেয়েহে নিজৰ নিজৰ পছন্দৰ কিতাপ কিনিবলৈ তাত সুবিধা হয়। ফলত ল'ৰা-ছোৱালীৰ জ্ঞান বৃদ্ধিত সহায় হয়। বিশেষকৈ কাৰিকৰী, চিকিৎসা বিজ্ঞানৰ ছাত্ৰ, অভিযান্ত্ৰিকৰ ছাত্ৰ-ছাত্ৰীসকলে গ্ৰন্থমেলাত দুষ্প্ৰাপ্য কিতাপবোৰ কিনিবলৈ সুবিধা পায়। লগতে গ্ৰন্থমেলাত চলি থকা সাহিত্য-সংস্কৃতি বিষয়ক আলোচনা, নানা প্ৰতিযোগিতা আদিয়ে পঢ়ুৱৈ সমাজক বৰকৈ উপকৃত কৰে। মুঠৰ ওপৰত এখন সুস্থ, সাংস্কৃতিক সমাজ গঢ়াত গ্ৰন্থমেলাই আমাক সহায় কৰে।

গ্ৰন্থমেলাই প্ৰসাৰতা লাভ কৰি আজি গাঁৱে-ভূঞে সকলোকে স্পৰ্শ কৰিছে। সকলো লোকে গ্ৰন্থৰ মূল্য বুজিব পৰা হৈছে। ফলত প্ৰকাশক-বিক্ৰেতা আদিও উৎসাহিত হৈছে। অৱশ্যে এটা কথা ঠিক গ্ৰন্থৰ জনপ্ৰিয়তা বৃদ্ধি পাবলৈ ধৰাৰ সুযোগ লৈ যদি কোনো প্ৰকাশকে নিম্ন ৰুচিৰ বা কুৰুচিৰ গ্ৰন্থ সমাজৰ মাজলৈ ঠেলি দিয়ে, তেনেহ'লে ই হ'ব সাহিত্য-সংস্কৃতি তথা মানৱক কৰা ঘোৰ অন্যায়। গতিকে আমি সকলোৱে সচেতন হৈ গ্ৰন্থমেলাৰ জনপ্ৰিয়তা বঢ়াবলৈ চেষ্টা কৰা উচিত। ■

*স্নাতক তৃতীয় ষান্মাসিকৰ ছাত্ৰী

# চৈয়দ আব্দুল মালিকৰ 'অঘৰী আত্মাৰ কাহিনী'

পূজা বণিয়া❖

অসমীয়া ঔপন্যাসিকসকলৰ ভিতৰত চৈয়দ আব্দুল মালিকেই সৰ্বাধিকসংখ্যক উপন্যাস লিখিছে আৰু আধুনিক উপন্যাসৰ যিকোনো আলোচনাতেই তেওঁৰ নাম সৰ্বাগ্ৰে উল্লেখযোগ্য। তেওঁৰ 'অঘৰী আত্মাৰ কাহিনী' উপন্যাসখনত আধুনিক যুগৰ এক ৰুদ্ধশ্বাস পৰিস্থিতিৰ ৰূপায়ণ কৰা হৈছে। ই নিৰঞ্জন, শশাংক আৰু অপৰাৰ কাহিনী আৰু দুটা চৰিত্ৰ- ছায়া আৰু মৃগাংকৰ উল্লেখ ইয়াত আছে। কিন্তু সিহঁতক প্ৰত্যক্ষভাবে কাহিনীত অন্তৰ্ভুক্ত নকৰি দূৰে দূৰে ৰখা হৈছে। ছায়াৰ কাহিনীৰ লগত অপৰাৰ কাহিনীৰ যোগসূত্ৰ নিতান্তই ক্ষীণ। চৰিত্ৰ হিচাপে শশাংক লেহুকা মনৰ, সি তাৰ চিন্তাক কাৰ্যত ৰূপ দিব নোৱাৰে। সেইদৰে, নিৰঞ্জনৰো জীৱনৰ লগত সন্মুখীন হোৱাৰ সাহস নাই, সিও মৰা মুগাৰ দৰে। জীৱনস্ৰোতে অপৰাক যেনিয়েই উটাই নিছে তেনিয়েই তাই উটি গৈ আছে। আক্ষৰিক অৰ্থত নহ'লেও এই তিনিওটা চৰিত্ৰই অঘৰী, অৰ্থাৎ ছিন্নমূল; জীৱনৰ পৰা ইহঁত বিচ্ছিন্ন। প্ৰতিটো চৰিত্ৰই ভিতৰি ভিতৰি পুৰি মৰিছে, কিন্তু বাহিৰত তাৰ প্ৰকাশ নাই।

অপৰাৰ জীৱনৰ লগত শশাংক কিভাবে জড়িত সেই কথাৰ আৰু তাইৰ মাক যে শশাংকৰ দেউতাকৰ ৰক্ষিতা আছিল সেই কথাৰ উদ্‌ঘাটন নাটকীয়ভাবে কৰা হৈছে। ছায়া আৰু শশাংকই বিচাৰিছিল প্ৰেম আৰু সন্মান, কিন্তু সিহঁতৰ আশা পূৰ্ণ নহ'ল। অপৰায়ো ভাবিছিল যে নিৰঞ্জনৰ পৰা তাইৰ অতীতটো লুকুৱাই ৰখাটো তাক প্ৰবঞ্চনা কৰাৰে নামান্তৰ মাথোন। সেইবাবে তাই দৃঢ়তাৰে সত্যৰ সন্মুখীন হ'বলৈ গ'ল, ফলত তাইৰ জীৱন আৰু নিৰঞ্জনৰ জীৱন থানবান হৈ গ'ল।

শশাংক, নিৰঞ্জন আৰু অপৰাৰ কথোপকথনৰ জৰিয়তে লিখকে আজিৰ যুগৰ মানুহৰ মানসিক অস্থিৰতাৰ প্ৰসংগ উত্থাপন কৰিছে। জীৱনৰ লগত অকলে সন্মুখীন হোৱাৰ সাহস আজিৰ মানুহৰ নাই, অকলে জীয়াই থকাৰ সাহসো নাই, নিজক লৈ অকলশৰে থকাৰ আনন্দও আজিৰ মানুহে উপলব্ধি কৰিব নোৱাৰে— এনে এটা দৃষ্টিভংগীকে প্ৰতিপাদন কৰাটোৱেই উপন্যাসখনৰ উদ্দেশ্য যেন লাগে। অপৰা-নিৰঞ্জনৰ কাহিনী তাৰে নিদৰ্শনস্বৰূপে দাঙি ধৰা হৈছে। অতীতৰ ছায়াই যে আমাৰ লগ নেৰে সেই কথাৰ আভাসো কাহিনীটোত আছে।■

❖স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী

## কিছুমান সৰু অথচ আশ্চৰ্যকৰ কথা

অন্ধ কবি মিল্টনৰ এখন বিশ্বপ্ৰসিদ্ধ কাব্য-গ্ৰন্থ হ'ল "পেৰাডাইজ লষ্ট"। তেখেতে এইখন গ্ৰন্থ বিছনাত বহি বহিয়েই ৰচনা কৰিছিল।



# গ্ৰন্থ আন্দোলনলৈ নগাঁও মহাবিদ্যালয়ৰ অৱদান, ২০১১-১২




ভোজন বৈচিত্ৰ্য আৰু ভোজন বিলাস
ড° শৰৎ বৰকটকী
প্ৰথম প্ৰকাশ ২০১১




বাঘি চরের রাত ও অন্যান্য কাহিনি (অনুবাদ গ্ৰন্থ)
সঞ্জয় দে
প্ৰকাশক - সাহিত্য একাডেমী / ২০১১




শ্যামকানু
ড° গিৰিকান্ত গোস্বামী
প্ৰথম প্ৰকাশ ২০১১




বৰগীতৰ ভাষা-বৈজ্ঞানিক গৱেষণা
ড° গিৰিকান্ত গোস্বামী
প্ৰথম প্ৰকাশ ২০১১




জুনা-গীত আৰু অন্যান্য
কল্পনা হাজৰিকা গায়ন
প্ৰথম প্ৰকাশ ২০১১

# গ্রন্থ আন্দোলনলৈ নগাঁও মহাবিদ্যালয়ৰ অৱদান, ২০১১-১২




অসমৰ ৰাজনীতিত মুছলমান ঃ বিশ্বাস, বাস্তৱ আৰু সংঘাত
মনোজ কুমাৰ নাথ
প্ৰকাশক -- ক্ৰান্তিকাল /২০১১




Proceedings : National Seminar on Challenges of Quality Assurance in Higher Education with special reference to North-Eastern Region
Published by -- Nowgong College, 2012




The Brahmaputra
Flood and its Preventive Measures
Manik Kar
EBH Publishers (India) / 2012




Earthquake & Natural Disasters
Manik Kar
EBH Publishers (India) / 2011

## সম্পাদকীয় প্ৰতিবেদন
## নগাঁও মহাবিদ্যালয়, ছাত্ৰ একতা সভা, ২০১১-১২



# Vice President

**Parsho Jyoti Das**

At the beginning of my report I would like to thank all the students who thought me eligible for the post of vice-president for the session 2011-12. I would also like to extend my love and gratitude to all the students of Nowgong College. As the vice president of Nowgong College students' union I tried my best to work for the upliftment of the college. I was always prepared to work for this institution whenever the need arose.

During my tenure as vice-president the NCSU office was repaired, a new set of chairs were sought for NCSU office. I also took a note of various problems faced by the students and took steps to solve the problems. During my tenure work for a new parking lot for the students' was started, fans were provided in classrooms where earlier they were not available, drinking water facilities were also increased construction of a new boys' common room also has began.

We were also able to organise blood donation camp in our college, many students participated in that camp and made it a success.

I wish, I could do more for the students but due to lack of budget, some things I planned could not be done. At last I would like to thank our honourable principal Dr. Sarat Borkataki, Vice Principal Kamakhya Prasad Choudhury sir, all the teachers, professor incharge, working staff of the college and all the students for their valuable support and co-opperation wihout which nothing was possible for me to do. I also apologize to everyone for any mistakes and at the same time I wish from the core of my heart that our college flourish in all aspects.

*Long live NCSU*
*Long live Assam*

---

# সাধাৰণ সম্পাদক

**নৱজ্যোতি ডেকা**



জয়-জয়তে ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে সকলো শিক্ষক-শিক্ষয়িত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তি যাচিলো। এই মহাবিদ্যালয়ৰ ২০১১-১২ বৰ্ষৰ বাবে মোক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনিৰ সেৱাৰ সুবিধা কৰি দিয়াৰ বাবে মই সকলো ছাত্ৰ-ছাত্ৰীলৈকে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

নগাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ পাই মই নিজকে ধন্য মনাৰ লগতে এই মহাবিদ্যালয়খনিৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাত মই সচাঁকৈ সুখী। কিন্তু সম্পাদকৰ দৰে এক গুৰু দায়িত্ব পালনৰ ক্ষেত্ৰত কিমান কৃতকাৰ্য হ'ব পাৰিলো সেয়া সময়ে ক'ব আৰু মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী, সহকৰ্মী সকলে ক'ব।

মোৰ কাৰ্যকালৰ ভিতৰত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহ সমাৰোহ, সৰস্বতী পূজা আদি অনুষ্ঠানত ছাত্ৰ-

ছাত্ৰীসকলৰ আন্তৰিকতা, উৎসাহজনক যোগদানে উক্ত কাৰ্যসূচী সমূহ সাফল্যমণ্ডিত কৰি তোলে।

ইয়াৰ উপৰিও ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ মেৰামতি তথা আচবাব যোগান, বাইক ষ্টেণ্ড নিৰ্মাণ আৰু ছাত্ৰ নিবাসৰ মেৰামতি আদি কামত অধ্যক্ষ মহোদয় তথা ছাত্ৰ-একতা সভাৰ তত্ত্বাৱধায়ক শিক্ষক সকলৰ পূৰ্ণ সহযোগিতা মোৰ কাৰ্য্যকালৰ এক উল্লেখযোগ্য দিশ।

নগাঁও মহাবিদ্যালয়ৰ দৰে এখন মহাবিদ্যালয়ৰ আৰু এই মহাবিদ্যালয়ত অধ্যয়নৰত সকলো ছাত্ৰ-ছাত্ৰীৰ সমস্যা এটা বছৰতে সমাধান কৰাটো অসম্ভৱ। সেয়েহে সমাধান কৰিব নোৱাৰা বিষয়সমূহৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰিছো আৰু ভৱিষ্যতে এই সমস্যা সমূহ সমাধান হ'ব বুলি আশা ৰাখিছো।

মোৰ কাৰ্যকালৰ সময়ত মোক সকলো সময়তে দিহা পৰামৰ্শৰে সহায়-সহযোগ আগবঢ়োৱা মোৰ সহকৰ্মী আৰু বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো।

অধ্যক্ষ মহোদয় আৰু মোৰ তত্ত্বাৱধায়ক শিক্ষক জনে সকলো সময়তে সৎ দিহা-পৰামৰ্শৰে সহায়-সহযোগ কৰাৰ বাবে তেখেত সকলৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰি এই মহাবিদ্যালয়খনিৰ ভৱিষ্যত উজ্জ্বল কামনাৰে এই সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

---

## সহকাৰী সাধাৰণ সম্পাদক

**তনুজ্জ্বল গোস্বামী**



প্ৰতিবেদনৰ আৰম্ভণিতে নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ উৎসাহ-উদ্দীপনাৰ বাবে ২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ দায়িত্বভাৰ পালন কৰিবলৈ পালো, তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা হিয়াভৰা ওলগ জনালো।

নগাঁও মহাবিদ্যালয়ৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মোৰ দায়িত্বসমূহ যথাসাধ্য পালন কৰাৰ চেষ্টা কৰিছিলো। নিৰ্বাচনৰ সময়ত আপোনাসৱৰ ওচৰত বহুতো প্ৰতিশ্ৰুতি দিছিলো যদিও সময় আৰু সুযোগৰ অভাৱত সেয়া অসম্পূৰ্ণ হৈ থাকিল তাৰ কাৰণে আপোনাসৱৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ পিছতে মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ অনুষ্ঠিত কৰা হৈছিল। নগাঁও মহাবিদ্যালয়ৰ ২০১১-১২ বৰ্ষৰ সপ্তাহ সমাৰোহখনি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে মই যৎপৰোনাস্তি চেষ্টা চলাইছিলো। তাৰ লগতেই মহাবিদ্যালয়ৰ উন্নয়নৰ সৈতে জড়িত প্ৰতিটো কাৰ্যসূচীতেই মই একতা সভাৰ সাধাৰণ সম্পাদকক সম্পূৰ্ণ সহযোগিতা আগবঢ়াই আহিছিলো। মোৰ সকলোবোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাত মোক প্ৰভুতভাৱে সহায় কৰিছিল বীৰেন্দ্ৰ, নয়ন, কৌশিক, মৃগাংক, কাজু, প্ৰিয়ংকাই।

মোৰ কাৰ্যকালত আমাৰ বিভাগৰ তত্ত্বাৱধায়ক ড০ দিলীপ শৰ্মা ছাৰ আৰু কৃষ্ণকান্ত মেধি ছাৰৰ অভিভাৱকসুলভ ব্যৱহাৰ তথা সহযোগিতাৰ বাবে মই তেখেতসকলৰ প্ৰতি আজীৱন কৃতজ্ঞ হৈ থাকিম।

সৰ্বশেষত মোৰ কাৰ্যকালত জ্ঞাতে অজ্ঞাতে হোৱা সকলো ভুলৰ বাবে মোৰ তত্ত্বাৱধায়ক অধ্যাপক, কৰ্মচাৰী, তথা

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰিছো। অনাগত দিনবোৰত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

*জয়তু নগাঁও মহাবিদ্যালয়*

*জয়তু নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা*

*জয় আই অসম।*

---



## ক্ৰীড়া সম্পাদক

**হীৰকজ্যোতি ভূঞা**

জয়-জয়তে মোৰ প্ৰতিবেদনত সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো যিসকল ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত আমাৰ এই ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে। ইয়াৰ লগতে পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকলক সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰি মোৰ বছৰেকীয়া প্ৰতিবেদনৰ শুভাৰম্ভ কৰিলো।

শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰামৰ্শৰ লগতে যিসকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই এই মহাবিদ্যালয়ৰ ক্ৰীড়া সম্পাদকৰ দায়িত্ব পালন কৰিবলৈ সুবিধা পালো, সেই সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মই ২০১১-১২ বৰ্ষৰ ক্ৰীড়া সম্পাদক পদৰ কাৰ্যভাৰ গ্ৰহণ কৰি নিজৰ কৰ্তব্য সুচাৰুৰূপে চলাই নিবলৈ চেষ্টা কৰিছো। কিন্তু এই ক্ষেত্ৰত মই কিমান দূৰ সফল হ'ব পাৰিছো, সেইটো আপোনালোকৰ বিচাৰ্য। কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছত আমাৰ মহাবিদ্যালয় ক্ৰীড়া সপ্তাহ আৰম্ভ হৈছিল। এই খেলসমূহত বহুতো ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰি সফল হৈছিল। সকলো খেলতে ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়ক শ্ৰীযুত ললিত গগৈ মহোদয় আৰু ড০ চিন্তামনি শৰ্মা ছাৰ প্ৰমুখ্যে সকলো শিক্ষাগুৰু আৰু সহপাঠীয়ে পৰামৰ্শ আগবঢ়াইছিল।

শেষত সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী তথা কৰ্মচাৰী সকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰি মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ আলোচনীখনৰ শুভ কামনাৰে অজানিতে হোৱা ভুল সমূহৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

*জয়তু নগাঁও মহাবিদ্যালয়*

*জয়তু নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা*

*জয় আই অসম।*

---



## সহকাৰী ক্ৰীড়া সম্পাদক

**দৰ্পন বৰা**

প্ৰতিবেদনৰ আৰম্ভণিতে মই দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলক শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু যিসকল ব্যক্তিৰ অশেষ ত্যাগৰ বিনিময়ত নিজ গুণে মহীয়ান নগাঁও মহাবিদ্যালয় আমাৰ সকলোৰে দৃষ্টিত মধ্য অসমৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে সন্মানীয় আসন দখল কৰিবলৈ সক্ষম হৈছে তেখেতসকলক এই সুযোগতে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। এনে এখন সন্মানীয় তথা ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ এক অবিচ্ছেদ অংগ হৈছে ছাত্ৰ একতা সভা আৰু এই ছাত্ৰ

একতা সভাৰ এজন সদস্য হ'বলৈ পাই মই সঁচাকৈয়ে সুখী।

যিসকল বন্ধু-বান্ধৱী তথা ছাত্র-ছাত্রীয়ে মোক নির্বাচনৰ সময়ত আৰু মহাবিদ্যালয়ৰ সকলো কাম কাজত মোক স-শৰীৰেৰে সহায়-সহযোগিতা আগবঢ়াই ২০১১-১২ বৰ্ষৰ নগাঁও মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ নির্বাচনত সহকাৰী ক্রীড়া সম্পাদক পদটিৰ বাবে মোক যোগ্য বিবেচিত কৰিলে তেওঁলোককো এই প্রতিবেদনৰ যোগেদিয়েই অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। নির্বাচনৰ সময়ত যিখিনি প্রতিশ্রুতি দিছিলো, সেই আটাইখিনি মই এই পদটিত থাকি নিষ্ঠাৰে পালন কৰি সফল হ'বলৈ যৎপৰোনাষ্টি চেষ্টা কৰিছিলো। লগতে যিসকল ছাত্র-ছাত্রীয়ে ২০১১-১২ বৰ্ষৰ ছাত্র একতা সভাৰ সকলো পদত জয় লাভ কৰিছে তেওঁলোক সকলোকে ইয়াৰ দ্বাৰা শুভেচ্ছা জ্ঞাপন কৰিলো।

সহকাৰী ক্রীড়া সম্পাদক হিচাপে দায়িত্বভাৰ গ্রহণৰ পাছতেই আহে মহাবিদ্যালয়ৰ গুৰুত্বপূর্ণ সপ্তাহ সমাৰোহ। মোৰ বিভাগীয় দপ্তৰ সমূহ আছিল-- দেহশ্রী প্রতিযোগিতা, বক্সিং প্রতিযোগিতা, পাঞ্জা প্রতিযোগিতা আৰু ভাৰ উত্তোলন প্রতিযোগিতা। এই সকলোখিনি প্রতিযোগিতাত ছাত্র-ছাত্রীৰ বিপুল সঁহাৰি আৰু বিভাগীয় তত্ত্বাৱধায়ক চিন্তামনি শৰ্মা ছাৰৰ সু-পৰামৰ্শৰ লগতে সমূহ ছাত্র-একতা সভাৰ সদস্যসকলৰ সহায়-সহটেযাগিতাত মই মোৰ বিভাগৰ প্রতিযোগিতা সমূহ অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো।

সপ্তাহ সমাৰোহত যিসকল ক্রীড়া প্রেমী ছাত্র-ছাত্রীয়ে প্রতিযোগিতাত অংশ গ্রহণ কৰিছিল, যিসকল জয়ী হৈছিল আৰু যিসকলে দর্শক হিচাপে খেলুৱৈ সকলক প্রতিযোগিতাৰ ক্ষেত্রত উৎসাহ, প্রেৰণা আগবঢ়াই প্রতিযোগিতাসমূহ সাফল্যমণ্ডিত কৰি তোলাত সহায় আগবঢ়াইছিল, তেওঁলোক সকলোকে মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। আচলতে মোৰ মতে খেলত পুৰস্কাৰ লাভ কৰাটো আচল কথা নহয়। তাতোকৈ ডাঙৰ কথা খেলত যোগদান কৰাটোহে। সেয়ে মই প্রায় সকলো খেলত যোগদান কৰি পুৰস্কাৰ লাভ কৰিব নোৱাৰা ছাত্র-ছাত্রীসকলক ক'ব বিচাৰো যে চেষ্টাৰ অসাধ্য একো নাই। পুনঃ পুনঃ চেষ্টা কৰি গ'লে এবাৰ নহয় এবাৰ তেওঁলোকে সুফল লাভ কৰিবই।

মোৰ কার্যকালত সৎ পৰামৰ্শ আৰু উৎসাহ দিয়া বিভাগীয় তত্ত্বাৱধায়ক ড০ চিন্তামণি শৰ্মা ছাৰ আৰু ললিত গগৈ ছাৰৰ লগতে পৰিক্ষিত গগৈ ছাৰ আৰু মোৰ কিছু ঘনিষ্ঠ বন্ধু-বান্ধৱী তথা ছাত্র-ছাত্রী আৰু ২০১১-১২ বৰ্ষৰ সমূহ ছাত্র একতা সভাৰ সদস্যক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। এওঁলোকে মোক খেল পৰিচালনা কৰাত যথেষ্ট সহায়-সহযোগ কৰিছিল আৰু সেয়েহে এওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰম।

শেষত, মোৰ কার্যকালৰ সময়ত যদি কিবা ভুল হৈছে তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা প্রার্থনা বিচাৰিছো আৰু পুনৰবাৰ সমূহ শিক্ষাগুৰু, বিদ্যালয়ৰ কর্মচাৰী তথা মোৰ বন্ধু-বান্ধৱী, ছাত্র-ছাত্রী সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলো। চিৰশান্তি কামনা কৰি লগতে জীৱনত সফলতাৰে আগবাঢ়ি যাবলৈ শিক্ষাগুৰু সকলৰ আশীর্বাদ বিচাৰি নগাঁও জিলাৰ শিক্ষা সংস্কৃতিৰ প্রাণকেন্দ্র তথা মোৰ বিদ্যামন্দিৰ নগাঁও মহাবিদ্যালয়লৈ প্রণাম জনাই মোৰ প্রতিবেদন ইমানতে সামৰিছো।

*বসন্তৰ সেউজীয়াৰে চিৰসেউজ হৈ ৰওঁক*
*নগাঁও মহাবিদ্যালয়।।*

---



## সংগীত সম্পাদক

**তীর্থ প্রতিম শইকীয়া**

নগাঁও মহাবিদ্যালয়খনৰ প্রতি অনুভৱ কৰা আন্তৰিকতা আৰু ছাত্র-ছাত্রীসকলৰ আকাংক্ষাৰ সহাঁৰি হিচাপেই ২০১১-১২ চনত অনুষ্ঠিত হোৱা নগাঁও মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ নির্বাচনত 'সংগীত সম্পাদক'ৰ পদত প্রতিদ্বন্দ্বিতা কৰিছিলো আৰু জয়লাভ কৰিছিলো। এই বাবে মই মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ ওচৰত চিৰকৃতজ্ঞ।

মই মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে 'সত্যৰ সন্ধানত ব্ৰতী সুন্দৰৰ পূজাৰী আৰু দেশৰ সেৱাত ব্ৰতী মহৎ হৃদয়ৰ অধিকাৰীসকলক তথা দেশৰ মাতৃৰ স্বাৰ্থত প্ৰাণ আহুতি দিয়া শ্বহীদসকলক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। সভ্যতাৰ জখলাত মানৱ আগুৱাই যোৱাৰ লগে লগে যিদিনাৰ পৰাই ধৰ্ম, সমাজ, সংগঠন আদিৰ সৃষ্টি হৈছে সেইদিনাৰ পৰাই প্ৰতি ধৰ্ম, প্ৰতি সমাজ, প্ৰতি সংগঠন শৃংখলাৰে, পৰিপাটিকৈ পৰিচালনাৰ কাৰণে নিৰ্দ্ধাৰিত কিছুমান নিয়মৰ সৃষ্টি হৈছে আৰু সেই নিয়মৰ বশৱৰ্তী হৈয়েই সকলো অনুষ্ঠান পৰিচালিত হৈ আহিছে। য'ত নিয়মৰ ধৰা-বন্ধা নাই তাতে বিশৃংখলতা, স্বাৰ্থপৰ মনোবৃত্তি, দুৰ্নীতি আৰম্ভ হয়। আপোনালোকৰ সন্তুষ্ট কৰিব পৰাকৈ মই মোৰ দায়িত্ব পালন কৰাত কিমান সফল হৈছো ইয়াৰ বিচাৰ আপোনালোকেই কৰিব। তথাপি মই মোৰ দায়িত্ব পালনত কোনো ত্ৰুটি কৰা নাই।

সংগীত সম্পাদকৰ গুৰুভাৰ লোৱাৰ পিছতেই মোৰ সন্মুখত আহি পৰে মহাবিদ্যালয়ৰ 'সপ্তাহ সমাৰোহ'। এই সমাৰোহত মই সংগীতৰ অধীনত থকা প্ৰায় সকলো প্ৰতিযোগিতা পাতিবলৈ সক্ষম হৈছিলো আৰু মই আশা কৰাতকৈ বহু বেছি প্ৰতিযোগী লাভ কৰিবলৈ সক্ষম হৈছিলো।

কাৰ্যকালৰ অন্তিম সময়ত মই নৱাগত আদৰণি সভা অনুষ্ঠিত কৰিছিলো। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক অনুষ্ঠানৰ গধুৰ দায়িত্ব মোৰ হাতত প্ৰদান কৰা হৈছিল আৰু মই এই অনুষ্ঠান সুচাৰুৰূপে পৰিচালিত কৰিব পাৰিছিলো। এই ক্ষেত্ৰত তত্বাৱধায়ক শ্ৰীযুত ধ্ৰুৱ জ্যোতি বৰুৱা ছাৰে মোক সু-পৰামৰ্শ দি অনুষ্ঠান পৰিচালনাত সহায় কৰিছিল।

বিগত বছৰটোত আপোনালোকৰ পৰা পোৱা সহায়-সহযোগিতা আৰু আন্তৰিকতাক মই শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো। সঁচাকৈ ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হ'ব পৰাটো মোৰ বাবে গৌৰৱৰ বিষয়। এই বছৰটো হয়তো মোৰ জীৱনৰ এটা সন্মানীয়, অনুভূতিশীল আৰু গৌৰৱময় বছৰ হিচাপে ৰৈ যাব। আৰম্ভণিৰে পৰা শেষলৈ মোক প্ৰতি মুহূৰ্ততে দিহা পৰামৰ্শ দি কৃতাৰ্থ কৰা বাবে সংগীত বিভাগৰ তত্বাৱধায়ক শ্ৰীযুত ধ্ৰুৱ জ্যোতি বৰুৱা ছাৰক মোৰ ভক্তিভৰা সেৱা নিবেদিছো।

শেষত যিসকল ব্যক্তিৰ অশেষ শ্ৰম আৰু ত্যাগৰ ফলত এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ জন্ম হৈছিল সেই নমস্য ব্যক্তি সকললৈ মই মোৰ হিয়া ভৰা শ্ৰদ্ধা নিবেদন কৰিছো। নগাঁও মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

*'জয়তু নগাঁও মহাবিদ্যালয়'।*

---

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক

**মিটু মণি মহন্ত**



প্ৰতিবেদনৰ প্ৰাক্ মূহূৰ্ততে মই মধ্য অসমৰ উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ তথা ঐতিহ্যমণ্ডিত ইতিহাসেৰে পৰিপূৰ্ণ নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপিকা তথা কৰ্মচাৰীবৃন্দ সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা তথা শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে যিসকল মহানুভৱ ব্যক্তিৰ আপ্ৰাণ চেষ্টাত নগাঁও মহাবিদ্যালয়ৰ দৰে এক মহান গৌৰবময় শিক্ষানুষ্ঠানৰ জন্ম হ'ল, সেই সকলোলৈকে মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

নগাঁও মহাবিদ্যালয়ৰ দৰে এক ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ ছাত্ৰ একতা সভাৰ সদস্য হ'বলৈ পাই মই অন্তৰত এক বুজাব নোৱাৰা আনন্দ অনুভৱ কৰিছিলো। ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মই কাৰ্যভাৰ গ্ৰহণ কৰা কিছুদিন পিছতে ২০১১-১২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহ অনুষ্ঠিত হয়। ছাত্ৰ জিৰণি কোঠাৰ অন্তৰ্গত প্ৰতিযোগিতা সমূহৰ ভিতৰত আছিল-- বেডমিণ্টন, কেৰম, ডবা, টেবুল টেনিছ, টাইকোৱানডো আদি। মোৰ বিভাগৰ খেল সমূহ সুকলমে পৰিচালনা

কৰাত সহায়ৰ হাত আগবঢ়োৱা প্ৰণয় দা, নাভেদ দা, প্ৰাঞ্জল, ভাস্কৰলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

এই খিনিতে মই মোৰ বিভাগীয় তত্ত্বাৱধায়ক মোৰ শ্ৰদ্ধাৰ চিন্তামনি শৰ্মা ছাৰলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। মই তেখেতৰ পৰা যি সহায়-সহযোগিতা তথা উপদেশ লাভ কৰিলো তাৰ বাবে মই তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ। তেখেতৰ আপ্ৰাণ চেষ্টাৰ ফলতেই এখন উন্নতমানৰ টেবুল টেনিছৰ বৰ্ড আনিবলৈ সক্ষম হৈছিলো। মোক মোৰ কাৰ্যকালত আৰম্ভণিৰ পৰা সকলো ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা আৰু উৎসাহ দিয়াৰ বাবে পিংকু, চামিম, ৰাজ, নব, বিশ্ব, তন্ময়, ৰক্তিম, আযিকুৰ, দেবাশিষ, বেদান্ত, মৃগাংক, জুতিকা, তাৰা, বৰষা, শিখা, পল্লৱী, লক্ষ্য আদি কৰি সকলোলৈকে আৰু লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচনত জয়ী হোৱাত সহায় কৰিলে তেখেত সকলক মই অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

সৰ্বশেষত নগাঁও মহাবিদ্যালয়ে যাতে সদায় উন্নতিৰ শিখৰ স্পৰ্শ কৰে তাৰে কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

## Girls' Common Room Secretary

**Monalisa Chhetry**



At the very outset I would preface my report with a heartful of gratitude and thanks to all my student friends and teachers who supported me and thought me efficient for the post of Girls' Common Room Secretary.

Among the high-ranked colleges of Assam, Nowgong College also ocupies a position being it a college established before Independence. Since the establishment of this college there has been terrific development in every field. The atmosphere now is totally different from that was fifty years back. The NAAC (National Assessment and Accrediation Council) peer team had re-acc-rediated our college with 'A' Grade. I am proud to be a student of this college.

During the tenure of my post I tried my best for the upliftment of Girls Common Room and tried to provide the required things. Some posters, framed photos, wall hangings and window curtains were provided for the room. Proper water facilities in the toilets and bathrooms as well as basins were provided and also cleaned regularly by the sweeper. I thank our respected principal Dr. Sarat Borkataki for providing a Table Tennis Board for the common room.

During our college-week, many games had to be conducted under Girls Common Room like :- Chess, Carrom, Skipping, Spoon-Marble Race, Pukhuri Paar, flower decoration competition, hair decoration competition, salad competition, pitha-pana competition, Mehendi Competition, Rangoli Competition and the Bridal competition added special beauty to the week. My heartiest respect and thanks to my proffessor-in-charge Mrs. Shirumoni Hazarika, Dept. of History who gave me a large helping hand during the whole week. It was her friendly guidance which inspired me to conduct everything. I also thank all my teachers who helped me during those days and everytime. Those days were indeed the most precious and valuable moments of my study carreer and life.

Those days were stuffed with much responsibilities, and would have been hard to control without the help and support of my friends and mates. I thank every friend of mine who helped me during that period. It is not possible to mention all their name as there were less who had not been able to help me out. So, thanks and thanks to all.

Lastly, I convey my regards to all, and conclude my report with a wish, deep in my heart to see Nowgong College shine much better in future.

"My college has offered much and
I have lots to take still."
***Long Live NCSU***
***Long Live Nowgong College.***

## আলোচনী সম্পাদক



নয়ন জ্যোতি বনিয়া

প্রতিবেদনৰ আৰম্ভণিতেই মই যিসকল ব্যক্তিৰ মহান ত্যাগৰ ফলত নগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল, তেখেতসকলক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সন্মান জ্ঞাপন কৰিলো। প্ৰতিবেদনৰ জৰিয়তে মই সেইসকল ছাত্ৰ-ছাত্ৰীক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো-- যিসকলে মোক এই পদটিৰ বাবে যোগ্য বুলি নিৰ্বাচন কৰিলে।

আলোচনী সম্পাদকৰূপে দায়িত্ব গ্ৰহণৰ ঠিক পিছতেই মোৰ সন্মুখত আহি পৰিছিল মহাবিদ্যালয় সপ্তাহ সমাৰোহ। মহাবিদ্যালয় সপ্তাহ সমাৰোহত সাহিত্য বিভাগৰ প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আগৰ তুলনাত অধিক আছিল যদিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তুলনাত ই আছিল অতি হতাশজনক।

সপ্তাহ সমাৰোহত মোক আদিল, বিজয়, গৌৰাংগ, পংকজ, লক্ষ্মী, শিল্পী, স্মৃতি, মহিবুৰ, মেঘা, নিলাভে যথেষ্ট সহায়-আগবঢ়ালে, যাৰ বাবে তেওঁলোকৰ ওচৰত মই সদায় কৃতজ্ঞ হৈ ৰ'ম।

মহাবিদ্যালয় এখনৰ আলোচনীখন মহাবিদ্যালয়খনৰ দাপোণস্বৰূপ। এই আলোচনীখনৰ মাধ্যমেৰে বহু সুপ্ত প্ৰতিভাৰ জাগৰণ হয়। আলোচনী সম্পাদক হিচাপে মোৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য আছিল মহাবিদ্যালয়ৰ বাবে এখনি সৰ্বাঙ্গসুন্দৰ আলোচনী উপহাৰ দিয়াটো। আলোচনীৰ কাম হাতত লোৱাৰ প্ৰথম অৱস্থাত কি কৰিম, কি নকৰিম একো বুজি পোৱা নাছিলো। কিন্তু এই ক্ষেত্ৰত আলোচনী বিভাগৰ তত্ত্বাৱধায়ক ড০ মনোজ কুমাৰ নাথ চাৰে মোক অজস্ৰ সহায় কৰিলে যাৰ অবিহনে এই আলোচনীখন প্ৰকাশ হোৱাতো কেতিয়াও সম্ভৱপৰ হৈ নুঠিলহেঁতেন। আলোচনীখনৰ ক্ষেত্ৰত মই বহুতো ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুৰ কাষ চাপিছিলো। কিন্তু শৈক্ষিক দিশত অসমৰ আগশাৰীৰ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ পৰা বহু চেষ্টাৰ পিছতো যথেষ্ট সংখ্যক লেখা উলিয়াব নোৱাৰিলো, যিটো সঁচাকৈয়ে এক চিন্তাৰ বিষয়। তথাপিও নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত আলোচনীখন প্ৰকাশৰ বাবে থকা অদম্য হেঁপাহৰ বাবে বহু কষ্ট স্বীকাৰ কৰি হ'লেও লেখাসমূহ সংগ্ৰহ কৰিছিলো। এই ক্ষেত্ৰত মোক সহায় কৰিছিল গংগোত্ৰী গাৰ্গ আৰু সুৰুয ফুকনে।

অৱশেষত বহু কষ্টৰ অন্তত আলোচনীখন নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ হাতত তুলি দিবলৈ সক্ষম হ'লো। মোৰ সীমিত জ্ঞান-বুদ্ধিৰে নগাঁও মহাবিদ্যালয়ৰ আলোচনীখনলৈ কিছু ব্যতিক্ৰম আনিবলৈ চেষ্টা কৰিছো। এই ক্ষেত্ৰত কিমান দূৰ সফল হ'লো নহ'লো সেইটো আপোনাসৱৰ বিচাৰ্যৰ বিষয়। আলোচনীখনত অনিচ্ছাকৃত ভাৱে বৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলো।

শেষত মোক বিভিন্ন ধৰণৰ পৰামৰ্শ আদিৰে উৎসাহিত কৰা শিক্ষাগুৰু মাননীয় অধ্যক্ষ ড০ শৰৎ বৰকটকী ছাৰ, বিভাগীয় তত্ত্বাৱধায়ক ড০ মনোজ কুমাৰ নাথ ছাৰ, অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰীসকল,

সম্পাদনা মেজৰ সমূহ বিষয়-ববীয়াসকল আৰু নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক-সম্পাদিকালৈ কৃতজ্ঞতা জনাই প্ৰতিবেদন সামৰিলো।

*জয়তু নগাঁও মহাবিদ্যালয়*
*জয়তু নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*জয় আই অসম।*

---

## সাংস্কৃতিক সম্পাদক

**মণিষ শেঠিয়া**



জয়-জয়তে মই মোৰ শ্ৰদ্ধাৰ নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সমূহ শিক্ষাগুৰু আৰু লগতে ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই সুযোগতে মই যিসকল মহানুভৱ ব্যক্তিৰ আপ্ৰাণ চেষ্টাত নগাঁও মহাবিদ্যালয়ৰ দৰে এক মহান, গৌৰৱময় শিক্ষানুষ্ঠানৰ জন্ম হ'ল সেইসকললৈ পোন প্ৰথমেই মোৰ সহস্ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ৰপৰা ছাত্ৰ একতা সভাৰ ২০১১-১২ বৰ্ষৰ সাংস্কৃতিক সম্পাদকৰ দৰে এটি গুৰুত্বপূৰ্ণ পদত প্ৰতিদ্বন্দ্বিতা কৰি বিজয়ী হ'বলৈ পাই মই গৌৰৱ অনুভৱ কৰিছো। যিসকল বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচনত বিজয়ী হোৱাত সহায় কৰিলে তেখেতসকলক মই অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ কাৰ্যকাল আৰম্ভ হোৱাৰ লগে লগেই আৰম্ভ হ'ল মহাবিদ্যালয় সপ্তাহ সমাৰোহ। মোৰ সাংস্কৃতিক বিভাগৰ অধীনত থকা সকলো প্ৰতিযোগিতাই সুকলমে অনুষ্ঠিত কৰাত সম্পূৰ্ণ সহায়ৰ হাত আগবঢ়াইছিল মোৰ বিভাগৰ শিক্ষক তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ ড০ নৰ প্ৰসাদ নাথ ডাঙৰীয়াই। এই সুযোগতে শ্ৰদ্ধাৰ ছাৰক মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলো। লগতে প্ৰতিযোগিতাসমূহ সুকলমে চলাই নিয়াত সহায়ৰ হাত আগবঢ়োৱা সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে বিশেষকৈ মোৰ বন্ধু নয়ন, সৌৰভ, ৰজত, নিলীম, দিব্যা, প্ৰাক্তন সাংস্কৃতিক সম্পাদক সৌৰভ দালৈ মোৰ মৰম আৰু শ্ৰদ্ধা এই সুযোগতে যাচিলো। মোৰ উদ্যোগত বহুদিনৰ অপেক্ষাৰ অন্তত এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা সপ্তাহ সমাৰোহ উপলক্ষে উলিয়াবলৈ সক্ষম হৈছিলো। শোভাযাত্ৰাত প্ৰায় দুশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে আৰু ছাৰ-বাইদেউসকলে সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱা বাবে আপোনাসৱক বিশেষভাৱে শ্ৰদ্ধা জ্ঞাপন কৰিলো।

কলেজ সপ্তাহ সমাৰোহৰ পিছতে আহি পৰিল সৰস্বতী পূজা। এইবাৰো এক গধুৰ দায়িত্ব মোৰ আছিল। ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ৰ সৰস্বতী পূজাৰ প্ৰতি সহায়-সহযোগিতা আগবঢ়াই মোৰ ভাল লাগিছিল। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্যই মোক এই পূজাত সহায়ৰ হাত আগবঢ়াইছিল। লগতে শ্ৰদ্ধাৰ নাথ ছাৰৰ পৰা মই বহু সহায় পাইছিলো। এইদৰে সৰস্বতী পূজা উলহ-মালহৰে উদ্‌যাপন কৰিছিলো মোৰ কাৰ্যকালত। এই পূজাত বিশেষভাৱে সহায় কৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক নয়ন জ্যোতি বণিয়াক মোৰ ফালৰপৰা আন্তৰিক মৰম আৰু কৃতজ্ঞতা যাচিলো। ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াকে পূজাত প্ৰয়োজনীয় সহায়-সহযোগিতা কৰা বাবে ধন্যবাদ জনাইছো।

শেষত আকৌ এবাৰ মোৰ শুভাকাংক্ষীসকলৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰি মোৰ প্ৰতিবেদন সামৰিলো।

*জয়তু নগাঁও মহাবিদ্যালয়*
*জয়তু নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা*
*জয় আই অসম।*

# সুকুমাৰ কলা বিভাগৰ সম্পাদক

কুশল বণিয়া



প্ৰতিবেদন আৰম্ভ কৰাৰ আগতে নগাঁও মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলোলৈকে মোৰ হিয়া ভৰা ওলগ জনালো। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ছাত্ৰ-একতা সভাৰ সদস্য হ'বলৈ উৎসাহ তথা প্ৰেৰণা যোগালে তেওঁলোকলৈ এই ছেগতে ধন্যবাদ জ্ঞাপন কৰিলো।

নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ এজন সদস্য হৈ মহাবিদ্যালয়খনিৰ উন্নতিৰ বাবে কাম কৰা মোৰ লক্ষ্য আছিল। সেই লক্ষ্য পূৰণ হৈছিল সেইদিনা যিদিনা অধ্যক্ষ মহোদয় তথা বিষয়ববীয়া চাৰ সকলে মোক মনোনীত কৰিছিল।

ছাত্ৰ-একতা সভাৰ নিৰ্বাচনৰ অলপ দিনৰ পাছতে মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ আৰম্ভ হৈছিল। মোৰ বিভাগৰ প্ৰতিযোগিতা সমূহ আছিল ঃ- চিত্ৰাংকণ, পষ্টাৰিং, মৃৎ শিল্প আৰু প্ৰদৰ্শনী ইত্যাদি। এই প্ৰতিযোগিতা সমূহ চলাই নিবৰ বাবে মোৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ পাপৰি বিশ্বাস। বাইদেৱে মোক সকলো কামতে হাত উজান দিছিল। এই ছেগতে বাইদেউলৈ শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে প্ৰতিযোগিতা সমূহত যি সকল ছাত্ৰ-ছাত্ৰীয়ে আগভাগ লৈছিল তেওঁলোকলৈ মোৰ ধন্যবাদ থাকিল। মোৰ বিভাগৰ এটা কথা ক'বলৈ পাই সুখী হৈছো যে– এইবাৰ নগাঁও মহাবিদ্যালয়ৰ 'শ্ৰেষ্ঠ কলাবিদ'ৰ পুৰস্কাৰ প্ৰদান কৰা হৈছে। এই পুৰস্কাৰ যাতে প্ৰতি বছৰে দিব পৰা যায় তাৰ বাবে ব্যৱস্থা কৰা হৈছে। কাৰণ আজিলৈকে এই পুৰস্কাৰ প্ৰদান কৰা হোৱা নাছিল। এইবাৰ অধ্যক্ষ মহোদয়ৰ অনুমতিত এই পুৰস্কাৰ প্ৰদান কৰিছো। এই পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল প্ৰীতম পালে। তেওঁলৈ এইছেগতে ধন্যবাদ জ্ঞাপন কৰিলো।

সৰ্বশেষত নগাঁও মহাবিদ্যালয়ৰ নাম, যশস্যা বিশ্বৰ দৰবাৰত উপচি পৰক তাৰ কামনা কৰি আৰু মহাবিদ্যালয় পৰিয়ালৰ সমূহ সদস্যক শ্ৰদ্ধা জ্ঞাপন কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলো।

*জয়তু নগাঁও মহাবিদ্যালয়*

*জয়তু নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা।*

---

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক

সুমন দাস



প্ৰতিবেদনৰ আৰম্ভণিতে নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণাম আগবঢ়ালো আৰু লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলোলৈকে মোৰ হিয়াভৰা ওলগ জনালো।

নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এজন সদস্য হৈ মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ উন্নতিত প্ৰচেষ্টা আগবঢ়োৱাটো মোৰ এক সপোন বুলি ক'ব পাৰো। কিয়নো এনে সপোন বহুত ছাত্ৰ-ছাত্ৰীয়ে দেখে যদিও সকলোৰে পুৰণ নহয়। মোৰ এই সপোন পূৰণ হৈছিল সেইদিনা, যিদিনা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে মোক 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ সম্পাদক পদটোৰ বাবে মনোনীত কৰিছিল। অধ্যক্ষ মহোদয় আৰু ছাৰ সকলে মোৰ ওপৰত দেখুওৱা এইকণ আস্থাৰ বাবে মই ছাৰ সকলৰ ওচৰত

চিৰ কৃতজ্ঞ।

নিৰ্বাচনৰ পাছত ২৮ ডিচেম্বৰ, ২০১২ তাৰিখে গুৱাহাটীৰ আৰ্য বিদ্যাপীঠত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত আমি নগাঁও মহাবিদ্যালয়ৰ হৈ অংশগ্ৰহণ কৰিছিলো যদিও পুৰস্কাৰ পাবলৈ সমৰ্থ নহ'লো। এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ ক্ষেত্ৰত মই যিবোৰ সমস্যাৰ সন্মুখীন হৈছিলো, সেই সকলোবোৰ অসুবিধা মোৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ লক্ষ্যজ্যোতি বৰঠাকুৰ ছাৰে দূৰ কৰিছিল।

ইয়াৰ কেইদিনমান পিছতেই মহাবিদ্যালয় সপ্তাহ সমাৰোহ আৰম্ভ হৈছিল। সপ্তাহ সমাৰোহত মোৰ বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহ আছিল তৰ্ক, কুইজ, বক্তৃতা, কবিতা আবৃত্তি আৰু আকস্মিক বক্তৃতা। এই প্ৰতিযোগিতা সমূহ চলাই নিয়াৰ ক্ষেত্ৰত মোৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ লক্ষ্যজ্যোতি বৰঠাকুৰ ছাৰৰ কিছু ব্যক্তিগত অসুবিধা থকাৰ বাবে ইতিহাস বিভাগৰ অধ্যাপক শ্ৰদ্ধাৰ কিশোৰ গোস্বামী ছাৰে মোৰ সকলো অসুবিধা দূৰ কৰিছিল। ইয়াৰ লগতে মোৰ সহপাঠী শিবা ৰয়, চিৰঞ্জিত ৰয়, বিপুল সাহা, ৰূপম দত্ত, অৰ্পূব দত্ত আদিকে ধৰি প্ৰায়খিনি বন্ধুবৰ্গ তথা ছাত্ৰ একতা সভাৰ সকলো সদস্যবৃন্দই মোক যথেষ্ট সহায় আৰু উৎসাহ-উদ্দীপনা যোগাইছিল।

সপ্তাহ সমাৰোহৰ কেইদিনমান পাছত মই অসম চৰকাৰৰ শিক্ষা বিভাগত চাকৰি লাভ কৰা বাবে মহাবিদ্যালয়ৰ কাৰ্যসমূহত অংশগ্ৰহণ কৰিবলৈ আৰু ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন অসুবিধাসমূহ দূৰ কৰাত অসমৰ্থ হৈছিলো।

সদৌ শেষত মোৰ কাৰ্যকালত সকলো দিশতে দিহা পৰামৰ্শ দিয়া মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকলৰ লগতে মোৰ বন্ধু-বান্ধৱীৰ ওচৰত কৰা অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰি আৰু নগাঁও মহাবিদ্যালয়ৰ নাম, যশস্যা সূৰ্যৰ পোহৰৰ দৰে বিশ্বদৰবাৰত বিয়পি পৰক তাকে কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলো।

*জয় আই অসম*

*জয়তু নগাঁও মহাবিদ্যালয়*

*জয়তু নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা।*

---

## ছাত্ৰ কল্যাণনিধি সম্পাদক

**ভাস্কৰ শইকীয়া**



প্ৰতিবেদনৰ প্ৰাৰম্ভণিতেই মই দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলক শ্ৰদ্ধাৰে সোঁৱৰিছো আৰু যিসকল ব্যক্তিৰ মহান ত্যাগৰ বিনিময়ত নগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছে তেখেতসকলক মই এই সুযোগতে শ্ৰদ্ধাঞ্জলি তথা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীবৃন্দ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক নিৰ্বাচিত হোৱাত সহায়-সহযোগ আগবঢ়ালে তেখেত সকললৈও মই অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

নগাঁও মহাবিদ্যালয়ৰ দৰে এক আগশাৰীৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ একতা সভাৰ সদস্য হ'বলৈ পাই মই নিজকে অতি ভাগ্যবান বুলি ভাৱিছো আৰু এই সুযোগ মোক প্ৰদান কৰা বাবে অধ্যক্ষ মহোদয়ৰ লগতে ছাত্ৰ একতা সভাৰ কৰ্তৃপক্ষৰ ওচৰত মই চিৰকৃতজ্ঞ।

মই সম্পাদক হিচাপে দায়িত্ব লোৱাৰ ঠিক পিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহ আৰম্ভ হয়। যদিও সেই

সপ্তাহ সমাৰোহত মোৰ কোনো বিশেষ দায়িত্ব নাছিল, তথাপিও মই আন সম্পাদক সকলে দিয়া দায়িত্ব সমূহ আন্তৰিকতাৰে পালন কৰিবলৈ যত্ন কৰিছিলো। বিশেষকৈ মোৰ সতীৰ্থ সম্পাদক মিতুমণি মহন্ত, কুশল বনিয়া, দৰ্পন বৰা আৰু মনালিছা ছেত্ৰীক মই সহায়ৰ হাত আগবঢ়াইছিলো। এজন ছাত্ৰ কল্যাণনিধিৰ সম্পাদক হিচাপে মই আৰ্থিক ভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলৰ পৰা বহু সংখ্যক আবেদন পত্ৰ লাভ কৰো, কিন্তু যথেষ্ট পৰিমাণৰ পুঁজি নথকাৰ বাবে কিছু সংখ্যককহে সহায় কৰিবলৈ সক্ষম হ'লো। এইক্ষেত্ৰত মোক মোৰ তত্বাৱধায়ক আফজালুৰ ৰহমান ছাৰে যথেষ্ট সহায় আৰু অনুপ্ৰেৰণা আগবঢ়াইছে। এই সুযোগতে মই শ্ৰদ্ধাৰ আফজালুৰ ৰহমান ছাৰৰ বহুমূলীয়া উপদেশ আৰু সহায়ৰ বাবে বিশেষভাৱে কৃতজ্ঞতা স্বীকাৰ কৰিছো।

সদৌ শেষত অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে অধ্যক্ষ, শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰি লগতে ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ৰ দীৰ্ঘায়ু তথা সৰ্বাংগীণ উন্নতি কামনা কৰি ইমানতে প্ৰতিবেদন সামৰিলোঁ।

*জয়তু নগাঁও মহাবিদ্যালয়*

*জয়তু নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা*

*জয় আই অসম।*



# আমাৰ গৌৰৱ

## ২০১২ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকলৰ তালিকা

## ARTS

| ARABIC | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 3 | Md. Wadudur Rahman |

| BENGALI | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 12 | Bijoya Sutradhar |

| ASSAMESE | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 9 | Anubhuti Gayan (D) |
| 2 | 27 | Chinu Kamal Hazarika (D) |
| 3 | 37 | Jahnabee Basumatary |
| 4 | 41 | Mayuri Deka |
| 5 | 47 | Runa Saikia |
| 6 | 51 | Zarina Begum |
| 7 | 54 | Pallabi Hazarika (D) |
| 8 | 57 | Minakshi Borah |

| ECONOMICS | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 15 | Shraddhanjali Bhattacharjee |
| 2 | 32 | Ritusmita Gautam |
| 3 | 42 | Pallabi Tamuly |
| 4 | 89 | Chayanika Boruah |

| PHILOSOPHY | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 41 | Silpi Sikha Goswami (D) |

| ENGLISH | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 11 | Wabida Khatun Ali (D) |
| 2 | 12 | Sabnam Parvez (D) |

| HISTORY | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 11 | Himadri Hazarika (D) |
| 2 | 32 | Mrigashree Bora |

| SANSKRIT | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 6 | Cimpy Borah (D) |
| 2 | 8 | Sushmita Dey |

| EDUCATION | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 33 | Puja Kalita (D) |
| 2 | 33 | Shanti Dey |
| 3 | 46 | Mridusmita Borah |
| 4 | 53 | Akankshya Saikia |
| 5 | 72 | Tawhida Akhtar |
| 6 | 77 | Gautam Baidya (D) |
| 7 | 81 | Sangita Borkataki |
| 8 | 82 | Archana Devi |
| 9 | 86 | Gautam Boruah |
| 10 | 90 | Gulakshmi Rekha Bora |
| 11 | 96 | Rina Das |
| 12 | 97 | Munmi Devi Borah |
| 13 | 97 | Pallabi Sarma |
| 14 | 101 | Deba Kirkor Kalita |

| POLITICAL SCIENCE | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 14 | Karabi Rani Borah (D) |
| 2 | 24 | Moonmoon Debnath (D) |
| 3 | 40 | Pryianka Saikia (D) |
| 4 | 48 | Shanti Kumari Devi (D) |
| 5 | 52 | Himashri Kalita (D) |
| 6 | 62 | Gitika Aryya (D) |
| 7 | 72 | Rimjim Bora (D) |
| 8 | 72 | Dikshita Bairagi (D) |
| 9 | 73 | Pallabi Palakshi Bora |

| GEOGRAPHY | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 1 | Banshree Devi (D) |
| 2 | 2 | Nabajyoti Nath (D) |
| 3 | 13 | Pranjana Borah (D) |
| 4 | 18 | Amit Kumar Yadav (D) |
| 5 | 34 | Esha Das (D) |
| 6 | 36 | Samima Nasrin (D) |
| 7 | 38 | Pradakshina Sandilya (D) |
| 8 | 40 | Aplana Bordoloi |
| 9 | 47 | Sangetta Prasad |
| 10 | 48 | Rashmirekha Devi (D) |
| 11 | 66 | Mousum Hira |
| 12 | 67 | Lakshi Devi (D) |
| 13 | 73 | Rimjim Bora |
| 14 | 74 | Jimpi Kalita (D) |
| 15 | 76 | Rinkumoni Kalita |
| 16 | 77 | Priyanuz Goswami |
| 17 | 78 | Pooja Saikia |
| 18 | 82 | Rebecca Kramsapi |
| 19 | 85 | Josna Tissopi |
| 20 | 89 | Rimlya Borah (D) |
| 21 | 94 | Sanghamitra Saikia |
| 22 | 96 | Utpala Hazarika |
| 23 | 98 | Bonti Ronghangpi |
| 24 | 102 | Abhinab Bora |
| 25 | 104 | Karuna Das |
| 26 | 107 | Sanjib Saikia |
| 27 | 110 | Tribeni Sarma |

# SCIENCE

| BOTANY | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 16 | Sabina Yeasmin (D) |
| 2 | 20 | Nabanita Devi (D) |
| 3 | 22 | Sangeeta Dadhara |
| 4 | 50 | Siva Prasad Das |

| CHEMISTRY | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 6 | Geetashree Bora (D) |
| 2 | 18 | Ankita Deb (D) |
| 3 | 30 | Shrabani Das (D) |
| 4 | 34 | Pampi Bora (D) |
| 5 | 36 | Sameeran Kumar Das (D) |
| 6 | 69 | Achyut Kamal Tamuli |
| 7 | 69 | Chandra Mohan Saikia (D) |

| PHYSICS | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 3 | Pratikshya Bezbaruah (D) |
| 2 | 41 | Rupjyoti Borah (D) |
| 3 | 41 | Pratima Borah (D) |
| 4 | 43 | Kingsuk Kashyap Kalita (D) |
| 5 | 56 | Smita Das |
| 6 | 85 | Dhruba Jyoti Das |

| STATISTICS | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 24 | Umme Habiba Rahman |

| MATHEMATICS | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 9 | Jitendra Nath Sarmah |

| ZOOLOGY | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 25 | Manikongkona Kataki (D) |
| 2 | 51 | Shilpa Baidya |
| 3 | 51 | Dola Das (D) |
| 4 | 70 | Rizi Hazarika |
| 5 | 74 | Bagmita Bezbora |
| 6 | 98 | Megha goswami |
| 7 | 102 | Pallabi Medhi |
| 8 | 111 | Honey Bhuyan |

# COMMERCE

| ACCOUNTANCY | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 22 | Kiran Ratusaria (D) |
| 2 | 45 | Priyanka Barman (D) |
| 3 | 49 | Satrishna Bharali (D) |
| 4 | 52 | Urmi Rajkhowa (D) |
| 5 | 81 | Garima Agarwal (D) |
| 6 | 96 | Maya Kumari Jhanwar (D) |
| 7 | 104 | Punam Devi (D) |
| 8 | 121 | Papiya Das (D) |
| 9 | 131 | Priyanka Kheria (D) |
| 10 | 132 | Ankita Mazumder (D) |
| 11 | 132 | Famina Jamil |
| 12 | 140 | Partha Pratim Biswas |
| 13 | 149 | Sumita Dey |
| 14 | 151 | Biswajit Nath (D) |
| 15 | 154 | Roshan Dugar |
| 16 | 155 | Nayanmoni Barman (D) |
| 17 | 159 | Bhaskar Saikia |
| 18 | 161 | Parsho Jyoti Das |
| 19 | 103 | Aayushi Kajriwal (D) |

| MANAGEMENT | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 57 | Alakesh Baruah |

| FINANCE | | |
|---|---|---|
| Sl. No. | Rank | Name |
| 1 | 1 | Debasish Mahanta (D) |

| M.A. Final Examination (in Assamese) 1st Class Holders | |
|---|---|
| Sl. No. | Name |
| 1 | Achyut Kumar Saikia |
| 2 | Nirmala Prabha Saikia |
| 3 | Asma Begum |

## ছাত্ৰ একতা সভাৰ উপ-সভাপতি, সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদকৰ তালিকা

### The General Secretary of Nowgong College Students Union (1970-2012)

Sri Anil Sharma
Sri Swahid Anil Borah
Sri Bhuban Chandra
Sri Gautam Borah
Sri Dharani Borah
Sri Bibhu Bharali (i/c)
Sri Bibhu Bharali
Sri Biswajit Bordoloi (Nominated)
Sri Sibananda Kakoty (i/c)
Sri Ahidur Zaman
Sir Girindra Kumar Baruah
Sri Sarat Barkataki
Sri Ajit Singh
Sri Bijoy Kumar Borthakur
Sri Chimal Deuri
Sri Surajit Goswami
Sri Pitambar Saikia
Sri Ranjit Nath
Sri Abhijeet Goswami
Sri Amarjeet Goswami
Sri Bhabesh kumar Saikia
Sri Ratul Kumar Nath (i/c)
Sri Dipu Hazarika
Sir Ranjan Barkakoty (Golden Jublee year)
Sri Mahendra Konwar (Golden Jublee year)
Sri Manabjyoti Bhattacharyya
Sri Chandra Bhanu Bhuyan
Sri Ankur Borah
Sri Bedabrata Sharma
Sri Chandra Sekhar Sharma
Sri Bimalesh Talukder
Sri Moon Kumar Borah
Sri Mousum Das
Sri Horen Dolle
Sri Rajat Bordoloi
Sri Abhijit Borah.
Sri Raj Pallab Saha
Sri Hriday Jeet Bora
Sri Jukti Shidha Borkakati
Sri Naba Jyoti Deka

### The Vice-President of Nowgong College Students Union (1981-2012)

Sri Dharma Bhatta
Sri Pabitra Pran Sarma
Sri Bijoy Borthakur
Sri Trilochan Borah
Sri Surajit Goswami
Sri Ashish Kumar Saikia
Sri Arun Kumar Sinha
Sri Pranjal Bharali
Sri Raju Goswami
Sri Hiranya Mahanta
Sri Rajib Kumar Borah
Sri Dipankar Rai
Sri Navajyoti Saikia
Sri Bhaskar Jyoti Goswami
Sri Ikram Hussain
Sri Bhaskar Jyoti Baruah
Sri Anjanmoni Baruah
Sri Sunil Borah
Sri Lakshya Jyoti Saikia
Sri Karuna Sinha
Sri Rahul Debgoswami
Sri Deepmoni Borah
Sri Hemanta Madhav Borah
Sri Jyotisman Bora
Sri Suman Saikia
Sri Mridupawan Gayan
Sri Parsho Jyoti Das

### The Editors of Nowgong College Students Union (1945-2012)

Sri Mahim Borah
Sri Devendra Nath Hazarika
Sri Taroon Phukan
Sri A. Goswami
Sri Prafulla Ch. Mahanta
Sri Amulya Ch. Nath
Sri Keshava Nanda Deva Goswami
Sri Borzen Borthakur
Sri Kabin Borah
Sir Renuka Ranjan Kotoky
Sri Pradyunma Narayan Deva Goswami
Sri Kiran Mahanta
Sri Robin Deka
Sri Padma Pator
Sri Padma Pator
Sri Jagat Hazarika
Sri Zinnatul Islam
Sri Been Borbora
Sri Luit Borah
Sri Gunindra Gayan
Sri Muruli Sarma
Sri Tizul Islam Baksh
Sri Amulya Nath
Sri Mukul Sarma
Sri Papul Borah
Sir Jyotrimoy Chakraborty
Sri Jayanta Sarma
Sri Surajit Goswami
Sri Surajit Goswami
Sri Monoj Kr. Das
SriDevajit Borah
Sri Rajib Kr. Hazarika
Sri Mrinal Borah
Sri Akhil Bhagawati
Sri Navajyoti Mahanta
Sri Apurba Kr. Baruah
Sri Mantu Borah
Sri Partha Pratim Saikia
Sri Hemanta Kumar Borah
Sri Debasish Bezbaruah
Sri Pankaj Pratim Mahanta
Sri Kuldeep Bora
Sri Bharat Gohain
Sri Mridu Paban Bora
Sri Nayan Jyoti Talukdar
Sri Bongkim Baruah
Sri Enjoy Ivon Phillips }
Sri Lakhimi Sharma }
Sri Indranil Kakati
Sri Noyan Jyoti Bonia

# নগাঁও মহাবিদ্যালয়, ২০১১-১২



মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱসত পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত আলোক গোস্বামীক আদৰণি জনোৱা মুহূৰ্তত অধ্যক্ষ



নগাঁও মহাবিদ্যালয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় আলোচনা চক্ৰত ভাষণৰত অৱস্থাত 'নাক'ৰ সহকাৰী উপদেষ্টা ড° গণেশ এ. হেগড়ে (জুলাই ২৫, ২০১২)



## নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্যসকল, ২০১১-১২ বৰ্ষ



গুৱাহাটী বিশ্ববিদ্যালয়ৰ ২০১২ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে প্ৰথম শ্ৰেণী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ লগত অধ্যক্ষ (৭আগষ্ট, ২০১২)

# মহাবিদ্যালয় সপ্তাহ সমাৰোহ, ২০১১-১২ বৰ্ষৰ কেইটামান মুহূৰ্ত


















# আমাৰ গৌৰৱ





অধ্যক্ষই আদৰণি জনোৱা মুহূৰ্তত স্নাতক চূড়ান্ত পৰীক্ষাৰ বাণিজ্য শাখাৰ বিত্ত (Finance) বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰা দেৱাশীষ মহন্ত আৰু কলা শাখাৰ ভূগোল বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰা বনশ্ৰী দেৱী



**প্ৰীতম পাল**
শ্ৰেষ্ঠ চিত্ৰশিল্পী



**জয়ন্ত দাস**
শ্ৰেষ্ঠ কেৰম খেলুৱৈ



**কৃষ্ণ কিংকৰ খাটনিয়াৰ**
২০১১ বৰ্ষৰ গুঃবিঃ যুৱ মহোঃ শ্ৰেষ্ঠ কবিতা আৰু বক্তৃতা প্ৰঃ ২য়শ্ৰেষ্ঠ প্ৰতিযোগী



**জুবেৰ মঃ মিফতাউল হক**
২৬ তম উত্তৰ-পূৱ যুৱ মহোৎসৱৰ পুৰুষ শ্ৰেণীত প্ৰথম স্থান প্ৰাপ্ত বেডমিণ্টন খেলুৱৈ



**মুকেশ বনিয়া**
মিষ্টাৰ নগাঁও কলেজ



**নিল্লোতপল বৰা**
শ্ৰেষ্ঠ অভিনেতা



**পিজুজ প্ৰীতম বৰা**
শ্ৰেষ্ঠ টেবুল টেনিচ খেলুৱৈ



**চুম্পি কংকণা বৰা**
শ্ৰেষ্ঠ মহিলা এথলেটিয়ান



**মঃ ৰিকি হুছেইন**
শ্ৰেষ্ঠ বক্সাৰ



**সমন্বয় লস্কৰ**
শ্ৰেষ্ঠ ক্ৰীড়াবিদ



**সৌৰভ কুমাৰ বৰা**
চেম্পিয়ন অফ দা চেম্পিয়ন



**বীৰেন্দ্ৰ কুমাৰ দাস**
শ্ৰেষ্ঠ কিবৰ্ড বাদক



**প্ৰাঞ্জল বৰা**
শ্ৰেষ্ঠ বেডমিণ্টন খেলুৱৈ (চিংগল, ডাবল)



**গীতামনি বৰা**
শ্ৰেষ্ঠ সাহিত্যিক



**প্ৰাণজিৎ শইকীয়া**
২য় শ্ৰেষ্ঠ গায়ক



**দেৱজিৎ হাজৰিকা**
নগাঁও কলেজ ষ্ট্ৰং মেন



**শুভ্ৰদ্বীপ ৰয়**
হেভিৱেট বক্সিং চেম্পিয়ন



**হিমাংশু বৰা**
শ্ৰেষ্ঠ ভলীবল খেলুৱৈ



**হিৰু কাশ্যপ**
শ্ৰেষ্ঠ পৰিচালক, সহ অভিনেতা যুৱ মঃ



**অবিস্মিতা বৰুৱা**
শ্ৰেষ্ঠা গায়িকা



**হিমাক্ষী বৈদ্য**
১২তম উঃ পূঃ কেৰম প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ



প্ৰয়াত ভূপেন হাজৰিকাৰ সোঁৱৰণীত অনুষ্ঠিত 'যাযাবৰ ২০১২'ত নগাঁও মহাবিদ্যালয়ৰ পৰা প্ৰতিনিধিত্ব কৰা ছাত্ৰ সঞ্জীৱ কলিতা, নাৱাফ হেলমী আৰু বীৰেন্দ্ৰ কুমাৰ দাস



ড° বি. কে. বি. মহাবিদ্যালয়, পুৰণিগুদামত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা, ২০১২ত বাওফালৰ পৰা ক্ৰমে কৃষ্ণ কিংকৰ খাটনিয়াৰ আৰু পাৰ্থ প্ৰতিম খাটনিয়াৰে ২য় শ্ৰেষ্ঠ দল আৰু কৃষ্ণ কিংকৰ খাটনিয়াৰে ২য় শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান লাভ কৰে।



**আল্পনা বৰদলৈ**
ফ্ৰে শৃঙ্গ (হিমালয়) আৰোহণ কৰা উত্তৰ-পূৰ্বৰ একমাত্ৰ প্ৰতিনিধি




যোৱা ২৫ আৰু ২৬ জুলাই ২০১২ তাৰিখে 'নাক'ৰ সৌজন্যত নগাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ



যোৱা ৭ আগষ্ট ২০১২ তাৰিখে মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত ভাষণৰত অৱস্থাত বিশিষ্ট নিবন্ধকাৰ ড° সুনীল কুমাৰ শইকীয়া



নগাঁও কলেজৰ শ্বহীদ প্ৰভাত পাট ছাত্ৰী নিবাসত নাৰিকল পুলি ৰোপ কাৰ্যসূচীত অংশগ্ৰহণ কৰি আবাসী সকলৰ লগত মতবিনিময় কৰ মুহূৰ্তত বন আৰু পৰিবেশ মন্ত্ৰী শ্ৰীযুত ৰকিবুল হুছেইন




মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ মুকলি সভাত আৰম্ভণি গীত পৰিবেশন

# মহাবিদ্যালয় সঙ্গীত

কথা ঃ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা
সুৰ ঃ যজ্ঞ বেজবৰুৱা

গাওঁ আহা সমনীয়া
গাওঁ আহা লগৰীয়া
সুৰৰ লহৰ তুলি
পোহৰৰে গীত গাই
পবিত্ৰ কৰো আমি চিত
গাওঁ সবে আদৰণি গীত
গাওঁ সবে আগমনি গীত।।
পোহৰৰ ঢৌৱে ঢৌৱে
দেশ-দেশান্তৰে
আকাশ-মহাকাশে
জ্ঞান-বিজ্ঞানেৰে
বৰষিছে ধৰণীত
কতনা অমৃত--
(আজি) মন-প্ৰাণ কৰি আলোকিত।।
অজ্ঞানতা দানৱৰ
নাগ-পাশ ছিঙি-ভাঙি
এন্ধাৰক কৰো বিতাৰিত
কালজয়ী মানৱৰ
সুন্দৰৰ বন্দনা
জীৱনৰ বিজয়ী সংগীত।।

০০০

"যেমটা" তাল ১২ মাত্ৰাৰ যদিও ৬ মাত্ৰা কৰি প্ৰয়োগ কৰা হৈছে।

বোল :- +ধা ধেৎ ধে ০না ধি না | ধা তি না ১না ধি না

স্থায়ী —

| | | | | | |
|---|---|---|---|---|---|
| — | সাঁ | সাঁৰেঁ | নিসাঁনি | পা | মা |
| S | গাওঁ | আ | হা | স | ম |
| মা | পা | — | — | পা | সাঁ |
| নী | য়া | S | S | এ | হেই |
| — | সাঁ | সাঁৰেঁ | নিসাঁনি | পা | মা |
| S | গাওঁ | আ | হা | ল | গ |
| মা | পা | — | মা | — | গাসা. |
| ৰী | য়া | S | S | S | S |
| — | সা.গা | সা.নি. | সা. | — | সা. |
| S | সুৰৰ | লহ | ৰ | তু | লি |
| — | সা.গা | সা.নি | সা. | — | সা. |
| S | পোহৰ | ৰে | গী | ত | গাই |
| পা | গাঁ | — | সাঁসাঁ | ৰেঁ | নি |
| প | ৰি | এ | ক | ৰোঁ | আমি |
| সাঁ | — | — | নিসাঁ | ৰেঁসাঁ | নিপা |
| চি | S | S | S | S | ত |
| পা | গাঁ | — | সাঁসাঁ | ৰেঁ | নি |
| প | ৰি | এ | ক | ৰোঁ | আমি |
| সাঁ | — | — | — | — | — |
| চি | S | S | S | S | ত |
| — | পাধা | পামা | পা | — | — |
| S | গাওঁ | সবে | আ | নন্দ | নি |
| পা | পাধা | পামা | পা | — | — |
| গীত | গাওঁ | সবে | আ | নন্দ | নী |
| পা | সাঁ | সাঁৰেঁ | নিসাঁনি | পা | মা |
| গীত | গাওঁ | আ | হা | স | ম |
| মা | পা | — | — | — | — |
| নী | য়া | S | S | S | S |

১ম অন্তৰা –

— সাগা মাগা পামাগা পামাগা
ঽ পোহৰ বৰ ঢৌ তুলে ঢৌ তুলে
মা. গা মা. — মা. —
দে শ দেশান্ত ৰে ঽ
— মাগা মাগা পা মা গা পামাগা
আ কাশ ম হা কা শে
মা. গা মা. — — —
জ্ঞান দি জ্ঞা নে ৰে ঽ
— গামা পানি পানি সাঁ গাঁ
ঽ বৰ হীৰে ধৰ নীত
— গাঁ ৰেঁ সাঁ নি সাঁ সাঁসাঁ
ঽ কত নো অ মৃত আজি
— নিসাঁ সাঁৰেঁ নিসাঁনি পামা
মন প্ৰান কাৰি আলো
পা — — মা — গা মা.
কি ঽ ঽ ঽ ঽ ত । সুৰৰ লহৰ তুলি....

২য় অন্তৰা

মা. গা গামা মা গা পামা গা
অ জা ন তা দা ন ৱৰ
— মা.গা মাগা নি. — মা.—
ঽ নাগ পাশ ছিড়ি ভা ঙি
— মা.গা মা.গা নি. — মা.—
ঽ নাগ পাশ ছিঁড়ি ভাঙি
— গামা পানি পা নি সাঁগাঁৰেঁ
ঽ অন্ধা ৰক কে ৰে বিতা
সাঁ — — — — —
ৰি ঽ ঽ ঽ ঽ ত
— পানি নিনি পানি সাঁ গাঁ —
ঽ কাল জয়ী মান ব ৰ
ৰেঁগাঁ সাঁৰেঁ নি সা — —
সুন দৰ ৰ ব ন্দ না
— সাঁ সাঁৰেঁ নিসানি পা মা
ঽ জীৱ নৰ বিজয়ী স ং
মা পা — মা — গা মা.
গী ঽ ঽ ঽ ঽ ঽ ত । সুৰৰ লহৰ তুলি...

সুৰ্বালিপি – গোটেইখন পাৰ্থিৱে যুক্তভাৱে সুৰকাৰ যতেন্দ্ৰৰ দ্বাৰাই।





*Mother Teressa*
M. F. Hussain



*Guernica (1937)*
Pablo Picasso



*Brooding*
Rabindranath Tagore



*Three Women*
Amrita Sher-Gil

মুদ্ৰণ ঃ সূৰ্য্য প্ৰিণ্টিং ৱৰ্কচ, গোপীনাথ বৰদলৈ পথ, ফৌজদাৰী পট্টি, নগাঁও, ফোন নং (০৩৬৭২) ২৩০৯৭০